


শ্ৰীকিশোৰ কুমাৰ কলিতা, পাঠশালা

# সূত্ৰধাৰ

## বিষয়-সূচী

তৃতীয় বছৰ ত্ৰয়োদশ সংখ্যা,
১৬-৩১ জুলাই, ১৯৯১
Vol. III, No. 13,
16-31 July, 1991

বিশেষ নিবন্ধ

**অসমৰ সাম্প্ৰতিক শিল্পকলা ২২**

এই শতিকাৰ তৃতীয় দশকৰ পৰাহে অসমত চিত্ৰ কলাৰ এক আধুনিক ধাৰাই গা কৰি উঠিছিল। সেইদিন ধৰি বিভিন্ন পৰিক্ৰমাৰ মাজেৰে আহি অসমৰ সাম্প্ৰতিক শিল্পকলাই এক পথত বাট বুলিছে। অসমত শিল্প চৰ্চাৰ পৰিবেশ, ইয়াৰ বিভিন্ন সমস্যা, তথা আধুনিক শিল্পকলাত উল্লেখনীয় শিল্পী সকলৰ সমীক্ষাসূচক এই বিশেষ নিবন্ধটি আগবঢ়াইছে হেমন্ত বৰ্মনে।

প্ৰচ্ছদ নিবন্ধ

**এটি প্ৰাণৱন্ত শিল্পানুষ্ঠান: গুৱাহাটী আৰ্টিষ্টছ গীল্ড ৩০**

১৯৭৬ চনত জন্ম হোৱা গুৱাহাটী আৰ্টিষ্টছ গীল্ডে চলিত বছৰৰ ১১ জুলাইত ১৫ বছৰত ভৰি দিছেহি। শিল্প কলাৰ প্ৰতি মানুহক সজাগ সচেতন কৰাত গুৱাহাটী আৰ্টিষ্টছ গীল্ডৰ বৰঙণি নুই কৰিব নোৱাৰি। গুৱাহাটী আৰ্টিষ্টছ গীল্ডৰ জন্ম বৃত্তান্তৰ চমু আভাষ দিয়াৰ লগতে এই অনুষ্ঠানটিৰ সৈতে জড়িত কেইগৰাকীমান বিশিষ্ট ব্যক্তিৰ সৈতে এক সাক্ষাৎকাৰ আগবঢ়াইছে মালবিকা পাঠকে।

সাময়িক প্ৰসংগ
আলহীৰ তেজেৰে যেতিয়া মজিয়া ভক্‌ভকায় □ দুলাল বৰা ৭

ৰাজনীতি
শান্তিৰ বাতাবৰণ সৃষ্টি হবনে? □ গিৰীশ চন্দ্ৰ শৰ্মা ৯

ৰাজধানী সংবাদ
হলা গছত বাগী কুঠাৰ: ভৃগু কুমাৰ ফুকন বনাম পুলিচ
□ হৰেন বুঢ়াগোহাঞি ১১

সংবাদ প্ৰবাহ
আৰক্ষীৰ চোৰাংচোৱাৰ তুলনাত আলফাৰ চোৰাংচোৱা শক্তিশালী
□ ত্ৰিনয়ন ১৩

নিৰ্বাচন
অগপ-ৰ বিভাজনে কংগ্ৰেছ (ই)ৰ বিজয় অনা নাই □ শৰৎ চন্দ্ৰ নেওগ ১৫

দৃষ্টিকোণ
বিচাৰৰ বাবে □ প্ৰহলাদ বৰুৱা ১৬

ৰাজনীতি
আঞ্চলিকতাবাদৰ অপমৃত্যু □ হিতেন মহন্ত ১৮

বিশ্ববিদ্যালয়ৰ বাতৰি
গুৱাহাটী বিশ্ববিদ্যালয় আৰু ৰাজনীতি □ [illegible]

ৰাজনীতি
বিৰোধী দল আৰু অসমৰ ভৱিষ্যত
□ ভাস্কৰজ্যোতি বৰা আৰু পাৰ্থপ্ৰতিম দাস ২০

বিশেষ নিবন্ধ
পুঞ্জীভূত মৰ্মবেদনাৰে জৰ্জৰিত:
অৱহেলিত মৰাণ সকল □ নকুল দত্ত ৩৬

শিল্প চিন্তা
গছ, কেনভাচ আৰু কটা মূৰে ছানি ধৰা আকাশ
□ ৰণজিৎ কুমাৰ ৰাজবংশী ৪৬

বিচিত্ৰা
সুদক্ষ প্ৰধান শিক্ষক, প্ৰবীণ সাহিত্যিক ৰঘুনাথদেৱ চৌধুৰী
□ প্ৰসন্ন কুমাৰ ডেকা ৪৮

মতামত
নিৰ্বাচন শিক্ষা নতুন চৰকাৰে লবনে? □ দুলাল খাউন্ড ৫৬

বিচিত্ৰা
চিটি বাছ, সংৰক্ষিত আসন আৰু নাৰী মৰ্যাদা □ হৰিচৰণ দাস ৫৭

বিচিত্ৰা
এগৰাকী সাহসী বন বিষয়া:
ৰিচাৰ্ড লিকি □ ডিম্বেশ্বৰ চলিহা ৫৯

চিঠি ৪
সম্পাদকীয় ৫
সম্পাদকৰ টোকাবহী ৪১
কবিতা ৪২
গল্প ৪৩
ডিক্টন ৫০
প্ৰাত্যহিক ৬১

বেটুপাত – চম্পক বৰবৰা

সম্পাদক (অবৈতনিক)
হোমেন বৰগোহাঞি

সম্পাদনা সহকাৰী
মালবিকা পাঠক

মুখ্য প্ৰতিবেদক
হৰেন বুঢ়াগোহাঞি

কলা নিৰ্দেশক
চম্পক বৰবৰা

কাৰ্যধ্যক্ষ
অনিল কুমাৰ গগৈ

পূৰবী প্ৰকাশন প্ৰাইভেট লিমিটেডৰ হৈ অনিল কুমাৰ গগৈৰ দ্বাৰা ইষ্টাৰ্ণ প্ৰেছ এণ্ড পাব্লিকেশ্যনচ প্ৰা: লি:-ত মুদ্ৰিত আৰু মনজেৰা হাউচ, মতিলাল নেহৰু ৰোড, পানবজাৰ, গুৱাহাটী- ১-ৰ পৰা প্ৰকাশিত: □ ফোন ২৪৮৫৪, ২৭৮২৩, ৩৩৬১৮

Business Manager (New Delhi) P.K. Narain/121 Ashok Vihar, New Delhi-110052. Ph. 7231350(R) □

OKDISCD

## ভাষাই আত্মহত্যা নকৰে

চৰকাৰী কাৰ্যালয় আৰু অফিচ আদালতৰ আগত চৰকাৰী জাননী ফলি অঁৰা হৈছেঃ 'ভাষা আইনক শ্ৰদ্ধা জনাওঁক। চৰকাৰী কাৰ্যালয় আৰু আদালতৰ কামত অসমীয়া ভাষা প্ৰয়োগ কৰক।' ৰাইজেও ভাষা আন্দোলন কৰি আহিছে। ভাষাৰ ভিত্তিত ৰাজ্য পুনৰ্গঠনৰ দাবীৰ কথা নক'লোৱেইবা। তথাপিও অসমীয়া ভাষাৰ মৰণ ভয় নুগুচিল। অসমীয়া ভাষাৰ ঠাইত আন ভাষাৰ প্ৰয়োগ হোৱা দেখি, প্ৰায় সকলো ক্ষেত্ৰতে অসমীয়া ভাষাৰ প্ৰয়োগ কমকৈ হোৱা দেখি অথবা জোৰকৈ অসমীয়া ভাষাক ঠেলি অইন ভাষাক অফিচ আদালতৰ কাম-কাজ আদিত ব্যৱহাৰ কৰা দেখিলে নিশ্চয় নিজৰ ভাষা-প্ৰেম থকা সকলে ভয় নকৰি নেথাকে। এই ভয়ক সামূহিক স্বীকৃতি দিয়া হ'ল। অসমীয়া জাতিৰ অস্তিত্বৰ প্ৰশ্নত সেয়ে ভাষাৰ কথাও সাঙোৰ খাই পৰিল। শেহতীয়াকৈ অসম-চুক্তিত অসমীয়া ভাষা-সংস্কৃতিক সাংবিধানিক ৰক্ষণাবেক্ষণ দিয়াৰ কথাও লিপিবদ্ধ কৰোৱা হ'ল। এইয়া যে চৰকাৰী ভাবে আদায় কৰোৱাই লব পৰা ৰাইজৰ অধিকাৰ তাক দোহাৰিবৰ প্ৰয়োজন নাই। কিন্তু, চুক্তিত অসমীয়া ভাষাক সমুচিত মৰ্যাদা প্ৰদানৰ কথা থাকিলেই অসমীয়া ভাষাৰ ৰক্ষণাবেক্ষণ হ'ল বুলি আত্মতুষ্টি লভাৰ কাৰণ নাই। ভাষা এটা নিজে নমৰে- তাক প্ৰৰোচিত কৰি হত্যাহে কৰা হয়। আজি কাকতে-পত্ৰই, দেৱাল-প্ৰাচীৰে, গাড়ীয়ে-মটৰে লিপিবদ্ধৰূপত অথবা কথাই-বতৰাই, ভাষণে-সম্ভাষণে অসমীয়া ভাষাৰ যি কথিত ৰূপ ব্যৱহাৰ কৰা হৈছে তাক দেখি কোনো অসমীয়া ভাষা-প্ৰেমীয়েই চুক্তিত থকা অসমীয়া ভাষাক সাংবিধানিক ৰক্ষণাবেক্ষণৰ কথাত আশ্বস্ত হব নোৱাৰে। অসম আন্দোলনৰ বিভিন্ন কাৰ্যসূচীৰ দেৱাল-লিখা পঢ়িলে অসমীয়া ভাষাৰ মজ্জাত মৰি যোৱা যেন লাগে। সন্দেহ নাই- সেই দেৱাল লিখনৰ অৰ্থ জাতীয় প্ৰেমৰ বাহক; কিন্তু তাকে কৰিবলৈ যাওঁতে অসমীয়া ভাষাৰ মজ্জাত কিয় মাৰিব লগা হয়! আমি নিজ চকুৰে তেনে দেৱাল লিখা পঢ়িছোঃ (১) "লাচিত-মুলাৰ অমৰ বাণিঃ জয় আই অসম" (হব লাগে লাচিত মুলাৰ অমৰ বাণীঃ ..............), (২) "বান ভগদত্তৰ দেশ" (হব লাগে বাণ ভগদত্তৰ দেশ), (৩) "লুইত পাৰৰ সেনানি........." (হব লাগেঃ লুইত পাৰৰ সেনানী), (৪) "নতুন অসমৰ বুনীয়াদঃ ঐক্য, শান্তি প্ৰগতি" (হব লাগেঃ নতুন অসমৰ বুনিয়াদ ........), (৫) "নতুন অসমৰ উদিপ্ত সূৰ্য্যঃ প্ৰফুল্ল মহন্ত-ভৃগু ফুকন" (নতুন অসমৰ উদ্দীপ্ত সূৰ্য?) ইত্যাদি। এনে উদাহৰণ আৰু বহুত ওলাব যাক লিপিবদ্ধ কৰাটো আমাৰ একমাত্ৰ উদ্দেশ্য নহয়। আমাৰ কথা হ'লঃ এই বাৰ পাছি ভুল থকা শ্লোগান অথবা দাবী সমূহ পঢ়ি অনা অসমীয়া (যাৰ মাতৃ ভাষা অসমীয়া নহয়) ন শিকাৰুসকল বিভ্ৰান্ত নহবনে? তেওঁলোকে ভাবিবলৈ প্ৰয়াস নেপাবনে যে অসমীয়া ভাষাৰ কোনো নিৰ্দিষ্ট বানান নাই- যিহকে ইচ্ছা তিহকে চলাই দিব পাৰি?

তাৰ পিছত আহোঃ গাড়ী-মটৰত লিখা সতৰ্কবাণী, অনুৰোধ নিৰ্দেশনা আদিলৈ। প্ৰথমেই উল্লেখ কৰো- অসম ৰাজ্যিক পথ পৰিবহণ নিগমৰ বাছৰ লিখাসমূহ। এখন বাছত যাত্ৰীৰ সমুখত কেবিনৰ বেৰত লিখা কথাখিনি এনে ধৰণৰঃ "গাড়ীৰ ভিতৰত ধূমপাণ আইন মতে দন্ডনিয়" (গাড়ীৰ ভিতৰত ধূমপান আইনমতে দন্ডনীয়?) "বাহিৰলৈ হাত-মুৰ নুলিয়াব" (মূৰ?), "য'তে ত'তে নুথুৱাব- থুৱে ৰোগৰ বিজানু বিয়পায়" (বীজাণু?)- এই ধৰণৰ লিখাও বাছৰ ভিতৰৰ দুই বেৰত লিখা আছিল। বে-চৰকাৰী বাছবোৰৰ বেৰত লিখা কথাবোৰ আৰু এখোপ চৰা। এখন বাছত লিখিছেঃ ভাড়াহীন মালৰ গাড়ি দায়ী নহয়।" এই বাক্যটোত কেৱল যে শব্দ ভুলেই আছে এনে নহয়- বাক্যটোৰ গাঁঠনিও অসম্পূৰ্ণ তথা অশুদ্ধ। "ভাড়াহীন মালৰ বাবে গাড়ী দায়ী নহয়"ৰ পৰিবৰ্তে ওপৰত উল্লিখিত বাক্যটো লিখিলে হবনে? "ভাড়াহীন মালৰ গাড়ি" বাক্যখন্ডই কি বুজাইছে? কিহৰ বাবে "দায়ি" নোহোৱা বুলি কৈছে? "গাড়ি" শব্দটো কাৰ লগত সম্বন্ধ? এইবোৰ বিশ্লেষণ কৰি চালেই ভুলবোৰ চকুত পৰিব। ইংৰাজী TICKET শব্দটোৰ অসমীয়াকৰণ হৈছে- টিকট। এনেস্থলত বে-চৰকাৰী বাছৰ দুৱাৰত লিখা হৈছে- "টিকেট" কৰি উঠিব। মানুহে "টিকেট" মানে টিকট বুলি বুজে বাৰু! কিন্তু এনেদৰে বুজিলেই হবনে? নিজস্ব ভাষাৰ মৰ্যাদা এনেকৈ বৰ্তিবনে?

অসমীয়া প্ৰতিষ্ঠিত লেখকৰ ভাষাই হতাশ কৰে বেছি মাত্ৰাত। আমি কেবা ঠাইতো পঢ়া মনত আছেঃ ".......... এটা সময়ত শুনিবলৈ পালো সি নিজে আত্মহত্যা কৰিলে।" এই বাক্যটোত "এটা সময়"ৰ অৰ্থ কি? সময় গোটা নেকি? "নিজে আত্মহত্যা"ৰ পৰিবৰ্তে "আত্মহত্যা" লিখিলেই অৰ্থ পূৰ্ণ নহয়নে? বহু ঠাইত পঢ়িছোঃ "সময় কেইটা হ'ল?" "দুটা বাজিছে ........", "তিনিটা বাজিছে"- ইত্যাদি। এইবোৰ বিনা প্ৰতিবাদে চলি আছে।

কথা-বতৰা আৰু আদৰ-সম্ভাষণত অসমীয়া চাহাব আৰু "শিক্ষিত" (?) সকলৰ অসমীয়া ভাষাৰ নমুনা শুনিব। "তোমাৰ ফ্লাইট কেইটাত?" উত্তৰঃ "এইট্ থাৰ্টিত।" "তাৰ ল'ৰাটো পঢ়াত বৰ চালু নহয়- "ৰ"। চিনেমা হ'লৰ পৰা ওলাই অহা দুজন অসমীয়া ডেকাৰ কথোপকথনঃ "অমুকৰ একটিং বৰ ফাটাফাটি বে।" ফাইটিং একদম "চলিড"। "অমুকীৰ ফিগাৰ দেখিলি- কি টেৰিফিক বে।" - এইবোৰ শব্দ অসমীয়া বচন-শৈলীত অথবা অভিধানত কেতিয়াৰ পৰা সোমাল? এই ডেকা মখাৰে ভিতৰত অসমীয়া ভাষাৰ বাবে আন্দোলন কৰা ভাষা-প্ৰেমী নাইনে?

এতিয়া আমাৰ কথা হ'লঃ অসমীয়া ভাষাৰ অস্তিত্ব কোনে নাইকিয়া কৰিব খুজিছে? ভয়টো ক'ৰপৰা আহিছে? ভাবুকি বাহিৰৰ নে ভিতৰৰ? এটা মুখৰোচক গল্প শুনিছিলোঃ এজন শিক্ষকে ৫ম মানত ইংৰাজী CIGARETTE শব্দটো লিখিবলৈ দিছিল। এজন ছাত্ৰই এটা 'টি' ব্যৱহাৰ কৰি আৰু আন এজনে দুটা 'টি' ব্যৱহাৰ কৰি শব্দটো লিখিলে। শিক্ষকে সুধিলেঃ এই, তই এটা 'টি' কিয় দিলি? ছাত্ৰজনৰ উত্তৰঃ দেউতাই এটা 'টি' দিলেই হব বুলি শিকাইছে। শিক্ষকে পুনৰ সুধিলেঃ কি কৰে তোৰ দেউতাৰে? ছাত্ৰঃ ইঞ্জিনিয়াৰ।

শিক্ষকঃ আঃ! বাৰু, তই দুটা 'টি' দিলি কিয়?

– আনজনক সুধিলে। সি উত্তৰ দিলেঃ দেউতাই দুটা 'টি' দিব লাগে বুলি শিকাইছিল।

শিক্ষকঃ কি কৰে তোৰ দেউতাৰে?

ছাত্ৰঃ ......হাইস্কুলৰ হেড মাষ্টৰ।

শিক্ষকঃ এঁহ, হয়নে, বাৰু হব যা! মনে কথা হ'ল কি জান? এটা 'টি' দিলেও হয়, কিন্তু দুটা 'টি' দিলে গজগজীয়া হয়।"

আমাৰ অসমীয়া সমাজ সেই নিজস্ব জ্ঞান নথকা শিক্ষক জনৰ দৰে হ'লে নহব। ছাত্ৰ সন্থাই লিখিলে বুলিয়েই দেৱালৰ "উদিপ্ত সূৰ্য" শুদ্ধ নহয়। চৰকাৰী দায়িত্বশীল (?) বিভাগে লিখিলে বুলিয়েই "ধূমপাণ আইনমতে দন্ডনিয়" নহয়। সাহিত্যিকে লিখিলে বাবেই "এটা সময়ত" "নিজে আত্মহত্যা" কৰা শুদ্ধ নহয়। নিজৰ আত্ম বিশ্বাস আৰু জিজ্ঞাসা থাকিলে অসমীয়া ভাষাৰ কোনো সাংবিধানিক ৰক্ষা কবচৰ প্ৰয়োজন নাই। কাৰণ, ভাষাই আত্মহত্যা নকৰে- তাক তিল তিলকৈ বিহ খুৱাই হত্যাহে কৰা হয়, যি কথা হত্যাকাৰীইতে গম নেপাই "ভাষা মাৰিবলৈ আহিছে" বুলি আনকহে দোষাৰোপ কৰি থাকে!!

জয় চন্দ্ৰ হাজৰিকা
ধেমাজী

## ঢকুৱাখনা

সূত্ৰধাৰৰ প্ৰথম বছৰ তৃতীয় আৰু চতুৰ্থ সংখ্যাত ৰিপুঞ্জয় গগৈৰ "জীৱন ধাৰা" শিতানত প্ৰকাশিত 'মানুহৰ সন্ধানত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত ছটা দিন' পঢ়ি আপ্লুত হ'লো। প্ৰবন্ধটিত ঢকুৱাখনা গাঁৱলীয়া সমাজৰ এটি সুস্থ-সবল চানেকি ফুটি উঠিছে। যদিও সময়ৰ পৰিবৰ্তনৰ লগে লগে ঢকুৱাখনা অঞ্চলৰ ভালেখিনি পৰিবৰ্তন হৈছে, তথাপি এসময়ত যে ঢকুৱাখনা শস্যে-মৎস্যে ভৰপূৰ আছিল, এই কথা নুই কৰিব নোৱাৰি। মোৰ ঘৰ ঢকুৱাখনা অঞ্চলৰ এখন সৰু গাঁৱত। আইৰ মুখে কেতিয়াবা ঢকুৱাখনাৰ পুৰণি ঐতিহ্যৰ কথা শুনিলে এতিয়া মোৰ সাধুকথা যেনহে লাগে। গগৈদেৱে উত্তৰ পাৰৰ মানুহৰ ঘৰুৱা কাম-কাজৰ যি দক্ষতাৰ কথা লিখিছে তাত ময়ো একমত। ঢকুৱাখনা অঞ্চলৰ প্ৰত্যেক ঘৰৰ গৃহিণীয়ে তাঁত বব জানে, টাকুৰীত সূতা কাটিব জানে। আজিৰ দিনতো ঢকুৱাখনাৰ গৃহিণীয়ে আজৰি সময়কণ এনেয়ে এৰি নিদি তাঁতৰ পাতত বহি অপূৰ্ব দক্ষতাৰে খিতিৰ খিতিৰ মাকো মাৰি অতুল প্ৰাণ-প্ৰাচুৰ্যৰে উজ্জ্বল হাঁহি খলকনিৰে তাঁত বয়। আজিও ছাঁতে শুকোৱা, মুঠিতে লুকোৱা পাটৰ কাপোৰ বোৱা, পাৰিত ফুলবছা বিহুৱান বোৱা অসমীয়া শিপিনীৰ অভাৱ নাই ঢকুৱাখনা অঞ্চলত।

কিন্তু শ্ৰদ্ধেয় গগৈদেৱে উল্লেখ কৰা ঢকুৱাখনাৰ যাতায়াত ব্যৱস্থা আৰু বিদ্যুৎ ব্যৱস্থাৰ দুখ লগা অৱস্থাটো মন কৰিব লগীয়া। গগৈদেৱৰ ভাষাৰে ২৪ ঘন্টাত ১২ ঘন্টীয়া লোড-শেবডিং লৈ চৰকাৰে বিদ্যুৎ প্ৰগতিৰ ফটাঢোল বজোৱা বৰ্তমান-লৈকেও ঢকুৱাখনাৰ গ্ৰাম্য অঞ্চলত, আন নকওঁৱেই মোৰ চেনেহী গাঁও (বাটমাৰীত) আজিও বিদ্যুৎ ব্যৱস্থাৰ সুবিধাকণৰ পৰা বঞ্চিত। যাতায়াতৰ সু-ব্যৱস্থাও নাই। দিচাংঘাট হৈ শিৱসাগৰ-ঢকুৱাখনাৰ পথ ব্যৱস্থা অতি দুখজনক, য'ত বাছ চলিবলৈও পথৰ সু-ব্যৱস্থা নাই। ফলত ঢকুৱাখনাৰ পৰা শিৱসাগৰ যোৰহাটলৈ অহা যাত্ৰীসকল প্ৰতিদিনে ৪ কিঃ মিঃৰ পৰা ন-দহ কিঃ মিঃ খোজ কাঢ়িব লগা হয়। কম্পিউটাৰ যুগৰ চূড়ান্ততম শিখৰত বাস কৰা মানৱ সমাজত এখন বাছেৰেও যাত্ৰা কৰিবলৈ নোপোৱাটো অতি দুৰ্ভাগ্যজনক।

গগৈদেৱৰ প্ৰবন্ধটি পঢ়ি ভাল লাগিছে, লেখকৰ বিষয় বস্তুৰ অন্তৰায়হীন উত্তৰণ তথা নিৰংকুশ ব্যাপ্তি কামনা কৰিলো।

নীলিমা গগৈ
প্ৰিন্স অব্ ৱেলচ, যোৰহাট-১







"এহাতে নীতি আৰু আনহাতে প্ৰয়োজনীয় ৰণ-কৌশল- এই দুটাৰ এটাও বিসৰ্জন নিদিয়াকৈ যি নেতাই নিজৰ দলটোক ঐক্যবদ্ধ কৰি ৰাখিব পাৰে একমাত্ৰ তেওঁকেই প্ৰকৃত ৰাজনৈতিক নেতা বুলি ক'ব পাৰি।"

*–হেৰল্ড উইলছন*
(প্ৰাক্তন ব্ৰিটিছ প্ৰধান মন্ত্ৰী)

# অসমৰ নতুন মন্ত্ৰীসভা

সকলোৱেই আশা কৰিছিল যে হিতেশ্বৰ শইকীয়াই এইবাৰ এখন সৰু কিন্তু সুদক্ষ মন্ত্ৰীসভা গঠন কৰি কংগ্ৰেছী ৰাজনীতিলৈ এটা নতুন পৰিবৰ্তন অহাৰ ইংগিত দিব। অন্যান্য ক্ষেত্ৰত পৰিবৰ্তন হোৱাৰ চিন দেখুৱাবলৈ যথেষ্ট সময় লাগে। কিন্তু শইকীয়াই দ্বিতীয়বাৰৰ কাৰণে মুখ্য মন্ত্ৰী হৈয়েই এখন সৰু মন্ত্ৰীসভা গঠন কৰি এটা নাটকীয় চমক সৃষ্টি কৰিব পাৰিলেহেঁতেন আৰু লগতে তেওঁৰ ৰাজনৈতিক চিন্তা আৰু কৰ্ম-পদ্ধতিলৈ এটা শুভ পৰিবৰ্তন অহাৰ প্ৰমাণ দিব পাৰিলেহেঁতেন। তাকে কৰা হ'লে তেওঁৰ প্ৰতি ৰাইজৰ মনোভাব ৰাতিটোৰ ভিতৰতে বহুখিনি সলনি হৈ গ'লহেঁতেন। অসমৰ এই অভূতপূৰ্ব সংকটৰ সময়ত শইকীয়াই জনসাধাৰণৰ মনত নতুন প্ৰত্যাশা জগাই তোলাৰ প্ৰয়োজন আছিল আৰু সেইটো কৰাৰ আটাইতকৈ সহজ উপায় আছিল ৰাইজে আশংকা কৰি থকাৰ বিপৰীতে এখন সৰু মন্ত্ৰীসভা গঠন কৰি এটা নাটকীয় চমক সৃষ্টি কৰা; সকলোকে এটা মধুৰ বিস্ময় উপহাৰ দিয়া। কিন্তু শইকীয়াই তাকে নকৰি এটা ডাঙৰ মনস্তাত্বিক সুযোগ হেৰুৱালে।

অৱশ্যে শইকীয়াক কঠোৰভাবে সমালোচনা কৰাৰ আগতে তেওঁৰ সপক্ষে দুটামান কথা কৈ লোৱা প্ৰয়োজন। এতিয়ালৈকে শইকীয়া দুবাৰ অসমৰ মুখ্য মন্ত্ৰী হ'ল। কিন্তু দুয়োবাৰেই তেওঁ এনে ভয়ংকৰ সংকটৰ সময়ত ৰাজ্য পৰিচালনাৰ দায়িত্ব লব লগা হ'ল- যি ধৰণৰ সংকট আধুনিক অসমৰ বুৰঞ্জীত ইয়াৰ আগতে কেতিয়াও হোৱা নাছিল। স্বাধীনতাৰ আগে-পিছে অসমত যিমান কেইজন প্ৰধান মন্ত্ৰী বা মুখ্য মন্ত্ৰী হ'ল সেই সকলৰ ভিতৰত আটাইতকৈ গধুৰ দায়িত্ব লব লগা হৈছে শইকীয়াই, আটাইতকৈ কঠিন প্ৰত্যাহ্বানৰ সমুখীন হব লগা হৈছে শইকীয়া। এনে অৱস্থাত ৰাজ্যখনৰ স্বাৰ্থতেই তেওঁ পোৱা উচিত আছিল সকলো শ্ৰেণীৰ ৰাইজৰ আৰু বিশেষকৈ প্ৰচাৰ-মাধ্যমবোৰৰ গঠন-মূলক সহযোগিতা আৰু সমালোচনা। কিন্তু অতি ৰহস্যময় কথা যে যিজন মানুহে আটাইতকৈ জটিল সংকটৰ সময়ত ৰাজ্য চৰকাৰৰ দায়িত্ব লব লগা হৈছে সেই মানুহজনৰ বিৰুদ্ধেই আটাইতকৈ হিংস্ৰ আৰু নিৰ্মম হৈ উঠিছে একাংশ প্ৰচাৰ-মাধ্যম। শইকীয়াৰ শৰীৰ কঠিন ব্যাধিৰ দ্বাৰা বিধ্বস্ত। তেওঁ প্ৰতি মুহূৰ্ততেই বাস কৰিব লগা হৈছে মৃত্যুৰ ছায়াত, কাৰণ একাংশ প্ৰচাৰ-মাধ্যমে তেওঁৰ বিৰুদ্ধে চলোৱা বিৰাম-বিহীন আৰু নিৰ্মম প্ৰচাৰৰ সুযোগ লৈ আততায়ীয়ে ইতিমধ্যেই তেওঁৰ পৰিয়ালৰ পাঁচজন সদস্যক হত্যা কৰিছে। ইমানৰ পিছত অলপ-ধতুৱা বহুতেই হয়তো ৰণভংগ দিলেহেঁতেন। কিন্তু শইকীয়াই কাৰো বিৰুদ্ধে ক্ৰোধ বা বিদ্বেষ প্ৰকাশ নকৰি প্ৰশান্ত-চিত্তে নিজৰ কৰ্তব্য পালন কৰিবলৈ প্ৰস্তুত হৈছে। তাকো কৰিছে সকলো সময়তে নিজৰ প্ৰাণটো হাতৰ মুঠিত লৈ। শইকীয়াই যদি কিবা ভুল কৰে বা বেয়া কাম কৰে, তেন্তে তাৰ কাৰণে কঠোৰ সমালোচনা আৰু ভৰ্ৎসনা নিশ্চয় তেওঁৰ প্ৰাপ্য। কিন্তু ভয়ংকৰ প্ৰতিকূল পৰিস্থিতিৰ সমুখত তেওঁ যি ধৰণৰ ধৈৰ্য, সাহস





GKDISCD

আৰু সংযমৰ পৰিচয় দিছে তাৰ কাৰণে অকণমান সহানুভূতি আৰু অকণমান প্ৰশংসাও তেওঁৰ প্ৰাপ্য নহয়নে?

শইকীয়াৰ প্ৰতি ৰাইজে সহানুভূতি দেখুৱায় নে নেদেখুৱায় বা তেওঁক প্ৰশংসা কৰে নে নকৰে সেই কথা ৰাইজে নিজে ঠিক কৰিব। আমি কিন্তু তেওঁক আজি ভৰ্ৎসনা কৰিবলৈকে ঠিক কৰিছো অসমৰ দুখীয়া ৰাইজৰ মূৰৰ ওপৰত এখন বৃহদাকাৰ মন্ত্ৰীসভা জাপি দিয়াৰ কাৰণে। মন্ত্ৰীসভাখন ইমান ডাঙৰ কৰাৰ কাৰণে শইকীয়াই যি যুক্তিয়েই নিদিয়ক লাগে, আচল কথাটোনো কি সেইটো কিন্তু ৰাইজৰ বুজিবলৈ বাকী নাই। আচল কথা হ'ল এই যে দলৰ বেছিভাগ সদস্যকে মন্ত্ৰী পদ দি সন্তুষ্ট কৰি নাৰাখিলে দলৰ ঐক্য ৰক্ষা কৰা অসম্ভৱ। সকলোৰে মুখ বন্ধ কৰি ৰাখিব লগীয়া হয় মন্ত্ৰী পদৰ সোপা দি। যিসকল লোকে ৰাইজৰ ভোট বিচাৰিবলৈ গৈ দেশ সেৱাৰ সুযোগৰ বাহিৰে আন একোকে নিবিচাৰে তেওঁলোকেই কিন্তু নিৰ্বাচিত হৈ অহাৰ পিছত মন্ত্ৰী পদৰ বাহিৰে আন একোতেই সন্তুষ্ট নহয়। এনেকৈয়ে দলটোৰ পৰা আদৰ্শবাদ সম্পূৰ্ণভাবে অন্তৰ্হিত হৈছে আৰু তাৰ ঠাই দখল কৰিছে লোভ আৰু স্বাৰ্থপৰতাই। প্ৰকৃত নেতাই কিন্তু লোভক প্ৰশ্ৰয় দি দলটোক ধ্বংস নকৰে; বৰং তেওঁ নিজৰ ব্যক্তিত্বৰ প্ৰভাৱেৰে দলটোক নৈতিক আদৰ্শৰে উদ্বুদ্ধ কৰিবলৈ চেষ্টা কৰে। শইকীয়াই সেইটো কৰিবলৈ চেষ্টা নকৰি নিজৰ দুৰ্বলতাৰ পৰিচয় দিলে। কংগ্ৰেছৰ যিটো গ্লানিময় অতীত চিৰকাললৈ বিস্মৃত হৈ যোৱাটোকে সকলোৱে কামনা কৰিছিল তেওঁ তাৰ পুনৰাবৃত্তি কৰি এই কথাই প্ৰমাণ কৰিলে যে আজি সমগ্ৰ পৃথিৱী জুৰি ইমূৰৰ পৰা সিমূৰলৈ পৰিবৰ্তনৰ ধুমুহা বৰ ধৰিছে যদিও সি কিন্তু অসম কংগ্ৰেছৰ গাৰ নোম এডালকে লৰাব পৰা নাই। যিটো দলে নিজৰ ক্ষেত্ৰত কোনো যুগোপযোগী পৰিবৰ্তন সাধন কৰিব নোৱাৰে সেইটো দলে সমাজৰ পৰিবৰ্তন সাধন কৰিব কোনটো শক্তিৰে?

মন্ত্ৰীসভা ডাঙৰ কৰিব লগা হোৱাৰ কাৰণে শইকীয়াই দিয়া যুক্তি কিমান টুলুঙা–মাত্ৰ এটা কথাই তাৰ প্ৰমাণ দিব। মন্ত্ৰীসভাত পঁয়ত্ৰিশজন মন্ত্ৰী থকা সত্বেও শইকীয়াই অকলে বহণ কৰিব লগা হৈছে কুৰিটাকৈ দপ্তৰৰ গধুৰ দায়িত্ব। ইয়াৰ পৰাই বুজা গ'ল যে তেওঁৰ বোজা পাতলাবৰ কাৰণে যথেষ্ট যোগ্যতা-সম্পন্ন মন্ত্ৰী বৰ বেছি নাই; বেছিভাগ মন্ত্ৰী আছে কেৱল সাক্ষী-গোপাল হৈ। এইটো বৰ অন্যায় কথা। একোজন মন্ত্ৰীৰ কাৰণে বছৰত যিমানখিনি ৰাজহুৱা ধন খৰচ কৰিব লগা হয় সেই ধনেৰে প্ৰতি বছৰে অসমৰ দহখন গাঁৱৰ চেহেৰা চিৰকাললৈ সলনি কৰি দিব পাৰি। কিন্তু শইকীয়াই অসমৰ ৰাইজক পুৰস্কাৰ দিয়াৰ আগতে পুৰস্কৃত কৰিছে তেওঁৰ দলৰ সদস্যসকলক। ৰাইজতকৈ ওপৰত স্থান দিছে তেওঁৰ দলৰ সদস্যসকলক। এই ভাবেই চিৰকাল প্ৰতাৰিত হৈ আহিছে অসহায় ৰাইজ–একমাত্ৰ ভোটৰ সময়ৰ বাহিৰে আন কোনো সময়তে যাৰ কোনো মূল্য নাই।

ঠিক এই মুহূৰ্তত শইকীয়া বহি আছে এটা উদ্গিৰণমুখী আগ্নেয়গিৰিৰ ওপৰত। আগ্নেয়গিৰিৰ উদ্গিৰণ বন্ধ কৰাৰ দায়িত্ব কেৱল শইকীয়াৰ নহয়। এই কামত তেওঁক সকলোৱে সহায় কৰিব লাগিব। কিন্তু শইকীয়ায়ো সহায় আদায় কৰিবলৈ চেষ্টা কৰিব লাগিব। তেওঁ ৰাইজৰ শ্ৰদ্ধা আৰু আস্থা অৰ্জন কৰিব লাগিব তেওঁৰ কামৰ দ্বাৰা, তেওঁৰ আদৰ্শৰ দ্বাৰা, তেওঁৰ কল্পনা-শক্তিৰ দ্বাৰা। মুখ্য মন্ত্ৰী হৈয়ে লোৱা তেওঁৰ প্ৰথমটো পদক্ষেপে সামান্য পৰিমাণে হ'লেও ৰাইজক হতাশ কৰিছে– কাৰণ তাৰ মাজত ৰাইজে দেখা পাইছে এটা গ্লানিময় অতীতৰ গতানুগতিক পুনৰাবৃত্তি। এইবাৰ কিন্তু ৰাইজে মন্ত্ৰীসভাৰ পৰা কাম বিচাৰিব, লগতে বিচাৰিব কিছু নতুনত্ব। অহা ছটামাহ শইকীয়াৰ কাৰণে অতি গুৰুত্বপূৰ্ণ।

"ৰাজনীতিকসকলৰ স্মৃতিশক্তি এনেকুৱা হব লাগে যে কোন সময়ত এটা বিশেষ কথা মনত পেলাব লাগে আৰু কোন সময়ত সেই একেটা কথাকে পাহৰি থাকিব লাগে সেই কথা তেওঁ ভালকৈ জানিব লাগে।"

–জন মৰ্লি





# আলহীৰ তেজেৰে যেতিয়া মজিয়া ভক্‌ভকায়

অসমৰ বধ্যভূমিত এইবাৰ নিহত হ'ল ছেৰ্গেই গ্ৰিৎছেংকো। সুদূৰ ছোভিয়েত ইউনিয়নৰ পৰা অসমলৈ আহিছিল আমন্ত্ৰিত অতিথিৰ ৰূপত। তেওঁ আছিল কয়লা খনিৰ এজন সুদক্ষ ইঞ্জিনিয়াৰ। অসমৰ কয়লা খনিত কাম কৰা মানুহখিনিক কয়লা খন্দাৰ আধুনিক কৌশল শিকায় দিয়াৰ বন্দোবস্তি আছিল তেওঁৰ সতে। সেই মতেই তেওঁ কাম-কাজ আৰম্ভ কৰিছিল আৰু কাম কৰি থাকোতেই তেওঁ নিহত হ'ল।

স্বাধীন অসমৰ স্বপ্নৰে বাউল আৰু হিংস্ৰ হৈ উঠা আল্‌ফাই তেওঁক পণবন্দী কৰি টিপং কয়লাখনি অঞ্চলৰ পৰা তুলি লৈ গৈছিল। তেওঁ সম্ভৱতঃ সেই কথা মৃত্যুৰ মুহূৰ্তলৈকে নেজানিলে। কাৰণ ৰুছ ভাষাৰ বাদে আন কোনো ভাৰতীয় ভাষা বা ইংৰাজী তেওঁ বুজি নেপাইছিল। তদুপৰি তেওঁ মাত্ৰ যোৱা ৫ জানুৱাৰীৰ দিনাহে অসমলৈ আহিছিল। অসমৰ আল্‌ফা বা সন্ত্ৰাসৰ ৰাজনীতি সম্পৰ্কে তেওঁ সম্পূৰ্ণ অজ্ঞ হৈ থকাই স্বাভাৱিক। কিন্তু সেই অঁকৰাজনকে আল্‌ফাৰ বাহিনীয়ে পহিলা জুলাইৰ দিনা বাটৰ পৰা অপহৰণ কৰি লৈ গৈছিল। তেওঁৰ প্ৰাণৰ বিনিময়ত অসমৰ জেলত বন্দী হৈ থকা আল্‌ফা কৰ্মীৰ মুক্তিৰ দাবী তুলিছিল। একেদিনাই বিভিন্ন ঠাইৰ পৰা অনুৰূপ ধৰণেৰে আন ১৪ জনকো অপহৰণ কৰিছিল একেই দাৱীত। কিন্তু সেইসকল আছিল ভাৰতীয়। ৰুছ ইঞ্জিনিয়াৰজনৰ প্ৰাণৰ বিনিময়ত মুক্তিৰ দাবী কৰা কেউজন আল্‌ফা কৰ্মীকেই অসম চৰকাৰে বিনাচৰ্তে মুক্তি কৰি দিছিল। কিন্তু আল্‌ফাই তেওঁলোকৰ প্ৰতিশ্ৰুতি ৰাখিব নোৱাৰিলে। কথা দিয়া মতে ছেৰ্গেইক তেওঁলোকে ওভোতাই নপঠালে।

বৰং, আল্‌ফাৰ তৰফৰ পৰা ৰুছ খনি বিশেষজ্ঞজনক হত্যা কৰি পেলোৱাৰহে খবৰ আহিল। কোৱা হ'ল যে পণবন্দী হৈ থকা অৱস্থাত তেওঁ হেনো পলাবলৈ চেষ্টা কৰিছিল আৰু তেনে কৰোতেই গুলীয়াগুলিৰ এক অবাঞ্ছিত ঘটনা ঘটিল য'ত এগৰাকী আল্‌ফা কৰ্মীৰ লগতে ছেৰ্গেইৰো মৃত্যু হ'ল।


ছেৰ্গেই উভতি নহা বাবে আল্‌ফাই নিজাববীয়াকৈ দাঙি ধৰা ব্যাখ্যাৰ বাদে কিন্তু চৰকাৰৰ একো ব্যাখ্যা নাই। আকৌ, "অবাঞ্ছিত" যুদ্ধ এখনত অপ্ৰয়োজনীয় ভাবে গুলি খাই বাগৰি পৰা ৰুছ শ্ৰমিকজনৰ বাবে কিন্তু আল্‌ফাই লগে লগে অকণমানো দুখ, শোক বা অনুতাপ প্ৰকাশ কৰা নাই। কোন দিনানো মৃত্যু হ'ল তাৰো কোনো খবৰ দিয়া নাই। আনকি মৃতদেহটোও ঘূৰাই পঠোৱা নাই। (এই লেখাৰ সময়লৈকে)। কি পাষাণ সময়!

ছেৰ্গেইৰ মৃতদেহ ওভোতাই দিয়াৰ বাবে ইতিমধ্যে ৰাজ্যজুৰি দাবী উঠিছে। ছোভিয়েত ইউনিয়নৰ তৰফৰ পৰাও সেই দাবী ভাৰত তথা অসম চৰকাৰৰ ওচৰত তুলিছে। নুঠিব কিয়? অসমৰ পৰা গৈ মস্কো ৰেডিঅ'ত কাম কৰা এজন যুৱকৰ মৃত্যু আৰু মস্কোৰ পেট্ৰিচ লুমুম্বা বিশ্ববিদ্যালয়ত পঢ়ি থকা অসমীয়া ছাত্ৰ এজন সাঁতোৰা অৱস্থাত মৃত্যুৰ মুখত পৰোতে আমি অসমবাসীয়েও দেখোন তেওঁলোক দুজনৰ মৃতদেহৰ বাবে বাট চাইছিলো। আৰু সুখৰ কথা যে অত্যন্ত নম্ৰতাৰে ছোভিয়েত ইউনিয়নে দুয়োজনৰে মৃতদেহ বিমানেৰে অসমলৈ পঠাই দিছিল। এতিয়া অসমৰ পৰা ছেৰ্গেইৰ মৃতদেহ ছোভিয়েত ৰাইজে নেপাব কিয়? মৃতদেহ পঠাব নোৱাৰিলে তাৰ কলংক সমগ্ৰ অসম আৰু অসমীয়াৰ মুখত নেলাগিবনে? অসমক ভাল পোৱা কোনোবাই এই কলংকৰ ছাই অসমীয়া ৰাইজৰ মুখত সানিব পাৰিব জানো? কোন বাটে বাৰু উভতি আহিব ছেৰ্গেইৰ নিশ্চল শৰীৰ আৰু কেতিয়াকৈ ৰক্ষা পৰিব অসমীয়াৰ মান?

মৃত ছেৰ্গেইৰ শৱদেহটো নোহোৱা কৰিপেলোৱা ঘটনাৰ লগত আন একো ঘটনাৰেই যে ৰিজনি নহয়। লক্ষীপথাৰ অৰণ্যৰ মাজত সংগোপনে হত্যা কৰি পুতি থোৱা নৰকংকালবোৰ ভাৰতীয় সেনাই উদ্ধাৰ কৰাৰ পিছতহে, সেইবোৰৰ হত্যাৰ দায়িত্ব আল্‌ফাই কান্ধ পাতি লৈছিল, তাৰ আগলৈকে কিন্তু একো কোৱা নাছিল। শৱদেহবোৰ পৰিয়ালক ঘূৰাই দিয়াৰ কথা বাদেই, আনকি হত্যাৰ খবৰকে দিয়া হোৱা নাছিল। তথাপি মনক প্ৰবোধ দিয়াৰ বাবে যুক্তি আছে যে সিবিলাকক আল্‌ফাই শত্ৰু বুলি গণ্য কৰিছিল বাবেই তেনে ব্যৱহাৰ কৰিছিল। অপাৰেশ্যন বজৰঙৰ সময়ত নাহৰকটিয়াৰ পৰা ছাত্ৰ এজনক সেনাবাহিনীৰ লোকে তুলি নিয়াৰ পিছত আজিলৈকে সেইজন যুৱকৰো শুংসূত্ৰ নাই। তেওঁৰ জীৱন্ত অথবা মৃত দেহ আজিও পৰিয়ালৰ লোকে পোৱা নাই। তথাপি, অত্যন্ত বেদনাদায়ক হলেও বুজাত অসুবিধা নহয় যে অসমীয়া যুৱক মাত্ৰেই আল্‌ফা বুলি ভবা আৰু আল্‌ফাকেই সেই সময়ত একমাত্ৰ শত্ৰু বুলি বিবেচনা কৰা সেনাবাহিনীৰ তেনে অমানৱীয় আচৰণত আচৰিত হ'ব লগা কথা একো নাই। কিন্তু ছেৰ্গেইকতো কোনেও শত্ৰু বুলি চিহ্নিত কৰা নাছিল। মৃত্যুৰ পিছতো যে কোনেও সেই কথা কব পৰা নাই। 'অবাঞ্ছিত যুদ্ধত' হে মৃত্যু হোৱাৰ কথা কোৱা হৈছে। তদুপৰি ভাৰতীয় সেনাবাহিনীৰ আচৰণৰ সৈতে আল্‌ফা বাহিনীৰ আচৰণ একে বুলি অনুমান কৰাৰো কোনো থল নাই। তেনেস্থলত ছেৰ্গেইৰ মৃতদেহটো ঘূৰি নাহিল কিয়? সবাৰ উপৰি ছেৰ্গেইতো আমাৰ আলহী আছিল।

উঃ কি ভয়ংকৰ সময়! বৰ ঘৰৰ ভিতৰতে বৰপীৰা পাৰি বহুওৱা আলহীজনকেই হত্যা কৰা হ'ল। বন্দী অৱস্থাত বধ হ'ল। ইয়াৰ পিছত থাকিব পাৰেনে কোনোবা অসমীয়াৰ সুস্থ বিবেক য'ত বজ্ৰাঘাত হোৱা নাই। থাকিব পাৰেনে কোনোবা অসমীয়াৰ শিৰ যিটো লজ্জাত

আছেনে বাৰু কোনোবা অসমীয়া যি নেজানে যে ছোভিয়েত দেশৰ পৰা তৈল-বিশেষজ্ঞ আহি অসমখন তেলৰ ওপৰতে ওপঙি আছে বুলি কৈ নোযোৱা হ'লে হয়তো অসমৰ তৈল সম্পদ অনুদ্ঘাটিত হৈয়েই থাকিলহেঁতেন। বৃটিছে ডিগবৈত পোনপ্ৰথম তেলৰ সন্ধান পায়েই, শোধনাগাৰ এটা নিজাববীয়াকৈ পাতি তাতেই খোপনি পুতি ল'লে আৰু লগে লগে অহৰহ এটা কথাই কৈ আছিল যে আন ঠাইত (অসমৰ) আৰু



অৱনত হোৱা নাই।

ছোভিয়েত ইউনিয়নৰ সাধাৰণ গাঁও এখনৰ ল'ৰা আছিল ছেৰ্গেই গ্ৰিংছেংকো। মাকেই মাতিছিল মৰমতে "ছেৰ্গেই" বুলি। ঠিক মোৰ আই-য়ে মোক "সোণ" বুলি মতাৰ দৰে। শুই উঠিয়েই সি দেখিছিল ঘৰৰ পৰা কিছু নিলগত থকা ইউৰাইল পৰ্বতৰ চূড়া। ঠিক মই বা আমি দেখা "পাটকাই"ৰ দৰে।

অসম আৰু অসমীয়াক 'শোষণ' কৰিবলৈ বিদেশী ছেৰ্গেই অহা নাছিল। অসম, অসমীয়া বা ভাৰতৰ ৰাজনীতিৰ লগতো তাৰ কোনো সম্পৰ্ক নাছিল। কালোতীৰ্ণ ভাৰত ছোভিয়েত বন্ধুত্বৰ আধাৰত পৰিপূৰ্ণ আস্থা ৰাখিয়েই আহিছিল। অসমৰ কয়লা খনিত মুক্ত পদ্ধতিৰ খনন কাৰ্য চলি থকা হেতুকে ৰাজ্যখনৰ পৰিবেশ বিনষ্ট হৈছে বুলি যোৱা কেইবাটাও বছৰে ভালেকেইটা সংগঠনে অভিযোগ তুলি ৰাজ্যজুৰি খলক্ লগাই আছিল। সদৌ অসম ছাত্ৰ সন্থা আৰু অসম বিজ্ঞান সমিতিয়েই মূলতঃ এই খলকনিৰ গুৰি ধৰিছিল। নতুন দিল্লীৰ সংসাদতো তাৰ প্ৰতিধ্বনি হৈছিল। শেহান্তত অসমত চলি থকা পৰিবেশ বিনষ্টকাৰী ব্যৱস্থাটো সলাবৰ বাবে বাধ্য হৈছিল কেন্দ্ৰীয় চৰকাৰ। সেই বাবে পৰিবেশ বিনষ্ট নোহোৱাকৈ কয়লা খন্দাৰ কৌশল শিকাবৰ বাবে কোল ইণ্ডিয়া কৰ্তৃপক্ষই ছোভিয়েত বিশেষজ্ঞৰ আশ্ৰয় লব লগা হৈছিল। কাৰণ তেওঁলোকে সেই পদ্ধতিৰ কথা জানে। সেই মতেই দুয়োপক্ষৰ মাজত এখন চুক্তি হৈছিল আৰু বন্ধুক সহায় কৰাৰ উদ্দেশ্য লৈয়েই ৩৪ বছৰীয়া ছেৰ্গেই অসমলৈ আহিছিল।

তেল নাই। সেই একে কথাকে পশ্চিমীয়া দেশৰ বিশেষজ্ঞ সকলেও কৈ আছিল। বিশ্বৰ তৈল বজাৰৰ ওপৰত নিজৰ নিয়ন্ত্ৰণ অটুট ৰখাৰ উদ্দেশ্যৰেই যে তেওঁলোকে অসমৰ বুকুত তেল থকাৰ সত্যটো গোপন কৰি ৰাখিছিল, সেই কথা ৰুছ বিশেষজ্ঞই কৰা আৱিষ্কাৰৰ পিছতহে ধৰা পৰিছিল। অসমত প্ৰচুৰ তেল আৰু গেচ থকাৰ সম্ভেদ দি ৰুছসকল নিজ দেশলৈ ঘূৰি গৈছিল, বৃটিছৰ দৰে খোপনি পোতাৰ চল বিচৰা নাছিল। সেইখন দেশ, ছোভিয়েত দেশৰ পৰাইতো ছেৰ্গেই আহিছিল।

আছেনে বাৰু কোনোবা অসমীয়া যি নেজানে যে পৃথিৱীৰ ভিতৰত ছোভিয়েত ইউনিয়নেই একমাত্ৰ দেশ যিখনে সৰ্বপ্ৰথম অসমীয়া ভাষাটোক একপ্ৰকাৰ আন্তৰ্জাতিক স্বীকৃতি দিছিল আৰু আদৰ কৰি লৈছিল। অসমীয়া ভাষাৰ ন্যায্য মৰ্যাদা আৰু স্বাধিকাৰ বিচাৰি অসমত যেতিয়া আন্দোলন কৰিব লগা হৈছিল, তাৰ প্ৰায় লগে লগেই ছোভিয়েত ইউনিয়নে "মস্কো ৰেডিঅ'-"ৰ যোগেদি অসমীয়া ভাষাত কাৰ্যসূচী আৰম্ভ কৰিছিল। আজিলৈকে একমাত্ৰ সেইখনেই দেশ য'ৰ পৰা বেতাঁৰ তৰংগই গোটেই পৃথিৱীত অসমীয়াৰ মাত বিলায়। পৃথিৱীৰ ভিতৰত একমাত্ৰ সেইখনেই দেশ য'ত এতিয়াও অসমীয়া ভাষাৰ ছপাশাল আছে আৰু তাৰ পৰাই, মাৰ্ক্স লেনিনৰ পৰা আৰম্ভ কৰি মেক্সিম গৰ্কিলৈকে আটাইৰে ৰচনা সম্ভাৰ অসমীয়া ভাষাত প্ৰকাশিত হৈ ওলাইছে। তুলনামূলক ভাবে বহু কম মূল্যত কিনিব পৰাকৈ সেই অমূল্য গ্ৰন্থৰাশি বিয়পি পৰিছে অসমৰ চুকে কোণে ধুবুৰীৰ পৰা ধেমাজিলৈ, ৰাভাতাৰিৰ পৰা লক্ষীপথাৰলৈ। সেইখন দেশৰ পৰাই দেখোন আহিছিল ছেৰ্গেই।

কিন্তু কোনো দায়দোষ নলগোৱা সত্বেও অসমৰ মাটিত ছেৰ্গেই অপহৃত হ'ল, পণবন্দী হ'ল আৰু শেহত শোচনীয়ভাবে নিহত হ'ল। মোৰেই বন্ধু মোৰেই বুকুত বাগৰি পৰিল মোৰেই বন্দুকৰ গুলিত। ইয়াৰ পিছত এতিয়া মই কওঁ কোন সতে মোৰ আদৰ্শৰ কথা অংগীকাৰৰ কথা, সততাৰ কথা, অসমী আইক ভাল পোৱাৰ কথা?

আইৰ ওচৰলৈ যাৱেঁইবা কোন সতে? আই-য়েতো নিশ্চয় ক'ব– 'নাহিবি,নাহিবি। তোৰ গাত তেজ গোন্ধাইছে, কুটুমৰ তেজ।

আগুৱাওঁ কেনেকৈ? অসংখ্য অনাহক মৃত্যুৰে কেলদাক্ত হৈ বাটটোযে এইবাৰ বন্ধুৰ শোণিতেৰে পিছল হ'ল।

হাতখন পখালো ক'ত? অতিথি হত্যাৰ পৰশু কুঠাৰখন যে সৰি নপৰা হ'ল।

এতিয়া ওলাওঁ কেনেকৈ? সমুখৰ পাটকাই পাহাৰতো যে প্ৰতিধ্বনিত হৈছে উচুপনি– ছে-ৰ্গে-ই। ছে...... ৰ্গে...... ই। ছে........ ৰ্গেই....... ই........ ই.......।

**দুলাল বৰা**







# শান্তিৰ বাতাবৰণ সৃষ্টি হবনে?

• গিৰীশ চন্দ্ৰ শৰ্মা

হিংসা আৰু ঈৰ্যাৰে বিকাৰগ্ৰস্ত মানসিকতাৰ লোকে মানুহক শালীনতাহীন ভাবে সমালোচনা কৰে, কুৎসা ৰটনা কৰে। কিন্তু যিসকল মানুহ কোনো মতাদৰ্শ বা নীতি নিষ্ঠাৰ দ্বাৰা সামাজিক তথা ব্যক্তিগত জীৱনত পৰিচালিত হয় তেওঁলোকে ব্যক্তি সমালোচনাৰ পৰা আঁতৰত থাকি কাম আৰু নীতিগত কথাৰ সমালোচনা কৰে। প্ৰথম বিধৰ সমালোচনা বৰ্জনীয়। নিন্দনীয়। তাত চৰিত্ৰ হননৰ বীজ থাকে। সাধাৰণতে হতাশাগ্ৰস্ত অপদাৰ্থ লোকে কটু সমালোচনা আৰু কুৎসাৰ আশ্ৰয় লয়। এই বিধৰ সমালোচনাই মুখ্য মন্ত্ৰী হিতেশ্বৰ শইকীয়াক 'ভিলেইন' সজায়। কিন্তু তাৰ বিপৰীতে অসমত এক শ্ৰেণীৰ সচেতন মানুহ আছে যিসকলে দ্বিতীয় বিধৰ সমালোচনা কৰে। ব্যক্তিজনক নহয়। তেওঁৰ কৃতকৰ্মক। তেওঁৰ নীতিক। তেওঁৰ ৰাজনৈতিক দায়বদ্ধতা পালনত সফল বা বিফল হোৱাৰ সমৰ্থতা বা অসমৰ্থতাক। এই দ্বিতীয় বিধৰ সমালোচনা কৰা বহু ব্যক্তিক লগ পাই আহিছো জনজীৱনৰ সকলো স্তৰতে। সেই সকল ব্যক্তিৰ ভিতৰত ৰাজনৈতিক কৰ্মী আছে। আইনজীৱী আছে। ডাক্তৰ, ইঞ্জিনিয়াৰ আৰু আন বহু ক্ষেত্ৰত বুদ্ধিজীৱী আছে যিসকলে বৰ বেছি ওলাই নাহে। এটা নিৰ্দিষ্ট বৃত্তৰ মাজতে চলাচল কৰে। তেওঁলোক শইকীয়াৰ প্ৰতি সপ্ৰশংস। শ্ৰীশইকীয়াই প্ৰথমবাৰ মুখ্য মন্ত্ৰী হৈ কাৰ্যকাল অন্ত কৰাৰ সময়ত তেনে কিছুমান বুদ্ধিজীৱীয়ে আমাক কৈছিল, 'শইকীয়াই এটা স্বাভাৱিক অৱস্থাত মুখ্য মন্ত্ৰী হোৱাহেঁতেন অসমৰ উন্নতিৰ বাবে বহু কৰিব পাৰিলেহেঁতেন।' গুৱাহাটীৰ ইঞ্জিনিয়াৰ বন্ধু এজনে মোক কৈছিল, 'চাওক এই চুটি সময় চোৱাৰ ভিতৰত শইকীয়াই কেন্দ্ৰৰ পৰা যিমান ধন আনিলে তেওঁৰ পূৰ্বৰ দহজন মুখ্য মন্ত্ৰীৰ কিন্তু এজনেও পৰা নাছিল।' মোৰ সেই ইঞ্জিনিয়াৰ বন্ধুজন যথেষ্ট পঢ়াশুনা কৰা লোক। তেওঁ মোক তথ্যপাতি দেখুৱাই দিছিল। মই অৰ্থনীতিৰ ছাত্ৰ হিচাপে বন্ধুজনৰ কথাত পতিয়ন গৈছিলো আৰু তেওঁৰ লগত একমত হৈছিলো। সাংবাদিকতা বৃত্তিত জড়িত সূত্ৰে লগ পোৱা বিভিন্ন স্তৰৰ মানুহৰ লগত কথা বতৰা পাতি শইকীয়া সম্পৰ্কে প্ৰতিক্ৰিয়া জানি লৈছিলো। মতাদৰ্শৰ উৰ্দ্ধলৈ আহি সকলোৱে ব্যক্তিগতভাবে কিন্তু স্বীকাৰ কৰেঃ শইকীয়াৰ অসাধাৰণ প্ৰতিভা আছে। কৰ্মপটুতা আছে। তেওঁ সুদক্ষ প্ৰশাসক। বিচক্ষণ ৰাজনীতিক। ইয়াৰ সম্পূৰ্ণ ওলোটা কথা কোৱা তথাকথিত শিক্ষিত মানুহো লগ পাইছো। তেওঁলোকে বিশেষকৈ অস্পষ্টভাবে কয় 'শইকীয়া আহিল যেতিয়া হ'ল আৰু।' কিন্তু স্পষ্টভাবে তেওঁলোকে একো কব নোৱাৰে। সেই শ্ৰেণীৰ মানুহ অসমৰ একাংশ খবৰৰ কাগজত ওলোৱা পক্ষপাতদুষ্ট লেখা পঢ়ি প্ৰভাৱিত হোৱা জীৱ।

যোৱা ৩০ জুনৰ ৰাতিপুৱা জনতা ভৱনৰ সমুখত অস্থায়ী ৰভা সাজি পতা শপত গ্ৰহণ অনুষ্ঠানত মুখ্য মন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰাৰ পিছৰ পৰাই শইকীয়াৰ ওপৰত গধুৰ দায়িত্ব ন্যস্ত হ'ল। এটা শপত গ্ৰহণ অনুষ্ঠান নিয়াৰিকৈ পাতিব নোৱৰা সাধাৰণ প্ৰশাসনীয় বিভাগটো কাৰ্যদক্ষ কৰাৰ যে কিমান প্ৰয়োজন নতুন মুখ্য মন্ত্ৰীয়ে নিশ্চয় অনুভৱ কৰিছে। স্থানীয় বহু নাগৰিক, সাংবাদিক আদিক অৱমাননা কৰিলেও প্ৰতিবেশী ৰাজ্যৰ যিসকল অভ্যাগত আহিছিল তেওঁলোকক কেনেভাবে সন্মান জনাব লাগে নজনাটো অমাৰ্জনীয় অপৰাধ। এইটোৱে ইংগিত দিয়ে ৰাজ্যৰ প্ৰশাসন যন্ত্ৰটোৰ নৈপুণ্য কিমান। অৱশ্যে দক্ষ বিষয়া যে নাই এনে নহয়। সেই সকলৰ দক্ষতাৰ যথাযথ ব্যৱহাৰ কৰিব পৰাটোহে আচল কথা। প্ৰশাসনৰ সকলো স্তৰতে থকা এচাম সুযোগ-সন্ধানীক নিৰাপদ দূৰত্বত ৰাখিব পাৰিলেহে মুখ্য মন্ত্ৰীয়ে মনতে যি পৰিকল্পনালৈ শাসনৰ দায়িত্ব ভাৰ লৈছে তাত সফল হ'ব পাৰিব। শইকীয়া মন্ত্ৰী সভাৰ প্ৰথম দিনটোৰ ৰাতিপুৱাতে সংযুক্ত মুক্তি বাহিনী অসমে (আল্‌ফা) গুৱাহাটী, যোৰহাট আৰু মাকুমৰ সমীপৰ পৰা এজন ৰাছিয়ান খনি বিশেষজ্ঞকে ধৰি পোন্ধৰজন বিষয়াক একে সময়তে অপহৰণ কৰাত স্বাভাৱিকতে ৰাজ্যিক প্ৰশাসনক বিব্ৰত কৰিলে। এটা কৌশলগত কাৰণত যে আল্‌ফাই অপহৰণবোৰ কৰিছে সেই কথা খবৰ পোৱাৰ লগে লগে অনুমান কৰিব পাৰিছিলো। পিছত আল্‌ফাৰ পৰা দিয়া বিবৃতিয়ে সকলো কথা পৰিষ্কাৰ কৰি দিলে। অপাৰেচন বজৰং চলাই আটক কৰা সকলৰ মুক্তিৰ বাবে চৈধ্যজনক (এজনক সিদিনা নিশাৰ ভাগত এৰি দিয়ে) পণবন্দী কৰি ৰখা হৈছে। আল্‌ফাৰ চৰ্ত মানি নললে অৰ্থাৎ যি কেইজনক এৰি দিবলৈ কোৱা হৈছে এৰি নিদিলে প্ৰথম পৰ্যায়ত দুজন পণবন্দীক গুলীয়াই মৰা হ'ব বুলিও কোৱা হ'ল। ৰাছিয়ান খনি বিশেষজ্ঞজনক অপহৰণ কৰি আল্‌ফাই আন্তঃৰাষ্ট্ৰীয় মনোযোগ আকৰ্ষণ কৰিবলৈ বিচাৰিছিল। সেইদৰে তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ সাতজন বিষয়া আৰু আয়ুক্ত এজনক অপহৰণ কৰি ভাৰত চৰকাৰৰ ওপৰত হেঁচা প্ৰয়োগ কৰিবলৈ বিচৰা হৈছিল। অপাৰেচন বজৰং চলাই চোৰা কৰি বহুতকে আটক কৰা হৈছিল। কিন্তু মন কৰিব লগীয়া কথা যে সেই সকলৰ ভিতৰত খুব কম সংখ্যকহে নেতৃস্থানীয় আল্‌ফাৰ সদস্য। অপাৰেচন চলোৱাৰ পূৰ্বাভাষ পাই আল্‌ফাৰ সদস্য সকলে নিৰাপদ স্থানলৈ গুচি যোৱাত সামৰিক বাহিনীৰ অপাৰেচন বজৰং উকা হৈ পৰিছিল।

ইতিমধ্যে যিহেতুকে আল্‌ফাৰ লগত আলাপ আলোচনা চলোৱাৰ বাবে কেন্দ্ৰ আৰু ৰাজ্য উভয় চৰকাৰে আগ্ৰহ প্ৰকাশ কৰিছে চৰকাৰ আৰু আল্‌ফাৰ মাজত আলোচনাৰ প্ৰক্ৰিয়াটো আৰম্ভ কৰাৰ বাবে চৰকাৰী বেচৰকাৰী উভয় [illegible]ৰ পৰাই চেষ্টা হোৱা উচিত। বৰ্তমান ৰাজ্যখন এটা অতি অস্বস্তিকৰ পৰিস্থিতিৰ মাজেৰে অগ্ৰসৰ হৈ আছে। এহাতে অৰ্থনৈতিক অনগ্ৰসৰতা আনহাতে অসমক খণ্ডিত কৰি সুকীয়া ৰাজ্য গঠনৰ দাবী আন্দোলন





OKDISCD

অস্হিৰতা। এনে পৰিস্হিতিৰ বলি হৈছে অৰ্থনৈতিক উন্নয়ন। চৰকাৰখন যদি আইন-শৃংখলাৰ পৰিস্হিতি নিয়ন্ত্ৰণতে ব্যস্ত থাকিব লগীয়া হয় তেনেহলে অৰ্থনৈতিক উন্নয়ন হ'ব কৰ পৰা? ৰাজ্যৰ ঔদ্যোগিক খন্ডৰ অৱস্হা অতি শোচনীয়। দুটামানৰ বাহিৰে ৰাজ্য চৰকাৰৰ প্ৰায় ত্ৰিশটাৰো অধিক ৰাজ্যিক নিগমে লোকচান ভৰি আছে। আনকি পৰিবহণৰ দৰে লাভজনক ব্যৱসায়তো ৰাজ্যিক পৰিবহণ নিগমে লোকচান খাই থকাটো উল্লেখযোগ্য। আনহাতে ৰাজ্যৰ প্ৰায় দুহেজাৰৰো অধিক ক্ষুদ্ৰ উদ্যোগ গোট বন্ধ হৈ আছে। পোন্ধৰ লাখৰো অধিক শিক্ষিত অৰ্দ্ধশিক্ষিত যুৱকে নিবনুৱা হৈ বহি আছে। নিয়োগৰ সুবিধা অসমত অত্যন্ত সীমিত। সংগঠিত খন্ডৰ উদ্যোগ আঙুলিৰ মূৰত লেখিব পৰা। চৰকাৰে কিমানক চাকৰি দি নিবনুৱা সমস্যাৰ সমাধান কৰিব? পৃথিৱীৰ কোনো দেশতে চৰকাৰে চাকৰি দি নিবনুৱা সমস্যাৰ সমাধান কৰিব পৰা নাই আৰু নোৱাৰেও। উদ্যোগ, ব্যৱসায়-বাণিজ্য, মেৰামতি কাৰখানা আৰু ক্ষুদ্ৰ উদ্যোগৰ মাধ্যমত বুজন সংখ্যক নিবনুৱাৰ সংস্হাপন কৰিব পৰা হয়। অসমত আজি সেইবোৰ ক্ষেত্ৰ সক্ষম কৰি তুলিব লাগিব। চৰকাৰৰ আশু কৰ্তব্য এনেবোৰ সম্ভাৱনাপূৰ্ণ খন্ডত মনোনিবেশ কৰা। শইকীয়া চৰকাৰে এনেবোৰ খন্ড উজ্জীবিত নকৰি নোৱাৰে। কিয়নো তেওঁৰ দলে ক্ষমতালৈ আহিলে প্ৰথম বছৰতে দুই লাখ লোকক কৰ্মসংস্হাপন দিয়াৰ প্ৰতিশ্ৰুতি দি থৈছে। অৱশ্যে তাৰ বাবে তেওঁক মনোনিবেশ কৰিবলৈ সময় দিব লাগিব। সেয়েহে বৰ্তমান সময়ত প্ৰয়োজন হৈছে এটা সুস্হিৰ অৱস্হাৰ, শান্তিপূৰ্ণ অৱস্হাৰ।

অপাৰেচন বজৰঙে আল্ফাৰ শীৰ্ষস্হানীয় নেতা সকলক ধৰিবলৈ সক্ষম নহৈ যাকে তাকে বাছবিচাৰ নকৰাকৈ অসমৰ বিভিন্ন অঞ্চলৰ তিনি হেজাৰৰো অধিক লোকক গ্ৰেপ্তাৰ কৰা কাৰ্যই সমগ্ৰ ৰাজ্যতে সকলো শ্ৰেণীৰ লোকৰ মাজত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰাটো প্ৰণিধানযোগ্য। বৰ্তমানৰ পৰিবৰ্তিত পৰিস্হিতিত ৰাইজৰ মনোভাবৰ প্ৰতি সন্মান জনাই অসন্তুষ্টি আঁতৰ কৰাৰ সুযোগ এটা চৰকাৰে পাইছে। ৰাজ্য আৰু কেন্দ্ৰ চৰকাৰে এই পৰিস্হিতিত গঠনমূলক ভূমিকা গ্ৰহণ কৰিব নোৱাৰিলে পিছত খেদ কৰিবলগীয়া হ'ব পাৰে। অৱশ্যে এই ক্ষেত্ৰত আল্ফায়ো সক্ৰিয় সহযোগিতা আগবঢ়াব লাগিব।

অপাৰেচন বজৰঙৰ ফলত আল্ফা সংগঠনৰ নেতা আৰু কৰ্মী সকল প্ৰায় ছমাহকাল সংযোগ বিচ্ছিন্ন হৈ থকাৰ পিছত তেওঁলোকে সম্প্ৰতি পুনৰ নিজৰ কাম-কাজত মনোনিবেশ কৰিব পাৰিছে। সেই সময় ছোৱাৰ ভিতৰতে আমি আল্ফাৰ কেইজনমান শীৰ্ষস্হানীয় নেতাক লগ পাই কথা বতৰা হৈছিলো।

কথাবতৰাৰ পৰা এনে এটা ধাৰণা হৈছিল যে আল্ফাই ৰাজ্যত কোনে চৰকাৰ গঠন কৰে বা কোন মুখ্য মন্ত্ৰী হয় তালৈ দৃষ্টি নিদিয়ে। ৰাজ্যৰ এই গোটটোক তেওঁলোকে 'ভাৰতীয় সাম্ৰাজ্যবাদৰ এজেন্ট' বুলি ভাবে গতিকে বিশেষ গুৰুত্ব দিব নোখোজে। বিৰোধিতা তেওঁলোকৰ ভাৰত চৰকাৰৰ বিৰুদ্ধে। তেওঁলোকে ভাবে যে যেতিয়াই অসমত থকা বহুজাতিক অনুষ্ঠানৰ অংশ বিশেষৰ স্বাৰ্থত আঘাত লাগিছিল তেতিয়াই ভাৰত চৰকাৰ 'উন্মাদৰ' দৰে হৈ উঠিল। তাৰেই পৰিণতি অপাৰেচন বজৰং বুলি তেওঁলোকৰ ধাৰণা। বৰ্তমান সময়ত আল্ফাই তেওঁলোকৰ আটকাধীন সতীৰ্থ সকলক মুক্ত কৰাত ব্যস্ত। ইয়াৰ পিছত সম্ভৱতঃ তেওঁলোকে সাংগঠনিক কামত মনোযোগ দিব।

আল্ফা মূলতঃ সন্ত্ৰাসবাদী সংগঠন নহয় যদিও কৌশলগত কাৰণত কেতিয়াবা কেতিয়াবা অনিচ্ছাকৃতভাবে তেওঁলোকে সন্ত্ৰাসৰ আশ্ৰয় লব লগীয়াত পৰে। নিৰ্বাচন প্ৰক্ৰিয়াত তেওঁলোকে কোনো হস্তক্ষেপ নকৰো বুলি দিয়া প্ৰতিশ্ৰুতি ইতিমধ্যে ৰক্ষা কৰিছে। ৰাজ্যৰ ভিতৰ বাহিৰৰ বহু দায়িত্বশীল লোকে আল্ফাৰ কথাত বিশ্বাস কৰিবলৈ টান পাইছিল। অৱশ্যে আমি তেতিয়াও লিখিছিলো 'আল্ফাই প্ৰতিশ্ৰুতি ৰক্ষা কৰিব। আৰু প্ৰমাণ কৰি দিব যে এই সংগঠনটো সন্ত্ৰাসবাদী নহয়।' আমাৰ অনুমান সঁচা বুলি প্ৰমাণিত হৈছে।

বৰ্তমান সময়ত আমি এক গণতান্ত্ৰিক পৰম্পৰাৰ মাজেৰে অতিক্ৰম কৰি আহিছো। আমাৰ এখন সংবিধান আছে। চল্লিশ বছৰত ৬৪ বাৰ সংশোধন কৰিবলগীয়া সংবিধানখন যে নতুনকৈ পুনৰ্লিখন কৰাৰ প্ৰয়োজন সেই কথা দেশৰ এটা ক্ষুদ্ৰ অংশৰ লগতে আমিও অনুভৱ কৰো। আমি ভৱিষ্যতে কেনেধৰণৰ শাসন ব্যৱস্হালৈ উত্তৰণ কৰো সময়ে তাৰ লেখ লব। কিন্তু বৰ্তমান সময়ত আমি মানি লোৱা গণতান্ত্ৰিক ধাৰাটোৰ মাজতে গৰীৱ দুখীজনৰ জীৱন ধাৰণৰ ন্যূনতম মানদন্ড উন্নত হোৱাটো বিচাৰো। দেশৰ সংগৃহীত বিত্ত সম্পদৰ ওপৰত আমাৰো হক আছে তাৰে এটা অংশৰে আমি উন্নয়নৰ কাম কৰিব লাগিব কিয়নো সময় স্হিৰ হৈ ৰৈ নেথাকে। সময়ৰ লগত বাট বুলি আমি গৈ থাকিব লাগিব। অৱশ্যে আমি ভৱিষ্যত সম্পৰ্কে এটা ধ্যান ধাৰণা লৈ আগবঢ়াত বাধা নাই। কালোহি বলবত্তমঃ এই প্ৰাত্যহিক যাত্ৰাত সৰ্বসাধাৰণৰ লগতে আমি সকলোৱে খোজ লৈছো। কিন্তু আমি বাস্তৱক এৰাই চলিব নোৱাৰো। ৰাজ্যৰ দুই কোটি জনগণৰ এক বুজন অংশৰ আশা-আকাংক্ষাৰ প্ৰতিনিধিত্ব কৰে হিতেশ্বৰ শইকীয়াই। তেওঁ তেওঁৰ ব্যক্তিত্বৰ মেজিক স্পৰ্শেৰে সৰ্বসাধাৰণৰ দুখ-দুৰ্দশা মোচনত কিমানদূৰ সহায়ক হ'ব পাৰে নিৰ্ভৰ কৰিব পৰিস্হিতিৰ ওপৰত। আল্ফাৰ বন্দী সকলৰ প্ৰশ্নটোৰ এটা চয়নিচয় হোৱাৰ পিছত শ্ৰীশইকীয়াই হয়তো উন্নয়নত মনোনিবেশ কৰিবলৈ সময় পাব। অৱশ্যে এইক্ষেত্ৰত ভাৰত চৰকাৰেও এক বহল দৃষ্টিভংগী গ্ৰহণ কৰিব লাগিব যাতে ৰাজ্য চৰকাৰে আল্ফাৰ সতে ফেৰ পাতিব লগীয়া নহয়। অতীততো আমি দেখিছো ৰাষ্ট্ৰীয় আইনৰ অধীনত বিভিন্ন সময়ত বিভিন্ন কাৰণত বহু লোকক আটক কৰা হৈছিল কিন্তু কোনো লোককে যাবজ্জীৱন আটক কৰি ৰখা নহয়। গতিকে আটকৰ এই পৰ্বটো ইমানতে শেষ কৰি এটা বুজাবুজি আৰু পাৰস্পৰিক আলোচনাৰ পথ মুকলি কৰি দিব লাগে। আল্ফাক মূলসুঁতিলৈ ওভোটাই অনাটোৱে যদি উদ্দেশ্য হয় তেনেহলে দুই পক্ষৰ মাজত আলোচনা হবই লাগিব। পণবন্দীৰ দৰে স্হিতি এৰাই চলাৰ বাবে সৰ্বতো প্ৰকাৰে চেষ্টা চলাই যাব নোৱৰাৰ পৰিণতি হিচাপেই আজি আমি এটা বিব্ৰত অৱস্হাত পৰিলো।

শ্ৰীশইকীয়াৰ সন্মুখত সুদীৰ্ঘ পাঁচটা বছৰ পৰি আছে। এইবাৰ তেওঁ মানসিকভাবে প্ৰস্তুত হৈ মুখ্য মন্ত্ৰীৰ দায়িত্ব ভাৰ গ্ৰহণ কৰা বুলি কৈছে গতিকে তেওঁৰ মূল্যবান সময়খিনিৰ যাতে সদ্ব্যৱহাৰ হয় আৰু নিৰ্বাচনী প্ৰতিশ্ৰুতিবোৰ যাতে পূৰণ কৰিব পাৰে তাৰ বাবে তেওঁ সমাজৰ সকলো শ্ৰেণীৰ সহযোগিতা পাব লাগিব। কিন্তু বহু কথা নিৰ্ভৰ কৰিছে, বৰ্তমানৰ সময়খিনিত কেন্দ্ৰীয় চৰকাৰ আৰু বিশেষকৈ গৃহ মন্ত্ৰী দপ্তৰে ৰাজ্য চৰকাৰক কেনেভাবে নিৰ্দেশনা আৰু পৰামৰ্শ দি সহায় কৰে, তাৰ ওপৰত। ■





# হলা গছত বাগী কুঠাৰঃ ভৃগু কুমাৰ ফুকন বনাম পুলিচ

ইতিমধ্যে আৰম্ভ হোৱা এখন যুঁজ। যুঁজখন লাগিছে প্ৰাক্তন গৃহ মন্ত্ৰী ভৃগু কুমাৰ ফুকন আৰু ৰাজ্যখনৰ আৰক্ষী বিভাগৰ মাজত। বিষয় – চৰকাৰী বাসভৱন খালি কৰা ঘটনাক কেন্দ্ৰ কৰি। বিষয়টো ইতিমধ্যে গুৱাহাটী উচ্চ ন্যায়ালয় পালেগৈ।

যোৱা ৫ জুনত আৰক্ষী বিভাগৰ ৰাজ সম্পত্তি প্ৰাধিকাৰীয়ে প্ৰাক্তন গৃহ মন্ত্ৰী ভৃগু কুমাৰ ফুকনলৈ এখন জাননী প্ৰেৰণ কৰে। উক্ত জাননী খনৰ থূলমূল বক্তব্য হ'ল এনেধৰণৰঃ অসম চৰকাৰৰ আৰক্ষী বিভাগৰ পাণবজাৰত থকা চৰকাৰী বাসভৱনটো ভৃগু কুমাৰ ফুকনৰ নামত আবন্টন দিয়া হৈছিল, যিটো বাসভৱন অসমৰ আৰক্ষী সঞ্চালক প্ৰধানৰ বাবে আছিল। নিৰ্দিষ্ট সময় উকলি যোৱাৰ পিছতো শ্ৰীফুকনে উক্ত বাসভৱনটো নিজৰ দখলত ৰাখিছে। শ্ৰীফুকনক বাসভৱনটো খালি কৰি দিবলৈ আৰক্ষী সঞ্চালক প্ৰধানৰ কাৰ্যালয়ৰ পৰা জাননী দিয়া হৈছিল যদিও তেওঁ কৰ্তৃত্বহীনভাবে নিজৰ দখলত ৰাখিছে। গতিকে 'দি আসাম পাবলিক প্ৰেমিছেছ (এভিক্টচন অব আন অথৰাইজড অকোপেন্টচ) এক্ট, ১৯৭১ [The Assam Public Premises (Eviction of Unauthorised Occupants) Act, 1971]ৰ ৫(১) ধাৰামতে প্ৰদান কৰা ক্ষমতা অনুযায়ী ইয়াৰ দ্বাৰাই উক্ত বাসভৱনত থকা ভৃগু কুমাৰ ফুকন আৰু অন্যান্য সকলক আদেশ দিয়া হৈছে যে ১৫-৬-৯১ তাৰিখে উক্ত বাসভৱন খালি কৰি দিব লাগে। নিৰ্দিষ্ট সময়ৰ ভিতৰত যদি উক্ত বাসভৱন খালি কৰি নিদিয়ে, তেতিয়াহলে ভৃগু কুমাৰ ফুকন আৰু অন্যান্য সকলক শক্তি প্ৰয়োগ কৰি উচ্ছেদ কৰা হ'ব। ইংৰাজীত প্ৰেৰণ কৰা উক্ত জাননীখন পঢ়ুৱৈ ৰাইজৰ জ্ঞাতাৰ্থে হুবহু প্ৰকাশ কৰা হ'ল।

উক্ত জাননীখনৰ সম্পৰ্কত শ্ৰীফুকনে যোৱা ১১ জুন তাৰিখে আৰক্ষী বিভাগৰ ৰাজসম্পত্তি প্ৰাধিকাৰীক লিখিত জবাব দিয়ে এনেদৰেঃ

মই আপোনাৰ ৫-৬-৯১ তাৰিখৰ ওপৰত উল্লেখ কৰা জাননীখন পালো। প্ৰথমতে মই আপোনাক আঙুলিয়াই দিব খোজো যে উক্ত জাননীখন 'দি আসাম পাবলিক প্ৰেমিছেছ (এভিক্টচন অব আনঅথৰাইজড অকোপেন্টচ) এক্ট, ১৯৭১ৰ ৫(২) ধাৰামতে ন্যায়িক বৈধতা নাই। যিহেতু মই উক্ত জাননীখনৰ মৰ্মে উত্তৰ দিয়াৰ বাবে বাধ্য নহওঁ, তথাপি জাননীখনৰ বিষয় বস্তুৱে মোক তলৰ কথাখিনি ব্যক্ত কৰিবলৈ বাধ্য কৰিলে।

সেই সময়ত ৰাজ্যপাল শ্ৰী ডি ডি ঠাকুৰৰ যোগেদি পোৱা ৰাজ্য চৰকাৰৰ বিশেষ অনুৰোধৰ ভিত্তিতহে গৃহ মন্ত্ৰী হিচাপে পূৰ্বতে মোক আৱন্টন কৰা চৰকাৰী বাসভৱনটোত ৰাষ্ট্ৰপতি শাসন প্ৰৱৰ্তন হোৱাৰ পিছতো মই বসবাস কৰি আছো।

OFFICE OF THE DIRECTOR GENERAL OF POLICE: ASSAM: GUWAHATI
Memo No. EC-VI/1098/85/VOL-I/PT-5/10
Dated: Guwahati 5th of June, 1991

NOTICE UNDER SUB-SECTION (I) OF SECTION 5 OF THE ASSAM PUBLIC PREMISES (EVICTION OF UNAUTHORISED OCCUPANTS) ACT, 1971.

Whereas I the undersigned, as satisfied for the reasons recorded below that Sri Bhrigu Kumar Phukan is in unauthorised occupation of the public premises specified in schedule below;

**REASONS:**

That Sri Bhrigu Kumar was alloted a Govt. quarter in the Panbazar complex which is meant for the D.G.P. Assam in 1986 and he continues to occupy the same even after the stipulated period. Notices were served by the office of the D.G.P. Assam asking him to vacate the said quarter but he continues to keep the same in his unauthorised occupation till this day.

Now, therefore, in exercise of the power conferred on me under Sub-Section (1) of Section 5 of the Assam Public Premises (Eviction of Unauthorised Occupants) Act, 1971, I do hereby order the said Sri Bhrigu Kumar Phukan and all persons who may be in occupation of the said premises or any part thereof to vacate the said premises by 15/6/91. In the event of perusal or failure to comply with this order within the period specified above the said Sri Bhrigu Kumar Phukan and all other persons concerned are liable to be evicted from the said premises if need be by the use of such force as may be necessary.

**Schedule**

Assam Type Quarter In The Panbazar Complex, Guwahati, Assam.
Date: 5/6/91

Signature & Seal of the Estate Officer,
Assam Police, Ulubari, Guwahati.

সেই সময়ৰ আৰক্ষী সঞ্চালক প্ৰধান শ্ৰী বি ডি খাৰকোৱালেও ৰাজ্য চৰকাৰৰ এই অনুৰোধৰ কথা ভালদৰে জানিছিল। মোৰ নিৰাপত্তাৰ খাতিৰত নীতিগতভাবে আৰু প্ৰশাসনিক সুবিধাৰ অৰ্থে এই অনুৰোধ কৰা হৈছিল।

জাননীখনৰ ভাব আৰু ভাষা আটাইতকৈ অশোভনীয় আৰু প্ৰয়োজনবিহীন। ৰাজ্যখনৰ উচ্চপদস্থ বিষয়াৰ সালসলনি হলেই ৰাজ্য চৰকাৰৰ নীতি পৰিবৰ্তন হ'ব নোৱাৰে। যদি বাসভৱনটো চৰকাৰৰ প্ৰয়োজন হৈছে, তেনেক্ষেত্ৰত সৌজন্যমূলক ভাবেও মোক অৱগত কৰাব পাৰিলেহেঁতেন। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে মোৰ প্ৰতি দেখুওৱা আচৰণে আৰু মোৰ বাবে লোৱা নিৰাপত্তা ব্যৱস্থা আৰু তাৰ প্ৰতি চৰকাৰৰ আন্তৰিকতাৰ সম্পৰ্কত মই গভীৰভাবে পুনৰ চিন্তা কৰিবলৈ বাধ্য হৈছো।

উক্ত জাননীত মোৰ ওপৰত শক্তি প্ৰয়োগৰ যি ভাবুকি দিয়া হৈছে, তাৰ পৰা ৰাজ্য চৰকাৰৰ মনোভাব ফুটি উঠিছে।

কোৱা বাহুল্য যে মোৰ আবাসগৃহৰ ব্যৱস্থা ইতিমধ্যে প্ৰায় সম্পূৰ্ণ হৈছে আৰু অতি সোনকালে মই এই ঘৰৰ পৰা যাম।

ইংৰাজীত প্ৰত্যুত্তৰ দিয়া শ্ৰীফুকনৰ চিঠিখন পঢ়ুৱৈ ৰাইজৰ জ্ঞাতাৰ্থে ইয়াত প্ৰকাশ কৰা হ'ল।

From: Sri B. K. Phukan, Ex-Home Minister, Assam.
To: The Estate Officer, Assam Police, Ulubari, Guwahati.
Dated: 11th June, 1991
Ref: Memo No. EC-VI/1098/85/VOL-I/PT-5/10 dated Guwahati 5th of June, 1991.

Sir,

I am in receipt of your notice dated 5.6.91 under reference. At the outset, I may point out that the notice under reference is legally not tenable as it does not conform to the mandatory requirements under Section 5(2) of the Assam Public Premises (Eviction of Unauthorised Occupants Act) of 1971. As such, though there is not legal obligation on my part either to reply to the notice in question or to act in terms thereof, the tenor, language and contents of the notice compel me to place on record the folloing facts:

My continued occupation of the official quarter allotted to me as Minister, Home, after the imposition of President Rule in the State, has been on the basis of specific request of the State Government in this regard conveyed by no, less than the then Hon'ble Governor Shri D. D. Thakur. The then D. G. P. Shri B. D. Kharkwal was fully aware of the request made to me by the State Government to continue to occupy the quarter in question. The above requests were made to me by reasons of policy and administrative convenince in providing security to me.

The tenor and language of the notice is most unbecoming and unnecessary. The policy of the State Government on any matter do not and in point of fact cannot change with the change of incumbents of the high officers of the State, Assuming that a pressing necessity with regard to the quarter in question had subsequently arisen, the same could have been conveyed in a manner more dignified and less uncouth. The volte-face made by the State Government in the matter has forced me to seriously rethink about availing the security arrangement provided to me by the State Government and its sincerity in this regard. The threatened use of force, as mentioned in the notice under reference, speaks volumes about the attitude of the State Government in the instant matter.

Needless to say, my own arrangement in the matter of residential accomodation are almost finalised and I shall shift from the quarter in question at an early date.

Thanking You,

Yours faithfully
(B. K. Phukan)
Ex-Home Minister, Assam.

c.c.: 1. The Hon'ble Governor of Assam Shri Loknath Mishra.
2. The Chief Secretary, Government of Assam.

(B. K. Phukan)
Ex-Home Minister, Assam.

এখন দৈনিক কাকতত শ্ৰীভৃগু কুমাৰ ফুকনে কোৱা বুলি প্ৰকাশ পোৱা এটা বাতৰি মতে শ্ৰীফুকনক চৰকাৰী বাসভৱনটো খালি কৰি দিবলৈ দিয়া জাননীৰ কাৰণ আছিল পুলিচৰ বিৰুদ্ধে তেওঁ তোলা এটা অভিযোগ। উক্ত অভিযোগটো আছিল দীনেশ গোস্বামীৰ মৃত্যু সম্পৰ্কত তৎকালীন ভাবে লব লগা ব্যৱস্থা সম্পৰ্কত পুলিচে দেখুওৱা গাফিলতিৰ অভিযোগ। অৱশ্যে শ্ৰীফুকনে তেনেদৰে ভবাটো স্বাভাৱিক। কাৰণ গোস্বামীৰ মৃত্যুৰ কেইদিনমানৰ পিছতেই শ্ৰীফুকনলৈ উক্ত জাননী প্ৰেৰণ কৰা হৈছিল।

বিশ্বস্তসূত্ৰৰ পৰা জানিব পৰা মতে শ্ৰী ফুকনক তেওঁ থকা বাসভৱনটো খালি কৰি দিবলৈ কোৱাৰ অন্তৰালত এক গুপুত ৰহস্য আছে। উক্ত সূত্ৰই জনোৱা মতে শ্ৰীফুকনে হেনো চৰকাৰী বাসভৱনটো দলীয় কাৰ্যালয়লৈ পৰিণত কৰে। ৰাজ্যখনত ৰাষ্ট্ৰপতিৰ শাসন চলি থকা সময়ৰ ভিতৰতে নতুন অসম গণ পৰিষদ দলৰ জন্ম হয় আৰু শ্ৰীফুকন দলটোৰ কাৰ্যকৰী সভাপতি হয়। দলটো গঠন হোৱাৰ ঠিক আগে পিছে উক্ত বাসভৱনত দলে আয়োজন কৰা সাংবাদিক মেল, নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা দলৰ প্ৰাৰ্থীৰ বাছনি আৰু নিৰ্বাচন সম্পৰ্কীয় সকলো যাবতীয় কাম-কাজ উক্ত বাসভৱনৰ পৰাই পৰিচালিত হৈছিল বুলি ৰাইজে দেখা পোৱা প্ৰমাণৰ ভিত্তিতেই হেনো আৰক্ষী বিভাগে শ্ৰী ফুকনলৈ উক্ত জাননী জাৰি কৰিবলৈ বাধ্য হয়।

উল্লেখযোগ্য যে এই সংক্ৰান্তত ইতিমধ্যে শ্ৰীফুকনে গুৱাহাটী উচ্চ ন্যায়ালয়ত এটা গোচৰ ৰুজু কৰে। শ্ৰীফুকনে অভিযোগ কৰে যে জাননীখনত উল্লেখ কৰা The Assam Public Premises (Eviction of Unauthorised Occupants) Act, 1971 ৰ ৫(১) ধাৰামতে তেওঁক এমাহৰ সময় দিয়া হোৱা নাই। গতিকে এই জাননী অবৈধ আৰু স্থগিতকৰণৰ যোগ্য।

যোৱা ১৪ জুনত মুখ্য ন্যায়াধীশ শ্ৰীচফিকুল হক আৰু ন্যায়াধীশ হোকিচে





চেমাৰ দ্বাৰা গঠিত ন্যায়ালয়ে দুয়োপক্ষৰে অধিবক্তাৰ বক্তব্য শুনাৰ পিছত শ্ৰীফুকনৰ আবেদন গ্ৰহণ কৰে আৰু এই মৰ্মে এটা নিৰ্দেশ জাৰি কৰে। উক্ত নিৰ্দেশত কোৱা হয় যে গোচৰটো নিষ্পত্তি নোহোৱা পৰ্যন্ত পূৰ্বৰ স্থিতাৱস্থা বাহাল থাকিব আৰু ৰাজ্য চৰকাৰে দু-সপ্তাহৰ ভিতৰত তেওঁলোকৰ বক্তব্য দাখিল কৰিব লাগিব।

"......Issue notice on the respondents to show cause as to why the operation of the impugned notice under sub-section (1) of sec. 5 dt. 5.6.91 under Assam Public Premises (Eviction of Unauthorised Occupants) Act, 1971 should not be stayed till disposal of this writ petition. Notice is returnable within 2 weeks. Pending hearing of the show cause, the operation of the impugned notice under sub-sec. (1) of sec. 5 dt. 5.6.91 (Annexure-A) is stayed").

জানিব পৰা মতে শ্ৰীফুকনে উচ্চ ন্যায়ালয়ৰ পৰা উক্ত নিৰ্দেশ পোৱাৰ পিছতো যোৱা ৭ জুলাইত তেওঁ পাণ বজাৰৰ চৰকাৰী বাসভৱন পৰিত্যাগ কৰে।

প্ৰাক্তন গৃহ মন্ত্ৰী আৰু পুলিচ বিভাগৰ মাজত হোৱা এই যুঁজখনৰ পৰা এটা মাত্ৰ কথাই ওলাই যে চল পালেই প্ৰাক্তন গৃহ মন্ত্ৰী গৰাকীক এহেকা দিবৰ বাবে পুলিচৰে এটা মহলে যেন বাটহে চাই আছিল। নহলে একেকোবেই উচ্ছেদৰ জাননী সাধাৰণ এজন বেদখলকাৰীক দিয়াৰ দৰে প্ৰাক্তন গৃহ মন্ত্ৰী গৰাকীক নিদিলেহেঁতেন।

থিয় হৈ থকা গছ এজোপা কটাতো যথেষ্ট কষ্টকৰ। কিন্তু হালি থকা গছজোপা বৰ সহজতে আৰু কম সময়তে কাটিব পাৰি। বাগ (কাষ, দিশ) লগাই অলপমান কাটি দিলেই সি সহজে বাগৰি পৰে। সেই বাবে তাক যেয়ে সেয়ে বাগ লগাই কাটিব বিচাৰে। কিন্তু থিয় হৈ থকা গছজোপা কষ্ট কৰি কাটিব লাগে বাবেই কাটিব নোখোজে। ইয়াৰ দ্বাৰা এইটোকে বুজাইছে যে দুৰ্বল বা বিপন্ন লোকৰ অতি সহজে বিপদ ঘটাব পাৰি আৰু তেনে লোকক কাতৰো কৰাব পাৰি। কিন্তু গজগজীয়া, বলি, সম্পদশালী লোকক নোৱাৰি। এতেকে দুৰ্বলক বেছি দুৰ্বল কৰিবলৈ আঘাত কৰা অনুচিত।

হৰেন বুঢ়াগোহাঞি



# আৰক্ষীৰ চোৰাংচোৱাৰ তুলনাত আল্ফাৰ চোৰাংচোৱা শক্তিশালী

মুখ্য মন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ নেতৃত্বত যোৱা ৩০ জুনত নতুন চৰকাৰখনে কাৰ্যভাৰ গ্ৰহণ কৰাৰ ২৪ ঘন্টা অতিবাহিত হোৱাৰ পিছতেই ৰাজ্যখনৰ বিভিন্ন ঠাইৰ পৰা ১৫ জন ব্যক্তিক আল্ফাই অপহৰণ কৰি নিয়াৰ ঘটনাই সকলোকে স্তম্ভিত কৰে। অৱশ্যে আল্ফাই তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ উপ সঞ্চালক নৰেন্দ্ৰ শৰ্মাক পিছত বিনাচৰ্তে মুকলি কৰি দিয়ে। জানিব পৰা মতে নৰেন্দ্ৰ শৰ্মা জনতা দলৰ প্ৰাক্তন বিধায়ক তথা নেতা কিৰণ চন্দ্ৰ বেজবৰুৱাৰ জোঁৱাই আৰু অসম চৰকাৰৰ প্ৰাক্তন গৃহ আয়ুক্ত মদন চন্দ্ৰ বেজবৰুৱাৰ সম্বন্ধত ভনী জোঁৱাই। অপহৰণ কৰি নিয়াৰ পিছতো আল্ফাই নৰেন্দ্ৰ শৰ্মাক এৰি দিয়াৰ কাৰণো সেইটোৱেই বুলি জনা গৈছে।

আল্ফাই অপহৰণ কৰা ঘটনাৰ পিছত ৰাজ্যিক প্ৰশাসনত এটা কথাই প্ৰতীয়মান হৈছে যে আৰক্ষীৰ চোৰাংচোৱা বিভাগৰ তুলনাত আল্ফাৰ চোৰাংচোৱা বিভাগ শক্তিশালী আৰু আৰক্ষীৰ একাংশ বিষয়াই আল্ফাক পৰোক্ষভাবে সহায় সহযোগ আগবঢ়াই আছে। কিয়নো নতুন চৰকাৰৰ গঠনৰ লগে লগে আৰক্ষীৰ চোৰাংচোৱা বিভাগে জানিব পাৰিছিল যে আল্ফাই কিছুসংখ্যক চৰকাৰী উচ্চ পদস্থ বিষয়াক অপহৰণ কৰিব আৰু অপহৃত ব্যক্তিক মুক্তি দিয়াৰ বিনিময়ত সংগঠনটোৰ আটক বন্দীসকলৰ মুক্তিৰ দাবী কৰিব। আল্ফাৰ এই আঁচনিৰ বিষয়ে জানিব পাৰি আৰক্ষী মহলেও সেই আঁচনি ব্যৰ্থ কৰাৰ উদ্দেশ্যে নিৰ্দিষ্ট কিছুমান ঠাইত জাল পেলাইছিল। কিন্তু আৰক্ষীয়ে জাল পেলোৱাৰ বিষয়ে আল্ফাই সম্ভেদ পায়। জানিব পৰা মতে আৰক্ষীৰ একাংশই আল্ফাৰ চোৰাংচোৱা বিভাগক এই বিষয়ে অবগত কৰে। আৰক্ষীৰ আঁচনিৰ বিষয়ে জানিব পাৰি আল্ফাইয়ো তেওঁলোকৰ আঁচনি পৰিবৰ্তন কৰে। মূলতঃ এইকাৰণে আগতীয়াকৈ জানিব পাৰিও মংগলদৈত আল্ফাৰ সদস্যক গ্ৰেপ্তাৰ কৰাৰ বাবে আৰক্ষীয়ে প্ৰস্তুত কৰা আঁচনি ব্যৰ্থ হয়।

আৰক্ষী আৰু প্ৰশাসনৰ একাংশ বিষয়াই যে পশ্চাদঘাটীমূলক কাম-কাজ কৰি আছে, সম্প্ৰতি নতুন চৰকাৰে এই বিষয়ে অবগত হৈছে। সেয়ে চৰকাৰে আৰক্ষী আৰু প্ৰশাসনত ব্যাপক সাল-সলনি ঘটোৱাৰ ব্যৱস্থা কৰিছে বুলি জানিব পৰা গৈছে।

# প্ৰফুল্ল মহন্ত বিৰোধী পক্ষৰ নেতা নহবও পাৰে


প্ৰাক্তন মুখ্য মন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত অগপ বিধায়িনী দলৰ নেতা নিৰ্বাচিত হোৱাৰ বিষয়টোক কেন্দ্ৰ কৰি ইতিমধ্যে দলৰ মাজত তুমুল বিতৰ্কৰ সৃষ্টি হৈছে। দলৰ সাধাৰণ সম্পাদক তথা বিধায়ক অতুল বৰাই মহন্তৰ বিৰুদ্ধে প্ৰকাশ্যে বিদ্ৰোহ ঘোষণা কৰিছে। বৰাই মহন্তক বিধায়িনী দলৰ নেতা হিচাপে গণ্য নকৰে বুলি ইতিমধ্যে ৰাজহুৱা ভাবে ঘোষণা কৰিছে। অগপ বিধায়িনী দলতে দুটা গোট হোৱাৰ সম্ভাৱনাই দেখা দিছে। প্ৰাক্তন মন্ত্ৰী তথা বিধায়ক ছহিদুল আলম চৌধুৰীয়ে

অতুল বৰাৰ প্ৰতি সমৰ্থন আগবঢ়াইছে। শাসন ক্ষমতাত নথকাৰ হেতুকেই এইবাৰ মহন্তৰ পক্ষে অগপ বিধায়িনী দলত পুনৰ দেখা দিয়া বিসম্বাদৰ সন্মুখীন হোৱাটো কঠিন হৈ পৰিছে।

এনে এটা পৰিস্থিতিতেই বিধান সভাত দ্বিতীয় বৃহত্তম দল হোৱাৰ পিছতো অগপ বিধায়িনী দলৰ নেতা হিচাপে প্ৰফুল্ল মহন্ত এইবাৰ বিৰোধী পক্ষৰ নেতা হব পাৰিব নে নাই সেই বিষয়েও সন্দেহ দেখা দিছে। কিয়নো জানিব পৰা মতে অন্যান্য কেইবাটাও বিৰোধী দলে প্ৰফুল্ল মহন্ত যাতে বিৰোধী পক্ষৰ নেতা হব নোৱাৰে তাৰ বাবে আঁচনি প্ৰস্তুত কৰিছে। এই বিৰোধী দল কেইটা হ'ল ন-অগপ, চি পি আই, এ এছ ডি চি, চি পি এম, এছ ইউ চি আই, জনতা দল আৰু জাতীয় স্বতন্ত্ৰ মঞ্চ। মহন্ত যাতে বিৰোধী পক্ষৰ নেতা হব নোৱাৰে এই উদ্দেশ্যে কৌশল প্ৰস্তুত কৰাৰ উদ্দেশ্যে উক্ত দলকেইটাৰ নেতাসকলে যোৱা ছয় জুনৰ নিশা এখন ভোজ মেলত মিলিত হয়। ভোজ মেলখন আয়োজন কৰা হৈছিল গুৱাহাটীত থকা কাৰ্বি ভৱনত। বিধান সভাত এই দল কেইটাৰ সদস্য সংখ্যা হ'ল–ন-অগপ- ৫, চি পি আই- ৪, এ এছ ডি চি- ৪, চি পি এম- ২, এছ ইউ চি আই- ২, জনতা দল ১ আৰু জাতীয় স্বতন্ত্ৰ মঞ্চ- ১। মুঠতে মিলিত ভাবে এই দল কেইটাৰ মুঠ সদস্যৰ সংখ্যা হ'ল ১৯। আনহাতে অগপৰো মুঠ সদস্যৰ সংখ্যা ১৯। কিন্তু বিধান সভাত বিৰোধী পক্ষৰ নেতা হবলৈ মুঠ সদস্যৰ ছয় ভাগৰ এক অংশৰ সমৰ্থন লাগে। অৰ্থাৎ ১২৬ জনীয়া বিধান সভাত ২১ জন সদস্যৰ সমৰ্থনৰ প্ৰয়োজন। প্ৰফুল্ল মহন্তৰ বিৰোধী পক্ষৰ নেতা হবলৈ নিজ দলৰ সদস্যৰ উপৰিও আন দুজন সদস্যৰ সমৰ্থন প্ৰয়োজন হব। কিন্তু প্ৰফুল্ল মহন্তই যাতে আৰু দুজন সদস্যৰ সমৰ্থন পাব নোৱাৰে তাৰ বাবে উক্ত দল কেইটাই ঐক্যবদ্ধ ভাৱে প্ৰচেষ্টা চলাইছে। এই দল কেইটাই এতিয়া বিধান সভাত থকা দুজন প্ৰকৃত নিৰ্দলীয় সদস্যৰ সমৰ্থন লাভ কৰিবলৈ চেষ্টা চলাইছে। দুজন নিৰ্দলীয় সদস্যৰ সমৰ্থন লাভ কৰিলেই উক্ত দল কেইটাই মিলিত ভাবে উমৈহতীয়া নেতা এজন নিৰ্বাচিত কৰিব। উক্ত দল কেইটাই এই আঁচনিত কৃতকাৰ্যতা লাভ কৰিলেই প্ৰফুল্ল কুমাৰ মহন্ত বিৰোধী পক্ষৰ নেতা হব নোৱাৰিব।

## পাটোৱাৰীৰ সমৰ্থনৰ বাবে মহন্তৰ চেষ্টা

অগপৰ পৰা বহিষ্কৃত হোৱা নেতাৰ ভিতৰত প্ৰাক্তন মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰী অন্যতম আছিল। কিন্তু বহিষ্কৃত হোৱাৰ পিছতো নিজ দক্ষতাৰ বলত পাটোৱাৰীয়ে এইবাৰ জাতীয় স্বতন্ত্ৰ মঞ্চৰ সমৰ্থিত প্ৰাৰ্থী হিচাপে পুনৰ তেওঁ একেটা সমষ্টিৰ পৰা বিধান সভালৈ নিৰ্বাচিত হৈ আহে।



নিৰ্বাচিত হৈ অহাৰ কিছুদিনৰ পিছতে অগপ বিধায়িনী দলৰ নেতা প্ৰফুল্ল কুমাৰ মহন্ত, ভাৰপ্ৰাপ্ত সভাপতি থানেশ্বৰ বড়ো প্ৰমুখ্যে কেইজনমান নেতা হেনো পাটোৱাৰীৰ ঘৰলৈ যায়। মহন্ত, বড়ো পাটোৱাৰীৰ ঘৰলৈ যোৱাৰ উদ্দেশ্য আছিল বিধান সভাত পাটোৱাৰীয়ে অগপ দলৰ সৈতে যাতে মিলি জুলি কাম-কাজ কৰে আৰু মহন্তৰ প্ৰতি যাতে সমৰ্থন আগবঢ়ায় তাৰ বাবে অনুৰোধ কৰা।

কিন্তু পাটোৱাৰীয়ে হেনো মহন্ত আৰু বড়োক নিৰাশ কৰে। পাটোৱাৰীয়ে মহন্ত আৰু বড়োক স্পষ্টভাবে জনাই দিয়ে যে তেওঁলোকক বিধান সভাত সমৰ্থন জনোৱাৰ প্ৰশ্ন নুঠে।

পাটোৱাৰীৰ মতে কেৱল মন্ত্ৰিত্বৰ পৰাই নহয়, দলৰ পৰা বহিষ্কাৰ কৰি তেওঁৰ ৰাজনৈতিক জীৱনক কবৰ দিবলৈ প্ৰয়াস কৰা মহন্তক এতিয়া সমৰ্থন জনোৱাৰ প্ৰশ্ন নুঠে।

উল্লেখযোগ্য যে শাসন ক্ষমতাত থকাৰ সময়ত দলৰ পৰা বহিষ্কাৰ কৰি পাটোৱাৰীক পুনৰ দলত লোৱা হব বুলি মহন্তই হেনো কেইবাবাৰো মিথ্যা আশ্বাস দিছিল।

জানিব পৰা মতে চন্দ্ৰ মোহন পাটোৱাৰীয়ে অন্যান্য কেইবাটাও আঞ্চলিক দল লগ লগাই এটা নতুন আঞ্চলিক দল গঠনৰ বাবে উদ্যোগ লব।

## মন্ত্ৰীসভাৰ দপ্তৰ সলনিৰ সম্ভাৱনা

অসমৰ নতুন মন্ত্ৰীসভাৰ দপ্তৰ বিতৰণক কেন্দ্ৰ কৰি যিদৰে একাংশ নতুন মন্ত্ৰী সুখী হৈছে, ঠিক সেইদৰে একাংশ পুৰণি মন্ত্ৰী অসন্তুষ্ট হোৱা বুলি জানিব পৰা গৈছে। অসন্তুষ্ট মন্ত্ৰী সকলে দপ্তৰ সাল-সলনি কৰাৰ বাবে মুখ্য মন্ত্ৰীক হেঁচা প্ৰয়োগ কৰিব বুলিও জানিব পৰা গৈছে।

কিন্তু মন্ত্ৰীসভাৰ দপ্তৰ বিতৰণৰ সন্দৰ্ভত কেৱল মন্ত্ৰীসকলেই যে অসন্তুষ্ট হৈছে এনে নহয়, ৰাজ্যখনৰ ৰাজনৈতিক পৰ্যবেক্ষকৰ লগতে সাধাৰণ ৰাইজেও এই সম্পৰ্কত ইতিমধ্যে অসন্তুষ্টি প্ৰকাশ কৰিছে। বিশেষকৈ কেইটামান গুৰুত্বপূৰ্ণ দপ্তৰ কেইজনমান নতুন ব্যক্তিক দিয়া দেখি ৰাজনৈতিক মহল স্তম্ভিত হৈছে। উদাহৰণ স্বৰূপে ৰাজ্যখনৰ শক্তি দপ্তৰৰ দায়িত্ব দিয়া হৈছে দীনেশ প্ৰসাদ গোৱালক। দীনেশ প্ৰসাদ গোৱালৰ যোগ্যতাৰ সম্পৰ্কে পৰ্যবেক্ষক মহলটোৱে বিশেষ প্ৰশ্ন উত্থাপন নকৰিলেও শক্তি দপ্তৰৰ দৰে গুৰুত্বপূৰ্ণ দায়িত্ব এটা তেওঁ ভালদৰে পৰিচালনা কৰিব পাৰিব নে নাই এই বিষয়ে সন্দেহ প্ৰকাশ কৰা হৈছে।

এইখিনিতে উল্লেখযোগ্য যে পশ্চিমবংগ চৰকাৰে শক্তি দপ্তৰক ইমানেই গুৰুত্ব দিছে এইবাৰ বাওঁ মৰ্চাই যাদবপুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য তথা আন্তৰ্জাতিক খ্যাতি সম্পন্ন প্ৰযুক্তিবিদ শংকৰ সেনক বিধান সভালৈ নিৰ্বাচিত কৰি আনি তেওঁক শক্তি দপ্তৰৰ দায়িত্ব অৰ্পণ কৰিছে।

এই অসন্তুষ্টিৰ বাবেই মুখ্য মন্ত্ৰীয়ে মন্ত্ৰীসভাৰ দপ্তৰ সাল-সলনি কৰাৰ সম্ভাৱনা আছে।

ত্ৰিনয়ন





### ডিব্ৰুগড় জিলাৰ নিৰ্বাচনী সমীক্ষা

# অগপ-ৰ বিভাজনে কংগ্ৰেছ(ই)-ৰ বিজয় অনা নাই

শৰৎ চন্দ্ৰ নেওগ

ডিব্ৰুগড় জিলাৰ অন্তৰ্গত ৭টা বিধান সভা সমষ্টিত নিৰ্বাচন যেনেদৰে সুকলমে অনুষ্ঠিত হৈ গ'ল; তেনেদৰে নাহৰকটীয়া বিধান সভা সমষ্টিত ভোট গণনা সম্পৰ্কীয় সামান্য আসোঁৱাহৰ আপত্তি প্ৰদৰ্শন কৰাৰ বাহিৰে ভোট গণনাও শান্তিপূৰ্ণ ভাবে সম্পন্ন হৈ গ'ল। প্ৰাক্ নিৰ্বাচনৰ বেলিকা সকলো দলৰ ব্যাপক প্ৰচাৰ অভিযানৰ সময়তো দুই এটা সামান্য ঘটনাৰ বাহিৰে কোনো গুৰুত্বপূৰ্ণ ঘটনা যেনেদৰে সংঘটিত নহ'ল, তেনেদৰে পিছৰ অৰ্থাৎ বৰ্তমান পৰিস্থিতিতো শান্তিপূৰ্ণ ভাবেই ৭টা বিধান সভা সমষ্টি আছে বুলিব পাৰি। জিলাখনৰ ৭টা বিধান সভা সমষ্টি হ'ল– ১১৫নং মৰাণ, ১১৬নং ডিব্ৰুগড়, ১১৭নং লাহোৱাল, ১১৮নং দুলিয়াজান, ১১৯নং টিংখং, ১২০নং নাহৰকটীয়া, ১২১নং চাবুৱা। এই কেইটা সমষ্টিত এইবাৰৰ ভোটাৰৰ সংখ্যা এনেধৰণৰ–

তালিকা নং ১

| নং | সমষ্টিৰ নাম | মুঠ ভোট | প্ৰদত্ত ভোট | নাকচ ভোট | বৈধ ভোট |
|---|---|---|---|---|---|
| ১ | মৰাণ | ৮০৮১২ | ৫১৮৪৭ | ৪৫৪৮ | ৪৭২৯৯ |
| ২ | ডিব্ৰুগড় | ৯০৬৮৮ | ৫২৭০৬ | ৪৮৫৩ | ৪৭৮৫৩ |
| ৩ | লাহোৱাল | ৮৩৯২৮ | ৫৩৮০৯ | ৪৬০৬ | ৪৯২০৩ |
| ৪ | দুলিয়াজান | ৯১৩৪৪ | ৫৭২৭০ | ৪৫৪৩ | ৫২৭২৭ |
| ৫ | টিংখং | ৮৫৯৭৬ | ৫৬৯৬৭ | ৩৬৪২ | ৫৩৩২৫ |
| ৬ | নাহৰকটীয়া | ৮৯৩০৫ | ৬১৬৭১ | ৪২৮৮ | ৫৭৩৮৩ |
| ৭ | চাবুৱা | ৯২১৩১ | ৬৪১৬৯ | ৪৬৫৭ | ৫৯৫১২ |
| ৮ | সৰ্বমুঠ | ৬,১৪,১৮৪ | ৩,৯৮,৪৩৯ | ৩১,১৩৭ | ৩,৬৭,৩০২ |

শান্তিপূৰ্ণ ভাবে নিৰ্বাচনটো অনুষ্ঠিত হৈ যোৱাৰ পাছত যি ফলাফল ওলাল, তাত দেখা গ'ল জিলাখনৰ ৭টা সমষ্টিত কোনো এটাও অগপ নতুন ন-অগপৰ হাতলৈ নগ'ল; কেৱল ১২০নং নাহৰকটীয়া বিধান সভা সমষ্টিটোৰ বাহিৰে কেউটা আসন কংগ্ৰেছ(ই) দলে লাভ কৰে; আৰু নাহৰকটীয়াৰ এই আসনখন পায় চি পি এম দলে। জিলাখনৰ অতি স্পৰ্শকাতৰ বুলি ভবা, বিশেষকৈ, যোৱা বছৰ কেইটাত আল্ফা সংগঠনৰ মূল প্ৰশিক্ষণ শিবিৰ থকা লক্ষীপথাৰ আৰু চৰাইপুং -ডিগবৈ বিধান সভা সমষ্টিত পৰে; এই সমষ্টিৰ পৰাও কংগ্ৰেছ(ই) দলৰ প্ৰাৰ্থীয়ে জয়লাভ কৰে। আনকি যোৱা ৫টা বছৰ অগপৰ দখলত থকা আৰু আল্ফাৰ মুখ্য সেনাধ্যক্ষৰ বাসস্থান চাবুৱা বিধান সভা সমষ্টিৰ পৰাও কংগ্ৰেছ(ই) প্ৰাৰ্থী বিজয়ী হয়। নিৰ্বাচনৰ প্ৰাক্ মুহূৰ্তত বহুতে ভাবিছিল যে অগপ দুভাগ হোৱা মানেই কংগ্ৰেছ(ই) জয়ী হোৱা; কিন্তু কাৰ্যতঃ দেখা গ'ল এইবাৰ নিৰ্বাচনত অগপৰ বিভাজনে কংগ্ৰেছ(ই)-ক সহায় কৰাতকৈ অগপ এক হৈ থকা অৱস্থাত তেওঁলোকে কৰা কাৰ্যাৱলীয়েহে কংগ্ৰেছ(ই)-ক জয়ী কৰাত সহায় কৰিলে। অৰ্থাৎ দুয়োটা অগপ-ই পোৱা মুঠ ভোটৰ তুলনাত কংগ্ৰেছ (ই)-য়ে পোৱা ভোটৰ সংখ্যা অধিক বেছি তাক এই ছবিখনে প্ৰমাণ কৰে–

তালিকা নং–২

| নং | সমষ্টি | অগপ | ন-অগপ | মুঠ | মুঠ ভোটৰ শতকৰা | কংগ্ৰেছ(ই) | মুঠ ভোটৰ শতকৰা |
|---|---|---|---|---|---|---|---|
| ১ | মৰাণ | ৮৪৬৯ | ৩২৪২ | ১১৭১১ | ২৩.৪৭ | ২২৪৫১ | ৪৭.৪৬ |
| ২ | ডিব্ৰুগড় | ১১২০৮ | ৪৪৪৯ | ১৫৬৫৭ | ৩২.৭১ | ২০২৭৮ | ৪২.৩৭ |
| ৩ | লাহোৱাল | ৮২৮৭ | ৭৪৩৭ | ১৫৭২৪ | ৩১.৯৫ | ২১২৩৯ | ৪৩.১৬ |
| ৪ | দুলিয়াজান | ১৩৭৮২ | ৬৬৫৮ | ২০৫৩০ | ৩৮.৯৩ | ২৬৭৯৪ | ৫০.৮১ |
| ৫ | টিংখং | ৮৯৬৮ | ৩৫৯৮ | ১২৫৬৬ | ২৩.৫৬ | ২৫৭৫২ | ৪৮.২৯ |
| ৬ | চাবুৱা | ১৭১৫০ | ১৭৬০ | ১৮৯১০ | ৩১.৭৭ | ৩২১৭৯ | ৫৪.০৭ |
| ৭ | সৰ্বমুঠ | ৬৭৯৫৪ | ২৭১৪৪ | ৯৫০৯৮ | -- | ১৪৮৬৯৩ | -- |

ওপৰৰ তালিকাত ১২০নং নাহৰকটীয়া সমষ্টিটোক সংযোগ কৰা হোৱা নাই; যিহেতু এই সমষ্টিটোত চি পি এমৰ প্ৰাৰ্থীয়েহে জয়লাভ কৰে। ইয়াতো বিশেষভাবে উল্লেখযোগ্য যে, চি পি এম আৰু ইয়াৰ নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছ(ই) দলৰ মুঠ (চি পি এমৰ ১৬৭১০ আৰু কংগ্ৰেছ(ই)-ৰ ১৬৬৫৪) ৩৩,৩৬৪; যিটো দুয়োটা অগপৰ মুঠ ভোটত (অগপ ১৩৭৭৭+ন-অগপ ৪৫১৫) ১৮২৯২-তকৈ বহুত বেছি। অন্যহাতে এই কথাও গুৰুত্ব সহকাৰেই লব লাগিব যে, যদিও কোৱা হৈছে সৰ্বভাৰতীয় বিভিন্ন ৰাজনৈতিক দলবোৰৰ কথা বাদ দি অধিক নিৰ্দলীয় প্ৰাথী থিয় হোৱাৰ বাবে ভোট বিভাজন হৈছে; যাৰ ফলত অগপ বেছি দুৰ্বল হৈ কংগ্ৰেছ(ই)-ৰ বিজয় সুনিশ্চিত হৈ পৰিলে। কিন্তু ডিব্ৰুগড় জিলাৰ ৭টা বিধান সভা সমষ্টিৰ ক্ষেত্ৰত এই কথাও নেখাটে। ইয়াত নিৰ্দলীয় প্ৰাৰ্থীয়ে অতি নগণ্য সংখ্যকহে ভোট পাইছিল। এই সমষ্টি কেইটাৰ প্ৰদত্ত ভোটৰ ওপৰত লোৱা নিম্নোল্লিখিত হিচাবলৈ লক্ষ্য কৰিলে দেখা যাব যে কেৱল নিৰ্দলীয়ই নহয়; সমূহ নিৰ্দলীয় প্ৰাৰ্থীয়ে পোৱা ভোটৰ লগত দুয়োটা অগপই পোৱা ভোট সকলো একেলগ কৰিলেও কংগ্ৰেছ(ই)-য়ে পোৱা মুঠ ভোটৰ সমান নহয়গৈ।

৭টা সমষ্টিত মুঠ নিৰ্দলীয় প্ৰাৰ্থীৰ সংখ্যা ৪২ জন। এই ৪২ জনে পোৱা মুঠ ভোট হ'ল– ৩৯,৮৪২
দুয়োটা অগপৰ মুঠ ভোট– ১১৩৩৯০
সৰ্বমুঠ– ১৫৩২৩২

কংগ্ৰেছ(ই)-য়ে পোৱা ভোটঃ ১৬৫৩৪৭; অৰ্থাৎ তেতিয়াও ১২,১১৫ ভোট অধিক।

এই কথাৰ পৰা প্ৰমাণিত হয় যে জিলাখনৰ ৭টা বিধান সভা সমষ্টিত অন্যান্য সৰ্বভাৰতীয় অথবা ৰাজনৈতিক দলৰ কথা বাদ দিলে বৰ্তমান যিটো কোৱা হৈছে যে, অগপ বিভাজন আৰু একাধিক নিৰ্দলীয় প্ৰাৰ্থীৰ প্ৰতিদ্বন্দ্বিতাত ব্যাপক হাৰত ভোট বিভাজন হোৱাতহে কংগ্ৰেছ (ই)ৰ বিজয় নিশ্চিত হৈ পৰিল এই কথাৰ কোনো বাস্তৱ ভিত্তি নাই। এক কথাত ওপৰৰ সমীক্ষাটোৰ পৰা ওলাই পৰিল যে এজনো যদি নিৰ্দলীয় প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা নকৰিলেহেঁতেন আৰু দুয়োটা অগপও যদি এক হৈ থাকিলহেঁতেন তেতিয়াও কংগ্ৰেছ (ই)-ৰ বিজয় নিশ্চিত হ'লহেঁতেন।

প্ৰসংগতে ডিব্ৰুগড় সমষ্টিটোৰ বিষয়েও উল্লেখ কৰা উচিত হব। ডিব্ৰুগড় লোকসভা সমষ্টিটো, ডিব্ৰুগড় জিলাৰ উল্লিখিত ৬টা বিধান সভা সমষ্টিৰ লগত আৰু ৩টা তিনিচুকীয়া, ডিগবৈ আৰু মাৰ্ঘেৰিটাক লৈ মুঠ ৯টা বিধান সভা সমষ্টিৰে গঠিত। এইবাৰ ইয়াৰ মুঠ ভোটাৰ হ'ল ৭,৯৯,৭২৭ জন। এই সমষ্টিটোৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰি বিজয়ী হোৱা কংগ্ৰেছ(ই) দলৰ প্ৰাৰ্থী, বৰ্তমান কেন্দ্ৰীয় চৰকাৰৰ এজন উপমন্ত্ৰী হিচাপে মনোনীত হোৱা শ্ৰীপৱন সিং ঘাটোৱাৰে মুঠ ২,৪৩,৯৩৭টা ভোট লাভ কৰে। ইয়াতো দুয়োটা অগপই লাভ কৰা মুঠ ভোট (অগপৰ ১০৬০১৭+ন-অগপৰ ৩৫০১১) হ'লগৈ ১,৪১,০২৮টা। ইয়াতো এই দুয়োটা দলৰ ভোট একেলগ কৰিলে কংগ্ৰেছ(ই) প্ৰাৰ্থীজনে ১,০২,৯০৯টা ভোট বেছি পায়। নিৰ্দলীয় ভোটখিনি একেলগ কৰিলেও পূৰ্বৰ দৰেই কংগ্ৰেছ(ই) প্ৰাৰ্থীজন জিকি থাকে।

আন নহ'লেও অন্ততঃ ডিব্ৰুগড়ৰ ৭টা বিধান সভাৰ সমষ্টিৰ প্ৰদত্ত ভোটৰ ওপৰতে এই আলোচনা আগবঢ়াই নিশ্চিত ভাবে ক'ব পৰা যায় যে অগপই হওক বা নিৰ্দলীয়ই হওক, কোনো বিভাজনে কংগ্ৰেছ(ই)-ৰ বিজয় সুনিশ্চিত কৰা নাই। সৰ্বসাধাৰণ ভোটাৰ ৰাইজে স্বতঃস্ফূৰ্ত ভাবেই নিজৰ সমৰ্থন এইবাৰ কংগ্ৰেছ(ই) দলক দিলে। সূ

দৃষ্টিকোণ

# বিচাৰৰ বাবে

প্ৰহলাদ বৰুৱা

মৃত্যুৰ দৰে ভয়ংকৰ সত্য এটা লগত লৈ আমি সকলো পাৰ্থিব লালসাৰ পাছত দৌৰি থাকো। প্ৰয়োজনৰ প্ৰতিযোগিতাত আমি কোনেও হাৰ মানিবলৈ নিবিচাৰো। কেতিয়াবা কেতিয়াবা আমি অভিসন্ধিবোৰকে দুৰ্ঘটনা, দুৰ্ঘটনাবোৰকে অভিসন্ধি বুলিও কওঁ। কিছুমান অভিসন্ধিৰ যোগেদি আমি বিজয়ৰ মালা পিন্ধাৰ অপেক্ষাত ৰৈ থাকোতে জনচক্ষুত বেয়াকৈ ধৰা দিওঁ, লজ্জা বোধো নহয় কাৰণ তেনে কৰিবলৈ শিকাই নাই।

অলপতে হৈ যোৱা নিৰ্বাচনত বিভিন্ন ৰাজনৈতিক দল, বিভিন্ন ৰাজনৈতিক ব্যক্তিয়ে বিভিন্ন অভিসন্ধিৰে ৰাইজৰ মন জয় কৰিবলৈ কৰা চেষ্টা আমাৰ চকুত পৰিছে। গুৱাহাটী লোক সভা সমষ্টিৰ পৰা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা দুজন প্ৰাৰ্থীয়ে বাতৰি কাগজত বিজ্ঞাপনৰ যোগেদি তেখেত সকলৰ অতীতৰ কৃতিত্ব আৰু ভৱিষ্যতৰ প্ৰতিশ্ৰুতি সম্পৰ্কে ৰাইজক জনাইছিল। কিন্তু দুয়োজনৰ এজনকো ৰাইজে বিশ্বাসত নললে। ডঃ জনাৰ্দন বেজবৰুৱাই কৈছিল 'সামৰিক বাহিনীৰ ধৰ্ষণৰ বলি হোৱা নাৰী সকলৰ নাম সাংবাদিক হিচাপে বোলে তেখেতেই প্ৰথম প্ৰকাশ কৰিছিল আৰু ব্ৰাহ্মণ হৈ অন্য সম্প্ৰদায়ৰ ছোৱালী বিয়া কৰাই বাকী ব্ৰাহ্মণ সকলক সংস্কাৰ মুক্ত হবলৈ আহ্বানেই নহয় অনুপ্ৰেৰণা যোগাইছিল ইত্যাদি। অৰ্থাৎ তেখেতৰ দৰে বাটকটীয়া জনক আমি সংসদলৈ পঠাবই লাগে। এতিয়া কথা হৈছে তেখেতে প্ৰকাশ কৰা ধৰ্ষণৰ লিষ্টখনত কোনোৱা ব্ৰাহ্মণ নাইবা উচ্চ সম্প্ৰদায়ৰ নাৰীৰ নাম আছিল নে? নিশ্চয় নাই। 'প্ৰেছ কাউন্সিলৰ' অসমৰ এজন মাননীয় সদস্যই সামাজিক ন্যায় বিচাৰৰ স্বাৰ্থতেই বাৰম্বাৰ ধৰ্ষণৰ বলি হোৱা মহিলাৰ নাম প্ৰকাশ নকৰিবলৈ অনুৰোধ কৰাৰ পাছতো এনে গৰ্হিত কাম কৰি বিজ্ঞাপনৰ যোগেদি ৰাইজৰ ওচৰত কৃতিত্বৰ দাবী কৰাৰ অধিকাৰ আছেনে? গুৱাহাটীৰ মাজ-মজিয়াত এগৰাকী হৰিজন মহিলাক, ডঃ বেজবৰুৱাৰ দৰে সাংবাদিক সকল গোঁসাই ঘৰত সোমাই থাকোতেই, কেইটামান ল'ৰাই ধলপুৱাতে জৰ্জ ফিল্ডৰ এটা চুকত দলবদ্ধভাবে ধৰ্ষণ কৰিলে, পুৱাই বাতৰি ওলাল, ধৰ্ষণকাৰী কেইজনৰ নাম কিন্তু প্ৰকাশ নকৰিলে। উচ্চ পদস্থ চৰকাৰী বিষয়াৰ সন্তান বুলিয়েই থৈ দিলে। 'Investigative Journalist' অৰ্থাৎ অনুসন্ধানকাৰী সাংবাদিক ডঃ বেজবৰুৱাচাগৈ তেতিয়া গণ পৰিষদৰ টিকট পোৱাটো খাটাং নাছিল বাবে ল'ৰা কেইজনৰ নাম প্ৰকাশ কৰিবলৈ চেষ্টা নকৰিলে? এনে ধৰণৰ অন্য এক ঘটনাৰ খবৰ পৰিৱেশন কৰি, এখন বাতৰি কাগজে গুৱাহাটীৰ এখন স্কুলত পঢ়ি থকা এজনী অষ্টম মান শ্ৰেণীৰ ছাত্ৰীৰ জীৱনত ভয়ংকৰ ক্ষতি কৰি থৈছে। নিজৰ ছোৱালীৰ কন্যা কালৰ খবৰটো কোনোৱা কোনোৱা বন্ধুৱে জানিলেও অপকাৰ হ'ব বুলি ভবা ব্ৰাহ্মণে নিৰ্বাচনৰ সময়ত সংস্কাৰ মুক্ত হৈছো বুলি কোৱাটো বিশ্বাস কৰা উচিতনে? শ্ৰদ্ধেয় অনিল বৰুৱাই (সম্ভৱ ব্ৰাহ্মণ) 'সূত্ৰধাৰতে এটা সংখ্যাত বৰো আন্দোলনৰ সাক্ষাৎকাৰ প্ৰসংগত বহু আগেয়ে এনে বহুত ঘটনা পোহৰলৈ আনি দিয়াৰ পাছতো ডঃ বেজবৰুৱাৰ দৰে সাংবাদিকে নিজকে সংস্কাৰ মুক্ত বুলি প্ৰমাণ কৰাৰ অভিসন্ধিৰে এনে দৰে শূদিৰৰ ভোট আদায় কৰাৰ ব্যৱস্থা নকৰিলেও হ'লহেঁতেন নিশ্চয়। অন্য এক সম্প্ৰদায়ৰ ছোৱালী কিহৰ তাগিদাত পৰি বিয়া কৰাব লগা হ'ল তেখেতৰ সহপাঠীয়েহে ক'ব। কিবা আদৰ্শগত প্ৰতিশ্ৰুতিৰ বাবে যদি তেখেতে কামটো কৰিছিলেই তেন্তে তাৰ বাবে ৰাজহুৱা স্বীকৃতি বিচৰাৰ যুক্তি কত? অসমত বহুত উচ্চ শিক্ষিত ব্ৰাহ্মণে অন্য সম্প্ৰদায়ৰ ছোৱালী বিয়া কৰাইছে তেওঁলোকেও এতিয়া বিজ্ঞাপনৰ যোগেদি ৰাইজক কব লাগিব নেকি? অৱশ্যে বাতৰি কাগজৰ বিজ্ঞাপনৰ ধন দিবলৈ তেখেতৰ যিমান গুণমুগ্ধ শুভাকাংক্ষী আছে আন সকলৰ নাই। তেখেতে নিশ্চয় জানে যে প্ৰয়াত কমল শৰ্মাই এটা আদৰ্শ প্ৰতিষ্ঠা কৰিবলৈ সৰুপথাৰৰ শ্যাম ছোৱালী এজনী বিয়া কৰাইছিল। কমল শৰ্মা এতিয়া নাই, কমল শৰ্মাৰ বিধৱা পত্নি শ্ৰী ভানুশ্যাম শৰ্মাই শীতৰ হাড় কঁপোৱা জাৰ আৰু বাৰিষাৰ বৰষুণৰ লগত কি দৰে মোকাবিলা কৰিছে তাৰ খবৰ লবলৈ এবাৰ গৈছেনে? মুঠতে জনগণক প্ৰতাৰণা কৰিবলৈ বাতৰি কাকতৰ বিজ্ঞাপনৰ কোনো প্ৰয়োজন নাই, বিজ্ঞাপনৰ খৰচ কৰা ধন খিনি অসমৰ এনে কিছু মানুহৰ মাজত বিলাই দিয়াৰ মানসিকতা গোটাই লব পৰা হলে আমি বেজবৰুৱাৰ দৰে লোকক মালা পিন্ধালোহেঁতেন।

বিজ্ঞাপনৰ যোগেদি কৃতিত্ব দাবী কৰিবলৈ বিচৰা দ্বিতীয় ব্যক্তি জন সম্পৰ্কে বহলাই নকৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ এজন শ্ৰদ্ধেয় শিক্ষকে তেখেত সকলৰ সম্পৰ্কে দিয়া এটা মন্তব্য দাঙি ধৰিলেই সম্ভৱ যথেষ্ট হ'ব। 'এইবাৰলৈ দেশ প্ৰেমৰ ঠিকাতো আমি তেওঁলোককে দিছো, যি সকলে জীৱনত নিঃস্বাৰ্থ ত্যাগ দুটাই কৰিছে – এটা মূত্ৰ, আনটো বিষ্ঠা।'

কমল শৰ্মাৰ কথা ওলাইছে বাবে এটা সৰু কথা উল্লেখ কৰাতো উচিত হ'ব। কমল শৰ্মাৰ ঘৰত বৰ্তমানৰ উদ্যোগ মন্ত্ৰী শ্ৰীবিজিত শইকীয়াক লগ পালো, তেখেত তেতিয়া বিধায়ক হৈ আহিছেহে মাত্ৰ, মন্ত্ৰী হোৱাই নাই, প্ৰদেশ কংগ্ৰেছৰ সভাপতি শ্ৰীহিতেশ্বৰ শইকীয়াৰ অনুৰোধ আৰু ব্যক্তিগত নৈতিক তাগিদাৰ বাবে বোলে ভানুবৌক নমস্কাৰ জনাবলৈ গৈছিল। বিহু সংখ্যাৰ 'দৈনিক অসম' কাগজৰ 'এইবাৰ গচকত নেভাগ যঁতৰ' নামৰ দেৱ বৰাৰ লেখাটো পঢ়ি বোলে তেখেত সকলে মানস্কিক দ্বন্দ্বত ভুগিছে। শুনি সন্তোষ পালো। নিজৰ মনতেই এনে এটি ভাব হ'ল যেন বিধৱাৰ ক্ৰন্দনে মুখ্য মন্ত্ৰী শ্ৰীশইকীয়াক বৰ আমনি কৰিছে।

দেশত কোটি কোটি দৰিদ্ৰ মানুহৰ হৃদয় বিদাৰক আৰ্তনাদ, মাজ ৰাতি সাৰে থাকি পখিৰ প্ৰাণত শুনিবলৈ শ্ৰীশইকীয়াই বিলাস নকৰিব বুলিয়েই আমি ধৰি লৈছো। ভ্ৰান্তি বিলাসৰ বিচাৰকৰ লগত সমস্ত জীৱনৰ বাবে দেউতা বোলাৰ সৌভাগ্যৰ পৰা বঞ্চিত হোৱা তেখেতৰ কণমানি ভতিজা নাতিটোও আছে।

## টেইল-পিচ

*(গোনা ম'হে চিঙিব নোৱৰা উৱালতাৰ গাঁঠি)*

অসমৰ বান নিয়ন্ত্ৰণ তথা যুৱ কল্যাণ আৰু ক্ৰীড়া ৰাজ্যিক মন্ত্ৰীজনে বোলে উত্তৰ কাছাৰ পাৰ্বত্য জিলাত বানপানীৰ পৰিস্থিতিৰ বুজ লবলৈ প্ৰথম চৰকাৰী ভ্ৰমণ সূচী লৈ যাত্ৰা কৰিছে। তেখেতৰ লগত গৈছে জনৈক বৰুৱা নামৰ এজন ব্যৱসায়ী। এই ব্যৱসায়ী জনে বোলে নিৰ্বাচনৰ এমাহ মান আগতে কংগ্ৰেছ (ই) দলৰ লগত কোনো সম্পৰ্ক নাই বুলি বাতৰি কাগজত বিবৃতিও দিছিল। ব্যৱসায়ী জনে তেওঁৰ বিশেষ কিছু বন্ধুৰ সৈতে কংগ্ৰেছ (এছ) দলৰ বাবে নিৰ্বাচনী সহায়ৰ বাবে সুদূৰ কলিকতাৰ পৰাও ধন সংগ্ৰহ কৰি দিছিল। একবিংশ শতিকাৰ আগতে আৰু শ্ৰীহিতেশ্বৰ শইকীয়া জীৱিত অৱস্থাত অসমৰ ৰাজনীতিলৈ নাহে বুলিয়েই হেনো এনে সিদ্ধান্ত। নিজৰ পদৰ পৰা অপসাৰিত হৈ থকা এজন উচ্চ পদস্থ চৰকাৰী বিষয়াও আগৰ চিনাকি ব্যৱসায়ীৰ পৰা ধন আনিবলৈ কলিকতালৈ লগত গৈছিল। এতিয়া কথা হ'ল এনে কি উৱালতাৰ চিঙিব নোৱৰা গাঁঠি যে মন্ত্ৰী জনে তেখেতক লগত নিব লগা হ'ল? আন্দোলনৰ কালছোৱাত আৰু তাৰ পাছতো ছাত্ৰ সংস্থাৰ ল'ৰাই কংগ্ৰেছী টুপি খুলি অপদস্থ কৰা, হালৰ গৰু কাটি পেলোৱা, আৰু মাৰিলেও মাৰিব হিতেশ্বৰ শইকীয়াৰ লগতে থাকিম বুলি অংগীকাৰ কৰা সকলে কিন্তু এতিয়াও জনতা ভৱন পোৱাগৈ নাই। তেখেত বৰুৱা বোলে ৰাজ্যিক শিক্ষা মন্ত্ৰীজনৰো বৰ পিয়াৰৰ মানুহ। •


সুন্দৰ, সুনিপুণ, প্ৰাণ চঞ্চল স্বাস্থ্য?

যৌন শক্তি আৰু যৌন নৈপুণ্যৰ ওপৰতেই শাৰীৰিক স্বাস্থ্য, সুখ আৰু সমৃদ্ধি সম্পূৰ্ণ নিৰ্ভৰশীল। সন্তানহীনতাকে ধৰি সকলো ধৰণৰ যৌন সমস্যা আৰু সোঁচৰা ৰোগৰ সৰ্বাধুনিক অতি সফল ব্যয়সাধ্য স্থায়ী আৰু দ্ৰুত নিৰাময়ৰ ১০০% হাৰৰ গহীন অংগীকাৰ আমি আগবঢ়াওঁ।

ব্যক্তিগত বা ডাকযোগে যোগাযোগ কৰক।

সপ্তাহৰ আটাইবোৰ দিনতেই পৰামৰ্শ দান কৰা হয়।

সময় পুৱা ৮ বজাৰ পৰা নিশা ৮ বজালৈ।

উত্তৰ পূৰ্ব ভাৰতৰ সৰ্বশ্ৰেষ্ঠ যৌন বিশেষজ্ঞ

জেউতি ছেক্স কিলনিক

এফ, এ, পথ; কুমাৰ পাৰা
গুৱাহাটী-৭৮১০০৯
ৰেলগেট নং - ৬

ডাঃ এ, নেছাৰ

এম, বি, বি, এছ, এম ডি (গেট)
এম, আই, এছ, চি, এম, এন,
এছ, চি (যৌন) এম, জি, পি, এ (বম্বে)

# আঞ্চলিকতাবাদৰ অপমৃত্যু

হিতেন মহন্ত

এইবাৰৰ নিৰ্বাচনত অসম গণ পৰিষদ, নতুন অসম গণ পৰিষদকে ধৰি আঞ্চলিক দলকেইটা যি বিপৰ্যয়ৰ সন্মুখীন হ'ল স্বাধীনোত্তৰ কালৰ ভাৰতৰ ৰাজনৈতিক পটভূমিত সি একো নতুন কথা নহয়।

ষাঠি দশকৰ আৰম্ভণিৰ পৰাই ভাৰতবৰ্ষত বিভিন্ন অঞ্চলত আঞ্চলিকতাবাদৰ ৰাজনীতিয়ে প্ৰবল ৰূপ ধাৰণ কৰে। আনকি এই আঞ্চলিকতাবাদৰ ৰাজনীতিয়ে ঠায়ে ঠায়ে বিচ্ছিন্নতাবাদৰ ৰাজনীতিৰো পৃষ্ঠপোষকতা কৰিছিল। কিন্তু এটা দশক পাৰ নৌহওঁতেই আঞ্চলিকতাবাদৰ ৰাজনীতিয়ে বিচ্ছিন্নতাবাদৰ শ্লোগান বা কাৰ্যসূচী পৰিত্যাগ কৰিবলগীয়া হয়। ১৯৬০ চনৰ পাঁচ জুনত তামিলনাডুৰ আঞ্চলিক দল দ্ৰাবিড় মুন্নেত্ৰ কাৰাগম (ডি এম কে) আৰু ত্ৰাম তামিল (আমি তামিল) এই আঞ্চলিক দল দুটাই তামিলনাডুক ভাৰতৰ পৰা পৃথক কৰাৰ দাবীত যুটীয়াভাবে দাবী উত্থাপন কৰিছিল। আন্দোলনৰ কাৰ্যসূচী হিচাপে সংগঠন দুটাই তামিলনাডুক বাদ দি ভাৰতৰ মানচিত্ৰ পুৰি পেলাইছিল। তামিলনাডু, অন্ধ্ৰপ্ৰদেশ, কেৰালা আৰু কৰ্ণাটক লগলগাই এখন পৃথক দ্ৰাবিড় ৰাষ্ট্ৰ স্থাপন কৰাৰ উদ্দেশ্যে ডি এম কে দলে প্ৰস্তাব আগবঢ়াইছিল। কিন্তু তামিলনাডুৰ বাহিৰে বাকীকেইখন ৰাজ্যই এই প্ৰস্তাবৰ প্ৰতি সঁহাৰি নিদিলে। ডি এম কে দলৰ জন্মদাতা চি এন আন্নাডুৰাইৰ নেতৃত্বত এই বিচ্ছিন্নতাবাদৰ দাবী উত্থাপন কৰা হৈছিল।

কিন্তু ১৯৬৩ চনৰ অক্টোবৰত ভাৰতীয় সংবিধানৰ ষষ্ঠদশ সংশোধনেৰে এইটো সন্নিবিষ্ট কৰা হ'ল যে যি ব্যক্তি বা সংগঠনে ভাৰতৰ সাৰ্বভৌমত্ব আৰু সংহতিৰ বিৰুদ্ধে প্ৰশ্ন উত্থাপন কৰিব উক্ত ব্যক্তি বা সংগঠনৰ বিৰুদ্ধে আইন অনুযায়ী ব্যৱস্থা গ্ৰহণ কৰা হ'ব। দ্বিতীয়তে ভাৰতৰ সংবিধানৰ প্ৰতি আনুগত্য প্ৰকাশ কৰিহে এজন ব্যক্তি বা এটা ৰাজনৈতিক দলে নিৰ্বাচনত অংশ গ্ৰহণ কৰিব পাৰিব। এই সংশোধনৰ লগে লগে ১৯৬৩ চনৰ তিনি নবেম্বৰত ডি এম কে দলে পৃথক দ্ৰাবিড় ৰাষ্ট্ৰৰ দাবী পৰিহাৰ কৰে। ইয়াৰ পৰিবৰ্তে ডি এম কে দলে ৰাজ্যৰ হাতত অধিক ক্ষমতা প্ৰদানৰ বাবে দাবী উত্থাপন কৰে। কেৱল সেয়ে নহয় কেন্দ্ৰ বিৰোধী বা ৰাষ্ট্ৰীয়তাবাদৰ বিৰোধী ৰাজনীতিৰে আত্ম প্ৰকাশ কৰা ডি এম কে দলে পিছত কেন্দ্ৰৰ সৈতে বা ৰাষ্ট্ৰীয়তাবাদ পৃষ্ঠপোষকতা কৰা সৰ্বভাৰতীয় ৰাজনৈতিক দলৰ সৈতে সহ-অৱস্থানৰ নীতি গ্ৰহণ কৰিলে। ১৯৬৯ চনত যেতিয়া কংগ্ৰেছ দল দুভাগত বিভক্ত হয়, তেতিয়া ডি এম কে দলে ইন্দিৰা গান্ধী কংগ্ৰেছ গোটটোৰ প্ৰতি সমৰ্থন আগবঢ়াইছিল। ডি এম কে দল দুভাগত বিভক্ত হোৱাৰ পিছত ১৯৭৬ চনৰ পৰাই অলইণ্ডিয়া ডি এম কে দলে ইন্দিৰা কংগ্ৰেছৰ সৈতে একেলগে কাম কৰি আহিছে। তামিলনাডুৰ নিচিনা এটা জাতিৰ প্ৰাধান্য থকা ৰাজ্যতো এইটো প্ৰমাণ হৈছে যে কেৱল কেন্দ্ৰৰ বিৰোধিতা কৰি বা সৰ্বভাৰতীয় ৰাজনৈতিক দলৰ বিৰোধিতা কৰি আঞ্চলিকতাবাদৰ ৰাজনীতি জীয়াই ৰখাটো সম্ভৱপৰ নহয়। পাঞ্জাৱৰ আকালী, অন্ধ্ৰপ্ৰদেৰ তেলেগুদেশম, অসমৰ অসম গণ পৰিষদ দলৰ ক্ষেত্ৰতো এই কথা প্ৰযোজ্য। ৰাষ্ট্ৰীয় মৰ্চাত তেলেগুদেশম আৰু অসম গণ পৰিষদৰ প্ৰৱেশেই এই কথা প্ৰমাণ কৰে।

তাৰ উপৰি স্বাধীনোত্তৰ কালৰ ভাৰতৰ ৰাজনৈতিক ইতিহাস বিশ্লেষণ কৰিলে দেখা যায় যে আৰম্ভণিতে যি প্ৰবল গতিৰে আঞ্চলিক দলৰ অভ্যুত্থান হোৱা দেখা যায়, কিন্তু সেই প্ৰবল ঢৌ বেছিদিনলৈ টিকি নাথাকে। এটা স্থায়ী দৰ্শনৰ পৰিবৰ্তে আবেগ সৰ্বস্বধ্বনি বা ৰাজনীতিয়ে প্ৰাধান্য লাভ কৰা হেতুকেই আঞ্চলিক দল বিলাকৰ মাজত বিভাজন অৱশ্যম্ভাৱী হৈ পৰে।

সেইকালৰ পৰা চাবলৈ গলে অসম গণ পৰিষদ দলৰ মাজত হোৱা বিভাজন কোনো নতুন কথা নহয়। ১৯৭৯ চনৰ শেষৰ ফালে আৰম্ভ হোৱা বিদেশী খেদা আন্দোলনৰ জৰিয়তে অসমত আঞ্চলিকতাবাদৰ ৰাজনীতিয়ে প্ৰবল ৰূপ ধাৰণ কৰিছিল। তাৰ ফলশ্ৰুতি হিচাপেই ৰাজ্যখনৰ কেইবাটাও আঞ্চলিক ৰাজনৈতিক দল তথা সংগঠন মিলিত হৈ ১৯৮৫ চনৰ চেপ্টেম্বৰ মাহত অসম গণ পৰিষদ দলৰ জন্ম হৈছিল। আৰু তেওঁলোকে তোলা শ্লোগানৰ সপক্ষে প্ৰবল ঢৌ থকা হেতুকেই ১৯৮৫ চনৰ নিৰ্বাচনত অগপ দলে ৰাজ্যখনৰ শাসনভাৰ লাভ কৰিছিল। শাসনভাৰ লাভ কৰিও অগপ দলে সমৰ্থনৰ সেই প্ৰবল ঢৌক এটা স্থায়ী দৰ্শনত পৰিণত কৰিব নোৱাৰিলে। আঞ্চলিক দলটোৰ ৰাজনৈতিক অস্ত্ৰ যে কেৱল আবেগ সৰ্বস্ব আছিল ৰাজ্যখনৰ পৰা বিদেশী বিতাড়নৰ ক্ষেত্ৰত অগপ চৰকাৰে প্ৰদৰ্শন কৰা ব্যৰ্থতাই তাৰ জ্বলন্ত প্ৰমাণ। শাসন ক্ষমতাৰ পৰা ওফৰি পৰাৰ লগে লগেই স্থায়ী দৰ্শন নথকা ৰাজনৈতিক দলত বিভাজন নিশ্চিত হৈ পৰে। অগপ দল ইয়াৰ পৰা হাত সাৰি নগ'ল। হয়তো অধিক বিভাজন হলেও আচৰিত হ'ব লগা কথা নেথাকিব।

যোৱা কিছুদিনৰ ঘটনাৱলীয়ে ইতিমধ্যে অগপ দলত পুনৰ বিভাজনৰ ইংগিত বহণ কৰিছে। যোৱা ২৮ জুনত অগপ বিধায়িনী দলৰ নেতা নিৰ্বাচিত হোৱা বিষয়টোক কেন্দ্ৰ কৰি অগপ দলত পুনৰ বিসম্বাদী ৰাজনীতিয়ে গা কৰি উঠিছে। ২৮ জুনত দলৰ পৰা প্ৰকাশিত এখন প্ৰেছ বিজ্ঞপ্তিত কোৱা হ'ল যে প্ৰফুল্ল কুমাৰ মহন্ত সৰ্বসন্মতিক্ৰমে অগপ বিধায়িনী দলৰ নেতা নিৰ্বাচিত হৈছে। কিন্তু সেই একেদিনাই দলৰ সাধাৰণ সম্পাদক অতুল বৰাই এখন প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে প্ৰকাশ কৰিলে যে মহন্ত সৰ্বসন্মতি ৰূপে নেতা নিৰ্বাচিত হোৱা নাই। কিয়নো এজন বিধায়ক হিচাপে তেওঁ নেতা নিৰ্বাচিত কৰা সভাত উপস্থিত নাছিল। দলৰ ভাৰপ্ৰাপ্ত সভাপতি ধানেশ্বৰ বড়োৱে প্ৰকাশ কৰা মতে বিধায়িনী দলৰ সভাত বিৰাজ শৰ্মা আৰু উৎপল দত্ত উপস্থিত থকাৰ প্ৰতিবাদত অতুল বৰাই সভাকক্ষ ত্যাগ কৰিছিল। উল্লেখযোগ্য যে বিৰাজ শৰ্মা আৰু উৎপল দত্ত বৰ্তমান বিধায়ক নহয়। ভাৰপ্ৰাপ্ত সভাপতি বড়োৱে এইটোও প্ৰকাশ কৰে যে আচলতে বিধায়িনী দলৰ নেতা সৰ্বসন্মতি ৰূপে নিৰ্বাচিত হোৱা নাছিল। কিয়নো প্ৰাক্তন মন্ত্ৰী তথা বিধায়ক ছহিদুল আলাম চৌধুৰী বিধায়িনী দলৰ সভাত উপস্থিত নাছিল। আনহাতে অতুল বৰাই ঘোষণা কৰিছে যে বিধান সভাত তেওঁ নিজৰ বিবেক অনুসৰি কাম কৰিব। বিধায়িনী দলৰ নেতাৰ নিৰ্দেশ তেওঁ নামানে।

অগপ দলত দেখা দিয়া এই বিপৰ্যয় আৰু সদ্য সমাপ্ত নিৰ্বাচনৰ ফলাফলে ভৱিষ্যতলৈ অসমত আঞ্চলিকতাবাদৰ ৰাজনীতি জীয়াই থাকিব নে নাই সেই বিষয়ে সন্দেহৰ সৃষ্টি কৰিছে। নিৰ্বাচনৰ ফলাফলে আঞ্চলিকতাবাদ বা আঞ্চলিক ৰাজনীতিত মাধমাৰ শোধাইছে। ১৯৮৫ চনৰ নিৰ্বাচনত ৩৪.৫৪ শতাংশ ভোট লাভ কৰা অগপ দলে এইবাৰ ভোটলাভ কৰিছে মাত্ৰ ১৮.০৪ শতাংশ। নঅগপ দলে ভোট লাভ কৰিছে ৫.৫১ শতাংশ। অসম জাতীয় পৰিষদ, জনশক্তি সংগ্ৰাম পৰিষদ, সংযুক্ত লোক পৰিষদ আদি অন্যান্য সমভাবাপন্ন আঞ্চলিক দলকেইটাই দুই শতাংশতকৈ অধিক ভোট লাভ কৰা নাই। অৰ্থাৎ মুঠ ৬৮ শতাংশ ভোটাৰৰ ২৫ শতাংশ লোকেহে আঞ্চলিক দলৰ সপক্ষে ভোটদান কৰিছে। আনহাতে কংগ্ৰেছ (ই) দলে বিগত নিৰ্বাচনত লাভ কৰা ২৩.৪৭ শতাংশ ভোটৰ পৰিবৰ্তে এইবাৰ লাভ কৰিছে ২৮.৭৯ শতাংশ। বিজেপি দলে লাভ কৰিছে ৬.৩৭ শতাংশ, জনতা দলে ৪.৩৮ শতাংশ, চি পি এম দলে ৩.৭৮ শতাংশ, চি পি আই দলে ২.৪৯ শতাংশ। মুঠ ভোটাৰৰ প্ৰায় ৪০ শতাংশ লোকে সৰ্বভাৰতীয় ৰাজনৈতিক দলৰ সপক্ষে ভোটদান কৰিছে। অৰ্থাৎ সংখ্যা গৰিষ্ঠ ভোটাৰে আঞ্চলিক দলৰ বিপক্ষে ভোটদান কৰিছে। নিৰ্বচনৰ ফলাফলৰ পৰা হিচাপ কৰি পোৱা গৈছে যে অগপ দল একত্ৰিত হৈ থাকিলেও হয়তো আৰু মাত্ৰ ছয়খন আসনহে বেছিকৈ পালেহেঁতেন।

অসমৰ নিৰ্বাচনৰ এই অংকটোৱে অসমৰ ৰাজনীতিত স্থায়ী প্ৰভাৱ পেলোৱাৰ সম্ভাৱনাই বেছি। ■







# গুৱাহাটী বিশ্ববিদ্যালয় আৰু ৰাজনীতি

অসমৰ শিক্ষা জগতৰ প্ৰাণকেন্দ্ৰ স্বৰূপ গুৱাহাটী বিশ্ববিদ্যালয়। গুৱাহাটী বিশ্ববিদ্যালয়ে এফালে যিদৰে শিক্ষাৰ পোহৰ দিছে, অন্যফালে দেশৰ ৰাজনীতিত এক গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে। বৰ্তমান অৱশ্যে ৰাজনীতিত লোৱা ভূমিকা নিষ্প্ৰভ হৈ আহিছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ মানে এজন সৰু সুৰা ৰাজনীতিবিদ। অধ্যাপক অধ্যাপিকা সকলৰ ভূমিকাও বিতৰ্কমূলক। অৱশ্যে সকলোৱেই নহয়। পৰোক্ষভাৱে ছাত্ৰ-ছাত্ৰীসকলৰ আঁৰত তেওঁবিলাকেই ৰাজনীতি কৰি আছে যেন বোধ হয়। সত্তৰ দশকৰ পৰা চলি অহা এনে ৰাজনীতিয়ে চূড়ান্ত ৰূপ লয় ১৯৭৯ চনত। বহিৰাগত আন্দোলনৰ কৰ্ণধাৰ নেতাসকল তেতিয়া বিশ্ববিদ্যালয়ৰ ছাত্ৰ আছিল। ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈকে বিশ্ববিদ্যালয়খনৰ ৰাজনীতি শিক্ষাৰ স্বৰ্ণময় যুগ। এই সময়ছোৱাতে দেশ প্ৰেমৰ বাণীৰে উদ্বুদ্ধ কৰি ছাত্ৰ নেতাসকলে ৰাইজৰ মন জয় কৰিলে। অধ্যাপক অধ্যাপিকা সকলে ভৱিষ্যতৰ সোণোৱালী দিনবোৰত নিজৰ সুন্দৰ স্থিতিৰ কথা কল্পনা কৰি ছাত্ৰ নেতাসকলৰ কথা মতে উঠা বহা কৰিলে। বহুতো ছাত্ৰই পঢ়া শুনাটো গৌণ কৰিলে। আগেয়ে এনেকুৱা পৰিস্থিতিত নেতা হিচাপে স্বীকৃতি লাভ কৰিব নোৱাৰিলে দুনাই এনেকুৱা সোণালী সুযোগ কেতিয়াও নাহে। এতিয়া সকলোৱে উপলব্ধি কৰিছে, সঁচাকৈয়ে নাহে। যিসকল মন্ত্ৰী হ'ল, ৰাজনৈতিক নেতা হিচাপে স্বীকৃতি পালে, তেওঁলোকে বাৰুকৈয়ে উপলব্ধি কৰিছে, তেওঁলোকে কেনেকুৱা সুযোগ গ্ৰহণ কৰিলে সময় মতে। ছাত্ৰাবাসৰ পৰা পোনে পোনে দিছপুৰৰ মন্ত্ৰীৰ বাসভৱনলৈ হয়তো পিছলৈ কোনো ছাত্ৰ নেতাই যাব নোৱাৰিব। বুৰঞ্জীত এনেকুৱা ঘটনা এয়ে প্ৰথম, এয়ে শেষ। যিবিলাক পিছৰ চাম ছাত্ৰ নেতা, দলিনেতা আছে, তেওঁলোকে এতিয়া কল্পনাৰ সাতৰঙী কাৰেং সাজক, দিছপুৰৰ মন্ত্ৰীৰ বাসভৱনৰ। সুন্দৰী স্ত্ৰী লৈ মন্ত্ৰীৰ বাসভৱনত শোভা কৰিব; কাগজে পত্ৰই আধাৰশিলা স্থাপনৰ ফটো ওলাব। সকলো মিছা। মিছা কৰিলে আগৰ চাম ছাত্ৰ নেতাই। ক'ব লগীয়া একো নাছিল, ব্যংগ কৰিব লগীয়া একো নাছিল, যদিহে তেওঁবিলাকে প্ৰতিশ্ৰুতি ৰক্ষা কৰিলেহেঁতেন। নিজৰ ভিতৰতে খোৱা-কামোৰা কৰি বিভাজন আনিলে, ছহিদৰ তেজৰ মূল্য নোহোৱা কৰিলে। তেওঁলোক শাস্তিৰ যোগ্য। কিন্তু শাস্তি দিব কোনে? ৰাইজৰ আদালতত বিচাৰ হব লাগে। বিচাৰ হব লাগে, গুৱাহাটী বিশ্ববিদ্যালয়ৰ কেইজনমান বুদ্ধিজীৱীৰো।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ এখন বজাৰ আছে। বজাৰত চাহৰ দোকান এখন আছে। চাহ দোকানৰ মালিকজন বিশ্ববিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ। খাদ্য আন্দোলন, ভাষা আন্দোলনৰ দিনৰ ছাত্ৰ নেতা বুলিয়েই কয়। এবাৰ কাউন্সিলৰ নিৰ্বাচন, দুবাৰকৈ বিধান সভাৰ নিৰ্বাচনত জনতা দলৰ প্ৰাৰ্থী হিচাপে পৰাজয় বৰণ কৰিছে। চাহৰ দোকানখন হৈছে, বিশ্ববিদ্যালয়ৰ ছাত্ৰৰ আড্ডা পিটাৰ ঠাই। গধূলি সময়ত, বন্ধ দিনত ৰাতিপুৱা ছাত্ৰ, স্থানীয় লোক দুই এজন, কেতিয়াবা অধ্যাপক আৰু প্ৰাক্তন ছাত্ৰ নেতাই বৰ গুৰুত্বপূৰ্ণ কথা পাতে। অসম আন্দোলনৰ ছাত্ৰ নেতা আৰু প্ৰাক্তন মন্ত্ৰীসকলৰ আড্ডাৰ ঠাই এই চাহৰ দোকানখনেই আছিল বুলি চাহ দোকানৰ মালিকে গৌৰৱ বোধ কৰে। প্ৰতিজন ছাত্ৰই দোকানত আড্ডা মাৰি ৰাজনীতিৰ ক, খ শিকে। নিজকে একোজন ৰাজনীতিবিদ বুলি ভাবে। বিশ্ববিদ্যালয়ৰ শ্ৰেণী সমূহৰ সচিব গৰাকীয়ে মাজে মাজে ভুমুকি মাৰে। এতিয়া উপাচাৰ্য সলনি হৈছে। আগৰ জনে ছাত্ৰ আন্দোলনৰ লগত জড়িত থাকি উপাচাৰ্য পদটি গ্ৰহণ কৰিলে, সুখ্যাতিৰে উপাচাৰ্য পদটি চলালে ছাত্ৰসকলৰ কথা মতে। এতিয়া আগৰ দিনবোৰ নাই। এতিয়া মাথো কৃষ্ণচূড়াৰ গছবোৰ নীৰৱ দৰ্শক হৈ আছে। এতিয়া মাত্ৰ ছাত্ৰসকলে পঢ়া শুনাত একাগ্ৰ চিত্তে লাগি গধূলি সময়ত বান্ধৱী একোজনী লৈ কৃষ্ণচূড়াৰ তলত বহি হিয়া বিনিময় কৰিব পাৰে।

প্ৰাক্তন ছাত্ৰ, গুঃ বিঃ





OKDISCD

# বিৰোধী দল আৰু অসমৰ ভৱিষ্যত

ভাস্কৰজ্যোতি বৰা আৰু পাৰ্থপ্ৰতিম দাস

অসমৰ এইবাৰৰ বিধান সভাৰ অধিবেশন অহা ২৯ জুলাইৰ পৰা আৰম্ভ হ'ব। সচিবালয়ৰ তৰফৰ পৰা ইতিমধ্যে জাননী বাহিৰ হৈছে এইখনেই হ'ব নৱগঠিত বিধান সভাখনৰ সৰ্বপ্ৰথম অধিবেশন। বিধান সভাৰ অধিবেশন আৰম্ভ হোৱাৰ লগে লগে এই অধিবেশন দীৰ্ঘদিন ধৰি চলাৰ সম্ভাৱনা আছে। ইতিমধ্যে অসমৰ 'বাপতিসাহোন' 'লগতযোৱা' বেমাৰ বানপানীয়ে বিহু দেখুৱাব ধৰিছেই, লগতে আল্‌ফাৰ দ্বাৰা অপহৃত ব্যক্তি সকলৰ মুক্তি দান, আল্‌ফা বন্দী সকলৰ মুক্তি দান ইত্যাদি বিষয়ে গোটেই অসমখনক খলক লগাই আছে। এই নিবন্ধ লিখা পৰলৈকে জানিব পৰা মতে ইতিমধ্যে ছোভিয়েত ৰাছিয়াৰ কয়লা বিশেষজ্ঞ জন নিহত হোৱা বাতৰি পোৱা গৈছে। এই আটাইবিলাক বিষয়, সমস্যা প্ৰশ্নকে লৈ –এইবাৰৰ বিৰোধী দলে বিধান সভাৰ যুঁজত অৱতীৰ্ণ হ'ব।

অসমৰ ৰাজনৈতিক ইতিহাসত মনত পৰাৰে পৰা এক শক্তিশালী বিৰোধী পক্ষ গঢ় লৈ উঠা নাই। প্ৰকৃতাৰ্থত শাসনাধিষ্ঠ দলৰ সমান্তৰাল ভাবে শক্তিশালী বিৰোধী দল থাকিলেহে দেশত গণতন্ত্ৰকে আদি কৰি সকলো দিশ, সুসংহত আৰু ভাৰসাম্য বজাই ৰাখি, পৰিচালিত হয়। আমেৰিকা, ছোভিয়েত ইউনিয়নত সেয়েহে ৰাজনৈতিক প্ৰদূষণ হোৱাৰ উদাহৰণ ভাৰবৰ্ষতকৈ কম। বিৰোধী দলৰ ভূমিকা সম্পৰ্কে এঞ্জেলা এছ বাৰ্জাৰে লিখিছে – "The functions of opposition parties in government are well known: to offer an alternative government; to criticize the government and administration; to check or brake the use of governmental powers; to articulate and aggregate interests, to harness the interests of group loyalities to the nation" (Opposition in a Dominant Party System - Angela S. Burger. পৃঃ ১৯)

এই ভূমিকা ভালদৰে পালন কৰিবলৈ যাওঁতে বিৰোধী দল সমূহৰ ৰাজনৈতিক মতাদৰ্শক জাতীয় স্বাৰ্থতকৈ ওপৰত স্থান দিয়া উচিত নহয়। বিৰোধী দল মানেই কোনো বিশেষ 'জোঁট' বা 'গোট' নহয়। ৰাজনৈতিক লাভালাভৰ বিষয়টোক আগস্থান দিয়া মানেই ব্যক্তিস্বাৰ্থ আৰু দুৰ্নীতিক কিছু পৰিমাণে হলেও প্ৰশ্ৰয় দিয়া হ'ব। শ্ৰীমতী বাৰ্জাৰে গ্ৰন্থখনত পুনৰ লিখিছে যে – "An important element of maintenance is morale within the party. Morale can be related to the party's electoral fortunes within the state, in other states, and nationally. Expansion in other states or nationally can bolster the morale of members in a state where the party is declining or holding its own."

যিহেতু আমাৰ ইয়াত এটাই মাত্ৰ বিৰোধী দল নহয় – ভিন ভিন দাবী, মত, আদৰ্শ, নীতিৰ ওপৰত প্ৰতিষ্ঠিত কেইবাটাও বিৰোধী দলেই বিধান সভাত তেওঁলোকৰ দল, সমষ্টি আৰু সামগ্ৰিক ভাবে ৰাজ্যৰ মূল বিষয় সমূহক লৈ চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰিব; সেয়েহে বিভিন্ন দলৰ আত্মবিশ্বাস আৰু সবল মানসিকতাক একেটা সুঁতিৰে বোৱাব পাৰিব লাগিব। অন্যথা নামতহে বিৰোধী দল বুলি ক'ব পৰা যাব।

প্ৰায়বোৰ ক্ষেত্ৰতে দেখা যায় যে, নিৰ্বাচনৰ আগমুহূৰ্তত ৰাজনৈতিক দলবোৰে বিশেষ কিছুমান বিষয়ক (issue) তেওঁলোকৰ নিৰ্বাচনী ইস্তাহাৰবোৰত ঠাই দিয়ে; আৰু কেতিয়াবা এই 'ইচ্যু' বোৰৰ ওপৰত প্ৰাধান্য দিয়েই নিৰ্বাচনত জয়লাভ কৰে। উদাহৰণ স্বৰূপে ১৯৮৫ জনৰ নিৰ্বাচনত 'অসম গণ পৰিষদ' দলৰ জয়লাভৰ অন্তৰালত 'অসম চুক্তি সম্পাদন'ৰ 'ইচ্যু'টোৱে প্ৰাধান্য লাভ কৰিছিল। যদি নিৰ্বাচনত কোনো এটা দলে জয়লাভ কৰিলে, অথচ চৰকাৰ গঠন কৰিব পৰা জোখাৰে আসন নাপালে –তেনেস্থলত সেই দলে বিৰোধী দল হিচাপে – পূৰ্বে, অৰ্থাৎ জয়লাভ কৰি চৰকাৰ গঠন কৰিব পাৰিম বুলি ভবা অৱস্থাত যিবিলাক বিষয়ক গুৰুত্ব দিলেহেঁতেন সেইবিলাক বিষয়কেই বিৰোধী শিবিৰতো গুৰুত্ব দিব লাগে। কিন্তু চৰকাৰ গঠন কৰিবলৈ অসমৰ্থ হোৱাৰ লগে লগে দলবোৰে নিজ নিজ ইস্তাহাৰবোৰ পাহৰি যায় – ফলত অধিকাংশ সময়, বিধান সভাত আনৰ বাক্‌বিতণ্ডা উপভোগ কৰিয়ে নষ্ট কৰে। কিবা কব লাগে কাৰণেই কোৱা আৰু প্ৰকৃতাৰ্থত দাবী সাব্যস্ত কৰাৰ মাজত প্ৰভেদ যিদৰে আছে সেইদৰে বিধান সভাৰ মজিয়াত সজোৰে কোনো বিষয় উত্থাপন কৰা আৰু বিষয়টোৰ প্ৰতি আন আন দলৰ সমৰ্থন আদায় কৰাটোতো প্ৰভেদ আছে। বিৰোধী দলে এইবোৰ কথাও আন্তৰিকতাৰে চিন্তা কৰিব লাগে। কোনো ব্যক্তি, সংগঠন, অনুষ্ঠান, প্ৰতিষ্ঠান আদিৰ প্ৰতি অভিযোগ উত্থাপন কৰিলেই বিৰোধী দলৰ এজন ভাল বিধায়ক হ'ব পৰা নাযায়। সাধাৰণ চাকৰিয়াল, অথবা এজন উচ্চ পদস্থ বিষয়াৰ মানসিকতাৰেও বিধায়ক সকল পৰিচালিত হোৱা অনুচিত। কাৰ্যক্ষেত্ৰত সেয়াই দেখা যায়।

শ্ৰীমতী বাৰ্জাৰে বিৰোধী দলৰ কৃতকাৰ্যতাৰ সন্দৰ্ভত গ্ৰন্থ খনত লিখিছে – "Conversely if party successes are greater than expected, morale will tend to rise. The psychological climate or morale within the party can be expected to have some influence on members, either in dempening enthusiasm or in providng incentives and encouragement, and also on individuals not in the party who may be considering supporting it." (পৃঃ ১৯)

সকলো ক্ষেত্ৰতে বিৰোধী দল সমূহে শাসনাধিষ্ঠ চৰকাৰক কেৱল বিৰোধিতাৰ নামত বিৰোধিতা কৰিলে, তেনেকুৱা মতাদৰ্শ আৰু কাৰ্যকলাপ এক পৰম্পৰাত পৰিণত হয়। যিটো ভাৰতবৰ্ষৰ প্ৰতিখন ৰাজ্যতেই দেখা যায়। বৰ্তমান অসমত চাৰিওফালৰ পৰাই সমস্যাই আগুৰি ধৰিছে। সুচিন্তিত নীতি, নিৰ্দেশনা অবিহনে এই সমস্যা সমূহৰ সমাধানৰ পথ বিচাৰি উলিওৱাটো সহজ নহ'ব। চৰকাৰ এখন পাতি দি ৰাইজে বৰ আশাৰে বাট চাই থাকে ইয়াৰ সিদ্ধান্ত সমূহলৈ। ৰাজ্যৰ উন্নয়নমূলক কাম-কাজ, শিক্ষা, দীক্ষা, সংস্কৃতি, অৰ্থনৈতিক প্ৰগতি সকলো দিশতে চৰকাৰখনে চকু দিব লাগে। এই প্ৰক্ৰিয়াটোত বিৰোধীদল সমূহে ইতিবাচক সঁহাৰি আগবঢ়াই পৰিস্থিতিক অনুকূল অৱস্থালৈ আনিব পাৰে।

এইবাৰৰ অসম বিধান সভাত একক সংখ্যা গৰিষ্ঠতাৰে শাসনাধিষ্ঠ দল হ'ল কংগ্ৰেছ (ই) দল। বৰাক উপত্যকাৰ ঘাটিঁ সমূহত শোচনীয়ভাবে পৰাজয় বৰণ কৰি, ব্ৰহ্মপুত্ৰ উপত্যকাত এক বৃজন অংশৰ সমৰ্থন লাভ কৰি ৰাজ্য চৰকাৰ গঠন কৰা কংগ্ৰেছ (ই) দলে চৰকাৰ গঠনৰ পিছত ৰাজ্যলৈ শান্তি ঘূৰাই অনা, মূল্যবৃদ্ধি ৰোধ কৰা, নিবনুৱা সমস্যা সমাধান কৰা আদি বিষয় নিৰ্বাচনী ইস্তাহাৰত দিয়া প্ৰতিশ্ৰুতি অনুসৰিয়েই পুনৰ দোহাৰিছে। কিন্তু শান্তি প্ৰতিষ্ঠাৰ ক্ষেত্ৰত অসমৰ উগ্ৰপন্থী সংগঠন আল্‌ফা আৰু অন্যান্য কেতবোৰ শক্তিয়ে চৰকাৰখনক শান্তি আৰু সুস্থিৰতাৰে কাম কৰিবলৈ দিব বুলি আশা এতিয়াও কৰিব পৰা হোৱাগৈ নাই আৰু নিৰ্বাচনোত্তৰ সময়ছোৱাত শান্তিৰ প্ৰক্ৰিয়াটো কিদৰে অগ্ৰসৰ হ'ব সেই ছবিখনো অস্পষ্ট হৈয়েই আছে।

এইবাৰৰ অসম বিধান সভাত বিৰোধী শিবিৰৰ অৱস্থান কিছু খেলিমেলি ধৰণৰ। ১২৫ খন আসনৰ ভিতৰত ১৯ খন আসনেৰে অগপ-ই সৰ্ববৃহৎ বিৰোধী দল হিচাপে পৰিগণিত হৈছে। এওঁলোকৰ পিছতে আছে ১০ খন আসনেৰে বিজেপি (প্ৰথমবাৰৰ বাবে), ৫ খন আসনেৰে নতুন অগপ, ৪খন আসনেৰে চি পি আই, ২ খন আসনেৰে চি পি এম, ক্ৰমে ৯ খন আৰু ৪ খন আসনেৰে আবছু বিপিএ'চি সমৰ্থিত বিধায়ক সকল আৰু স্বায়ত্তশাসিত ৰাজ্য দাবী সমিতি বা এ এছ ডি চি-ৰ সদস্য সকল; যথাক্ৰমে এখনকৈ আসনেৰে সংখ্যালঘু মৰ্চা, জনতা দল, এছ ইউ চি আই সমৰ্থিত বিধায়ক।

ৰাষ্ট্ৰীয় পৰ্যায়ত বাওঁ-গণতান্ত্ৰিক মৰ্চা গঠন হোৱাৰ বহু পিছত আসন বুজাবুজিৰে অসমতো কংগ্ৰেছ-স, জনতা দল, আৰু চি পি এম দলৰ মাজত নিৰ্বাচনী মিত্ৰতা স্থাপন হ'ল বা মৰ্চা গঠন হ'ল যদিও এই দলসমূহে সৰ্বমুঠ ৩খন আসনহে পাইছে। চি পি আই এ এছ ডি চি আৰু এছ ইউ চি আইয়ে পোৱা ৯ জন সদস্যয়ো হয়তো আদৰ্শগত কাৰণত এই পক্ষতে থাকিব আৰু সামাজিক ন্যায় আৰু অন্যান্য কেতবোৰ বিষয়ত উমৈহতীয়াভাবে প্ৰশ্নৰ অৱতাৰণা কৰিব। নতুন অগপ-ও ইতিমধ্যে এই মৰ্চাৰ সৈতে 'ইচ্যু' ভিত্তিক সহযোগিতা আৰু মিত্ৰতা সম্ভৱ হ'ব পাৰে বুলি সদৰি কৰিছে। যদিহে ই কিছু পৰিমাণে সফল হয়, তেন্তে অসম বিধান সভাৰ বিৰোধী শিবিৰটো প্ৰধানতঃ তিনিভাগত বিভক্ত হৈ পৰিব – বিজেপি, বাওঁ গণতান্ত্ৰিক মৰ্চা আৰু নতুন অগপ আৰু অগপ।

আবছু বি পি এ চি সমৰ্থিত বিধায়ক সকলে যদিও বিৰোধীৰ স্থান আৰু আসনত থাকিব আৰু 'বড়োলেণ্ড' আন্দোলনৰ দাবী সাব্যস্ত কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিব তথাপি এওঁলোকক বিৰোধী শিবিৰৰ শক্তিশালী গোট বুলি ঠাৱৰ কৰিব নোৱাৰি কিয়নো এওঁলোকে ইতিমধ্যেই ৰাজ্যখনৰ বিভিন্ন সমস্যা আদিৰ সমাধানৰ ক্ষেত্ৰত চৰকাৰৰ সৈতে পূৰ্ণ সহযোগিতা আৰু মিত্ৰতাৰ আশ্বাস দিছে। অৱশ্যে স্বায়ত্তশাসনৰ বিষয়টোত এওঁলোকে অকলশৰীয়াকৈ বা লগে ভাগে কেতবোৰ গুৰুত্বপূৰ্ণ প্ৰশ্নৰ উত্থাপক হোৱাৰ সম্ভাৱনাও নুই কৰিব নোৱাৰি।

যেনেকৈয়ে নহওক, কেতবোৰ বিষয়ত মতামতৰ ব্যৱধান আৰু নীতিগত বৈষম্য থাকিলেও এইবাৰৰ অসম বিধান সভাত বিৰোধী দলবোৰ কেতবোৰ বিষয়ত একমত হ'ব বুলি আশা কৰিব পাৰি আৰু ইতিমধ্যে তাৰ দুই-এটা উদাহৰণ দেখা গৈছে। ৰাজ্যখনত অতি শক্তিশালী ভাবে গা- কৰি উঠা হিংসা, অপহৰণ, ৰাজনৈতিক হত্যাকাণ্ড আৰু শোষণ-হতাশগ্ৰস্ততা আদিৰ ফলতেই জন্ম লাভ কৰা অন্যান্য উগ্ৰপন্থী কাৰ্যকলাপ প্ৰতিহত কৰি, আলাপ-আলোচনাৰ মাজেৰে ৰাজ্যখনত শান্তি স্থাপনৰ ক্ষেত্ৰত বিৰোধা দল সমূহ ঐক্যমতত উপনীত হ'ব বুলি ৰাজ্যখনৰ কেইবাটাও আগশাৰীৰ বিৰোধী দলৰ নেতৃবৃন্দই ইতিমধ্যে অৱগত কৰিছে আৰু মুখ্য মন্ত্ৰীৰ আহ্বানত ৰাজ্যৰ বিভিন্ন শ্ৰেণীৰ লোকৰ লগতে বিৰোধী দল সমূহেও এনেধৰণৰ আলোচনাত অংশগ্ৰহণ কৰিছে। এনেধৰণৰ আলোচনা আদিৰ চৰ্ত কেনেকুৱা হ'ব, কি বিশেষ নীতিৰ আধাৰত এই প্ৰক্ৰিয়াক পৰিচালিত কৰা হ'ব তাৰ বুনিয়াদো বিধান সভাৰ মজিয়াতে সৰ্বসন্মতভাবে গঢ় দিয়াতো এইবাৰৰ অসম বিধান সভাত অন্যতম বিষয় হ'ব আৰু ৰাইজে অতি আশাৰে ভীতি গ্ৰস্ততাৰ পৰা মুক্ত হৈ এখন শান্তি-সমৃদ্ধিৰ সমাজ গঢ়াৰ পথত অগ্ৰসৰ হবলৈ যোৱাৰ পথত এনেধৰণৰ পদক্ষেপলৈ আকুলতাৰে বাট চাব।

বানপানী সমস্যা আৰু ইয়াৰ স্থায়ী সমাধানৰ দ্বাৰা দেশৰ জলসম্পদৰ পূৰ্ণ ব্যৱহাৰ, নিবনুৱা সমস্যা সমাধানৰ বাবে বিস্তৃত গণমুখী অৰ্থনৈতিক কাৰ্যসূচী গ্ৰহণ আৰু মূল্য বৃদ্ধি ৰোধ কৰা আদিৰ বিষয়তো বিৰোধী দল সমূহে ঐক্যবদ্ধ ভাবে চৰকাৰক ইতিবাচক সঁহাৰি দিয়াৰ প্ৰয়োজনীয়তাও কোনেও নুই কৰিব নোৱাৰে আৰু বৰ্তমানৰ জটিল আৰ্থ-সামাজিক ৰাজনৈতিক পটভূমিত তেওঁলোক সাহসিকতাৰে এনে বিষয়ৰ সমাধানৰ বাবে নিষ্ঠা আৰু আন্তৰিকতাৰে প্ৰচেষ্টা চলাব বুলি আমি আশা কৰিম।

অসম চুক্তি ৰূপায়ণ, অনুপ্ৰবেশ আদিৰ বিষয়ত বিৰোধী শিবিৰত ঐক্যমত স্থাপনত কিছু প্ৰতিবন্ধকতা আহিব যদিও ৰাজ্যখনৰ জনসাধাৰণৰ বৃহত্তৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি পৰ্যয়িক্ৰমে এনে বৈষম্য আতঁৰোৱাৰ বাবে প্ৰচেষ্টা চলোৱাটো অতিশয় বাঞ্ছনীয়।

কিন্তু সৰ্বোপৰি থাকিব ৰাজ্যৰ শান্তি-শৃংখলা আৰু সুস্থিৰতাৰ সমস্যা আৰু ৰাজ্যৰ সৰ্বাংগীন বিকাশৰ বিষয়টো – যি দুটাত দলীয় আৰু শ্ৰেণী স্বাৰ্থ পৰিহাৰ কৰি জনসাধাৰণৰ স্বাৰ্থতে বিৰোধী দল সমূহ ঐক্যমতত উপনীত হৈ বিধান সভাৰ মজিয়াতে গুণী-জ্ঞানী জনৰ পৰামৰ্শভিত্তিক এক সুসংহত আৰু বিস্তৃত সমাধান সূত্ৰ উলিয়াব লাগিব আৰু অসমৰ অনাগত ভৱিষ্যতৰ আৰ্থ-সামাজিক বিকাশৰ ভেটি গঢ়িবলৈ যোৱাৰ পথত তেওঁলোকৰ আদৰ্শ আৰু কৰ্মৰাজিক – পৰিণত কৰিব লাগিব –অসমৰ জনশক্তিৰ সুদৃঢ় আধাৰ স্বৰূপ, যাৰ ওপৰত ভিত্তি কৰিয়েই গঢ় লৈ উঠিব নতুন প্ৰজন্মৰ সোণালী ভৱিষ্যতৰ পথ।

OKDISCD

# অসমৰ সাম্প্ৰতিক শিল্পকলা

হেমন্ত বৰ্মন

অনুচিত্ৰ আৰু কাঠ খোদাইৰ সুদীৰ্ঘ ঐতিহ্য আৰু পৰম্পৰাৰ অধিকাৰী অসমক চিত্ৰকলা আৰু ভাস্কৰ্যৰ অনুৰ্বৰ বুলি কোৱাৰ সাহস নিশ্চয় কাৰোৱেই নহ'ব। ঊনৈশ শতিকাৰ আৰম্ভণি আৰু ওঠৰ শতিকাৰ শেষ ছোৱাত অনুচিত্ৰৰ সুদীৰ্ঘ পৰম্পৰাত যতি পৰে। কাঠ খোদাইৰ ঐতিহ্য ছেগাছেৰোকাকৈ আজিলৈকে অব্যাহত আছে। ভাৰতীয় জাতীয়তাৰ উত্থান, স্বাধীনতা আন্দোলনৰ ফেঁহুজালিৰ সময়ৰ নবোন্মেষৰ পোহৰত ভাৰতীয় আৰু স্থানীয় ঐতিহ্যৰ পুনৰুত্থানৰ চিন্তাই অসমকো চুই নোযোৱাকৈ থকা নাছিল। প্ৰাক-স্বাধীনতা কালত ভাৰতৰ বিভিন্ন ঠাইত শিল্পচিন্তা আৰু শিক্ষাৰ উন্মেষ ঘটিছিল। তাৰেই আঁত ধৰি আৰু নচিন্তাৰ প্ৰেৰণাত এই শতিকাৰ তৃতীয় দশকৰ পৰাই অসমত চিত্ৰকলাৰ এক আধুনিক ধাৰাই গা কৰি উঠিছিল। সৰ্বভাৰতীয় প্ৰেক্ষাপটত এই ধাৰা নিঃসন্দেহে উল্লেখযোগ্য ঐতিহাসিক ঘটনা। ভালেমান চিত্ৰকৰৰ শিল্পকৰ্মই ঐতিহাসিক সত্যৰ এই চিন বহণ কৰাই নহয় অসমত নতুন এক শিল্পধাৰাৰ বীজ অংকুৰিত হোৱাতো সহায়ক হৈছিল। ত্ৰিশৰ দশকতেই আধুনিকতাৰ বীজ কঢ়িওৱা সেই ধাৰা পিছৰ পৰ্যায়ত কিছুদূৰ স্তিমিত হৈছিল যদিও তাৰ ধাৰাবাহিকতা আজিও অক্ষুণ্ণ আছে। তৃতীয় চতুৰ্থ দশকত আত্মপ্ৰকাশ কৰা চিত্ৰকৰ সকলৰ 'সৰহভাগেই আছিল স্ব-শিক্ষিত। কলিকতা আৰ্ট স্কুলত ভৰ্তি হোৱা সকলোৱেই পাঠ্যক্ৰম সমাপ্ত কৰি বা প্ৰমাণ পত্ৰ লৈ ওলাই আহিব পৰা নাছিল প্ৰধানকৈ অৰ্থাভাৱৰ কাৰণেই। তৃতীয়-চতুৰ্থ দশকত কলিকতা আৰ্ট স্কুলত শিল্প শিক্ষা লোৱা প্ৰথম চাৰিজন অসমীয়া আছিল – ডিব্ৰুগড়ৰ মুক্তানাথ বৰদলৈ, যোৰহাটৰ সুৰেন বৰদলৈ, তেজপুৰৰ জগৎ সিং কছাৰী আৰু প্ৰতাপ বৰুৱা।' এওঁলোকৰ 'সময়ত বেংগল স্কুল আছিল প্ৰভাৱ আৰু খ্যাতিৰ তুংগত। মন কৰিবলগীয়া কথা 'এওঁলোকৰ চিত্ৰ চিন্তাত বা চিত্ৰত অৱনীন্দ্ৰ-ক্ষিতীন্দ্ৰ-অমিত নন্দলালৰ কল্পনা, ভাৱনা-ৰুচিৰ স্পৰ্শ নাছিল বুলিলেই হয়।' (আধুনিকতাৰ বাৰ্তাবাহী জনদিয়েক অসমীয়া চিত্ৰকৰঃ নীলমণি ফুকন)।

মনত ৰাখিবলগীয়া কথা হ'ল আধুনিকতাৰ ঐতিহ্যবাহী এই চিত্ৰকৰ সকল স্থানীয় ঐতিহ্যৰ স্তিমিত কালৰহে প্ৰতিনিধি আছিল। অসমীয়া অনুচিত্ৰৰ ধাৰা সেই সময়ত নিঃশেষিত প্ৰায়। এনে এক পৰিস্থিতিত বেংগল স্কুলৰ প্ৰভাৱক অস্বীকাৰ কৰি নিজস্ব এক ধাৰা আৰু শৈলীৰ সন্ধানৰ মানসিকতা নিঃসন্দেহে অসমৰ শিল্পকলা জগতৰ পৰম ঐশ্বৰ্য।


ফটোঃ অনুতোষ দেৱ

*আশু দেৱৰ 'কনটেনডাৰচ'*

চিত্ৰত এই ভাবনা কিমানদূৰ প্ৰতিভাত হৈছিল সেয়া পিছৰ কথা।

ত্ৰিশ আৰু চল্লিছৰ দশকত অসমত শিল্প চৰ্চাৰ পৰিবেশ বুলিবলৈ তেনেকৈ একো নাছিল। বাহিৰৰ লগত অসমৰ সম্পৰ্কও আছিল সীমিত আৰু ক্ষীণ। সামন্তবাদৰ অপূৰ্ণ বিকাশ, জনজাতীয় সমাজ গাঁথনিৰ প্ৰাধান্য, সত্ৰ সমূহৰ অবক্ষয়ৰ বিপৰীতে চাহ শিল্পৰ চালুকীয়া অৱস্থা আৰু এমুঠিমান শিক্ষিত সংস্কৃতিবান লোকৰ সমাজত শিল্প চৰ্চাৰ আদৰ তেনেকৈ নাছিল। এই পটভূমিত উল্লিখিত চিত্ৰকৰ সকলৰ আত্মপ্ৰকাশ নিঃসন্দেহে আমাৰ শিল্প বুৰঞ্জীৰ এক উল্লেখযোগ্য ঘটনা। ১৯৪৭ চনৰ আগলৈকে শিল্প চৰ্চাৰ একাডেমিক চিন্তা-ভাবনাৰ দুৱাৰখনো ৰুদ্ধ আছিল। আজিৰ শিল্প চৰ্চাৰ বিস্তৃত ক্ষেত্ৰৰ ভিত্তি ভূমি কিন্তু এইসকল লোকৰ প্ৰচেষ্টাতেই স্থাপিত হৈছিল। শিল্প চৰ্চাত আধুনিকতাৰ যি ভ্ৰূণ এই সকল শিল্পীয়ে সিঁচিছিল সি মহীৰুহত পৰিণত হোৱাৰ কাম আজিও চলি আছে। অনুকূল পৰিবেশ, পৃষ্ঠপোষকতাৰ অভাৱ, একাডেমিক পৰ্যায়ৰ স্থবিৰতা, সৰ্বতোপৰি আত্মসন্তুষ্টিৰ মনোভাব আদি বিভিন্ন কাৰণত এই ধাৰাই আজিও আলোড়নমুখী এক ৰূপ পোৱা নাই।

স্বাধীনতাৰ আগৰ সময়ছোৱাত অবিভক্ত ভাৰতবৰ্ষত তিনিখন চৰকাৰী আৰ্ট কলেজ আছিল। এই তিনিখন কলেজৰ স্থান আছিল ক্ৰমে কলিকতা, মদ্ৰোজ আৰু লাহোৰ। তেতিয়াৰ দিনতে নহয় আজিও আৰ্ট কলেজবোৰক কেন্দ্ৰ কৰিয়েই শিল্প চৰ্চাৰ এক পৰিবেশ গঢ়ি উঠে। স্বাধীনতাৰ আগত আৰু আনকি পিছতো এই তিনিখন কলেজেই ভাৰতৰ শিল্প চৰ্চাৰ পৰিবেশক নেতৃত্ব দিছিল। 'যদিও এই তিনিখন কলেজত ভিক্টোৰিয়ান পদ্ধতিতে শিকোৱা হৈছিল, সেই শিক্ষা পদ্ধতি আছিল আন্তৰ্জাতিক ভাবে স্বীকৃত। সামান্য সালসলনি হলেও সেই পদ্ধতি আজিও গ্ৰহণযোগ্য হৈয়ে আছে। কিন্তু আমাৰ ইয়াত শিল্প চৰ্চাৰ মূল ভেটিটোৱে আজিলৈকে প্ৰস্তুত হোৱা নাই।' (বেনু মিশ্ৰ) স্বাধীনতা লাভৰ বছৰতেই এগৰাকী অসমীয়া শিল্পী জীৱেশ্বৰ বৰুৱাৰ আশা শুধীয়া চেষ্টাৰ ফলত গুৱাহাটীত প্ৰতিষ্ঠা কৰিছিল – গুৱাহাটী স্কুল অৱ আৰ্টছ এন্ড ক্ৰেফটছ। এই প্ৰতিষ্ঠানেই আজিৰ চৰকাৰী চাৰু কাৰু কলা কলেজ। এই শিল্প বিদ্যালয়খনৰ বৰুৱাই প্ৰথম অধ্যক্ষ। ১৯৬৪ চনত বৰুৱাৰ পৰলোক ঘটাত এই স্কুলৰ অধ্যক্ষৰ দায়িত্বভাৰ বহণ কৰিছিল আজিৰ বিশিষ্ট শিল্পী – ভাস্কৰ শোভা ব্ৰহ্মাই। আৰম্ভণিতে মাথো ৫0 টকীয়া চৰকাৰী অনুদান লৈ এই প্ৰতিষ্ঠান চলোৱা বৰুৱাৰ বাবে আছিল এক কষ্ট সাধ্য অধ্যায়। স্কুলৰ অৱস্থা টোকোনো হলেও বৰুৱাৰ জীৱিতকালত তিনিখন 'গুৰুত্বপূৰ্ণ আৰু ঐতিহাসিক' প্ৰদৰ্শনী গুৱাহাটীত অনুষ্ঠিত হৈছিল। নিঃসন্দেহে অসমৰ দৰ্শক আৰু শিল্পীৰ বাবে এই প্ৰদৰ্শনী আছিল বন্ধ ঘৰৰ মুকলি খিৰিকিৰে সোমাই অহা এচাটি বতাহ। ১৯৬0 চনত বৰুৱাৰ আৰ্ট স্কুলে চৰকাৰী অনুদান পাইছিল ৩00 টকা। বৰুৱাৰ শিল্প উৎসৰ্গীকৃত প্ৰাণে অসমৰ শিল্প পৰিবেশ গঠনৰ বুনিয়াদী চৰ্তটো পূৰণৰ পাতনি ছেগাছেৰোকাকৈ হলেও এই প্ৰতিষ্ঠানৰ জৰিয়তেই মেলিছিল।

জীৱেশ্বৰ বৰুৱাই প্ৰতিষ্ঠা কৰা আৰ্ট স্কুলৰ ৰক্তহীন অৱস্থা সত্ত্বেও যাঠিৰ দশকৰ শেহৰ ফালে আৰু সত্তৰৰ দশকত অসমৰ বাহিৰৰ কলেজত শিক্ষা লাভ কৰি অহা ভালেমান শিল্পীৰ আত্মপ্ৰকাশে অসমৰ শিল্প চৰ্চাৰ পৰিবেশত সামান্য ভাবে হলেও আলোড়নৰ সৃষ্টি কৰে। সৰ্বভাৰতীয় শিল্প পৰিবেশৰ কথা বাদ দি অসমৰ পৰিবেশক আছুতীয়াকৈ বিচাৰ কৰাটো উচিত নহ'ব। এই ক্ষেত্ৰত বিশিষ্ট শিল্পী শোভা ব্ৰহ্মৰ এষাৰ কথা স্মৰণযোগ্য। 'ভাৰতৰ কেইখনমান চহৰক কেন্দ্ৰ কৰি গঢ়ি উঠা পৰিবেশক বাদ দিলে সমগ্ৰ দেশৰে শিল্প চৰ্চাৰ তেনে এক উল্লেখযোগ্য পৰিবেশ নাই।' সম্প্ৰতি ৮১ বছৰত ভৰি দিয়া ভাৰতৰ বিশিষ্ট শিল্পী এন এছ বেন্দ্ৰেৰ অভিজ্ঞতা সমৃদ্ধ মন্তব্যও আমি মনত ৰখা উচিত হ'ব। 'চল্লিছ আৰু পঞ্চাছৰ দশকত ভাৰতবৰ্ষত থকা মোৰ বন্ধু Schlensinger আছিল শিল্পপ্ৰেমী আৰু সংগ্ৰাহক। ভাৰতৰ জনসাধাৰণৰ শিল্পৰ প্ৰতি থকা অমনোযোগিতাই তেওঁক দুখ দিছিল। প্ৰায়ে তেওঁ মন্তব্য কৰিছিল যে ইয়াৰ মানুহে বিয়াই বাৰুয়ে উৎসৱে পাৰ্বণে মুক্তহস্তে খৰচ কৰে যদিও তাৰ সামান্য এক অংশও শিল্পৰ নামত ব্যয় নকৰে।

অতীতত ৰজা-মহাৰজা সকল শিল্পৰ পৃষ্ঠপোষক আছিল। তাৰ পিছত পুৰণি কলা সম্পদ সংগ্ৰাহকৰ আৱিৰ্ভাৱ ঘটিল যদিও সমসাময়িক কলা সম্পদৰ প্ৰতি তেওঁলোকৰ আগ্ৰহ নাই। সেই দিনবোৰত শিল্পীয়ে প্ৰদৰ্শনীত নিজৰ প্ৰদৰ্শিত শিল্প সামগ্ৰী বিক্ৰী কৰিবলৈ সমৰ্থ হলে উৎফুল্লিত হৈছিল। ১৯৪৯ চনত হুচেইনৰ এখন চিত্ৰ বিক্ৰী হৈছিল ১২৩.00 টকাত।

স্বাধীনতাৰ পিছত উদ্যোগ সংস্থা আৰু উদ্যোগপতিৰ জৰিয়তে অৰ্থনৈতিক বিকাশ প্ৰতিফলিত হৈছিল। উদ্যোগপতি সকলে শিল্পীক নিজ বাস গৃহ আৰু কাৰ্যালয়ৰ সাজ-সজ্জাৰ বাবে শিল্প সৃষ্টি কৰিবলৈ নিমন্ত্ৰণ জনাইছিল।


আজি শিল্পৰ দাম আছে আৰু ইয়াৰ পৃষ্ঠপোষক হ'ল নতুন ধনিক শ্ৰেণী। তেওঁলোকে উপলব্ধিহীন ভাবে শিল্প সম্ভাৰ কিনে আৰু তাৰ প্ৰশংসা কৰে। তেওঁলোকৰ বাবে শিল্প হ'ল এটা স্বাক্ষৰ যি সামাজিক Statusৰ পৰিপূৰক।'


সৰ্বভাৰতীয় ক্ষেত্ৰতে যেতিয়া শিল্পকলা এক শ্ৰেণীৰ একচেটিয়া পণ্যৰ পৰ্যায়ত পৰিণত হৈছে তেনেস্থলত সৰ্বসাধাৰণৰ শিল্প চেতনাৰ স্তৰ বৰ বেছি আগবাঢ়িব নোৱৰাতো তেনেই অস্বাভাৱিক নহয়। এনে অৱস্থাত অসমৰ দৰে পিছপৰা এখন ৰাজ্যত শিল্প-ৰুচি ভাবনা আৰু সৃষ্টিয়ে এক চূড়ান্ত পৰ্যায় পাব বুলি আশা কৰিব নোৱাৰি। আনহাতে তেনে এক বাতাবৰণ সৃষ্টিৰ বাবে একাডেমিক দিশতো অসম বাৰুকৈয়ে পিছ পৰা। তথাপিতো এনে পৰিবেশত ত্ৰিশৰ দশকত সৰ্বেশ্বৰ কটকী আৰু জ্যোতিপ্ৰসাদৰ দৰে ব্যক্তিয়ে শিল্পানুৰাগৰ পৰিচয় দিয়াই নহয় তাৰ হকে কামো কৰিছিল। বিষ্ণু ৰাভা, গজেন বৰুৱাই স্বশিক্ষাৰে শিল্পৰ পৃথিৱীলৈ আগবাঢ়ি আহিছিল। তৰুণ দুৱৰা, হেমন্ত মিত্ৰ আৰু আশুদেৱে চল্লিছৰ দশকতে আত্মপ্ৰকাশ কৰিছিল নতুন তেজ লৈ।

যাঠিৰ দশকত তৰুণ দুৱৰা, হেমন্ত মিত্ৰ আৰু আশুদেৱ আছিল অতি সক্ৰিয় শিল্পী। মিত্ৰই আজিও আঁকি আছে। ডিব্ৰুগড়ৰ তৰুণ দুৱৰা ত্ৰিছৰ দশকৰ কলিকতাৰ চাৰু কাৰুকলা বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰা শিল্পী। যাঠিৰ দশকলৈ সক্ৰিয়ভাবে কাম কৰা বৰুৱাই পানীৰঙ, পেন্সিল আৰু তেল ৰঙ মাধ্যম হিচাপে ব্যৱহাৰ কৰিছে। অসমৰ জনজীৱনে দুৱৰাৰ চিত্ৰত প্ৰাধান্য পোৱাটো মনকৰিবলগীয়া। 'অসমীয়া শিপিনী' বৰুৱাৰ জীৱনবোধ, সূক্ষ্মপৰ্যবেক্ষণ আৰু শিল্পবোধেৰে সমৃদ্ধ এখন উল্লেখযোগ্য ছবি। দুৱৰাৰ চিত্ৰৰ সংখ্যা সৰহ নহয়। তাৰ কেইখন মান বিভিন্ন ঠাইত সংৰক্ষিত হৈ আছে। দুৱৰাৰ এই ছবিখনে স্ৰষ্টাৰ নিজ সমাজ আৰু জীৱন আৰু শৈলীৰ সন্ধানৰ এক পৰিক্ৰমাকে স্পষ্ট কৰে। আশুদেৱৰ আত্মপ্ৰকাশ অসমৰ আধুনিক চিত্ৰ শিল্পৰ বুৰঞ্জীৰ এক উল্লেখযোগ্য অধ্যায়। আশুদেৱৰ জাকৈয়া ছোৱালীৰ ভাবসঞ্চাৰী, চিত্ৰৰ মিতব্যয়ী ৰূপ জীৱনৰ তেজাল আৰু সৃষ্টিশীলতাৰেই প্ৰকাশ। তেওঁৰ আন কেইখনমান ছবিতো এনে প্ৰকাশ ঘটিছিল। হেমন্ত মিত্ৰই লেন্ডস্কেপৰ পৰা স্যুৰিয়েলিজমৰ কল্পনা আৰু বাস্তৱৰ দুৰন্ত মিশ্ৰণৰ এক সুদীৰ্ঘ পৰিক্ৰমাত আজিও ব্ৰতী।

যাঠিৰ দশকৰ শেষৰ ফালে আৰু সত্তৰৰ দশকত অসমৰ শিল্প পৰিবেশ এক আলোড়নমুখী অভিজ্ঞতাৰে সমৃদ্ধ। অসমৰ বাহিৰৰ আৰ্ট কলেজত অধ্যয়ন শেষ কৰি উভতি অহা এচাম শিল্পীয়ে একাডেমিক দক্ষতা আৰু সৃষ্টিশীল প্ৰয়াসেৰে সজীৱ আশাৰ সঞ্চাৰ কৰিছিল। এই সময়ছোৱাত আত্মপ্ৰকাশ কৰা বিশিষ্ট চিত্ৰকৰ সকল হ'ল – গৌৰী বৰ্মণ, পুলক গগৈ, শোভা ব্ৰহ্ম, নীলপৱন বৰুৱা, বেণু মিশ্ৰ, প্ৰণৱ বৰুৱা আদি। এওঁলোকৰ কেবাগৰাকী চিত্ৰকৰৰ মাজত অসমৰ শিল্প পৰিবেশৰ প্ৰতি থকা সামূহিক দায়বদ্ধতা মন কৰিবলগীয়া। শোভা ব্ৰহ্ম শান্তিনিকেতনৰ পৰা আহি অলপ দিনৰ ভিতৰতে আৰ্ট স্কুলৰ লগত জড়িত হৈ পৰাই নহয় ১৯৬৪ চনত

*শোভা ব্ৰহ্মৰ এটি ভাস্কৰ্য*


ফটোঃ অনুতোষ দেৱ



ফটো: অনুতোষ দেৱ

*প্ৰণৱ বৰুৱাৰ এখনি চিত্ৰ*

অধ্যক্ষ ৰূপেও স্কুলখন আগবঢ়াই নিয়াৰ কষ্ট সাধ্য দায়িত্ব গ্ৰহণ কৰিছিল। নীলপৱন বৰুৱায়ো একেদৰে শান্তিনিকেতনত শিক্ষা সাং কৰি কিবা এটা কৰাৰ তাড়নাত জজ ফিল্ডৰ একাষৰ এক পৰিত্যক্ত ঘৰত 'অসম ফাইন আৰ্টছ এন্ড ক্ৰেফট্ ছচাইটি'ৰ পাতনি মেলিছিল। প্ৰণৱ বৰুৱা বোম্বাইৰ জে জে-ৰ ছাত্ৰ। বৰুৱায়ো নগাওঁত শিল্প চৰ্চাৰ এক পৰিৱেশ ৰচনাত নিজকে নিয়োজিত কৰিছিল। গুৱাহাটী আৰ্টিষ্ট গীল্ড গঠনৰ আঁৰৰ ব্যক্তি গৰাকী আছিল বেণু মিশ্ৰ। সামূহিক দায়িত্বৰ প্ৰতি নিষ্ঠাশীল এই সকল চিত্ৰকৰে বহু প্ৰতিকূল অৱস্থাৰ মাজেৰে শিল্প চৰ্চাৰ বহল ক্ষেত্ৰৰ প্ৰস্তুতি পৰ্বত বহু শিল্পী সাহিত্যিক, গায়ক আৰু শিল্প ৰসিকক সংগঠিত কৰাৰ লগে লগে নিজৰ কাম কাজো চলাই গৈছিল। ব্যক্তিগত ভাবে গুণী শিল্পী হোৱাৰ উপৰিও সামূহিক মংগল চিন্তাৰ এই উদাহৰণ অসমৰ বাবে গুৰুত্বপূৰ্ণ ঐতিহাসিক ঘটনা। ইয়াৰ উপৰিও কন্দৰ্প শৰ্মা, নৰেন দাস, তপন বৰদলৈ, ৰাজেশ্বৰ শৰ্মা, গিৰীশ বৰা আদি ভালেমান চিত্ৰকৰে এই সময়তে আত্মপ্ৰকাশ কৰে।

চিত্ৰৰ আবেদন দৰ্শকৰ বাবে সদায় বেছি। কিন্তু ভাস্কৰ্যৰ প্ৰতি কম। সত্তৰৰ দশকত ভালেমান ভাস্কৰ্যৰ ছাত্ৰই অসমৰ বাহিৰত শিক্ষা সাং কৰি অসমলৈ উভতি আহি সৃষ্টিত মন দিছিল। যৌৱন সুলভ সম্ভাৱনাৰে উজ্জ্বল তেতিয়াৰ এই শিল্পী সকল হ'ল – অতুল বৰুৱা, ঝনক ঝংকাৰ নাৰ্জাৰী, সোনা ৰাম নাথ, চালেহা আহমেদ, বিধুভূষণ চৌধুৰী, প্ৰণবেন্দু বিকাশ ধৰ, ৰমেশ বণিক্য আদি।

অসমৰ বাহিৰ পৰা প্ৰশিক্ষণলৈ অহা ওপৰত উল্লেখ কৰা চিত্ৰকৰ আৰু ভাস্কৰ সকলৰ ভালেমানৰে একাডেমিক শিক্ষা আছিল নিৰ্ভৰযোগ্য আৰু আধুনিক ভাৰতীয় শিল্প কলাৰ ধাৰাৰ লগে লগে বহিৰ্বিশ্বৰ শিল্প ভাবনাৰ উত্থান-পতনৰ ইতিহাসৰ লগত পৰিচিত। তদুপৰি নিজ ঠাইলৈ উভতি আহি কিবা এটা কৰাৰ যৌৱনসুলভ প্ৰেৰণাও আছিল। এওঁলোকৰ সৃষ্টিশীল প্ৰতিশ্ৰুতিৰ আৰু অস্তিত্ব থাউকতে উলাই কৰিব পৰা বিধৰ নাছিল। তাৰ চিহ্ন কিছু চিত্ৰ ভাস্কৰ্যত আজিও আছে। কিন্তু এওঁলোকৰ বহুজনৰ সৃষ্টিৰ সংখ্যা তাকৰ, বহুজন থমকি ৰব লগীয়া হৈছে তুচ্ছ কাৰণত। জীৱিকাও হয়তো কাৰো বাবে হৈ পৰিছে বাধাৰ প্ৰাচীৰ। উৎসাহ, অন্বেষণ আৰু প্ৰেৰণাৰ অভাৱো ইয়াৰ কাৰণ হ'ব পাৰে। সীমিত গণ্ডীৰ বাধাৰ প্ৰাচীৰ নেওচি বৈ থকা সৃষ্টিৰ বোঁৱতী সুঁতিৰ গতি সেয়ে স্বাভাৱিকতে মন্থৰ।

'বিশেষকৈ সত্তৰৰ দশকৰ আৰম্ভণিৰে পৰা বহু সংখ্যক অসমৰ ছাত্ৰ ছাত্ৰীয়ে বোম্বাই, বৰোডা, দিল্লী, কলিকতা আৰু বিশ্বভাৰতীৰ পৰা, স্নাতক, স্নাতকোত্তৰ ডিপ্লমা ডিগ্ৰীলৈ অসমলৈ ঘূৰি আহিয়েই কলাছৱৰ্কতে একোখন একক প্ৰদৰ্শনী পাতে আৰু কোনো কোনো ক্ষেত্ৰত সেইখনেই তেওঁলোকৰ প্ৰথম আৰু শেষ প্ৰদৰ্শনী হয়গৈ।

বৰ্তমান আমাৰ ইয়াত কাম কৰি থকা শিল্পীৰ সংখ্যা বৰ বেছি নহয়। যিসকলে কাম কৰি আছে তেওঁলোকৰ বহুতৰে Visual sensibility আৰু Creative imagination দুয়োটাই নাই। বিশ্লেষণী গুণ, আত্মবিশ্বাস আৰু মানুহৰ শিল্পকলা ইতিহাসৰ লগত পৰিচয় নথকাৰ কাৰণে সম্ভাৱনা থকা কোনো কোনো জনে uncritical, unimaginative তথাকথিত appreciationৰ বলি হৈ যন্ধ্যাত্ব বৰণ কৰিছে। এই নৈৰাশ্যজনক পৰিস্থিতিৰ মাজত সকলোকে আশ্বস্ত কৰি with all seriousness and devotion দহ গৰাকীমান নবীন প্ৰবীণ শিল্পীয়ে কাম কৰি আছে। এওঁলোকৰ হাততেই সাম্প্ৰতিক অসমৰ চিত্ৰ ভাস্কৰ্যই এটা গঢ় লৈ উঠিব বুলি ভাবিছো। পৰীক্ষা নিৰীক্ষাৰ প্ৰতি সততে উৎসাহী, এওঁলোক modern sensibilityৰ শিল্পী আৰু প্ৰত্যেকেই ফিগাৰেটিভ। ফিগাৰেটিভ যদিও এওঁলোকৰ সকলোৰে নিজস্ব একোটা image পোৱা নেযায়। সাম্প্ৰতিক Indian art sceneটোৰ পৰা এওঁলোকৰ কোনোজনেই বিচ্ছিন্ন নহয়।'

[কলিকতাৰ The Telegraph (১৯৮৮) কাকতৰ এক সাক্ষাৎকাৰত নীলমণি ফুকন।]

## কেইগৰাকীমান প্ৰবীণ চিত্ৰকৰ

প্ৰবীণ শিল্পী চামৰ অন্যতম চাৰি গৰাকী শিল্পী হ'ল শোভা ব্ৰহ্ম; বেণু মিশ্ৰ, নীলপৱন বৰুৱা আৰু প্ৰণৱ বৰুৱা। এই চাৰিও গৰাকী চিত্ৰকৰ কম-বেছি পৰিমাণে অসমৰ শিল্প পৰিৱেশ ৰচনাৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ব্যক্তিত্ব।

চিত্ৰৰ প্ৰয়োজনীয় অভিব্যক্তি, স্থাপত্য গুণ, গঠনৰ জ্ঞান আৰু আবেগক সংহত মাত্ৰাৰে কেনভাচত মূৰ্ত্তমান কৰি তোলাৰ দক্ষতা শোভা ব্ৰহ্মাৰ চিত্ৰৰ পৰম সম্পদ। জীৱনৰ বৰ্ণাঢ্য ৰূপক সমাজ আৰু সময়ৰ তুলাচনীৰে জোখাৰ বাবে ব্ৰহ্মাৰ আছে গভীৰ অন্তৰ্দৃষ্টি। তেওঁৰ প্ৰদৰ্শিত শিল্প কৰ্মই ইয়াৰেই বাৰ্তা বহণ কৰে। পৰম্পৰাক বিসৰ্জন নিদিয়াকৈয়ো ব্ৰহ্ম আধুনিক আৰু মুক্ত মনৰ অধিকাৰী। ফলত পৰম্পৰা আৰু আধুনিকতাৰ এক অপূৰ্ব সমন্বয় ঘটিছে তেওঁৰ সৃষ্টি কৰ্মত। তাৰ বাবে প্ৰয়োজনীয় অধ্যাৱসায়ী গুণৰ অধিকাৰী হ'ল এই গৰাকী শিল্পী। তেওঁৰ ফিগাৰেটিভ কৰ্মৰ অনবদ্য ইংগিতধৰ্মী প্ৰকাশে সততে দৰ্শকৰ সৃষ্টি আৰু মন কাঢ়ে। নিৰলস সাধনা আৰু সুদূৰপ্ৰসাৰী কল্পনা অবিহনে ই অসম্ভৱ। কিন্তু তেওঁৰ চিত্ৰৰ চালিকা শক্তি হ'ল আবেগ। যাৰ ফলত চিত্ৰ হৈ পৰে সাৱলীল আৰু সজীৱ। প্ৰাণৰ তাগিদাৰে বাঙ্ময় তেওঁৰ ছবিয়ে ভাবনাৰো দুৱাৰ মুকলি কৰে। বৰ্ণৰ জৰিয়তে পোহৰৰ ভিন্ন লহৰ সৃষ্টিৰ চমৎকাৰিত্বই দৃশ্যাতীত অভিজ্ঞতাৰ সৃষ্টি কৰে – ই কেৱল ভাবনাহীন যাদুকৰী ৰঙৰ প্ৰলেপ নহয়। ইয়াৰ ফলত উদ্ভাসিত হয় বিষয়বস্তুৰ অন্তৰতম প্ৰদেশ, মৰ্মৰিত হয় জীৱন। সৃজন, মনন আৰু ভাবনাৰ বিস্তৃতিয়ে তেওঁৰ চিত্ৰক দিছে বিপুল আয়তন। সমসাময়িক জীৱনৰ যন্ত্ৰণা, নিষ্ঠুৰতা ভয়ংকৰ ৰূপ আৰু মনুষ্যত্বৰ সন্ধানক একাষৰীয়া কৰি থৈ জীৱন সম্পৰ্কে এক দাৰ্শনিক Statement কৰাৰ পক্ষপাতী ব্ৰহ্ম নহয়। চিত্ৰৰ ফিগাৰ আৰু বৰ্ণত থকা মাটিৰ গোন্ধক ব্ৰহ্মাই সাৰ্বজনীন আবেদনৰ সাৰ পানীৰে সমৃদ্ধ কৰি ধাবিত হৈছে নিজ শৈলীৰ সন্ধানত। অনুকৰণ বৰ্জিত অনুপ্ৰেৰণাৰ ভিত্তি ভূমিত থিয় হৈ ব্ৰহ্মাই কেনভাচত নিজ ভাবনাক ৰূপায়িত কৰিছে জীৱনৰ আদিৰূপী বলিষ্ঠতাৰে। কাঠ খোদাইৰ কামো এক সাৱল্যৰে জীৱন্ত প্ৰকাশ। সেই বুলি তেওঁ ভাস্কৰ্যক কেৱল ব্যঞ্জনাময় প্ৰতীক ৰূপেই সৃষ্টি কৰা নাই। আকৃতি বা প্ৰতিৰূপ সৃষ্টিৰ এচেৰেঙা ৰ'দে বৰং তেওঁ খোদাইৰ কাম গতিশীলহে কৰি তুলিছে। সামান্য এই পোহৰে বাস্তৱৰ দৃশ্য ৰূপৰ ইংগিত বহণ কৰি দৃশ্যাতীত ৰূপ সন্ধানৰ সুযোগ দিছে।

বেণু মিশ্ৰৰ চিত্ৰৰ সংখ্যা তাকৰ যদিও সিবোৰ চিত্ৰগুণ, শৈল্পিক নৈপুণ্য, শৈলীৰ নিজস্বতা আৰু দৃশ্যগ্ৰাহ্য আবেদনেৰে সমৃদ্ধ। ৰেখাংকন আৰু ড্ৰয়িংৰ দক্ষতা অপূৰ্ব। সীমিত অথচ আন্দোলিত ৰঙৰ ব্যৱহাৰ মিশ্ৰৰ চিত্ৰৰ পৰম সম্পদ। আগশাৰীৰ এজন অসমীয়া কলা সমালোচকৰ মতে আঙুলি মূৰত লেখিব পৰা অসমৰ কেইখনমান শ্ৰেষ্ঠ চিত্ৰৰ ভিতৰত তেওঁৰ পোৰ্ট্ৰেট অফ এ ফ্ৰেন্ড নামৰ ছবিখন অন্যতম। বেণু মিশ্ৰ কেৱল সংবেদনশীল শিল্পীয়েই নহয় তেওঁৰ ভাবনা আৰু মনন কাম কাজতো প্ৰতিফলিত।

তেওঁৰ আন এখন উল্লেখযোগ্য ছবি 'দ্য চেয়াৰ'ৰ ভাবসঞ্চাৰী আবেদন আৰু গঠন ভংগী নিঃসন্দেহে আধুনিক চিত্ৰৰ মিতব্যয়ী প্ৰকাশ আৰু বিষয়বস্তুৰ ব্যাপ্তিয়েও ছবিখনক আন এক আয়তন দিছে। দ্বিধা, সংকোচ আৰু অপৰাধ বোধৰ ইংগিত প্ৰতিভাত হৈছে চকীত বহি থকা এগৰাকী গাভৰুৰ অভিব্যক্তিত। সমগ্ৰ ছবিখনতেই পাতল ৰঙা ৰঙৰ প্ৰাধান্য। পশ্চাতপটত ঠায়ে ঠায়ে অনুজ্জ্বল হালধীয়া আৰু পাতল বগা ৰঙৰ ব্যৱহাৰে কাৰুণ্যৰ সৃষ্টি কৰিছে। চিত্ৰখনৰ ৰচনা ৰীতিৰ বাবে মূল বিষয়ক দৰ্শকৰ সন্মুখত কেন্দ্ৰীভূত ৰূপত উপস্থাপিত কৰা যেন লাগে।

প্ৰতিভাশালী এই গৰাকী চিত্ৰকৰৰ চিত্ৰৰ সংখ্যা তেনেই তাকৰ। শেহতীয়া ভাবে তেওঁ তীৰ্যক চিত্ৰ অঁকাতো মনোনিবেশ কৰিছিল। মিশ্ৰৰ চিত্ৰৰ ফিগাৰ আৰু ড্ৰয়িংৰ নিজস্বতা যিকোনো চিত্ৰ দেখিলেই ক'ব পাৰি। এয়া তেওঁৰ চিত্ৰৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। মিশ্ৰৰ আত্মবিশ্বাসো অনস্বীকাৰ্য। অলপতে এক ঘৰুৱা আলোচনাত তেওঁ কৈছিল – 'বিভিন্ন উপলব্ধি আৰু অভিজ্ঞতাৰে আজি মই অনুভৱ কৰিছো যে কাম মই ভালেই কৰিম। চিত্ৰৰ সংখ্যা কম, কিন্তু মই পুনৰ আঁকিবলৈ মানসিক ভাবে এতিয়া প্ৰস্তুত হৈছো।' ১৯৭৬ চনৰে পৰা গুৱাহাটী আৰ্টিষ্ট গীল্ডৰ লগত জড়িত মিশ্ৰই কিতাপ আলোচনীৰ বেটুপাত আৰু এপ্লাইড আৰ্টৰ বিভিন্ন কামত নিজ সৃজনশীলতাৰ স্বাক্ষৰ ৰাখিছে। বহু তৰুণ শিল্পী মিশ্ৰৰ অংকন ৰীতিৰ দ্বাৰাও প্ৰভাৱিত।


জজ ফিল্ডৰ এচুকৰ ঘৰ এটাত সাধনা আৰু সংগঠনৰ পাতনি মেলা নীলপৱন বৰুৱা অতি সংবেদনশীল শিল্পী। তেওঁৰ চিত্ৰৰ ৰঙৰ ব্যৱহাৰ আৰু বিষয় বস্তুৰ বৰ্ণাঢ্যতা অনুধাৱনযোগ্য। হাতত 'ৰেডবুক' লোৱা এক ভিয়েতনামী সৈনিকৰ দেহ আৰু মনৰ বলিষ্ঠ প্ৰকাশৰ বৃহৎ চিত্ৰৰ পৰা অসমীয়া লোককলা শিল্পৰ সম্ভাৰ মুখাক চিত্ৰৰ ভাষাৰে নতুন ব্যাখ্যা দিবলৈ বৰুৱা সততে যত্নপৰ আৰু বহুদূৰ সাফল্যও লাভ কৰিছে। তেওঁৰ মুখাক কেন্দ্ৰ কৰি অঁকা কেইবাখনো চিত্ৰত জীৱনৰ আদি ৰূপী বলিষ্ঠতাই আবেগ আৰু ভাবনাক খুন্দিয়াই যায়। তাৰ আবেদনে বৈ বৈ খুন্দিয়ায়। নিজ হাতে প্ৰস্তুত কৰা কাকতৰ খণ্ডৰ কেনভাচত বৰুৱাৰ চিত্ৰৰ ৰঙৰ ব্যৱহাৰ সংবেদী গুণে দৰ্শকক সততে আকৰ্ষণ কৰে। বৰুৱাই বিষয়বস্তু আৰু শৈলীৰ পৰীক্ষা-নিৰীক্ষা কৰি আছে। তেওঁৰ নিজৰ মতেই চিত্ৰ সমূহৰ পৰ্যায় কেইবাটাও। স্থানীয় ঐতিহ্যক সামৰি এক নতুন বিন্যাসেৰে তাৰ চিত্ৰিত ব্যাখ্যা আগবঢ়াবলৈ বৰুৱাৰ অব্যাহত প্ৰচেষ্টা অসমীয়া চিত্ৰকলাৰ এক গুৰুত্বপূৰ্ণ দিশ। তাৰ পূৰ্ণ বিকশিত পৰ্যায়ৰ অংকৰো বৰুৱাৰ চিত্ৰই বহণ কৰিছে।

পোৰ্ট্ৰেট বা প্ৰতিকৃতি অংকনত অপূৰ্ব দক্ষতাৰ গৰাকী প্ৰণৱ বৰুৱাৰ শিল্প চৰ্চাৰ ফল সুদূৰ প্ৰসাৰী। তেওঁৰ দুজন উল্লেখযোগ্য ছাত্ৰ ননী বৰপূজাৰী আৰু সমীৰণ বৰুৱা আজিৰ তৰুণ অসমীয়া চিত্ৰকৰ সকলৰ অন্যতম। তেল ৰঙৰ দক্ষ শিল্পী প্ৰণৱ বৰুৱা চিত্ৰৰ গঠন শৈলী, ড্ৰয়িং আৰু অংকন ৰীতিৰ ক্ষেত্ৰত পূৰা মাত্ৰাই আধুনিক। সমগ্ৰ নগাওঁ জিলাতেই শিল্প চৰ্চাৰ পৰিৱেশক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত বৰুৱাৰ অৱদানো অপৰিসীম। কেৱল প্ৰতিকৃতিৰ ক্ষেত্ৰতে নহয় আধুনিক চিত্ৰৰ জৰিয়তেও বৰুৱাই নিজ দক্ষতা আৰু প্ৰতিভাৰ চিন ৰাখিছে। তেল ৰঙৰ সংহত ব্যৱহাৰৰ দক্ষতা বৰুৱাৰ চিত্ৰৰ পৰম গুণ। অসমৰ আধুনিক প্ৰবীণ চিত্ৰকৰ সকলৰ ভিতৰত বৰুৱা নিঃসন্দেহে কৃতিত্বৰ গৰাকী।

আমি উল্লেখ কৰি অহা ভাস্কৰ সকলৰ ভিতৰত অতুল বৰুৱাৰ একাডেমিক দক্ষতা আৰু প্ৰতিভাই সৃষ্টিশীল বহু সম্ভাৱনাৰে ইংগিত বহণ কৰিছিল। আৰম্ভণি কালত বৰুৱাৰ শিল্পকৰ্মত তাৰ চিনো আছিল স্পষ্ট। কিন্তু বহুদিন হ'ল বৰুৱাৰ কাম দেখা নাই। একেদৰে চালেহা আহমেদৰ উজ্জ্বল আৰম্ভণিৰ আঁত ধৰি বিচাৰ কৰিলে নতুন শিল্প কৰ্মৰ ক্ষেত্ৰত তেওঁৰ নীৰৱতাহে পৰিলক্ষিত হয়। আৰম্ভণিৰ তেওঁৰ ভাস্কৰ্যৰ আবেদন আজিও মনলৈ আহে যদিও শেহতীয়া ভাবে তেওঁ চিত্ৰতহে মন দিছে যেন লাগে। ভাস্কৰ ৰূপে প্ৰণবেন্দু বিকাশ ধৰো আছিল কুশল শিল্পী। সোনাৰাম নাথ, ৰমেশ বণিক্য আদি নীৰৱ যেন লাগে। ভাস্কৰ ৰূপে বীৰেন বড়ো আৰু মাধব দাসৰ নৈপুণ্যৰো উল্লেখ কৰিব লাগিব। কিন্তু অতুল বৰুৱা আৰু চালেহা আহমেদৰ ভাস্কৰ্যৰ সংবেদী আধুনিক প্ৰকাশ আছিল প্ৰতিশ্ৰুতিৰ ভাণ্ডাৰ।

আমি উল্লেখ কৰা চিত্ৰকৰ সকলৰ উপৰিও প্ৰবীণ-নবীন ভালেমান চিত্ৰকৰ আৰু ভাস্কৰে এই সময়ছোৱাত কাম কৰি আছে। সকলোৰে সৃষ্টিকৰ্ম থাউকতে পোৱাৰ সুযোগ নথকাৰ বাবে আমাৰ আলোচনাও সম্পূৰ্ণ বুলিব নোৱাৰি। তদুপৰি কোকৰাঝাৰৰ পৰা ডিব্ৰুগড়লৈকে বিভিন্ন আৰ্টছ ছচাইটিৰ লগতো, বহু শিল্পী জড়িত। শিল্প চৰ্চাৰ ক্ষেত্ৰত এই প্ৰতিষ্ঠান আৰু শিল্পী সকলৰ অৰিহণাও কম নহয়।

নতুন চাম শিল্পীৰ ভিতৰত ননী বৰপূজাৰী, উৎপল বৰুৱা, দিলীপ তামুলী আৰু সমীৰণ বৰুৱাই নিজ নিজ ক্ষেত্ৰত দক্ষতা আৰু প্ৰতিভাৰ পৰিচয় দিছে। বৰপূজাৰী আৰু সমীৰণ কোনো একাডেমিক প্ৰতিষ্ঠানৰ ছাত্ৰ নহয়। প্ৰণৱ বৰুৱাৰ অধীনতে এওঁলোকে চিত্ৰৰ আদি পাঠ গ্ৰহণ কৰিছিল। বৰপূজাৰীয়ে গ্ৰাফিকছৰ মাধ্যমত আজি কেইবাবছৰো জুৰি কাম কৰি আহিছে। ননীৰ কাৰিকৰী কুশলতা আৰু দক্ষতা আজি দেশ-বিদেশত স্বীকৃত। দেশ-বিদেশৰ ভালেমান প্ৰদৰ্শনীত তেওঁ যোগ দিছে। গ্ৰাফিকছৰ শৈল্পিক দক্ষতাৰ তুলনাত ননীৰ প্ৰিন্টত বিষয়বস্তুৰ বৰ্ণাঢ্যতা যেন কিছু ম্লান। সমীৰণ বৰুৱাৰ চিত্ৰৰ বিষয়বস্তু ৰচনা ৰীতি আধুনিকতাৰ সমাৰ্থক। তেওঁ এৰি অহা কলগছে আবৰা গাঁৱৰ জীৱনৰ পৰা আধুনিক



*নীলপৱন বৰুৱাৰ মুখা আলমত অঁকা চিত্ৰ*

কালৰ বিভিন্ন বিষয়বস্তুৱে সমীৰণৰ চিত্ৰৰ বিষয় ৰূপে চিহ্নিত। আধুনিক ব্যক্তিৰূপে তেওঁৰ সামাজিক ভাবনাও সংবেদনশীল ৰূপত চিত্ৰত প্ৰকাশ পাইছে। ৰঙৰ আন্দোলিত ব্যৱহাৰে তেওঁৰ চিত্ৰক দান কৰিছে এক আকৰ্ষণী গুণ। শান্তিনিকেতনৰ পৰা পাছ কৰি অহা উৎপল বৰুৱাৰ চিত্ৰ সংহত, মিতব্যয়ী, গঠন শৈলীৰ দক্ষতাৰে সমৃদ্ধ। বৰুৱাৰ ড্ৰয়িঙো সুন্দৰ। বিষয়বস্তুৰ আধুনিকত্ব তেওঁৰ চিত্ৰৰ আন এক দিশ। সামগ্ৰিক ভাবে বৰুৱাৰ চিত্ৰই এক নিটোল ৰূপৰ সন্ধান কৰিছে। দিলীপ তামুলীৰ সংঘৰ্ষমুখী ৰেখা, আবেগ বিস্ফোৰিত ড্ৰয়িঙৰ সমন্বয়ত চিত্ৰই আনিছে এক অন্য আয়তন। জীৱনৰ আদি ৰূপৰ সন্ধান তামুলীৰ চিত্ৰৰ মূল বৈশিষ্ট্য। ই হয়তো এদিন তেওঁৰ চিত্ৰত নিজস্ব ইমেজ ৰূপেই ধৰা দিব। দেশ-বিদেশত প্ৰশিক্ষিত তামুলীৰ দক্ষতা আৰু প্ৰতিভা নিঃসন্দেহে প্ৰতিশ্ৰুতিৰ ভাণ্ডাৰ। বিশিষ্ট এই চাৰি গৰাকী চিত্ৰকৰৰ উপৰিও শ্যাম কানু বৰঠাকুৰ, অজিৎ শীলকে আদি কৰি ভালেমান তৰুণ চিত্ৰকৰে কাম কৰি আছে। এওঁলোকৰ লগতে অসম আৰু বাহিৰৰ আৰ্ট কলেজত অধ্যয়নৰত বহু জনেও প্ৰতিশ্ৰুতিৰ স্বাক্ষৰ বহণ কৰিছে। অসমৰ চিত্ৰকলা ভাস্কৰ্যৰ জগতখনলৈ এওঁলোকে এক নতুন ধাৰা বোৱাই ৰক্তহীনতাত ভোগা আমাৰ শিল্প চৰ্চাৰ দেহত ৰক্তৰ সঞ্চাৰ কৰিব বুলি আশা কৰিব পাৰি। □

[দ্ৰষ্টব্য: অসমৰ সাম্প্ৰতিক শিল্পকলা বিষয়ক এই আলোচনা এক শিথিল খচৰাহে। আমি চাবলৈ নোপোৱা বা ব্যৱস্থা কৰিব নোৱৰা শিল্পী সকলক এই আলোচনাত সামৰিব পৰা নাই। তাৰ বাবে আমাৰ অসমৰ্থতা স্বীকাৰ কৰিছো। – লেখক]

সাক্ষাৎকাৰ

# শিল্প চৰ্চাৰ ক্ষেত্ৰত সামূহিক কৰ্ম প্ৰেৰণাৰ অভাৱ

*বেণু মিশ্ৰ*

*বৌদ্ধিক গুণ আৰু শিল্পত স্বভাৱৰ গৰাকী বেণু মিশ্ৰ দক্ষ আৰু প্ৰতিভাশালী চিত্ৰকৰ। সুকুমাৰ কলাৰ লগতে এপ্লাইড আৰ্টৰ ক্ষেত্ৰতো মিশ্ৰ সৃজনীশীল ক্ষমতাৰ গৰাকী। নিবন্ধকাৰৰ লগত হোৱা মিশ্ৰৰ এক দীঘলীয়া সাক্ষাৎকাৰৰ সংক্ষিপ্ত সাৰমৰ্ম পাঠকৰ বাবে আগবঢ়োৱা হ'ল।*

## পৰিবেশ

শিল্প চৰ্চাৰ পৰিবেশ বুলিলে সাধাৰণতে একোখন প্ৰতিষ্ঠান কেন্দ্ৰিক বাতাবৰণকে বুজোৱা হয়। কিন্তু দুৰ্ভাগ্যৰ কথা আমাৰ ইয়াত তেনে কোনো প্ৰতিষ্ঠান গঢ় লৈ উঠা নাই। একাডেমিক শিক্ষাই কোনো ব্যক্তিক মহৎ শিল্পী কৰে নে নকৰে সেইটো অন্য কথা কিন্তু শিল্পৰ পদ্ধতিৰ লগত যে চিনাকি কৰি দিয়ে তাক অস্বীকাৰ কৰিব নোৱাৰি। শিল্প কলাৰো এক বিজ্ঞান আছে একাডেমিক শিক্ষা অবিহনে তাক আয়ত্ত কৰা সম্ভৱ নহয়। এই পৰিবেশৰ অভাৱত আজিও আমাৰ ইয়াৰ শিল্প চৰ্চাৰ পৰিবেশ ষাঠিৰ দশক বা তাৰ শেষাৰ্ধতকৈ আগবঢ়া নাই। অসমৰ বাহিৰত প্ৰশিক্ষিত সেই সময়ৰ শিল্পীসকলে ফিৰি আহি কাম কাজ আৰম্ভ কৰিছিল যদিও তেওঁলোকৰ প্ৰাপ্ত শিক্ষা আৰু কৰ্ম পৰিবেশৰ বহু তফাৎ। বৰ্তমানে প্ৰদৰ্শনীৰ সংখ্যা বাঢ়িছে, শিল্পী দৰ্শকৰ সংখ্যাও বাঢ়িছে কিন্তু ভাল ছবি কেইখন হৈছে সেয়াহে সন্দেহৰ বিষয়! আনহাতে আমাৰ ইয়াত সামূহিক কৰ্ম প্ৰেৰণাৰ অভাৱ। কেৱল ব্যক্তিগত প্ৰচেষ্টাই শেষ কথা নহয়। শিল্প আন্দোলনৰ বিভিন্ন স্তৰত নামী বহু শিল্পীৰ অৱদানো সামূহিক প্ৰচেষ্টাৰেই অৱচেতন প্ৰকাশ বুলিব পাৰি। আমাৰ ইয়াত সেই পৰিবেশ নাই।

## কাৰণ

ইয়াৰ কাৰণ হ'ল মাধ্যমটিৰ প্ৰতি দায়বদ্ধতাৰ অভাৱ। ফ্ৰি লাঞ্চিং কৰি আমাৰ ইয়াত শিল্পীয়ে জীৱিকা নিৰ্বাহ কৰিব নোৱাৰে। ফলত চাকৰি কৰিব লগীয়া হয়। নিশ্চিত উপাৰ্জনে লাহে লাহে সৃষ্টিশীলতাক শিথিল কৰি তোলে। চাকৰিজীৱী এনে শিল্পীয়ে মাজে সময়ে দুই এখন প্ৰদৰ্শনী পাতি নিজ শিল্পী অস্তিত্বও প্ৰমাণ কৰি থাকে। আমাৰ পৰিবেশত তেওঁলোক তেনে দৰেও শিল্পী ৰূপে স্বীকৃত হয়। ফলত তেওঁলোক আত্মসন্তুষ্টিৰ বলি হবলৈ বাধ্য।

কাম আৰু ব্যক্তিগত জীৱন দৰ্শনৰ মাজতো কোনো সামঞ্জস্য নাই। ইয়াৰ মাজত দুই এখন ভাল ছবিৰ সৃষ্টি হ'লেও ই এক ধাৰা ৰূপে আত্মপ্ৰকাশ কৰা নাই। আনহাতে আৰু শিল্পীসকল ৰাজনৈতিক আৰু সামাজিক পৰিবৰ্তনৰ লগত সচেতন ভাবে পৰিচিত নহয়। আমাৰ শিল্পীসকল বৌদ্ধিক দৈন্যৰো বলি। জ্ঞান-বিজ্ঞান-সাহিত্য প্ৰযুক্তিৰ বিকাশৰ দিনত এজন চিত্ৰকৰে মাথো একমুখী চিন্তাৰে অৱদান আগবঢ়াব নোৱাৰে। আজিৰ গ্ৰুপৰ শিল্পীয়ে এই দিশত গুৰুত্ব দিয়াটো অতি প্ৰয়োজন। এই গ্ৰুপৰ শিল্পীসকলৰ মাজত 'জেনুইন' চিন্তাতকৈ অস্পষ্ট চিন্তাৰ প্ৰাধান্যহে বেছি। ছবি এখন আঁকি দিয়া সহজ কিন্তু তাত চিত্ৰগত গুণ আৰু জীৱনৰ প্ৰকাশক অস্বীকাৰ কৰিলে নহব। সমাজ আৰু জীৱনৰ সামগ্ৰিকতা ছবিত স্পষ্ট হব লাগিব।

## ভাল ছবি

মোৰ ধাৰণা মতে ভাল ছবি এনে ধৰণৰ– ইয়াত চিত্ৰৰ প্ৰাথমিক গুণ থাকিব লাগিব। লেন্ডস্কেপ লেন্ডস্কেপৰ দৰেই হব লাগিব। আনহাতে ভাৰতবৰ্ষৰ কলিকতা মদ্ৰাজ আদি ঠাইৰ চিত্ৰপ্ৰেমী দৰ্শক আৰু আমাৰ ইয়াৰ দৰ্শকৰ ব্যৱধানৰ কথা শিল্পীয়ে মনত ৰাখিব লাগিব। তাত ছবি প্ৰদৰ্শনৰ এশ বছৰীয়া ঐতিহ্যৰ লগত আমাৰ দৰ্শকৰ ৰুচিৰ তফাৎ নিশ্চয় থাকিব। আমি লাহে লাহে দৰ্শকক সেই পৰ্যায়লৈ নিব লাগিব। আজি যদি চুৰিয়েলিষ্ট ছবি অঁকা হয় তেনেহ'লে আমাৰ দৰ্শকে ফ্ৰয়েডৰ বিষয়ে জানে নে নাজানে তাক শিল্পীয়ে মনৰ ৰাখিব লাগিব। আনহাতে ফ্ৰয়েডৰ বিষয়ে কিতাপত পঢ়া আৰু তেওঁৰ চিন্তাৰ ভিত্তিত ছবি অঁকা দুয়োটা ভিন্ন কথা। নিজ সমাজ আৰু জীৱনক বাদ দি কোনো শিল্প কৰ্মৰ আবেদন নাথাকে। ঐতিহ্য সূত্ৰে পোৱা আমাৰ সংস্কৃতি আৰু জীৱনক আমি চিত্ৰত প্ৰতিনিধিত্ব কৰিব লাগিব। তাক প্ৰতিনিধিত্ব কৰাৰ প্ৰাথমিক চৰ্ত হ'ল– চিত্ৰৰ বা শিল্পৰ পদ্ধতিগত কথা।



ফটোঃ অনুতোষ দেৱ

*বেণু মিশ্ৰৰ চিত্ৰ 'ডা চেয়াৰ'*

পৃথিৱীৰ কোনো ঠাইতে শিল্প-সাহিত্য, চিনেমা নাটক, নৃত্যৰ এক সমান্তৰাল উত্থান মন কৰিব লগীয়া। ইটো সিটোৰ পৰিপূৰক ৰূপেই আগবঢ়াৰ উদাহৰণো যথেষ্ট। আমাৰ ইয়াত কিন্তু সেই পৰিবেশ নাই। প্ৰতিটো মাধ্যমেই ইয়াত অকলশৰীয়া। কিন্তু মনত ৰাখিব যে এই প্ৰতিটো মাধ্যমেই সমাজ জীৱনৰ পৰা উদ্ভূত। এই দিশত আমাৰ নেতৃত্বৰ অভাৱ।

আনহাতে বৰ্তমান একাডেমিক বাতাবৰণৰ প্ৰতি এক অনীহা ভাৰতবৰ্ষত এক সমস্যা। অসমত ইয়াৰ প্ৰাবল্য আৰু বেছি। শিল্পীৰ জীৱন দৰ্শন আৰু চিন্তাধাৰা ভিন্ন হব পাৰে কিন্তু শিল্প পদ্ধতি বা শিল্প ভাষাৰ সাৰ্বজনীনতাক বাদ দিব নোৱাৰি। এই গুণ আয়ত্ত কৰিলেহে শিল্পই তাৰ নিজস্ব মৰ্যাদা পাব। কিন্তু এনে অৰ্হতা নোহোৱাৰ ফলত বহু শিল্পীৰ সৃষ্টিয়েই আজি খেলিমেলিৰ জন্ম দিছে।

বৃত্তিগত গুণাগুণ বাদ দি কোনো বৃত্তি লোৱাটো আজিকালি অপ্ৰাসংগিক। "ছবি" হিচাপে কোনো বৃত্তিকেই উৎসাহ যোগাব নোৱাৰি। অৱশ্যে ইয়াতো দুই এক ব্যতিক্ৰম আছে সি নিয়ম নহয়।

## উদ্দেশ্য হেৰাল

আৰ্টিষ্ট গীল্ড গঠন কৰাৰ সময়ত আমাৰ উদ্দেশ্য আছিল মদ্ৰাজৰ ছোল মণ্ডলমৰ দৰে এক প্ৰতিষ্ঠান গঢ়ি তোলা। ধনৰ বাবে আমি মাথো সাময়িকভাবে এঘাৰ জন ছাত্ৰ লৈ ক্লাছ আৰম্ভ কৰিছিলো। আমাৰ উদ্দেশ্য এইটো নাছিল যে আমি কেৱল ছবিৰ স্কুল চলাম। ক্লাছৰ উপৰিও আন কাম-কাজ কৰি ধন সংগ্ৰহৰ ব্যৱস্থা কৰি প্ৰতিষ্ঠানখন গঢ়ি তোলাহে আমাৰ উদ্দেশ্য আছিল। শেষত দেখা গ'ল আমাৰ মূল উদ্দেশ্য তল পৰিল। এতিয়া আমি প্ৰায় ৫00 ল'ৰা-ছোৱালীক শিক্ষাদান কৰো। ৫00 ছাত্ৰ-ছাত্ৰীক কোনে শিকাইছে? আগতে প্ৰশিক্ষণ প্ৰাপ্ত যথেষ্ট শিক্ষক আছিল। প্ৰথমতে তেওঁলোকে শিকাইছিল। পিছত তেওঁলোকৰ ঠাইত আমাৰ তাতেই শিক্ষা গ্ৰহণ কৰা জুনিয়ৰ কিছু শিল্পীয়ে পাঠদান কৰে। মইতো গীল্ড বাদেই দিলো। গীল্ড আছিল এখন গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠান। আন আৰ্ট ছচাইটীবোৰৰ অৱস্থাও একেই। গীল্ডো আজি এই পৰ্যায় পালে। শিল্পী আমি যি হাৰত তৈয়াৰ কৰিবলৈ আৰম্ভ কৰিছো– তাৰ পৰা উদ্ধাৰৰ পথ নাই। বৃত্তিগত দিশটো এইদৰেই আমি দুৰ্বল কৰাত সহায় কৰিছো।

মই গীল্ড এৰাৰ কাৰণ হ'ল– সভাপতি হিচাপে মই প্ৰস্তাৱ দিছিলো (সংশোধনীৰ বাবে) যে বৃত্তিধাৰী (ডিগ্ৰী বা ডিপ্লমা থকা) শিল্পীকহে গীল্ডৰ সদস্য কৰা হব। সেই প্ৰস্তাৱত বহুতে আপত্তি কৰাত মই গীল্ডৰ সভাপতি পদৰ পৰা পদত্যাগ কৰিছিলো। কাৰণ মই বৃত্তিগত উৎকৰ্ষতাৰ পোষকতা কৰো। গীল্ডৰ আৰম্ভণি খুউব ভাল আছিল। বৰপেটা, মিৰ্জা আদিতো আৰ্ট স্কুল আমি পাতিছিলো। আৰু সেই স্কুলবোৰ আজিও চলি আছে। আমি যথেষ্ট পৰিমাণৰ ল'ৰা-ছোৱালী উলিয়াই দিছো কিন্তু উপযুক্ত শিক্ষা দিব পৰা নাই। কঠোৰ বৃত্তিগত শৃংখলা অবিহনে আমি পৰিবেশ সৃষ্টি কৰিব নোৱাৰিম। এয়াই মোৰ অভিজ্ঞতা।

## সৰ্বভাৰতীয় প্ৰেক্ষাপট

সৰ্বভাৰতীয় প্ৰেক্ষাপটৰ কথা অহাৰ লগে লগে ললিত কলা একাডেমীৰ কথাই প্ৰধান। ললিত কলা এতিয়া বিভিন্ন লবী যুঁজ বাগৰৰ থলী। আমাৰ শিল্পীসকলে এই পৰ্যায়ত নিজক প্ৰতিনিধিত্ব কৰাব নিশ্চয় পাৰে। লবীৰ উপৰিও ইয়াত আন এটা কথা আছে সেয়া হ'ল চৰকাৰী অনুগ্ৰহ। সকলো শিল্পীয়ে তাক নিবিচাৰে। বোম্বাই বা মদ্ৰাজৰ শিল্পীসকল আজি ইমান আত্ম নিৰ্ভৰশীল যে তেওঁলোকে ললিত কলাক লৈ মূৰ নঘমায়। এইবোৰৰ ক্ষেত্ৰত চা-চিনাকি আদি ডাঙৰ কথা। কেৱল প্ৰতিভাৰ বলতে স্বীকৃত হোৱাতো আজি তেনেই সাধাৰণ কথা হৈ থকা নাই। □

# সৃষ্টিৰ বাবে পৰিবেশ অন্তৰায় নহয়

*শোভা ব্ৰহ্ম*

*শোভা ব্ৰহ্ম অসমৰ সাম্প্ৰতিক চিত্ৰকৰ আৰু ভাস্কৰ সকলৰ অন্যতম। পৰম নিষ্ঠা, নিৰন্তৰ পৰিশ্ৰম আৰু শিল্প উৎসৰ্গীকৃত প্ৰাণ ব্ৰহ্ম অসমৰ শিল্প জগতৰ এক উজ্জ্বল ব্যতিক্ৰম। প্ৰবীণ এই গৰাকী শিল্পী একমাত্ৰ আৰ্ট কলেজখনৰ দীৰ্ঘদিন জুৰি অধ্যক্ষ আছিল। এই নিবন্ধ লেখকৰ লগত হোৱা এক আলোচনাত ব্ৰহ্মাই অসমৰ সাম্প্ৰতিক শিল্প চৰ্চাৰ বিষয়ে নিজ মন্তব্য আগবঢ়াইছিল। ব্ৰহ্মাৰ মন্তব্যৰ সাৰমৰ্ম পাঠকৰ বাবে আগবঢ়োৱা হ'ল।*

## শিল্প সৃষ্টিৰ পৰিবেশ

শিল্প সৃষ্টিৰ বিষয়ে ভাবিলে ভাৰতবৰ্ষৰ দৰে এখন দেশত পৰিবেশৰ কথা বাদ দি ভবাই ভাল কিয়নো ভাৰতবৰ্ষৰ মূল কেন্দ্ৰ কেইখনমান চহৰৰ (কলিকতা, দিল্লী, বোম্বাই, মদ্ৰাজ) বাহিৰে আন ঠাইবোৰত যে শিল্প কলাৰ বিশেষ কিবা পৰিবেশ আছে তাক কল্পনা কৰিব নোৱাৰি। অসমৰ পৰিবেশ ইয়াতকৈ বেলেগ হব বুলি ভবা ভুল। পৰিবেশ নাথাকিলে যে শিল্প সৃষ্টি নহয় সেয়া একেবাৰে অবাস্তৱ কথা। সৃষ্টি মূলক কামৰ বাবে মন বান্ধিলে পৰিবেশ ডাঙৰ কথা নহয়। পৰিবেশ সম্পৰ্কে এয়া মোৰ নিজস্ব ধাৰণা।

## আনুষ্ঠানিক শৈক্ষিক ব্যৱস্থা

আনুষ্ঠানিক শৈক্ষিক ব্যৱস্থা অতি প্ৰয়োজনীয়। ই বহু ক্ষেত্ৰত শিল্পীৰ অতি দৰ্কাৰী। এয়া হ'ল শিল্পীৰ শিক্ষাৰ ভিত্তি আৰু ভিত্তি অবিহনে আমি আগবাঢ়িব নোৱাৰো। গতিকে আনুষ্ঠানিক শিক্ষাৰ বিষয়টো আমি নুই কৰিব নোৱাৰো।

অসমৰ শিল্পৰ আনুষ্ঠানিক শৈক্ষিক ব্যৱস্থা অতি দুখলগা আৰু হতাশাজনক। এই ক্ষেত্ৰত আমি পিছ পৰা বুলি ক'বই লাগিব। বহুদিন মই আমাৰ আৰ্ট কলেজৰ ফালে যোৱা নাছিলো। সিদিনা গৈ এনেহে লাগিল যে এইখন শ্মশান নেকি? যিখন শ্মশানৰ মই এদিন ৰখীয়া আছিলো।

এইদৰে আমি আগবাঢ়িব নোৱাৰো। এনে প্ৰতিষ্ঠানে শিক্ষাদানৰ লগে লগে প্ৰেৰণাও দিব পাৰিব লাগিব। নেতৃত্ব দিব পাৰিব লাগিব। আমাৰ আৰ্ট কলেজ এখন আছে অথচ তাৰ অৱস্থা অতি হতাশাজনক। মই নিজেই ভুক্তভোগী। আৰ্ট কলেজৰ লগত মই দীৰ্ঘদিন জড়িত আছিলো আৰু এই কলেজৰ লগত জড়িত মোৰ কেৰিয়াৰৰ কথা ভাবিলে নিজৰে বৰ দুখ লাগে। আৰ্ট কলেজক যদি আমি প্ৰেৰণাদায়ী প্ৰতিষ্ঠান হিচাপে গঢ়িব নোৱাৰো তেনেহ'লে একাডেমিক ক্ষেত্ৰত আমি কিবা কৰিছো বুলি গৌৰৱ কৰাৰ থল নাই।

## পৰিবেশ গঢ়ি নুঠাৰ কাৰণ

একাডেমিক পৰিবেশ গঢ়ি নুঠাৰ, কলেজখন উন্নত নোহোৱাৰ কাৰণ বহুতো। ৰাইজৰো দোষ আছে। চৰকাৰ সম্পূৰ্ণ উদাসীন। শিল্পীসকলো যথেষ্ট পৰিমাণে দোষী। ময়ো এক প্ৰকাৰ দোষী, কিন্তু নিজকে দোষী বুলি কোৱাৰ লগতে আন বহু কথাই ক'ব লাগিব। এতিয়া আৰু তাক ব্যাখ্যা নকৰো। শিল্পীসকল কি কাৰণে দোষী তাক প্ৰয়োজন সাপেক্ষে ব্যাখ্যা কৰাৰ বাবে মই প্ৰস্তুত আছো। আমাৰ শিল্পী সকলৰ স্পিৰিট থাকিলে এনে অৱস্থা হয়তো নহ'লহেঁতেন।


## শিল্প-কৰ্মৰ গুণাগুণ

আমাৰ ইয়াত যে ভাল কাম দুই এটা হোৱা নাই তেনে নহয় কিন্তু আমাৰ কাম পৰ্যাপ্ত নহয়। আমাৰ ইয়াত সৃষ্টি কৰ্ম তেনেই সীমিত- আঙুলি মূৰত লেখিব পৰা। নিজক বাদ নিদিয়াকৈ কৈছো যে আমাৰ কাম অতি কম হৈছে।

সাৰ্থক সৃষ্টিয়ে মানুহক প্ৰেৰণা দিয়ে, মনত ৰসৰ সঞ্চাৰ কৰে। সেই পৰ্যায়ত উপনীত হোৱাতো তেনেই সহজ কথা নহয়। সৰ্বভাৰতীয় স্তৰত মই দেখা বহু প্ৰদৰ্শনীৰ পৰা এনে ধাৰণাৰে সৃষ্টি হৈছে। য'ত কামেই তেনেকৈ হোৱা নাই তাত চিত্ৰ, ভাস্কৰ্য বা শিল্প কৰ্মৰ মানদণ্ড আৰু গুণাগুণ নিৰ্ধাৰণ আৰু কঠিন।

## নতুনত্বৰ সন্ধান

উত্তৰ পূৰ্বাঞ্চলৰ লোক শিল্পৰ চহকী



*ননী বৰপূজাৰীৰ এখনি গ্ৰাফিক চিত্ৰ*

পৰম্পৰাক শিল্প কৰ্মৰ অন্তৰ্গত কৰি এক নতুন ধাৰা আৰু শৈলীৰ সন্ধান আৰু সপোন আন বহুতৰ দৰে মোৰো আছিল। কিন্তু শিল্প কৰ্মত ইয়াৰ প্ৰতিবিম্ব আমি দেখা নাই। কিন্তু মই সদায় দোহাৰি আহিছো যে ইয়াৰ প্ৰচেষ্টা আমাৰ থাকিব লাগে। সৰ্বভাৰতীয় ক্ষেত্ৰতো আধুনিক শিল্প কলাৰ এক স্থবিৰ অৱস্থা আহিছে। ইয়াৰ অৱসানৰ বাবে আমি নতুন ক্ষেত্ৰৰ সন্ধান কৰিব লাগে। উত্তৰ পূৰ্বাঞ্চলৰ চহকী ঐতিহ্যৰ সন্ধান, গৱেষণা আৰু তাৰ শিল্পিত প্ৰয়োগৰ বাবে আমি কাম কৰিব লাগে।

## বৰ্তমানৰ অৱস্থা

শিল্প চৰ্চাৰ পৰিৱেশ আজি সলনি হৈছে। প্ৰদৰ্শনীও যথেষ্ট হৈছে। শিল্প চৰ্চাৰ বা বতাহো বলিছে। কিন্তু এটা কথা ক'বই লাগিব। আমাৰ সাংস্কৃতিক সঞ্চালকালয়ে প্ৰদৰ্শনী পাতিলেই চাৰি হেজাৰ টকাৰ অনুদান আগবঢ়ায়। বহু ক্ষেত্ৰত দেখা যায় এই চাৰি হেজাৰ টকাৰ মোহেই বেছি। কেতিয়াবা দেখা যায় দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰয়ো এই ধন লৈ প্ৰদৰ্শনী পাতে। প্ৰদৰ্শনী পাতিব নালাগে বুলি মই নকওঁ। কিন্তু সৃষ্টিৰে আকৃষ্ট কৰাৰ দক্ষতা অৰ্জন কৰাৰ আগতে এনে প্ৰদৰ্শনী বা প্ৰচাৰ শিল্পীৰ নিজৰ বাবেই ভাল নে বেয়া তাক বিচাৰ কৰিব লাগে। ধনৰ প্ৰয়োজনত যি কোনো প্ৰদৰ্শনীৰ ব্যৱস্থা বৰ আশাব্যঞ্জক নহয়। তথাপিতো আশা কৰিছো বৰ্তমানে শিল্প কলাৰ ক্ষেত্ৰত দেখা দিয়া উৎসাহ উদ্দীপনাই হয়তো আমাক উজ্জ্বল ভৱিষ্যতৰ ফালে আগবঢ়াই নিব।

## আৰ্ট ছচাইটীৰ ভূমিকা

বিভিন্ন আৰ্ট ছচাইটীৰ ভূমিকা সন্দৰ্ভত কওঁ যে – এই ছচাইটীবোৰে নিজ ভূমিকা কিমান দূৰ পালন কৰিব পাৰিছে তাক বিচাৰ কৰাৰ আগতে এটা কথা ক'ব লাগিব যে এই সংগঠনবোৰৰ জৰিয়তে সামান্য ভাবে হ'লেও কিবা নহয় কিবা কাম হৈছে। এইবোৰত মই নিজেও অংশ গ্ৰহণ কৰো। মানদণ্ডৰ দিশৰ পৰা সাংঘাতিক কিবা এটা নহ'লেও ভৱিষ্যতে হয়তো ইয়াৰ জৰিয়তেই আমি শুভ ফল পাম। কিন্তু এটা কথা ক'ব লগিব যে, সামগ্ৰিক ভাবে বৰ্তমানৰ শিল্প কলাৰ পৰিৱেশ উৎসাহজনক। আজিৰ পৰা দহ বছৰ আগতে এই পৰিৱেশ নাছিল। ভৱিষ্যতে হয়তো এই পৰিৱেশ আৰু উন্নত হব। □

# আৰ্টছ ছচাইটী সমূহে নেতৃত্ব দিব পৰা নাই

*নীল পৱন বৰুৱা*

*বিশিষ্ট শিল্পী নীলপৱন বৰুৱা সৃষ্টিমুখী সংবেদনশীলতাৰ গৰাকী। তেওঁৰ চিত্ৰতো তাৰ প্ৰকাশ মন কৰিব লগীয়া। ভিয়েতনাম যুদ্ধৰ পৰা অসমৰ লোক কলা শিল্পৰ পথাৰলৈকে বৰুৱাৰ কেনভাছ বিস্তৃত। এই নিবন্ধকাৰৰ লগত হোৱা এক সুদীৰ্ঘ আলোচনাত শিল্পী গৰাকীয়ে অসমৰ শিল্প কলা জগতত আলোকপাত কৰে। তাৰেই সংক্ষিপ্ত সাৰমৰ্ম পাঠকলৈ আগবঢ়োৱা হ'ল।*

## শিল্প-পৰিৱেশ

সাহিত্য বা শিল্প কলা সকলোৰে নিজস্ব এক শৃংখলা আছে। শৃংখলাবদ্ধ অধ্যয়ন বা চৰ্চা অবিহনে উৎকৰ্ষ সম্ভৱ নহয়। ই ভৱিষ্যত জীৱনৰ কাম কাজতো সহায় কৰে। আমাৰ ইয়াত আৰ্ট কলেজ স্থাপন আৰু বিশ্ববিদ্যালয়ত সুকুমাৰ কলাক বিষয় হিচাপে সামৰি লোৱা সিদ্ধান্তৰ কথাকেই শিল্প পৰিৱেশৰ বুনিয়াদী ভেটি হিচাপে গ্ৰহণ কৰিব পাৰো। ইয়াৰ ফলত শিল্পৰ একাডেমিক দিশ সমৃদ্ধ হব। কিয়নো শিল্প পৰিৱেশৰ ক্ষেত্ৰত সাধাৰণতে আৰ্ট কলেজবোৰেই এক বিশেষ ভূমিকা পালন কৰে। উদাহৰণ স্বৰূপে শান্তি নিকেতনৰ নন্দলাল বসুৰ নেতৃত্বৰ কথা উনুকিয়াব পাৰি! তাৰ পাছতো বিখ্যাত শিল্পীৰ নেতৃত্বত বহু আৰ্ট কলেজে লোৱা গুৰুত্বপূৰ্ণ ভূমিকা ভাৰতবৰ্ষৰ ইতিহাসত নতুন নহয়। মোৰ বোধেৰে শৃংখলাবদ্ধ অধ্যয়ন গুৰুত্বপূৰ্ণ কথা।

আমাৰ আৰ্ট কলেজৰ ভূমিকা তেনেই প্ৰাথমিক পৰ্যায়ৰ। জীৱেশ্বৰ বৰুৱাৰ দিনত আৰ্ট স্কুলে যি ভূমিকা পালন কৰিছিল তাৰ পিছৰ পৰ্যায়ৰ আৰ্ট স্কুলে সেই ভূমিকা পালন কৰিব পৰা নাই।

শিল্প চৰ্চাৰ ক্ষেত্ৰত সামাজিক পৰিৱেশৰো আন এক ভূমিকা আছে। সৃষ্টিৰ প্ৰয়োজন আছেই। বা এই অনুভৱৰ তীব্ৰতাও আজি বাঢ়িছে। আমাৰ লোক কলাৰ এক ঐতিহ্য আছে। আমি তাক ধৰি ৰাখিব পৰা নাই বা আধুনিকতাকো সম্পূৰ্ণ অৰ্থত আদৰি লব পৰা নাই। এই ক্ষেত্ৰত আমি এক নতুন নান্দনিক পথৰ সন্ধান কৰাৰ প্ৰয়োজন। ইতিমধ্যে এই প্ৰক্ৰিয়া আৰম্ভ হৈছে। শিল্পৰ প্ৰতি আগ্ৰহ বাঢ়িছে, প্ৰদৰ্শনী অনুষ্ঠিত হৈছে, ছবি বিক্ৰী হৈছে, ছবিৰ বিষয়ে মানুহ আগ্ৰহান্বিত হৈছে। ইয়াৰ ফলত এক পৰিৱেশ গঢ়ি উঠিছে আৰু পিছৰ শিল্পীসকল অনুপ্ৰাণিত হোৱাৰ বাট মুকলি হৈছে।


## আৰ্ট ছচাইটীৰ ভূমিকা

আমি ভাবিছিলো যে মহাভাৰতীয় সংস্কৃতিৰ লগতে বিশ্বৰ প্ৰথাগত একাডেমিক ৰীতিক অসমৰ ঐতিহ্যৰ লগত সমন্বয় ঘটাই শিল্প চৰ্চাৰ নতুন ধাৰা আৰু নতুন শৈলীৰ সন্ধান কৰিম। ইয়াৰ বাবে প্ৰয়োজন আমাৰ ঐতিহ্য আৰু লোক পৰম্পৰাৰ প্ৰতি দৃষ্টি নিক্ষেপ আৰু জীৱন্ত সমলৰ সন্ধান কৰা। এই উদ্দেশ্যকে লৈ আমি "অসম ফাইন আৰ্টছ আৰু ক্ৰেফট্ ছচাইটী"ৰ পাতনি মেলিছিলো। কিন্তু সেয়া সম্ভৱ নহ'ল। বৰ্তমান এনে ছচাইটীত একাডেমিক অৰ্হতাহীন লোকৰ ভিৰ বাঢ়িছে। ইয়াৰ ফলত এনে ছচাইটীৰ জৰিয়তে একোখন আৰ্ট স্কুল হয় কিন্তু শিল্প চৰ্চাৰ মূল কথা তল পৰিছে। বছৰেকৰ মূৰত কেম্প হয়। এনে এক পৰিৱেশৰ বাবেই মই অসম ফাইন আৰ্টছ এণ্ড ক্ৰেফ্ট ছচাইটীৰ পৰা যোৱা বছৰ আঁতৰি আহিছো। একাডেমিক অৰ্হতাহীন ব্যক্তিৰ হাতত পৰি এনে আৰ্ট স্কুলবোৰে স্বাভাৱিকতে উপযুক্ত ছাত্ৰ-ছাত্ৰী উলিয়াব পৰা নাই। ফলত আমাৰ শিল্প চৰ্চাৰ প্ৰক্ৰিয়া ব্যাহত হৈছে। মই বহু দিন জুৰি এইবোৰ কথাকেই চিঞৰি আহিছো। কিন্তু ফল একো হোৱা নাই। মূল কাম বা সৃষ্টি কৰ্মৰ ক্ষেত্ৰত এই ছচাইটীবোৰ একোটা উদাহৰণ হব পৰা নাই। নিজ কামেৰে এই সংগঠনবোৰে নেতৃত্ব দিয়াৰ লগতে আন শিল্পীক অনুপ্ৰাণিত কৰিব পৰা নাই।

## সৰ্বভাৰতীয় ক্ষেত্ৰত আমাৰ শিল্পী

সৰ্বভাৰতীয় প্ৰেক্ষাপটত আমাৰ শিল্পীসকলে নিজক উপস্থাপিত কৰাৰ প্ৰধান অসুবিধা হ'ল– যোগাযোগ কম আৰু সীমিত। ননী বৰপূজাৰীহঁতে সৰ্বভাৰতীয় ক্ষেত্ৰত যথেষ্ট সুবিধা পাইছে। যিসকলে এনে অসুবিধা অতিক্ৰম কৰি ললিত কলা আদিত ছবি আদি দিছে তেওঁলোকে ফলো পাইছে। তেওঁলোকে ভাৰতীয় নহয়, আন্তৰ্জাতিক ক্ষেত্ৰতো নিজক প্ৰতিনিধিত্ব কৰাব পাৰিছে। এই ক্ষেত্ৰত ননী বৰপূজাৰী, দিলীপ তামুলীৰ কথাই আঙুলিয়াব পাৰি। তেওঁলোকৰ আৰু ভৱিষ্যত আছে। আমাৰ চামৰ ক্ষেত্ৰত এলাহেই প্ৰধান বাধা। আমাৰ সৃষ্টি কৰ্ম আমি পঠোৱা নাই বা পঠিয়াব পৰা নাই। বা সংঘবদ্ধ প্ৰচেষ্টাও যথোপযুক্ত হোৱা নাই। এনেবোৰ কাৰণতে আমাৰ বেছিভাগ শিল্পীয়েই বাহিৰলৈ তেনেদৰে যাব পৰা নাই। অতুল বৰুৱাৰ দৰে ভাস্কৰ ভাৰতত কেইজন ওলাব? উঠি অহা চামৰ ভিতৰতো ভালেকেইজন গুণী শিল্পী আছে। প্ৰচাৰ বা প্ৰদৰ্শনীৰ ক্ষেত্ৰত পিছ পৰি থকাটোৱে কিন্তু সৃষ্টিশীল শিল্প কৰ্মৰ অভাৱ নুসূচায়।

মোৰ সমসাময়িক শিল্পীৰ ভিতৰত (মোতকৈ বয়সত কেইবছৰমান ডাঙৰ হ'লেও) শোভা ব্ৰহ্মাৰ নিচিনা নিষ্ঠাবান শিল্পী অসমত খুউব কম আছে। ব্ৰহ্মদাৰ কামো ভাল।



ফটো: অনুতোষ দেৱ

*প্ৰণৱেন্দু বিকাশ ধৰৰ ভাস্কৰ্য 'একুৱেৰিয়াম'*

## চৰকাৰৰ ভূমিকা

উদ্যোগেই হওক শিল্প কলাই হওক চৰকাৰে বৰ বেছি আৰ্থিক সাহায্য, কেঁচা মালৰ যোগান আদিৰ দৰে কামবোৰহে কৰিব পাৰে। সৃষ্টি বা উৎপাদন চৰকাৰৰ দ্বাৰা সম্ভৱ নহয়। শিল্পৰ ক্ষেত্ৰত খুউব বেছি চৰকাৰে টকা দিব পাৰে, প্ৰদৰ্শনী গৃহ সাজিব পাৰে, ছবি বিক্ৰীত সুবিধা কৰিব পাৰে, কিন্তু ছবিৰ সৃষ্টি শিল্পীয়ে কৰিব লাগিব। চৰকাৰেতো শিল্প সৃষ্টি কৰিব নোৱাৰে।

বৰ্তমানে শিল্পীৰ চৰকাৰমুখী মনোভাব বাঢ়িছে। কিন্তু আমি নিজে একো নকৰি লোকলৈ আশা কৰি লাভ নাই। চৰকাৰমুখী হোৱাৰ কাৰণ হ'ল আমাৰ মাজত দায়বদ্ধ শিল্পীৰ সংখ্যা নগণ্য। শিল্প সংস্কৃতিৰ পৰিৱেশক উন্নত কৰাৰ, আগবঢ়াই নিয়াৰ দায়বদ্ধতা আন কেইজন শিল্পীৰ আছে? শোভা ব্ৰহ্মা আৰু তেওঁৰ দৰে কেইজন দায়বদ্ধ শিল্পী, নীলমণি ফুকনৰ দৰে শিল্প কলাৰ প্ৰতি দায়বদ্ধ ব্যক্তি কেইজন আছে? নান্দনিক পৰিৱেশৰ উৎকৰ্ষ সাধনৰ বাবে আগবাঢ়ি অহাৰ মানসিকতা আছে কেইজনৰ! কাকো দোষাৰোপ কৰি এই কথা মই কোৱা নাই– আমাৰ পৰিৱেশ অনুভৱ কৰিহে এই কথা কৈছো।

## শিল্প কলাৰ ভৱিষ্যত

সুস্থ এক পৰিৱেশৰ বাবে আমি দহজনক উদ্বুদ্ধ কৰিব পাৰিব লাগিব। শিল্প ৰসিক আৰু আগ্ৰহী সকলে পথ প্ৰশস্ত কৰিব লাগিব। এনে কামৰ জৰিয়তে এদিন এক সুন্দৰ পৰিৱেশ নিশ্চয় সৃষ্টি হব। য'ত শিল্পী-সাহিত্যিক-জনসাধাৰণৰ মত বিনিময় সহজ হৈ পৰিব। এনে পৰিৱেশে নিশ্চয় সকলোকে অনুপ্ৰাণিত কৰিব পাৰিব। □

OKDISCD

## এটি প্ৰাণৱন্ত শিল্পানুষ্ঠান

# গুৱাহাটী আৰ্টিষ্টছ গীল্ড

মালবিকা পাঠক




গীল্ডৰ বৰ্তমানৰ চৌহদ

গুৱাহাটী আৰ্টিষ্টছ গীল্ড অসমৰ কিছু সংখ্যক শিল্পীৰে সংগঠিত এটি শিল্পানুষ্ঠান। কলামোদী সকলৰ মাজত এই শিল্পানুষ্ঠানটি 'আৰ্টিষ্টছ গীল্ড' বা চমুকৈ 'গীল্ড' হিচাপেই পৰিচিত। ১৯৭৬ চনৰ ১১ জুলাইত আনুষ্ঠানিক ভাবে স্থাপন হোৱা এই অনুষ্ঠানটিয়ে ইতিমধ্যে পোন্ধৰটা বছৰ অতিক্ৰম কৰিছে। মানৱ সভ্যতাৰ সমানে পুৰণি বিশ্বৰ শিল্প কলা ইতিহাসত ই বিশেষ ঘটনা নহ'লেও অসমৰ সাম্প্ৰতিক শিল্প কলা আন্দোলনত এই অনুষ্ঠানটিয়ে এক গুৰুত্বপূৰ্ণ ভূমিকাত অবতীৰ্ণ হৈ আহিছে।

বিশ্বৰ শিল্পৰ ইতিহাসত সন্মিলিত শিল্পীৰ সংঘবদ্ধ ৰূপ প্ৰকৃতাৰ্থত আমি ঊনৈশ শতিকাৰ শেষ ভাগৰ পৰাহে দেখিবলৈ পাওঁ। বিভিন্ন যুগত বিভিন্ন শিল্প আন্দোলনত জড়িত শিল্পী সকলৰ পৃষ্ঠপোষকতাৰ দায়িত্ব আছিল কোনো ৰাজ পৰিয়াল অথবা সমাজৰ প্ৰতিপত্তিশীল ব্যক্তিৰ হাতত। লাহে লাহে শিল্পী সকল ৰাজ পৃষ্ঠপোষকতাৰ পৰা আঁতৰি আহিব লগা হ'ল। সামাজিক, ৰাজনৈতিক বা বিজ্ঞানৰ অগ্ৰগতিয়ে শিল্পী সকলকো অস্থিৰ কৰি তুলিলে। শিল্পী হিচাপে জীয়াই থকাৰ বা নিজৰ অস্তিত্ব বজাই ৰখাৰ ক্ষেত্ৰত চিন্তা চৰ্চা সমূহে বেলেগ ৰূপ ললে। ইউৰোপত ইম্প্ৰেচনিষ্ট আন্দোলনৰ সময়তে বোধহয় প্ৰথমবাৰৰ বাবে শিল্পীসকলে একগোট হৈ শিল্প-সৃষ্টিৰ সম্বন্ধে চিন্তা চৰ্চা কৰিবলৈ আৰম্ভ কৰিলে, য'ত নেকি শিল্পীৰ স্বতন্ত্ৰতা বজাই ৰাখি একমুখী চিন্তাৰে দলবদ্ধ ভাবে অগ্ৰসৰ হোৱাৰ প্ৰয়াস আমি দেখিবলৈ পাওঁ। ইয়াৰ পাছৰ পৰা বিভিন্ন সময়ত বিভিন্ন জন শিল্পীৰে সন্মিলিত ৰূপত বিভিন্ন শিল্প আন্দোলনৰ গঢ় লৈ উঠিছে। অসমত আধুনিক শিল্প কলাৰ পৰিবেশৰ কথা ক'বলৈ গ'লে আমি বেছি পাছলৈ ঘূৰি চাব নালাগে। এই শতিকাৰ ত্ৰিশ দশক মানৰ পৰা ইয়াৰ বীজ অংকুৰিত হয়। অসমৰ লোক কলাৰ এক বিশেষ পৰম্পৰা থাকিলেও বৃটিছ আমোলৰ শেষৰ ফালেহে মননশীল শিল্প কলাক বিদ্যায়তনিক ৰূপত আমি দেখিবলৈ পাওঁ। পাশ্চাত্য সভ্যতাৰ প্ৰভাৱত সাহিত্য চৰ্চাই সেই সময়ত অসমত এক ৰূপত অবতীৰ্ণ হ'লেও ত্ৰিশৰ দশকমানলৈকে ইয়াৰ কোনো ধৰণৰ চাপ অসমৰ শিল্প কলাৰ ওপৰত পৰা নাছিল। পাছলৈ দুই এজন শিল্পীয়ে বংগদেশৰ পৰা শিল্প বিষয়ক শিক্ষা গ্ৰহণ কৰি আহিলেও পৃষ্ঠপোষকতা অথবা সঠিক শৈল্পীক পৰিবেশ নথকাত তেওঁলোকৰ সৃষ্টি সমূহে প্ৰস্ফুতিত ৰূপ নাপালে। এইদৰে বিভিন্ন পৰ্যায়ৰ মাজেৰে বিভিন্ন সময়ত অসমৰ বিভিন্ন ঠাইৰ পৰা অসমৰ বাহিৰলৈ গৈ শিল্প বিষয়ক শিক্ষা লাভ কৰি অহা বা বিদ্যায়তনিক শিক্ষা নোহোৱাকৈয়ে বিভিন্ন জন শিল্পীয়ে বিভিন্ন ভাবে শিল্প বিষয়ক চিন্তা চৰ্চা চলাই থাকিলেও প্ৰায় সত্তৰৰ দশকৰ আগলৈকে সৰ্বসাধাৰণ জন-সাধাৰণৰ মাজত শিল্প কলা সম্পৰ্কত বিশেষ কোনো ধৰণৰ ধাৰণা জন্মাব পৰা শিল্প আন্দোলন অসমত গঢ় লৈ উঠা নাছিল। দুই এখন চিত্ৰ প্ৰদৰ্শনী অনুষ্ঠিত হ'লেও তেতিয়ালৈকে কোনো শিল্পী সংগঠন নাছিল। পাছলৈ সত্তৰৰ দশকৰ আৰম্ভণিত নীলপৱন বৰুৱাৰ প্ৰচেষ্টাত প্ৰথমবাৰৰ বাবে অসমত 'অসম ফাইন আৰ্ট এণ্ড ক্ৰাফ্‌ট ছ'চাইটি'ৰ নামকৰণেৰে গুৱাহাটী জৰ্জ ফিল্ডৰ এটি গৃহত অসমৰ ভালে সংখ্যক শিল্পীৰ সমবেত হয়। এই ছচাইটিত চিত্ৰ ভাস্কৰ শিল্পীৰ উপৰিও অন্যান্য ক্ষেত্ৰৰ ব্যক্তিও সমবেত হয়। ইয়াৰ আগতে অসমত ললিত কলা গঠিত হৈছিল যদিও ইয়াক প্ৰকৃত অৰ্থত শিল্পী সংগঠন বুলি ক'ব নোৱাৰি। ষাঠি দশকৰ শেষলৈকে অসমৰ বাহিৰত শিক্ষা গ্ৰহণ কৰি অহা শিল্পী যথেষ্ট সংখ্যক হৈছিলগৈ আৰু তেওঁলোকে শিল্প চিন্তা চৰ্চাত একাগ্ৰভাবে ব্ৰতী হবলৈ ল'লে। ইয়াৰ আগেয়ে জীৱেশ্বৰ বৰুৱাই প্ৰতিষ্ঠা কৰা অসম চাৰু

## 'জীৱন, জীৱিকা আৰু কলাৰ সমন্বয়'

নৱকান্ত বৰুৱা



'কোনো সাহিত্য আন্দোলন বা কলা আন্দোলনৰ লগত পোনপটীয়াভাবে মই জড়িত নহয়োঁ। কিন্তু সাহিত্য বা কলাক ভাল পাইছিলো বাবে এই ক্ষেত্ৰত মোৰ সহযোগ নিশ্চয় পৰোক্ষ আছিল। ছবি ভাল পাইছিলো। শান্তিনিকেতনত থকা কালছোৱাত ছবিৰ বিষয়ে বহু কথা জানিবলৈ শিকিলো'। ইয়াত আহি আমি তেতিয়া লক্ষ্য কৰিছিলো যে দুজন এজনৰ বাহিৰে ঠিক ছবিৰ বিষয়ে শিক্ষা লাভ কৰি অহা মানুহ বৰ কম আছিল। কেইজনমান আছিল আৰু তেওঁলোক অ'ত ত'ত সিচৰিত হৈ আছিল। ইয়াৰ বাহিৰেও মানুহৰ ধাৰণা আছিল যে ছবিৰ ক্ষেত্ৰত ভাৰতৰ ভিতৰত অসমেই আটাইতকৈ পিছ পৰা আছিল। কেতিয়াবা দুই এটা সংঘ স্থাপন কৰা হৈছিল আৰু বহুতেই লগতে সাঙুৰি থয় যে ইয়াৰ লগতে চিত্ৰকলা আদিৰ বিষয়েও চিন্তা কৰা হ'ব। তাৰ পিছতেই জীৱেশ্বৰ বৰুৱাই আৰ্ট স্কুল এখন পাতিবলৈ যত্ন কৰিছিল। তেওঁ কিমানখিনি শিকি আহিছিল নাজানো, কিন্তু তেতিয়া আমি মন কৰিছলো যে কলা বিষয়ত শিক্ষা লৈ শিল্পী সকলে ফটোগ্ৰাফীও কৰে। ফটোগ্ৰাফীৰ লগে লগে কেৱল বাস্তৱধৰ্মী চিত্ৰণৰ ওপৰতে গুৰুত্ব দিছিল। মুক্তা বৰদলৈ আদিয়ে বাস্তৱবাদী ছবিৰ ওপৰত গুৰুত্ব দিছিল। আৰু এইখিনিতে শোভা ব্ৰহ্মাই ইতিমধ্যে আৰ্ট স্কুলখন কলেজ কৰাৰ প্ৰচেষ্টা এটা চলাইছিল। সেইটো হৈছে বিদ্যায়তনিক দিশত। কিন্তু যিসকলে ছবি আঁকিবলৈ ইচ্ছা কৰে বা যি সকলে ছবি কিছু আঁকিবলৈ শিকিলে তেওঁলোকৰ এতিয়াৰ চিত্ৰকলা বা ভাস্কৰ্যৰ লগত অলপ পৰিচয় হ'ল। এইখিনিতে ললিত কলা একাডেমীৰ ইয়াৰ ওপৰত কিছু অৰিহণা মন কৰিবলগীয়া। বিশেষকৈ প্ৰদৰ্শনীৰ ক্ষেত্ৰত। আমাৰ মনত পৰে অসম একাডেমীয়ে এখন বৰ ডাঙৰ প্ৰদৰ্শনী পাতিছিল। অসম একাডেমীৰ নানা কামৰ ভিতৰত সেইটোও এটা আছিল। বেণু মিশ্ৰই গুৱাহাটীত গীল্ড এটা পতাৰ কথা আলোচনা কৰিছিল। বেণু মিশ্ৰৰ এই প্ৰচেষ্টাত মই এটা কথাই বুজি পাইছিলো যে জীৱন আৰু জীৱিকাৰ লগত শিল্পৰ সংযোগ নহলে শিল্পকলা সম্পূৰ্ণভাবে আচুতীয়াভাবে জীয়াই থাকিব নোৱাৰে। গীল্ডৰ তাৎপৰ্য হ'ল তাতেই। মধ্যযুগত কাৰুশিল্পী সকলে লগ লাগি কাম কৰিছিল। এইখিনিতে দুটা কথা আছে - এটা হৈছে তেওঁলোকৰ আত্মৰক্ষা। তেওঁলোকক যাতে কোনেও শোষণ কৰিব নোৱাৰে। দ্বিতীয় কথা হ'ল যাতে নিজৰ মাজেৰে আলোচনা কৰি হলেও মানদন্ড ঠিক থাকে। আমাৰ ইয়াত যে ছবি আঁকিবলৈ শিকি অহা সকলেই কলাৰ উৎকৰ্য সাধন কৰাৰ চেষ্টা চলালে আৰু জীৱিকাৰ লগত সম্পৰ্ক থকা জীৱন জীৱিকা আৰু কলা এই তিনিটা বস্তুৰ তেওঁলোকে সমন্বয় সাধিব খুজিলে। এওঁলোকৰ বহুতেই আনুষ্ঠানিক শিক্ষা লাভ নকৰাকৈয়ে নাম কৰিছে। ননী বৰপূজাৰী, আমিনুল হক আদিৰ নাম এইখিনিতে উল্লেখ কৰিব পাৰি। আৰ্টিষ্ট গীল্ডে এই শিল্পী সকলক সংগঠিত কৰিলে। আমি বহুতে ইচ্ছা কৰিলো যে শিল্পী সকলক একগোট কৰি উলিয়াই দিয়া যাওঁক। আজিকালি প্ৰতিযোগিতাৰ কথা হৈছে। প্ৰাথমিক জ্ঞানৰো কিছু প্ৰয়োজন হৈছে। সেই অভাৱখিনি আৰ্টিষ্ট গীল্ডে পূৰণ কৰিছে। গতিকে তেওঁলোকে জীৱিকাৰো কাম কৰিছে, শিক্ষাৰো কাম কৰিছে আৰু সাংগঠনিক কামো কৰিছে। গীল্ডৰ সদস্য এটা সকলৰ মাজত সততে লক্ষ্য কৰিবলগীয়া এটা দিশ হ'ল তেওঁলোকৰ মাজত থকা ভাতৃত্ববোধ। আৰু তেওঁলোকৰ এটা কথা মই ভাল পাইছিলো যে কামৰ তালিকা, কলাৰ বিষয়ে মানুহে কি ভাবে, শিল্পীৰ বিষয়ে মানুহে কি ভাবে এইবোৰ লৈ গুৱাহাটী আৰ্টিষ্ট গীল্ডে চিহ্ন নামেৰে মুখপত্ৰ এখন উলিয়ালে। যদি অসমৰ আধুনিক কলা কৃষ্টিৰ বিষয়ে আলোচনা কৰিব খোজে তেনেহলে চিহ্নখনক বাদ দি আলোচনা কৰিব নোৱাৰে বুলি মোৰ ধাৰণা। প্ৰয়াত শিল্পী আশুদেৱ আৰু ৰাজেন হাজৰিকাৰ শিল্পকৰ্মক দুটাকৈ এলবাম মুদ্ৰণ কৰি ৰখা তেওঁলোকৰ প্ৰচেষ্টা প্ৰশংসনীয়।

শেষত সংস্কৃত শ্লোক এফাঁকিৰে সামৰণি মাৰি কওঁ – 'ক্ৰিয়া সিদ্ধি স্বত্বে ভৱতি মহতাং নোপকৰণে' অৰ্থাৎ ক্ৰিয়া সিদ্ধি ক্ষমতাৰ দ্বাৰা হ'ব, শক্তিৰ দ্বাৰা হ'ব, স্বত্বৰ দ্বাৰা হ'ব। উপকৰণৰ দ্বাৰা ক্ৰিয়া সিদ্ধি নহ'ব। কিন্তু সেই বুলি উপকৰণ নোহোৱাকৈও নহ'ব।

* বাণীবদ্ধ ৰূপৰ পৰা সংক্ষিপ্তকৈ যুগুতোৱা হৈছে



*গীল্ডৰ এখনি চিত্ৰ প্ৰদৰ্শনীত দৰ্শকৰ সতে শোভা ব্ৰহ্ম আৰু নৰকান্ত বৰুৱা*

কাৰু কলা নিকেতনে ইতিমধ্যে ডিপ্লমাধাৰী ভালেসংখ্যক শিল্পী সৃষ্টি কৰিছিল। ইয়াৰ বাদেও শিল্প বিষয়ত আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰা শিল্পী সকলৰ বাহিৰেও এই শিল্পী সকলৰ সান্নিধ্যতেই হওক বা নিজৰ আশাশুধীয়া প্ৰচেষ্টা বা ব্যক্তিগত আগ্ৰহত ভালেকেইজন যুৱকে শিল্প বিষয়ত কোনো আনুষ্ঠানিক শিক্ষা নোলোৱাকৈ সৃষ্টি কৰ্মত একান্ত ভাবে ব্ৰতী হোৱাৰ এটা মন বান্ধি পেলালে। শিল্পী জীৱনলৈ প্ৰথম খোজ পেলোৱা ভালেকেইজন যুৱকে সংস্থাপনৰ বাবে ইতিমধ্যে গুৱাহাটী খনকে কৰ্মভূমি হিচাপে বাছি লৈ শিল্পী হিচাপে বৰ্তি থকাৰ প্ৰয়াস কৰা দেখা যায়। এই দৃঢ় মনোভাবে বিভিন্নজনৰ মনত ক্ৰিয়া কৰিলেও শিল্পী হৈ জীয়াই থকাৰ এক আলমৰ প্ৰয়োজন আহি পৰিল। মননশীল শিল্পকৰ্ম সৃষ্টিৰ মাজেৰে জীয়াই থকাৰ প্ৰয়াস কৰাতো এক দুৰূহ কথা। চিত্ৰ ভাস্কৰ্য সম্পৰ্কত সৰ্বসাধাৰণৰ ধাৰণা শূন্যপ্ৰায় অৱস্থা। আধুনিক শিল্প কলা সম্পৰ্কতো বিশেষ চিন্তা চৰ্চা হোৱা নাই। এক অস্থিৰ অৱস্থা।

## আৰ্টিষ্টছ গীল্ডৰ অংকুৰণ

শৈল্পীক পৰিবেশৰ সঠিক বাতাবৰণৰ সমস্যাই কিছুসংখ্যক নবীন প্ৰবীণ শিল্পীৰ চিন্তাত কিছু ধৰণৰ অস্থিৰতাই সুস্থিৰ বাতাবৰণৰ চিন্তাৰ পথত অগ্ৰসৰ হ'ল। সেইসকল শিল্পীৰ মাজত দুই এজনে মননশীল শিল্পকৰ্ম সৃষ্টিৰ সমান্তৰাল ভাবে ব্যৱহাৰিক কলাৰ ক্ষেত্ৰত মনোনিৱেশ কৰিলে। কিতাপৰ বেটুপাত বা অন্যান্য ব্যৱসায়িক ডিজাইন কৰি কেইজনমান যুৱকে এটা বিশেষ জীৱনত বাট বুলিছে। সেই যুৱক সকলে কেইজনমানে কৰ্মহীন অৱস্থাত বা সন্ধিয়া অবসৰৰ পৰত শিল পুখুৰীৰ কোনো এখন চাহৰ দোকানত আড্ডাৰ থলী কৰি ল'লে। তাতে আলোচনা হয় তেওঁলোকৰ মনৰ কথা। চিন্তাৰ বিষয়– "কিবা এটা কৰিব নোৱাৰিনে?" কিন্তু কি দৰে? ইচ্ছা একে লগ হৈ সংঘবদ্ধ ৰূপত কাম কৰাৰ। কিন্তু কামটো আৰম্ভ কৰা যায় কিদৰে? ইয়াৰ বাবে নেতৃত্বৰ দৰকাৰ। এই চিন্তাৰ আঁৰত সামাজিক ভাবে দায়বদ্ধ হৈও সৃষ্টি কৰ্মৰ মাজেৰে জীয়াই থকাৰ প্ৰধান বিষয়টো জড়িত হৈ আছিল। এই চিন্তাৰ পাতনিয়ে সেই যুৱক সকলে এজন মানুহ বাছি ল'লে। মানুহ জন হ'ল বেণু মিশ্ৰ। সেয়া ১৯৭৫ চনৰ কথা। সেই সময়ত বেণু মিশ্ৰই তেখেতৰ মননশীল শিল্পকৰ্মৰ ওপৰিও ব্যৱহাৰিক কলাৰ ক্ষেত্ৰত এক নতুনত্বৰ সূচনা কৰিছে। অন্যহাতে বুদ্ধি দিওঁতা আৰু তেখেতৰ ভালেসংখ্যক বুদ্ধিজীৱী, সাহিত্যিকৰ সতে থকা ব্যক্তিগত সম্পৰ্কই এই যুৱক সকলক স্বাভাৱিকতে আকৰ্ষণ কৰিছিল। যুৱকসকল বেণু মিশ্ৰৰ কাষ চাপিল। সেইসকলৰ ভিতৰত আগভাগ লোৱা অন্যতম শিল্পীজন আছিল প্ৰয়াত ৰাজেন হাজৰিকা। যুৱক কেইজনৰ সেই চিন্তাক সঁহাৰি জনাই বেণু মিশ্ৰই এটি নতুন সংগঠনৰ গঢ় দি তোলাৰ পৰিকল্পনা কৰি পেলালে। তাতেই গুৱাহাটী আৰ্টিষ্টছ গীল্ডৰ বীজটোৰ প্ৰথম অংকুৰণ হয়।

*গুৱাহাটী আৰ্টিষ্টছ গীল্ডৰপ্ৰতীক চিহ্ন*

সংগঠনটোৰ অংকুৰিত বীজটো স্থাপন কৰাৰ প্ৰক্ৰিয়াৰে তেখেত সকলে বাছি ল'লে শিল পুখুৰীত থকা ড০ বীৰেন্দ্ৰ নাথ দত্তৰ বাসগৃহটো। সেই সময়ত শ্ৰীদত্ত অধ্যক্ষ হৈ গৌৰীপুৰ কলেজলৈ যাব লগা হোৱাত খালি হৈ পৰা তেখেতৰ বাসগৃহটো সদ্ উদ্দেশ্যেৰে আগবঢ়া এটি আনুষ্ঠানক ভাড়াত দিয়াত তেখেতে অকণো কুণ্ঠাবোধ নকৰিলে। শ্ৰীদত্তৰ সতে শ্ৰীমিশ্ৰৰ ব্যক্তিগত সম্পৰ্কই ইয়াত সহায়ক হ'ল। ১৯৭৬ চনৰ ১১ জুলাইৰ দিন। গুৱাহাটীস্থ ভালেসংখ্যক শিল্পী সাহিত্যিকৰ উপস্থিতিত গুৱাহাটী আৰ্টিষ্টছ গীল্ডে আনুষ্ঠানিক ভাবে জন্ম গ্ৰহণ কৰিলে। ৰাজ্যখনত শিল্প চৰ্চাৰ সুস্থ বাতাবৰণ সৃষ্টি কৰাৰ উপৰিও ৰাজ্যখনৰ ঐতিহ্যপূৰ্ণ শিল্পসংস্কৃতিত নতুন যুগ আৰু পৰিবেশ উপযোগীকৈ সমৃদ্ধিশালী কৰি তোলাই হ'ল এই গীল্ডৰ মুখ্য উদ্দেশ্য। সেই সভাতে শিশুসকলৰ চিত্ৰাংকন আদি বিষয়ৰ প্ৰশিক্ষণ দানৰ বাবে এটি বিশেষ ধৰণৰ প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ আগলৈকে অসমত এই বিষয়ত আনুষ্ঠানিক ভাবে চিন্তা কৰা হোৱা নাছিল। উক্ত সভাত সভাপতিত্ব কৰিছিল প্ৰবীণ শিল্পী প্ৰয়াত আশুদেৱে। বেণু মিশ্ৰক সম্পাদক আৰু আশু দেৱক কাৰ্যকৰী সভাপতি হিচাপে লৈ এখনি কমিটি গঠন কৰা হয়।

যিসকল ব্যক্তি গীল্ডৰ সতে জড়িত হৈ পৰিল সেই সকলৰ ভিতৰত যুগল দাস, নৰকান্ত বৰুৱা, বীৰেন্দ্ৰ নাথ দত্ত, হীৰেণ ভট্টাচাৰ্য, বেণু মিশ্ৰ, আশুদেৱ, নীলপৱন বৰুৱা, অনন্ত লহকৰ, দিবাকৰ চৌধুৰী, শশী বৰদলৈ, তপন বৰদলৈ, মাখন দেৱান, তীৰ্থ ফুকন, শৰৎ বৰুৱা, অৱনী বৰপাত্ৰগোহাঞি, অজিত ভূঞা, জ্যোতিষ বৰুৱা, কুল বৰুৱা, অমল দত্ত পাটগিৰি আদি আছিল। ইয়াৰ উপৰি অন্যান্য যিসকল




নবীন শিল্পী ইয়াৰ সতে ওত-প্ৰোতভাবে জড়িত হ'ল সেই সকলৰ ভিতৰত আছিল ৰাজেন হাজৰিকা, ননী বৰপূজাৰী, ধ্ৰুৱ ডেকা, ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য, নৱ চৌধুৰী, বীৰেণ সিংহ, যোগেন শীল, জ্ঞানেন্দ্ৰ বৰকাকতী, আমিনুল হক আদি।

১৯৭৬ চনৰ ১৭ জুলাই তাৰিখে গীল্ডৰ এখনি সংবিধান আনুষ্ঠানিক ভাবে গৃহীত হয় আৰু ছ'চাইটি ৰেজিষ্ট্ৰেচন এক্ট'ৰ অধীনত পঞ্জীয়নভুক্ত কৰা হয়।

একৈশ বছৰ অতিক্ৰম কৰা শিল্পীক ইয়াৰ সদস্য পদৰ বাবে সংবিধানে অনুমোদন জনায়। সেই দিন ধৰি গীল্ডে সাংস্কৃতিক জীৱনত বিভিন্ন পদক্ষেপেৰে বিভিন্ন দিশত অৰিহণা যোগাই আহিছে।

## গীল্ডৰ বিভিন্ন দিশ

গীল্ড গঠনে গীল্ডৰ সদস্য সকলৰ মনত নতুন প্ৰাণৰ সঞ্চাৰ কৰিলে। প্ৰবীণ শিল্পী বেণু মিশ্ৰৰ উপৰিও আশুদেৱৰ সক্ৰিয় সহযোগে নতুন চাম শিল্পীক বিশেষ ভাবে অনুপ্ৰাণিত কৰিলে। ব্যৱহাৰিক কলাকে ধৰি সৃষ্টিকামী শিল্পকৰ্মত সভ্যসকল নতুন উদ্যমত ব্ৰতী হ'ল। কৰ্মৰ থলী শিল পুখুৰীৰ গীল্ডৰ গৃহ। শিল্পৰ বিভিন্ন মাধ্যমত সৃষ্টি কৰ্মই প্ৰাণৱন্ত ৰূপ ল'লে। আশুদেৱৰ নেতৃত্বত নবীণ শিল্পীৰ এটা চামে প্ৰকৃতি আৰু পৰিবেশৰ মাজত সম্পৰ্ক স্থাপনৰ উদ্দেশ্যে গীল্ডৰ চাৰি বেৰৰ পৰিসীমা ভাঙি চৌদিশক আঁকোৱালি ল'লে। কেতিয়াবা ৰেলত উঠি কেতিয়াবা বাছত বা খোজকাঢ়ি এফালে ছয়গাঁও আনফালে পানীখেতি, ৰেল ষ্টেচন আদি বিভিন্ন স্থানত ৰং-ৰেখাত নৈসৰ্গিক দৃশ্য মানুহ বা মানুহৰ জীৱনৰ বিভিন্ন ৰূপ ধৰি ৰখাৰ এক প্ৰক্ৰিয়া আৰম্ভ হ'ল। এনে অনুশীলনে নতুন চাম শিল্পীক ক্ৰমান্বয়ে শিল্প সৃষ্টিৰ মূল তত্ত্বৰ ওচৰ চপাই নিয়াত ইন্ধন যোগালে। অন্যহাতে পাৰস্পৰিক সম্পৰ্কেৰে গীল্ড হৈ পৰিল এটি পৰিয়াল স্বৰূপ। শিল্পী সকলৰ মাজত গঢ়ি উঠিল এক ভাতৃত্ববোধ। বিভিন্ন পৰীক্ষা নিৰীক্ষাৰ মাজেৰে সৃষ্ট শিল্পকৰ্মক তেওঁলোকে প্ৰদৰ্শনী পাতি ৰাইজৰ মাজলৈ আগুৱাই দিলে। মাজে সময়ে শিল্প বিষয়ক বিভিন্ন আলোচনাচক্ৰ আয়োজন কৰিলে। সুকুমাৰ কলাৰ বিভিন্ন বিষয়ৰ চিন্তাৰ এই আলোচনাচক্ৰ সমূহে শিল্পী, কলাপ্ৰেমী সকলৰ মাজত চিন্তাৰ আলোড়ন আনিলে। আলোচনাচক্ৰ সমূহৰ আয়োজন গীল্ডৰ এক উল্লেখনীয় দিশ। বীৰেন্দ্ৰ নাথ দত্তৰ লোক কলাৰ সতে থকা গৱেষণাত্মক সম্পৰ্কৰ চিন্তা ধাৰাই গীল্ডকো প্ৰভাৱ বিস্তাৰ কৰিলে। লোক কলা বা অসমৰ অনুচিত্ৰৰ উপাদানসমূহ আধুনিক চিত্ৰ-ভাস্কৰ্য কলালৈ আনিব পাৰি নেকি এই সম্পৰ্কত পৰীক্ষা নিৰীক্ষা আৰম্ভ হ'ল। এই সম্পৰ্কত কেইবাখনো আলোচনাচক্ৰৰ মাজেৰে বিষয়টোৰ সম্পৰ্কত আলোচনা-বিলোচনা হয়। ইয়াৰ লগে লগে অসমৰ পৌৰাণিক শিল্প কলাৰ পুনৰুদ্ধাৰ কৰাৰ এক প্ৰচেষ্টাও গঢ়ি উঠিছিল যদিও বিভিন্ন কাৰণত ই পূৰ্ণতাপ্ৰাপ্তি নাপালে। হ'লেও এনে ধৰণৰ চিন্তাৰ এক আন্তঃপ্ৰবাহ বিভিন্নজন শিল্পীৰ মাজত এতিয়াও চলি আছে। গীল্ডৰ আলোচনাচক্ৰৰ মাজেৰেই বৰ্তমানৰ লোককলাবিদ নৰেণ কলিতাই প্ৰথম আত্মপ্ৰকাশ কৰে। আধুনিক শিল্প কলাৰ সমস্যা সম্পৰ্কতো ভালেসংখ্যক আলোচনাচক্ৰ গীল্ডে আয়োজন কৰিছে। এনে আলোচনাৰ সভালৈ অসমৰ বাহিৰৰ কেইবাজনো কলা সমালোচক, শিল্পীক গীল্ডে আমন্ত্ৰণ জনাই আনিছে। সেই



*শিলপুখুৰীৰ গীল্ডৰ কাৰ্যালয়ত গীল্ডৰ কেইগৰাকীমান সদস্যৰ সতে প্ৰখ্যাত শিল্পী ভবেশ সান্যাল আৰু থাইলেণ্ডৰ ৰাষ্ট্ৰদূত*

## 'এটি গৌৰৱৰ অনুষ্ঠান'

**নীলমণি ফুকন**



'সেই তাহানিৰ খনিকৰ খেলৰ পিছত গুৱাহাটী আৰ্টিষ্ট গিল্ড......। সদৌ অসমত জনাজাত এই অনুষ্ঠানটি প্ৰতিষ্ঠা হোৱা আজি পোন্ধৰ বছৰ হ'ল। শিল্প কলা বিষয়ত উদাসীন এখন সমাজত এনে এটি অনুষ্ঠানৰ পোন্ধৰ টা কৰ্ম বহুল বছৰ! এলা-পেচা কথা নহয়, আমাৰ কাৰণে কম গৌৰৱৰ কথা নহয়। শিল্প কলা জিজ্ঞাসাত, সৃষ্টিৰ পৰিবেশ ৰচনাত ৰূপ-ৰুচি নিৰ্মাণত, শিল্প কলাৰ প্ৰতি আমাৰ মানুহক সততে সজাগ-সচেতন কৰাত আৰ্টিষ্ট গীল্ডৰ বৰঙণি আজি সৰ্বজন স্বীকৃত। অসমৰ একমাত্ৰ কলা বিষয়ক আলোচনী চিহ্নৰ নিয়মিত প্ৰকাশ, অসমৰ লোক কলা আৰু পুথিচিত্ৰৰ প্ৰাসঙ্গিকতা সম্পৰ্কীয় চিন্তা-চৰ্চা, আশু দেৱৰ চিত্ৰকৰ্মৰ এলবাম, ১৯৯০ চনৰ গুৱাহাটী কলা, মেলা, ভিনচেন্ট ভানগখৰ শতবাৰ্ষিকী উদ্‌যাপন আৰ্টিষ্ট গীল্ডৰ অন্যতম কীৰ্ত্তি। সম্প্ৰতি গীল্ডে এটা গ্ৰাফিক ছপাশাল আনিছে বুলি শুনি আমি বিশেষভাবে আনন্দিত হৈছো। এই ছপাশালটোৱে গীল্ডক এটা নতুন আয়তন দিব, গুৱাহাটীৰ শিল্পীকুলৰ মাজত উদ্যোগ আৰু কৰ্ম চাঞ্চল্যৰ সৃষ্টি কৰিব বুলি আমি আশা কৰিছো।'



গীল্ডৰ বাৰ্ষিক প্ৰকাশ 'চিহ্ন'ৰ এটি সংখ্যা

# 'গীল্ডে এক পৰিৱেশ ৰচনা কৰিছে'

ডঃ বীৰেন্দ্ৰ নাথ দত্ত



'গীল্ডৰ লগত মোৰ দুই ধৰণৰ সম্পৰ্ক। প্ৰথমটো যাক বৈষয়িক বুলি কব পাৰি। জন্ম লগ্নৰ পৰাই গুৱাহাটী আৰ্টিষ্ট গীল্ডৰ লগত মোৰ সম্বন্ধ। মোৰ ঘৰটোতেই গুৱাহাটী আৰ্টিষ্ট গীল্ডৰ জন্ম হৈছিল। আনটো ফাল হ'ল যে যিহেতু সুকুমাৰ কলাৰ প্ৰতি মোৰ এটা আগ্ৰহ আছে গতিকে যেতিয়াই আৰ্টিষ্ট গীল্ডৰ শিল্পী সকলে মোক বিচাৰিছে মই মোৰ ফালৰ পৰা যিখিনি পৰামৰ্শ আগবঢ়াব লাগে তাকে কৰিবলৈ চেষ্টা কৰিছো বা তেওঁলোকৰ আলোচনা চক্ৰ আদিত যোগ দিছো। তেওঁলোকৰ আলোচনী চিহ্নতো জড়িত হৈছো। ইয়াৰ উপৰিও প্ৰদৰ্শনী আদি যিবোৰ গঠনমূলক কাম হৈ আছে সেইবোৰৰ সৈতেও জড়িত আছো। আৰু বিশেষকৈ আৰ্টিষ্ট গীল্ডৰ দুটা কথা মই ভাল পাইছিলো এটা হ'ল কিছুমান নবীন শিল্পীয়ে ইয়াত প্ৰতিভা বিকাশ কৰাৰ সুযোগ পাইছে। আৰু ই এটা পৰিৱেশ সৃষ্টি কৰাত ডাঙৰ কাম কৰিছে। কাৰণ অসমত এতিয়াও সুকুমাৰ কলাৰ পৰিবেশ অতি উন্নত বুলি ক'ব নোৱাৰি। কিন্তু যোৱা বিশ বছৰ মানৰ আগৰ আৰু বৰ্তমানটো যদি লোৱা হয় সুকুমাৰ কলাৰ ক্ষেত্ৰত বহুতখিনি উন্নত হৈছে বুলি কব পাৰি। দ্বিতীয়টো হ'ল সচেতনতা। কাৰণ ভাল ছবি এখন ভাল পাবলৈ ছবি সম্পৰ্কে কিছু জ্ঞান থাকিব লাগিব। তাৰ কাৰুকাৰ্যৰ কথা জানিব লাগিব। ইয়াৰ উপৰিও আৰ্টিষ্ট গীল্ডৰ আৰ্ট স্কুলৰ মাজৰেই অসমৰ বিভিন্ন ঠাইত আৰ্ট স্কুল হৈছে।

আৰ্টিষ্ট গীল্ডৰ লগত মোৰ সম্পৰ্ক ঘনিষ্ট হোৱাৰ আৰু এটা দিশ আছে। সেইটো হ'ল লোক কলাৰ ক্ষেত্ৰত। মই এজন লোক সংস্কৃতিৰ ছাত্ৰ হিচাপে স্বাভাৱিকতে সুকুমাৰ কলাৰ কোনো বিশেষ দিশত যদি মোৰ আগ্ৰহ আছে সেয়া লোক কলাৰ ক্ষেত্ৰত। আৰু মই নিজে বিশ্বাস কৰো যে আধুনিকতা আমাৰ যিমানে নাহক আন্তৰ্জাতিকতা যিমানেই নাহক আমাৰ পৰম্পৰাৰ ভেটি এটা দৰকাৰ। আৰু বিশেষকৈ যি ক্ষেত্ৰত ভাৰতবৰ্ষৰ আৰু অসমৰো সমৃদ্ধ পৰম্পৰা আছে সেই পৰম্পৰাটোৰ প্ৰতি পিঠি দিয়াৰ কোনো কাৰণ নাই। এইটোকেই ভেটি হিচাপে লৈ আমি আধুনিকতাৰ ফালে কিছু আগ বাঢ়ি যাব পাৰো আৰু নিজৰ পৰম্পৰাটো ধৰা মানেই আন্তৰ্জাতিকতাক বাদ দিয়াটো নহয়। এইখিনি কথাৰ ওপৰত মই প্ৰায় জোৰ দিবলৈ চেষ্টা কৰিছিলো আৰু আনকি মই গুৱাহাটী বিশ্ববিদ্যালয়ৰ যিটো বিভাগৰ লগত জড়িত (লোক সংস্কৃতি গৱেষণা বিভাগ) সেইটোৰ লগতো আৰ্টিষ্ট গীল্ডক জড়িত কৰাৰ চেষ্টা কৰিছিলো। লোক কলাৰ প্ৰতি এটা সচেতনতা লাগে। অকল আমাৰ ঐতিহ্যৰ বিষয়ে সচেতন হ'ব সেই কাৰণে নহয় কিন্তু ইয়াৰ কাৰণে সমল গ্ৰহণ কৰি আমি নতুন ধৰণৰ কলাৰো জন্ম দিব পাৰো। ঠিক সেই দিশত বোধহয় মই অলপমান জোৰ দিছিলো আৰু তাৰে কিছু কিছু ফল ধৰা যেন লাগে। কাৰণ এতিয়া দেখা গৈছে যে বহুতে লোক কলাৰ পৰা সমল লৈ চিত্ৰ-ভাস্কৰ্য আদি কৰিছে। কাৰণ ইতিমধ্যে কেইবাখনো আলোচনাচক্ৰ আদি হৈছে য'ত লোক কলাৰ বিষয়ে বা পৰম্পৰাৰ বিষয়ে আলোচনা হৈছে আৰু সেই ফালৰ পৰা মই অলপমান লাগি দিছো বুলি কব খোজো। তাৰ বাহিৰে মই ইয়াকে কম যে তেওঁলোকৰ পৰা পৰিণত কাম আশা কৰিব পৰা হৈছো।*

* বাণীবদ্ধ ৰূপৰ পৰা সংক্ষিপ্তকৈ যুগুতোৱা হৈছে

সকলৰ ভিতৰত ভবেশ সান্যাল, পৰিতোষ সেন, ড০ প্ৰণৱৰঞ্জন ৰয়, বলবীৰ সিংকাট আদি ব্যক্তিসকলে বিভিন্ন সময়ত গীল্ডৰ মাধ্যমত কলামোদী সকলৰ মাজলৈ আহি নতুন চিন্তাৰ খোৰাক যোগাইছিল। এইসকল ব্যক্তিৰ বাদেও বিভিন্ন সময়ত অসমলৈ অহা বহুতো বিশিষ্ট ব্যক্তিয়ে গীল্ডৰ সদস্য সকলক সান্নিধ্য দিছিল আৰু বিভিন্ন ভাবৰ বিনিময়ে শিল্পী সকলক বাহিৰৰ জগতখনৰ সতে সংযোগ স্থাপন কৰাত এক আত্মবিশ্বাস আৰু প্ৰত্যয় আনি দিছিল। আলোচনাচক্ৰ সমূহৰ উপৰি বিভিন্ন সময়ত গীল্ডে ভালেসংখ্যক শিল্প কৰ্মশালা আয়োজন কৰি আহিছে।

## গীল্ডৰ বাৰ্ষিক প্ৰকাশ 'চিহ্ন'

গীল্ডে আগবঢ়োৱা উল্লেখনীয় দিশ সমূহৰ ভিতৰত অন্য এক দিশ হ'ল অনুষ্ঠানৰ দ্বাৰা প্ৰকাশিত বাৰ্ষিক প্ৰকাশ 'চিহ্ন'। একমাত্ৰ শিল্প কলা বিষয়ৰ অসমৰ একমাত্ৰ আলোচনী। 'চিহ্ন'ৰ নামকৰণ কৰে নৱকান্ত বৰুৱাই। প্ৰতি বছৰে প্ৰকাশ পোৱা এই আলোচনীখনত বহুতো মূল্যবান শিল্প বিষয়ক প্ৰবন্ধ প্ৰকাশ পাই আহিছে। ইয়াৰে নিৰ্বাচিত প্ৰবন্ধৰে এখন গ্ৰন্থ প্ৰকাশ কৰাৰ উদ্দেশ্যেৰে শ্ৰীবীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যক সম্পাদনাৰ দায়িত্ব দিয়া হয় আৰু ইতিমধ্যে শ্ৰীভট্টাচাৰ্যই এই বিষয়ত কিছু আগবাঢ়িছে যদিও আৰ্থিক অৱস্থাৰ হেতুকে গীল্ডে বিষয়টোত বিশেষ আগুৱাব পৰা নাই।

## গীল্ডৰ কলা বিদ্যালয়

১৯৭৬ চনৰ ডিচেম্বৰ মাহৰ পৰা গুৱাহাটী আৰ্টিষ্টছ গীল্ডে শিশু চিত্ৰাংকনৰ পাঠ্যক্ৰম এটি তৈয়াৰ কৰি এটি কলা শিক্ষাৰ শ্ৰেণী পৰিচালনা কৰি আহিছে। গীল্ডৰ মূল সমিতিৰ ভিতৰতে স্কুলখন পৰিচালনাৰ বাবে এটি সুকীয়া কমিটি আছে। পাঁচ বছৰৰ পৰা এঘাৰ বছৰ বয়সৰ শিশুৰ বাবে নিৰ্মিত পাঠ্যক্ৰমেৰে সপ্তাহৰ শনি আৰু দেওবাৰে শিক্ষাদান কৰা হয়। শিশু সকলক শিল্প কলাৰ প্ৰতি আকৃষ্ট কৰাৰ লগতে শিশুমনৰ সূক্ষ্মতাখিনিক প্ৰকাশ কৰা আৰু এটি মানসিক অনুশাসন গঢ়ি তোলাই এই পাঠ্যক্ৰমৰ মূল উদ্দেশ্য। এই ক্ষেত্ৰত যুগল দাসৰ অৰিহণা স্মৰণীয়। এই পাঠ্যক্ৰমত ছাত্ৰ-ছাত্ৰী সকলৰ চিত্ৰ কলাৰ বিভিন্ন কলা-কৌশলৰ এক সম্যক জ্ঞান দিয়াৰো ব্যৱস্থা আছে। ষোল বছৰৰ ওপৰৰ আগ্ৰহী ব্যক্তিৰ বাবে দুবছৰীয়া এটি পাঠ্যক্ৰমো গীল্ডে



পৰিচালনা কৰি আহিছে। এনে পাঠ্যক্ৰমে বহুতো ল'ৰা-ছোৱালীক শিল্প কলাক জীৱন বৃত্তি হিচাপে লোৱাৰ প্ৰতি আগ্ৰহী কৰি তোলে আৰু ইয়াৰ ফলস্বৰূপে গীল্ডত শিক্ষা লাভ কৰা ভালেকেইজন যুৱকে অসমৰ বাহিৰত উচ্চ শিক্ষা গ্ৰহণ কৰি আছে আৰু দুই এজন ইতিমধ্যে শিক্ষা গ্ৰহণ কৰি অসমলৈ ঘূৰি আহিছে। গীল্ডৰ এই দিশত এইটো এটা উল্লেখনীয় দিশ। ১৯৭৬ চনত মাত্ৰ দহজন ছাত্ৰ-ছাত্ৰীৰে আৰম্ভ কৰা বিদ্যালয়খনত এতিয়া ছাত্ৰ-ছাত্ৰীৰ সংখ্যা পাঁচশৰো অধিক।

## কলা মেলা

১৯৯০ চনৰ জানুৱাৰী মাহত গুৱাহাটী আৰ্টিষ্টছ গীল্ডে কলা মেলা '৯০ শীৰ্ষক এখনি কলা মেলা আয়োজন কৰে। গীল্ডৰ ই হ'ল এক উল্লেখনীয় পদক্ষেপ। চৰকাৰৰ পৰা কোনো আৰ্থিক অনুদান নোহোৱাকৈ সৰ্বসাধাৰণ ৰাইজৰ সাহায্যৰে কলা মেলাখনিক যি বিশাল ৰূপ দিছিল সি সঁচাকৈয়ে প্ৰশংসনীয়।

তেতিয়াৰ গীল্ডৰ সভাপতি আৰু সম্পাদক ননী বৰপূজাৰী আৰু চম্পক বৰবৰাক আহ্বায়ক হিচাপে লৈ গীল্ডৰ সমূহ সদস্যৰ লগতে সমাজৰ বিভিন্নজন বিশিষ্ট ব্যক্তিৰে এখনি সুকীয়া কমিটিয়ে এই কলা মেলাখনি পৰিচালনা কৰিছিল।

অসমৰ বিভিন্ন ঠাইৰ ভালেকেইটা শিল্পানুষ্ঠানে এই কলা মেলাত যোগদান কৰাৰ উপৰিও মিজোৰামৰ মিজোৰাম আৰ্ট ছচাইটিয়েও এই মেলাত যোগদান কৰে। ইয়াৰ উপৰিও একক ভাবে বহুসংখ্যক শিল্পীয়ে তেওঁলোকৰ শিল্পকৰ্মৰে এই মেলাত যোগ দিছিল। সুকুমাৰ আৰু কাৰু কলাৰ সমাবেশে কলা মেলাখনিক মহিমামণ্ডিত কৰি তুলিছিল আৰু এনে পদক্ষেপে কলাক সৰ্বসাধাৰণৰ কাষ চপাই নিয়াত বহুখিনি অৰিহণা যোগাইছিল। ভৱিষ্যতে এনে ধৰণৰ কলা মেলা আমি গীল্ডৰ পৰা আশা কৰিছো।

## সামৰণিত

গুৱাহাটী আৰ্টিষ্টছ গীল্ডে ইতিমধ্যে তেওঁলোকৰ পোন্ধৰটা বছৰ অতিক্ৰম কৰিলেও– যি অৱস্থাৰ মাজেৰে এই অনুষ্ঠান এই পৰ্যন্ত বৰ্তি আছে, সেই ক্ষেত্ৰত গীল্ডে বহুখিনি সমস্যাৰ মাজেৰে অতিক্ৰম কৰি আহিছে। শিল পুখুৰীত এটি ভাড়া ঘৰত এঘৰটা বছৰ অতিক্ৰম কৰাৰ পাছত



*কলা মেলা '৯০ খনি উদ্বোধন কৰিছে তেতিয়াৰ অসমৰ ৰাজ্যপাল আনিচেটি ৰঘুবীৰে*

বীৰেন্দ্ৰ নাথ দত্তক তেখেতৰ বাসগৃহটো প্ৰয়োজন হোৱাত ১৯৮৮ চনত গীল্ডক চান্দমাৰীৰ আকাশবাণীৰ সমীপলৈ স্থানান্তৰিত কৰিব লগা হয়।

১৯৭৯ চনৰ পৰা এই অনুষ্ঠানটিয়ে নতুন দিল্লীৰ কেন্দ্ৰীয় ললিত কলা অকাডেমীৰ স্বীকৃতি পাই আহিছে আৰু গীল্ডৰ এজন সদস্য ললিত কলাৰ সাধাৰণ সভাত প্ৰতি পাঁচ বছৰৰ বাবে প্ৰতিনিধিত্ব কৰে।

এই পৰ্যন্ত গীল্ডৰ ভালেকেইজন শিল্পীয়ে দেশত আৰু দেশৰ বাহিৰত তেওঁলোকৰ শিল্প কৰ্মৰে সংযোগ স্থাপন কৰি গীল্ড তথা অসমলৈ সুনাম কঢ়িয়াই আনিছে। ললিত কলা অকাডেমীয়ে গীল্ডলৈ বিভিন্ন সময়ত বিভিন্ন কাৰ্যসূচী অথবা গীল্ডৰ আচবাবৰ বাবে কেইবাটাও আৰ্থিক অনুদান আগবঢ়াইছে। এনে এটি অনুদানেৰে অলপতে গীল্ডে এটি গ্ৰাফিক প্ৰিন্টিং প্ৰেছ কিনি আনিছে। গ্ৰাফিক মাধ্যমৰ প্ৰতি আকৃষ্ট শিল্পী সকলৰ বাবে ই এটা সু খবৰ।

গীল্ডৰ সদস্য সকলৰ আন্তৰিক প্ৰচেষ্টাৰে তেওঁলোকে দেহে কেহে খাতি গীল্ডৰ এটা পুঁজি গঠন কৰি তেওঁলোকৰ বিভিন্ন কাৰ্যপন্থা সমূহ এই পৰ্যন্ত আগবঢ়াই নি আহিছে। আজিৰ পৰা দহ বছৰ মানৰ আগতে সাংস্কৃতিক সঞ্চালকালয়ৰ পৰা মাত্ৰ তিনি হেজাৰ টকাৰ এটা অনুদানৰ বাদে অসম চৰকাৰে এনে এটি অনুষ্ঠানক কোনো ধৰণৰ আৰ্থিক অনুদানেৰে সহায় আগবঢ়াব পৰা নাই। ই সঁচাকৈয়ে পৰিতাপৰ কথা। বহু সময় আবেদন কৰিও অনুষ্ঠানটি ব্যৰ্থ হব লগা হৈছে। অৱশ্যে মাননীয় ভীষ্ম নাৰায়ণ সিংহ অসমৰ ৰাজ্যপাল হৈ থকা কালত তেখেতে এই অনুষ্ঠানৰ কাৰ্যপন্থাৰ প্ৰতি সদয় হৈ অনুষ্ঠানটোলৈ পাঁচ হেজাৰ টকাৰ এটি অনুদান তেখেতৰ ব্যক্তিগত পুঁজিৰ পৰা আগ বঢ়াইছিল।

সুদীৰ্ঘ পোন্ধৰটা বছৰ বিভিন্ন ঘাত প্ৰতিঘাতেৰে অতিক্ৰম কৰা এই অনুষ্ঠানটিয়ে এই পৰ্যন্ত ভাৰা ঘৰতে আশ্ৰয় লব লগা হৈছে। ৰাজ্যখনৰ বহুজন মুখ্যমন্ত্ৰীয়ে গীল্ডক এডোখৰ মাটি দিয়াৰ আশ্বাস দি আহিছে কিন্তু কোনেও এই পৰ্যন্ত এই অনুষ্ঠানটি স্থায়িত্বৰ কথা ভাবি এডোখৰ মাটি যোগাৰ কৰি দিব পৰা নাই।

আমাৰ এই নিবন্ধৰ যোগে গুৱাহাটী আৰ্টিষ্ট গীল্ডৰ দৰে এটি অনুষ্ঠানৰ প্ৰকৃত মূল্যায়ন কৰা সম্ভৱ নহয়। অনুষ্ঠানটিৰ এটি আভাসহে এই নিবন্ধত দিবলৈ যত্ন কৰা হৈছে। আমি আশা কৰিছো চৰকাৰ তথা সমূহ কলা প্ৰেমীয়ে এই অনুষ্ঠানটিৰ গুৰুত্ব উপলব্ধি কৰি গীল্ডক ভৱিষ্যতৰ বাবে স্থায়িত্ব কৰাত গুৰুত্ব আৰোপ কৰে। আৰু আমি আশা কৰিছো, গীল্ডৰ সদস্যসকলে যাতে বিভিন্ন আঁচনি গ্ৰহণ কৰি বিভিন্ন অসুবিধাকো নেওচি এই অনুষ্ঠানটিক এটি জাতীয় অনুষ্ঠান হিচাপে গঢ় দি তোলে। ■



©KDISCD

# পুঞ্জীভূত মৰ্মবেদনাৰে জৰ্জৰিত

# অৱহেলিত মৰাণসকল

নকুল দত্ত

অসমীয়া নামৰ বিশেষ জনগোষ্ঠী এটা কাহানিও ইতিহাসৰ কোনোকালে অসমলৈ অহা নাছিল। ঠিক সেইদৰে বৰ্তমানৰ যি অসমীয়া ভাষা সংস্কৃতি তাক কোনো এটা বিশেষ জনগোষ্ঠীয়ে অসমলৈ লৈ অহা নাছিল। ইতিহাসৰ বিভিন্ন সময়ত অসমলৈ অহা বিভিন্ন জনগোষ্ঠীয়ে স্বকীয় অৱদানেৰে প্ৰবহমান অসমীয়া সংস্কৃতিত জীণ গৈ জন্ম দিছিল বৃহত্তৰ অসমীয়া জাতি আৰু সংস্কৃতিৰ। সেই হিচাপে চাবলৈ গ'লে বৰ্তমান অসমীয়া কোনো জনগোষ্ঠীৰ সমস্যা বুলি বেলেগকৈ কোনো সমস্যাই আজি অসমত থাকিব নালাগিছিল। কিবা যদি সমস্যা আছে সেয়া প্ৰকৃততে গোটেই অসমীয়া জাতিটোৰে সমস্যা হ'ব লাগিছিল। কোনো বিশেষ অৱস্থাৰ পৰিপ্ৰেক্ষিতত পিছপৰা জনগোষ্ঠী সমূহৰ কোনো কোনোৱে সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আদি দিশবোৰত আগবাঢ়ি যোৱাৰ সুবিধা পালে আৰু সফলো হৈছে। কিন্তু আন কিছুমান পৰি ৰ'ল পৰিবৰ্তনৰ খটখটীৰ নিচেই তলৰ খাপতে, নাইবা তেওঁলোকক ছলে বলে কিম্বা কৌশলেৰে হ'লেও পিছ পেলাই ৰখা হ'ল। তেওঁলোকৰ ৰক্ষণশীল সমাজ ব্যৱস্থাইও তাত অৰিহণা যোগালে। ফলত জাতিটোৰ এটা ভাগে সময়ৰ সোঁতত বহুদূৰ আগবাঢ়ি গ'ল আৰু আনটো ভাগ বহুত পিছ পৰি ৰ'ল। আশ্চৰ্যজনক কথা এইটোৱেই যে নিজৰ পিছপৰা অৱস্থাটোৰ বিষয়ে তেওঁলোকে নিজেই এটা সময়লৈকে গম নাপাইছিল। কিন্তু ইতিহাসৰ পটপৰিবৰ্তনৰ লগে লগে সময়ৰ গতিত এইলোক সকল যিমানেই ৰাজনৈতিক ভাবে সচেতন হৈ পৰিছে তেতিয়াই তেওঁলোকে নিজৰ প্ৰাপ্য, অধিকাৰ আদিৰ ওপৰত জোৰদাৰ দাবী তুলিছে। নিজৰ অৱহেলিত অৱস্থাটোৰ কথাও গম পাইছে। সেয়েহে আজি অসমৰ চুকে কোণে বিভিন্ন জনগোষ্ঠীয়ে নিজৰ সম অধিকাৰ প্ৰতিপন্ন কৰিবলৈ উঠিপৰি লগাটো বাৰুকৈয়ে পৰিলক্ষিত হৈছে।

অসমৰ পূব প্ৰান্তত তিনিচুকীয়া জিলাত বিস্তৰভাবে বসতি স্থাপন কৰা মৰাণসকল তেনে এটি পিছপৰা জনগোষ্ঠী। যদিও অসমৰ দুই চাৰিখন আন জিলাতো এই জনগোষ্ঠীৰ লোকে বসবাস কৰে তথাপি তিনিচুকীয়া জিলাৰ ছৈখোৱা, বুঢ়ীদিহিং, ডুমডুমা, হাপজান, টিংৰাই, মাকুম, টিপলিং আৰু ৰঙাগড়া মৌজাত এওঁলোকৰ ঘনবসতি আছে। এই অঞ্চলবোৰত তেওঁলোকৰ জনসংখ্যা চাৰি লাখতকৈও অধিক। পুৰণি মটক ৰাজ্যৰ অধিপতি সকল আছিল মৰাণৰ (মৰাণ হ'ল এটা সুকীয়া জনগোষ্ঠী; মটক শব্দটো পিছত অহা। চিংফৌ সকলে মৰাণ ৰাজ্য আক্ৰমণ কৰি বলে নোৱাৰি ইয়াৰ লোক সকলক 'মটক' অৰ্থাৎ 'বলী' বুলিছিল। সকলো মৰাণেই মটক, কিন্তু সকলো মটক মৰাণ নহয়।)

১২২৮ খৃষ্টাব্দত চুকাফাই এই অঞ্চলটোত প্ৰবেশ কৰোতে প্ৰথমে মৰাণ ৰজা বদৌচাক (বা বদন্‌চা) লগ পাইছিল। বুৰঞ্জীবিদ গেইট চাহাবে তেখেতৰ History of Assam অত কৈছে – The neighbouring country was at this time in the possession of the Morans, whose king was named Badensa, and of the Barahis who were then ruled by Thakumtha. The Morans still survive as a separate tribe. At the end of the Ahom rule they occupied the country between the Dangari and Dibru rivers....... their language, however, is unmistakably Bodo (p. 78)। গৱেষক শিল্পী কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাদেৱে এটি বৰ চিত্তাকৰ্ষক ব্যাখ্যা দাঙি ধৰিছে। তেখেতৰ ব্যাখ্যা মতে – 'মৰাণ সকল মংগোলীয় জাতিৰ লোক। দক্ষিণ ব্ৰহ্ম আৰু শ্যামৰ মন্‌খেৰ্ খাছীয়া জাতিৰ পাছতেই সৌমাৰ অঞ্চলৰ পূব কোণেদি এওঁলোক অসমলৈ আহিছিল। এওঁলোকৰ তিনি ভাই ককাইৰ নাম আছিল 'মৌৰাং', 'মাইৰাং' আৰু 'মোৰাণ'। মোৰাণে পূব অঞ্চলত, মাইৰাঙে মধ্য অঞ্চলত আৰু মৌৰাঙে নেপালৰ দক্ষিণে বংগৰ উত্তৰ অঞ্চলত বেলেগ বেলেগ ৰাজ্য স্থাপন কৰিছিল। মাইৰাঙেই মহীৰংগ দানৱ। সেই বংশৰ শেষ ৰজা ঘটক-কিৰাতক হত্যা কৰি মংগোলীয় এজাতিয়ে অসমলৈ উত্তৰ পশ্চিম চুকেদি সোমাই ৰাজত্ব কৰিছিল। ঘটকৰ হত্যাকাৰী ৰজাজনেই আছিল নৰকাসুৰ। ঘটক কিৰাতৰ মৃত্যুৰ লগে লগেই মহীৰংগ বা মাইৰাঙৰ বংশ লোপ পায়। মৌৰাঙৰ বংশৰ লোক এতিয়াও নেপালত আছে। আৰু সৌমাৰ অঞ্চলৰ মোৰাণ ৰজাৰ বংশ মৰাণ সকল এতিয়াও জীয়াই আছে।' ৰাভাদেৱে আৰু লিখিছে 'মোৰাণ সকল বৰ প্ৰতাপী আছিল। .....এওঁলোকৰ যুগতে অসমত দ্ৰুতভাবে তাম্ৰযুগ, ব্ৰোঞ্জযুগ আৰু লৌহযুগৰ আৰম্ভণ হয়।'

আনহাতে প্ৰত্নতাত্ত্বিক, বুৰঞ্জীবিদ সৰ্বানন্দ ৰাজকুমাৰে মৰাণ সকলক চিংফৌ জনজাতিৰ লোক বুলিহে ধাৰণা কৰিছে। তেখেতৰ মতে – "টাই আহ্‌মসকল অসমলৈ অহাৰ বহু আগতে চিংফৌ জনজাতিৰ 'মৰাণ' নামৰ শাখাটোৰ কিছুমান লোক অসমত সোমাইছিল। এওঁলোকেই সেই মৰাণ যাৰ কথিত ভাষা এটাও আছিল।' (চিংফৌ জনগোষ্ঠী – সৰ্বানন্দ ৰাজকুমাৰ)।

যদিও কোনো কোনো পণ্ডিতে মৰাণ সকলক পূৰ্বৰ অষ্ট্ৰিক মৰিয়া জাতিৰ এটি গোষ্ঠী আছিল আৰু পাছত বড়ো সকলৰ সৈতে সংমিশ্ৰিত হৈ এটা বেলেগ জনগোষ্ঠীৰ সৃষ্টি হয় বুলি কোনো কোনো ঠাইত উল্লেখ কৰিছে নৃতত্ত্ববিদ আৰু আন আন পণ্ডিত সকলে কিন্তু মৰাণ সকল বড়োজনগোষ্ঠীৰে অন্তৰ্ভুক্ত বুলি মন্তব্য দিছে। 'কিৰাট কছাৰীৰ' ১২টা ফৈদৰ ভিতৰত মৰাণ সকলো এটা (তালিকা ১)

বুৰঞ্জীবিদ সকলৰ ওপৰোক্ত ব্যাখ্যা বিলাকে 'মৰাণ' সকলৰ অসমলৈ আগমন হোৱাৰ সময় নিৰ্ধাৰণ সন্দৰ্ভত এক সুস্পষ্ট তথ্য দাঙি ধৰিব নোৱাৰিলেও মৰাণ সকল যে টাই আহোম সকলৰ অসমলৈ প্ৰব্ৰজন হোৱাৰ বহুত আগতেই অসমলৈ আহিছিল



### তালিকা-১

**নৃতাত্ত্বিক বিশ্লেষণমতে কিৰাট কছাৰীৰ বাৰটা প্ৰধান জনগোষ্ঠী**

১। দামছায়া (Damsaya) – ডিমাছা
২। বড়ায়া (Barhaya) – বড়ো
৩। জুহালা লুইয়া (Juhala Lyiya) –লালুং
৪। ইন্টু হাজায়া (Intu Hagaya) – হাজাই
৫। বডো ছোনোলায়া (Badu Sonolaya) – সোণোৱাল
৬। ইন্টু মিংখায়া (Intu Minkhaya) – মৰাণ
৭। দৌনায়া (Daunaya) – দেউৰী
৮। ইন্টু মেছায়া (Intu Mechaya) – মেছ
৯। কুছুবায়া (Kuchubaya) – কোঁচ
১০। ইন্টু গাৰোয়া (Intu Garoya) – গাৰো
১১। ৰাভা কিৰাটয়া (Rabha Kirataya) – ৰাভা
১২। বডো হাজায়া (Badu Hagaya) – হাজং

[খৃষ্টাব্দ ২00-ত অহা গ্ৰীক পৰিভ্ৰমণকাৰী টলেমিয়েও (Ptolemi) উক্ত ভাগ কেইটাত সমৰ্থন আগবঢ়াইছিল।]

আৰু এওঁলোক যে মংগোলীয় গোষ্ঠীৰ উদ্ভৱ সেই কথাকে প্ৰতীয়মান কৰিছে। তাৰ উপৰি এওঁলোকযে মহাপ্ৰতাপী আছিল সেই বিষয়েও সন্দেহ নাই। মৰাণ সকলে নিজৰ গুৰুৰ বাদে কাৰো ওচৰত মূৰ নোদোৱাইছিল। ৰজাক ঠিয়ৈ ঠিয়ৈ প্ৰণামহে জনাইছিল। ঘৰবোৰৰ মুধেকটা দুৱাৰতে মৰাণ সকলৰ এই পৰাক্ৰমী মনোভাৱৰ প্ৰতিফলন ঘটে। ভাৰতৰ বিভিন্ন ৰাজ্য ইংৰাজৰ তললৈ নিয়াৰ পাছত সেই ৰাজ্য সমূহৰ ৰজা সকলক পেঞ্চন দিয়া হৈছিল। এটা সময়ত এই Perliamentary pension বোৰ বন্ধ কৰি দিছিল। কিন্তু সমগ্ৰ ভাৰতৰ মাথো দুজন ৰজাৰ পেঞ্চন বন্ধ কৰিব পৰা নাছিল সেয়া হ'ল – খাছীয়া ছিয়েম আৰু মটক ৰাজ্যৰ মৰাণ ৰজা লংকেশ্বৰ গোঁহাই।

এনেহেন পুৰণি ঐতিহ্যমণ্ডিত এটা জনগোষ্ঠীৰ বৃহৎ অসমীয়া জাতিৰ গঠন প্ৰক্ৰিয়া আৰু অসমীয়া সংস্কৃতিলৈ থকা অৱদান নিশ্চয় উল্লেখযোগ্য হ'ব। এই প্ৰবন্ধত সেই সকলোবোৰ সামৰাটো সম্ভৱ নহয়। গতিকে তেওঁলোকৰ কেইটামান উল্লেখযোগ্য অৱদানৰ ওপৰতহে আমি আলোকপাত কৰিম।

ঐতিহাসিক কীৰ্ত্তিচিহ্নৰ কথা কলে আজি অসমৰ বিভিন্ন ঠাইত সিঁচৰতি হৈ থকা পুৰণি মঠ মন্দিৰবোৰৰ লগতে আহোম ৰজাৰ দিনৰ ৰংঘৰ, কাৰেংঘৰ বা জয়সাগৰ, শিৱসাগৰ, গৌৰীসাগৰ আদিৰ কথাই পোনেই মনলৈ আহে। মৰাণ সকলৰো এই ক্ষেত্ৰত অৱদান উল্লেখযোগ্য। ঐতিহাসিক ছঅঁৰা (২৪টা) পুখুৰী মৰাণ সকলৰ (তালিকা ২)। বনৰীয়া হাতী ধৰি খৰচীয়া কৰাৰ বিদ্যাটো মৰাণ সকলৰহে। মুকলি, পথাৰৰ বিহুক মঞ্চত প্ৰদৰ্শন কৰা প্ৰথম অসমীয়া ডেকা গাভৰুহাল আছিল মৰাণৰ (ডেকাজনৰ নাম শ্ৰীমোহন শইকীয়া আৰু গাভৰু গৰাকী আছিল ৰীণা গোস্বামী), ইত্যাদি ইত্যাদি।

আধুনিক অসমীয়া ভাষা গঠনতো মৰাণ সকলৰ বৰঙণি উল্লেখযোগ্য। আধুনিক অসমীয়া ভাষা আৰ্যমূলীয়া হলেও ইয়াত আৰ্যোত্তৰ গোষ্ঠী, বিশেষকৈ তিব্বতবৰ্মী টাই-শ্যাণ সকলৰ বৰঙণিয়েই সৰ্বাধিক বুলি ভাষাতত্ত্ববিদ সকলে উল্লেখ কৰি গৈছে। ডঃ সুনীতি কুমাৰ চট্টোপাধ্যায়, ডঃ বাণীকান্ত কাকতি, ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা আদিয়ে অসমৰ প্ৰায়বোৰ ঠাইৰ আৰু নদীৰ নাম তিব্বতবৰ্মী ভাষাৰ পৰা অহা বুলি ঠাৱৰ কৰিছে। সেই দৃষ্টিকোণৰ পৰা উজনি অসমৰ ভালেমান ঠাই আৰু নদীৰ নাম যেনে – 'দাইচা', 'বিচাকুপি', 'হেবেদা', 'লেচেংকা', 'বাৰেকুৰি', 'চকৰিটিং', 'গুইজান', 'দীঘলতৰং', 'টিপুক', 'নাফুক', 'নখ্ৰাই', 'দিনজয়' আদি নাম সমূহ তিব্বতবৰ্মী ভাষাগোষ্ঠীৰ অন্তৰ্গত অসমবৰ্মী বড়োশাখাৰ চুতীয়া-মৰাণ ভাষাৰ পৰা অহা যেন অনুমান হয়। সেয়েহে বোধকৰো তাহানিৰ 'অৰুণোদয়' আলোচনীত ডঃ ব্ৰাউন চাহাবে লিখিছিল – অসমীয়া শব্দৰ ১00টাৰ ভিতৰত অইন ভাষাৰ শব্দ সেই অনুপাতে সোমাই আছে; যথা – সংস্কৃত ৬৩টা, খামটি ১টা, শ্যাম ১টা, অঁকা ৭টা, মিছিমি ১টা, মান ৫টা, কাৰেং ১টা, মৰাণ ১টা ইত্যাদি।

মৰাণ সকলৰ সমাজৰ কথিত ভাষাত বিনয়ী আৰু নম্ৰ সুৰ অত্যন্ত প্ৰকট আৰু শুনিবলৈ শুৱলা। ডঃ বাণীকান্ত কাকতিয়ে তেখেতৰ গৱেষণাত অসমীয়া ভাষাত ব্যৱহাৰ হোৱা কিছুমান প্ৰত্যয় আৰু বৰ্ণমালাৰ উচ্চাৰণতো তিব্বতবৰ্মী সকলৰ প্ৰভাৱ কিদৰে পৰিছে সেই বিষয়েও তথ্যগত বিস্তৰ আলোচনা কৰিছে। মৰাণ সকলৰ কথিত অসমীয়া ভাষাৰ বিশেষ উচ্চাৰণ পদ্ধতি তেওঁলোকৰ প্ৰাচীন নিজস্ব ভাষাৰে প্ৰভাৱজনিত অন্যত্ৰৰূপ নেকি সেই বিষয়ে গৱেষণা-নিৰীক্ষণ আদি কৰি চোৱাৰ অৱকাশ নথকা নহয়। কাৰণ তেনে কাৰ্যই অসমীয়া ভাষাৰ বৰ্ণাঢ্য ৰূপটোৰ নতুন দিশ কিছুমান আৱিষ্কাৰ কৰাৰ কথাকে নিশ্চয় সূচাব (মৰাণ সংস্কৃতিৰ ৰূপৰেখা, পৃঃ ১৮)।

ওপৰৰ আলোচনাটিৰ পৰা মৰাণ সকল সম্বন্ধে যি এখন ছবি ফুটি উঠে প্ৰকৃতাৰ্থত কিন্তু সেই লোক সকল আজি সমাজৰ সকলো দিশতে অত্যন্ত পিছপৰা। এতিয়া স্বাভাৱিকতেই প্ৰশ্ন উঠে ইমান এটা ঐতিহ্যমণ্ডিত জনগোষ্ঠী আজি কিয় ইমান পিছ পৰি থাকিল? ইতিহাসৰ পাতত মৰাণ সকলৰ বড়ো ভাষাৰ সৈতে মিল থকা ভাষা এটা আছিল বুলি লিপিবদ্ধ থকা কথাটো আমি মানি ললেও বৰ্তমান কিন্তু তেনে কোনো সুকীয়া কথিত ভাষা তেওঁলোকৰ মাজত প্ৰচলন নাই। অসমীয়া ভাষাই তেওঁলোকৰো ভাষা। অসমীয়া সংস্কৃতিত তেওঁলোক একাকাৰ হৈ পৰিল। এইহেন এটা জনগোষ্ঠীৰ লোক আজি অসমত অৱহেলিত হোৱা কথাটো আমাৰ সকলোৰে বাবেই দুৰ্ভাগ্যজনক।

মৰাণ সকল আজি বিক্ষুব্ধ হোৱাৰ প্ৰথম

### তালিকা – ২


**ঐতিহাসিক ছঅঁৰা পুখুৰী**

১। তিনিকোণীয়া পুখুৰী
২। বেঙমৰা পুখুৰী
৩। নপুখুৰী
৪। বৰপুখুৰী
৫। হেলুকীয়া পুখুৰী
৬। গোধা পুখুৰী
৭। বাটৰ পুখুৰী
৮। লেমটেম পুখুৰী
৯। দেৱী পুখুৰী
১০। কেবাহী পুখুৰী
১১। কদমণি পুখুৰী
১২। কাণীয়ামৰা পুখুৰী
১৩। কুন্তী পুখুৰী
১৪। মেকুৰী মৰা পুখুৰী
১৫। চেঁচুৱনী পুখুৰী
১৬। কলাখোৱা পুখুৰী
১৭। পানীলোৱা পুখুৰী
১৮। মাহধোৱা পুখুৰী
১৯। দাধৰা পুখুৰী
২০। চাউল ধোৱা পুখুৰী
২১। নেওগনী পুখুৰী
২২। গহঁৰাগুৰি পুখুৰী
২৩। পানীখোৱা পুখুৰী
২৪। গেলা পুখুৰী

আৰু প্ৰধান কাৰণটো হ'ল সামাজিক উত্তৰণৰ দিশত তেওঁলোকৰ পিছপৰা শোচনীয় অৱস্থাটো। বৰ্তমান অসমত হয়তো এইটোৱেই একমাত্ৰ জনগোষ্ঠী যাৰ এজনো ডাক্তৰ নাই, এজনো ইঞ্জিনিয়াৰ নাই।

তাৰ উপৰি তেওঁলোকৰ ঐতিহাসিক সমলবোৰ নিশ্চিহ্ন কৰি পেলোৱা আমাৰ যন্ত্ৰযুগৰ সভ্যতাকো দায়ী কৰিব লাগিব। সেই সমলবোৰ ৰক্ষণাবেক্ষণ দিবলৈ চৰকাৰ কিম্বা পুৰাতত্ত্বৱিভাগ নিজে আগবাঢ়ি অহাটোতো দূৰৰে কথা, বৰঞ্চ বাৰে বাৰে কৰা অনুৰোধকো উপেক্ষাহে কৰা হৈছে। মটক ৰজাৰ দিনৰ ছঅঁৰা (২৪টা) পুখুৰী ইতিহাসৰ এবিধ আপুৰুগীয়া সম্পদ। এই ছঅঁৰাৰ ভিতৰৰে কেবা অঁৰাৰ ইতিমধ্যে বিলুপ্তি ঘটিল আৰু তাৰে ৯টাক সংৰক্ষণ কৰিবলৈ যো জা চলোৱা হৈছে। বহুকেইটা পুখুৰী ১৯৩২ চনৰ পুনৰ জৰীপৰ সময়ত তিনিচুকীয়াৰ কেবাজনো গণ্যমান্য লোকৰ অধীনত পৰে। তাৰে কেইবাটাও পুঁতিমেলি তাত ব্যৱসায় উদ্যোগ গঢ়ি তোলা হ'ল। মৃৰকত আমি কেইপদমান ঐতিহাসিক সমল হেৰুৱালো।

আনহাতে তিনিচুকীয়া নামৰ উৎপত্তিৰ লগত জড়িত থকা তিনিকোণীয়া পুখুৰীটো উপযুক্ত ভাবে সংৰক্ষণ কৰাটো ৰাইজে দাবী কৰে। (ৰজা সৰ্বানন্দ সিংহৰ মন্ত্ৰী গোধাবৰ বৰুৱাই নিজ পত্নীৰ স্মৃতি ৰক্ষাৰ্থে ১৭৯৫ খৃঃত তিনিকোণীয়াকৈ এটা পুখুৰী সজায়। এই পুখুৰীৰ নাম জনাজাত হোৱাত পূৰ্বৰ বেঙমৰা ৰাজন গৰৰ নাম সলনি হৈ ১৮৮৩-৮৪ চনৰ পৰা তিনিচুকীয়া নগৰ হয়। এই পুখুৰীৰ মাটি কালি ৩ বিঘা ৩ কঠা ১৩ লোচা]। ঠিক সেইদৰে আন কিছুমান ঐতিহাসিক সম্পদ, যেনেঃ ৰাজগড়, বৰসেনাপতিৰ গড়, ৰাঘমৰাণৰ হাতীগড়, বৰআলি, তেজীমলা পুখুৰী, যোৰআলি, ৰঙাগড়া আদিও আজি বিলুপ্তিৰ পথত। ৰসৰাজ বেজবৰুৱাৰ তেজীমলা যদিওবা সাধুকথাৰহে নায়িকা, কাকপথাৰৰ পৰা প্ৰায় তিনি কিঃমিঃ পূবৰ তেজীগাঁৱত আজিও দুটি তেজীমলা পুখুৰী আছে। এটি সৰু, আনটো ডাঙৰ। 'সেই সাধুটোত বৰ্ণনা কৰাৰ দৰেই ইয়াতো বাৰমাহে পদুম ফুল ফুলে। দুয়োটা পুখুৰীৰ মাজত এখন ডাঙৰ জৰাবাৰী আছিল। আমি জৰাটেঙা আনিবঁলৈ প্ৰায় তালৈ গৈছিলো' – বয়োবৃদ্ধ লোক ৰবীণ মৰাণে আজিও সেই কথা কয়। এতিয়া তাত জৰাটেঙা বা জৰাবাৰী একো নাই। তেজীমলা পুখুৰীও আলৈ আথানি হৈ পৰি আছে।


GOVERNMENT OF ARUNACHAL PRADESH
OFFICE OF THE DEPUTY COMMISSIONER : LOHIT DISTRICT:
TEZU - 792001

SCHEDULED TRIBES CERTIFICATE

This is to certify that Shri/Miss/Smti [illegible] [illegible], son/daughter/wife of Shri/Late [illegible] of [illegible] Village under [illegible] Circle, Lohit District, Arunachal pradesh belongs to [illegible] Community which is recognized as Scheduled Tribe in the State of Assam as per the Scheduled Tribe Order 1950.

Certified that Shri/Miss/Smti [illegible] [illegible] and his/her family reside in [illegible] village of Lohit District Union territory of Arunachal pradesh.

No. Lo-[illegible]/80
Dated Tezu, the [illegible] 1988

Sd/-
Judicial Magistrate of the First Class.
LOHIT DISTRICT, TEZU

ওপৰত উল্লিখিত বিভিন্ন ঐতিহাসিক সমলবোৰৰ বিপৰ্যয় ঘটিছে প্ৰধানকৈ আমাৰ সকলোৰে অমনোযোগিতাৰ বাবেহে। ৰাজগড়, বৰসেনাপতিৰ গড়, গোধাবৰ বৰুৱাৰ বাৰী আৰু পুখুৰী ইতিমধ্যে চাহ-বাগিচা কৰ্তৃপক্ষই তহিলং কৰিলে। আমাৰ অনুসন্ধানকালত গুইজানত থকা সৰ্বানন্দ সিংহ আৰু মাটিবৰ সেনাপতিৰ মৈদাম দুটা বৰ কষ্টেৰেহে চিনাক্ত কৰিব পৰা গ'ল। চাৰিওফালে ৰঙাগড়া চাহ-বাগিচা কৰ্তৃপক্ষই চাহগছ ৰুই ৰুই আৰু মাথো ছজোপামান চাহগছ ৰুব পৰা ঠাই এডোখৰ ৰাখিছে। ৰাজ্যিক পুৰাতত্ত্ববিভাগে এনেবোৰ সমলৰ ওপৰত মনকাণ দিয়া উচিত যেন লাগে।

মৰাণ সকল স্বাভাৱিকতে ক্ষুণ্ণ হোৱাৰ আন এটা প্ৰধান কাৰণ হ'ল আমাৰ সাহিত্যিক, বুৰঞ্জীবিদ সকলে তেওঁলোকৰ ৰচনাশৈলীত মৰাণ সম্বন্ধে কিছুমান তুচ্ছ তাচ্ছিল্যমূলক শব্দ ব্যৱহাৰ কৰাটো। এটা সময়লৈকে এই লোক সকলৰ অধিকাংশই অশিক্ষিত হৈ আছিল আৰু তেনেবোৰ কথাৰ কোনো উমান নোপোৱাকৈয়ে গৈছিল। কিন্তু লাহে লাহে শিক্ষিত চামে যেতিয়া সেইবোৰৰ মাজলৈ সোমোৱাৰ সুবিধা পালে তেতিয়া ক্ষুণ্ণ হোৱাটো স্বাভাৱিক। ভূমিপুত্ৰ হৈ কোনোলোকেই এনে অপমান সহ্য কৰিব নোৱাৰে নিশ্চয়। উল্লেখযোগ্য যে যি সকলৰ লেখাত এনে তাচ্ছিল্যমূলক শব্দৰ প্ৰয়োগ হৈছে সেই সকলৰ কোনোজন অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, কোনোজন সংস্কৃতিৰ পূজাৰী, কোনোজন বুৰঞ্জীবিদ, কোনোজন আকৌ নামী অধ্যাপক ইত্যাদি। এই বুদ্ধিজীৱী সকলৰ লেখাই যে বৰ্তমানে কেৱল এটা জনগোষ্ঠীকহে ক্ষুণ্ণ কৰিছে এনে নহয়, এইবোৰৰ জৰিয়তে আমাৰ ভৱিষ্যৎ বংশধৰ সকলো ভুলপথে পৰিচালিত হ'ব। গতিকে অনতিপলমে তেনে লেখাৰ শুধৰণী হোৱাটো সকলোৰে কাম্য। এইক্ষেত্ৰত অসম সাহিত্য সভাৰ গধুৰ দায়িত্ব আছে বুলি ক'ব পাৰি। সদৌ অসম মৰাণ ছাত্ৰ সন্থাই অসম সাহিত্য সভাৰ সভাপতি আৰু সম্পাদকলৈ সেই উপলক্ষ্যে তিনিটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ বিস্তৃতভাবে আগবঢ়ায় এনেদৰে–

প্ৰস্তাৱ নং - ১ঃ নানা জাতি উপজাতিৰ অমূল্য অৱদানেৰে সমৃদ্ধ বৃহত্তৰ অসমীয়া জাতি, ভাষা, কলা-সংস্কৃতি গঢ়ি উঠিছে। এই সংস্কৃতি বাৰেৰহনীয়া কৰাত প্ৰাগঐতিহাসিক যুগৰে পৰা অসমত বাস কৰি অহা মৰাণ সকলৰো যে অৱদান আছে তাক কোনেও অস্বীকাৰ কৰিব নোৱাৰে। কিন্তু অসমৰ আদিমবাসী, নিজস্ব কলা-সংস্কৃতি, নিজস্ব ভাষা (আজিও কিছুমান শব্দ প্ৰচলিত), ধৰ্মীয় ৰীতি নীতি থকা, এসময়ত অসমৰ ৰজা ঘৰৰ অন্যায় অত্যাচাৰ আৰু অকৰ্মণ্য ৰজা-ৰাণী তথা বিষয়াৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ কৰি বিপ্লৱ কৰা মৰাণ সমাজৰ বিষয়ে আজিলৈকে কোনো ধৰণৰ কিতাপ-পত্ৰ অসম সাহিত্য সভাই প্ৰকাশ কৰা নাই। গতিকে সদৌ অসম মৰাণ ছাত্ৰ সন্থাই জনাওঁ যে অসম সাহিত্য সভাই – অতীততে অকৰ্মণ্য বুৰঞ্জী লেখক সকলে ৰজা ঘৰৰ পক্ষৰ হৈ লিখা বুৰঞ্জীবোৰকে বুকুত সাবটি নাথাকি নিৰপেক্ষ ভাবে সকলো দিশ সামৰি প্ৰকৃত সত্যৰ ওপৰত প্ৰতিষ্ঠিত বুৰঞ্জী ৰচনা কৰিব লাগে। লগতে দিনকদিনে হেৰাই যাব খোজা অসমীয়া সংস্কৃতিৰ অংগ মৰাণ কলা-সংস্কৃতিক সংৰক্ষণ আৰু পোহৰলৈ আনিবৰ বাবে বিভিন্ন দিশ সামৰি আন এখন গ্ৰন্থ ৰচনা কৰিব লাগে।

প্ৰস্তাৱ নং - ২ঃ ১২২৮ খৃঃত পাটকাই পৰ্বত পাৰ হৈ চুকাফাই অসমলৈ আহিয়েই মৰাণ বৰাহী সকলক লগ পাইছিল। সেই সময়ত মৰাণ সকলে কি ভাষাৰে কথাবতৰা হৈছিল? নিশ্চয় তেওঁলোকৰ এটা সুকীয়া ভাষা আছিল, যিটো ভাষাৰে মতৰ বিনিময় হৈছিল। মৰাণ সকলে ব্যৱহাৰ কৰা সেই ভাষাই অসমীয়া ভাষা সৃষ্টি হোৱাত সহায় কৰা নাছিলনে? অসমীয়া ভাষা সৃষ্টি হোৱাত প্ৰধান ভূমিকা গ্ৰহণ কৰাত মৰাণ ভাষা আজি আৰু নাই। ই অসমীয়া ভাষাৰ লগত বিলীণ হৈ গ'ল যদিও মৰাণ সকলৰ মুখে মুখে আজিও বহু শব্দ শুনিবলৈ পোৱা যায়। এই শব্দ সমূহে অসমীয়া ভাষাৰ ভঁৰাল চহকী কৰিব যদিহে ইয়াক সংগ্ৰহ কৰি অসমীয়া শব্দ বুলি স্বীকৃতি দিয়াৰ লগতে অসমীয়া অভিধানত লিপিবদ্ধ কৰা হয়। গতিকে অসমীয়া ভাষা জননীক বিশ্বৰ দৰবাৰলৈ নিবৰ বাবে চেষ্টা চলাই থকা অসম সাহিত্য সভাই উক্ত শব্দ সমূহ সংগ্ৰহ কৰি অসমীয়া অভিধানত লিপিবদ্ধ কৰিব লাগে।

প্ৰস্তাৱ নং - ৩ঃ অসমীয়া জাতি, ভাষা, সাহিত্য তথা কলা-সংস্কৃতিৰ সেৱা কৰিবলৈ গৈ খ্যাত, অখ্যাত কবি, সাহিত্যিক সকলে আত্মাভিমান, অনভিজ্ঞতা, বা পূৰ্বৰ স্বৈৰতন্ত্ৰী ৰাজফৈদৰ পদলেহন তথা তোষামোদ কৰি ভালৰি বোলোৱাৰ স্বভাৱৰ বশবৰ্তী হৈ মৰাণৰ পৰিচয় কিম্বা অন্যান্য প্ৰসংগত জাতিটোক তাচ্ছিল্য কৰি সমাজৰ চকুত হেয় প্ৰতিপন্ন কৰিবলৈ যোৱাটো কেৱল মৰাণ সকলৰ ওপৰত চলোৱা পদাঘাতমূলক অত্যাচাৰ নহয়; তেনে কাৰ্যই অসমীয়া সংস্কৃতিক ৰিকৃত কৰাৰ লগতে বিশ্বৰ মানৱ সভ্যতাকো অৱমাননা কৰিছে।

গতিকে মৰাণ সকলক/সমাজক তাচ্ছিল্যসূচক শব্দৰে হেয় প্ৰতিপন্ন কৰিবলৈ বিচৰা এই সকলোবোৰ লেখা বাজেয়াপ্ত কৰিব লাগে, যেতিয়ালৈকে এই শব্দ সমূহ আঁতৰাই নতুনকৈ সংস্কৰণ কৰা নহয়। সময়ে সময়ে অসমীয়া ভাষাৰ কবি সাহিত্যিক সকলে কৰি অহা তাচ্ছিল্যসূচক শব্দ সমূহৰ এখন তালিকা দফা অনুসৰি তলত দিয়া হ'লঃ

*১ নং দফাঃ*– হেমচন্দ্ৰ বৰুৱাৰ হেমকোষ অভিধানৰ ৭৯৪ পৃঃত মৰাণ শব্দৰ অৰ্থ লিখিবলৈ গৈ কৈছে – 'গৌৰীনাথ সিংহৰ দিনত মটক মোৱামৰীয়া মানুহে বৰ নিষ্ঠুৰ ৰূপে বিস্তৰ মানুহ মাৰিলে; সেই কাৰণে ইহঁতৰ নাম মৰাণ হয়; অৰ্থাৎ মৰাণ এটা নিষ্ঠুৰ মানুহ; A tribe in Assam said to be very cruel hence it comes to mean cruel. আকৌ ৭৮৩ পৃঃত মটক শব্দৰ অৰ্থ হৈছে, মোৱামৰীয়া, মৰাণ অসম প্ৰদেশৰ এজাতি হিন্দু ধৰ্মলোৱা অধিবাসী মানুহ; মোৱামৰীয়া মহন্তক ফুলেশ্বৰী কুঁৱৰীয়ে অপমান কৰাত তাৰ প্ৰতিশোধ ল'বৰ নিমিত্তে সিহঁত লক্ষ্মীনাথ সিংহ আৰু গৌৰীনাথ ৰজাৰ দিনত বিদ্ৰোহী হৈ নিষ্ঠুৰৰূপে অনেক মানুহক বধ কৰিলে; এতেকে মটক, মোৱামৰীয়া বা মৰাণ শব্দে বৰ নিষ্ঠুৰ মানুহক বুজায়।

*২য় দফাঃ*– লক্ষ্মীনাথ বেজবৰুৱাৰ – 'বীণ বৰাগী' কবিতাত লিখিছে–

'যদিহে গাইছ
.... .... .... ....
কেনেকৈ মৰাণে
অসম ধ্বংসিলে'

নিৰপেক্ষ ইতিহাসে সদায় স্বীকাৰ কৰিব মৰাণে কেতিয়াও অসম ধ্বংস কৰা নাই।

*৩য় দফাঃ* – ৰজনীকান্ত বৰদলৈদেৱে তেখেতৰ উপন্যাস 'মনোমতী'ৰ ৫৭ পৃঃত এনেদৰে লিখিছে – 'অসমৰ সাধাৰণ প্ৰজাবৰ্গকো মান মৰাণৰ হাতত থেকেছা খোৱাই জুৰুলা কৰালে।'

মানে অসম ধ্বংস কৰা কথা সঁচা কিন্তু মৰাণে অসম ধ্বংস কৰা নাছিল।

*৪ৰ্থ দফাঃ*– শশীকান্ত শৰ্মাদেৱে 'পণ্ডিত হেমচন্দ্ৰ গোস্বামী'ৰ ১৪৯ পৃঃত লিখিছে – 'মহাভাৰত, ৰামায়ণৰ দিনৰ পৰা মৰাণৰ অত্যাচাৰৰ আৰম্ভলৈকে.......।' মৰাণে কাকো অত্যাচাৰ কৰা নাছিল।

*৫ম দফাঃ*– ডঃ লক্ষ্মীদেৱীয়ে তেওঁৰ 'অসম দেশৰ বুৰঞ্জী' পুথিত ৩০৪ পৃঃত আৰু লক্ষ্মীনাথ বেজবৰুৱাদেৱে তেখেতৰ 'মিলাৰামৰ আত্মজীৱনী' নামৰ চুটি গল্পত মৰাণ আৰু মোৱামৰীয়া শব্দৰ লগত নীচাত্মক 'হঁত' প্ৰত্যয় ব্যৱহাৰ কৰিছে। স্বাধীন জাতিৰ প্ৰতি কৰা ই এটা নিৰ্মম উপহাস।

*৬ষ্ঠ দফাঃ*– 'প্ৰকাশ' আলোচনীত ১৯৮৩ চনৰ নৱেম্বৰ মাহৰ অৰুণোদয় সংখ্যাৰ ১৩ নং পৃষ্ঠাত অতুলচন্দ্ৰ হাজৰিকাদেৱে 'অৰুণোদয়ৰ আহিলা' শীৰ্ষক আলোচনাত লিখিছে– '.....মান-মৰাণৰ দেওপাৰণিত দেশখন লাং লাং ঠাং ঠাং হৈ পৰিছিল।' এই দেওপাৰণি অসমত ক্ষমতা প্ৰতিষ্ঠা, হিংসা প্ৰতিফলন বা জনসাধাৰণক হাৰাশাস্তি কৰিবৰ বাবে নাছিল। মৰাণে দেশত ন্যায় আৰু শান্তি প্ৰতিষ্ঠাৰ বাবে, জনসাধাৰণে প্ৰাপ্য অধিকাৰ সাব্যস্ত কৰিবৰ বাবে অকৰ্মণ্য ৰজা-ৰাণী আৰু ৰাজ বিষয়াই প্ৰজাৰ ওপৰত কৰা অন্যায় অত্যাচাৰ উৎপীড়নৰ বিৰুদ্ধে কৰা সন্মুখ সংগ্ৰাম।

*৭ম দফাঃ*– ডঃ লীলা গগৈয়ে তেখেতৰ – (ক) 'সাহিত্যঃ দুটিমান আলোচনা' পুথিৰ 'আহোম যুগৰ অসমীয়া সাহিত্য' প্ৰবন্ধত (পৃঃ ৪৩) লিখিছে – 'মান-মৰাণৰ উৎপাত ......কিমান গ্ৰন্থ নিশ্চিহ্ন কৰিলে তাৰ হিচাপ নাই।'

(খ) প্ৰকাশ আলোচনীৰ ১৯৮৩ চনৰ নৱেম্বৰ মাহৰ অৰুণোদয় সংখ্যাৰ 'অসমৰ আৰ্থসামাজিক পটভূমিত মিছনেৰী আৰু অৰুণোদয়' আলোচনাত মৰাণৰ জাতিসত্তাক অৱমাননা কৰি জগৰীয়া সাব্যস্ত কৰিবলৈ অপচেষ্টা কৰি পুনৰ লিখিছে– '......মান মৰাণৰ উৎপাতত জুৰুলা হোৱা অসমীয়া প্ৰজাক চেপি খুন্দি কৰ কাটল আদায় কৰাত স্থানীয় বিষয়া সকল বিফল হৈছিল।'

*৮ম দফাঃ*– ডঃ চন্দ্ৰ কটকীয়ে এঠাইত লিখিছে – '......যি মান-মৰাণৰ আক্ৰমণে অসমীয়া জাতিক শেষ কৰিব নোৱাৰিলে......।' প্ৰশ্ন হয় – মৰাণসকল অসমীয়া নহয় নেকি?

*নৱম দফাঃ*– অসম সাহিত্য সভাৰ বিহপুৰীয়া অধিবেশনৰ স্মৃতি গ্ৰন্থত জনৈক চৌধাৰীৰ এটি লেখাত (পৃঃ ১৭৪) খাটাং সিদ্ধান্ত দিছে – 'অসম বুৰঞ্জীত

মোৱামৰীয়া বিদ্রোহ কেইবাটিও দিশৰ পৰা এক কলংকিত অধ্যায়।' আমি ভাবো মোৱামৰীয়া বিদ্রোহ অসমৰ প্ৰথম ৰজা ঘৰৰ অন্যায়, অত্যাচাৰৰ বিৰুদ্ধে হোৱা বিপ্লৱ।

যোৱা ২৭-১১-৮৮ তাৰিখে অসম সাহিত্য সভাক প্ৰদান কৰা এই প্ৰস্তাৱ সমূহৰ ওপৰত কিবা বিশেষ ব্যৱস্থা লোৱাৰ কথা আজি পৰ্যন্ত জানিব পৰা নগ'ল। সদৌ অসম মৰাণ ছাত্ৰ সন্থাই স্পষ্ট ভাবেই উল্লেখ কৰিছে যে – ১নং দফাৰ পৰা ৯নং দফালৈকে উল্লিখিত বিষয় সমূহৰ লগতে অন্যান্য জ্ঞাত-অজ্ঞাত যি কোনো পৰ্যায়ৰ কবি, সাহিত্যিক, সমালোচক, বুৰঞ্জীবিদ, সাংবাদিক আদি সকলোৱে মৰাণ জাতিৰ সম্পৰ্কত দাঙি ধৰা বিকৃত উক্তি, কু-মন্তব্য সমূহ নিৰপেক্ষ দৃষ্টিভংগীৰে পুংখানুপুংখ ৰূপে পৰ্যালোচনা কৰি জ্ঞাত বা অজ্ঞাত ভাবে কৰি থোৱা ভুলেৰে লিখা লেখ সমূহ বাজেয়াপ্ত কৰি পুনৰ সংস্কৰণ নকৰা পৰ্যন্ত প্ৰচাৰ বন্ধ ৰখাৰ লগতে জীৱিত ব্যক্তি সকলক ভৱিষ্যতে তেনে ভুল নকৰিবলৈ সতৰ্ক কৰি দিবলৈ অসম সাহিত্য সভাৰ ওচৰত সদৌ অসম মৰাণ ছাত্ৰ সন্থাৰ তৰফৰ পৰা দাবী জনোৱা হ'ল। আমি আশা ৰাখিছো বৃহৎ অসমীয়া সংস্কৃতিৰ বিকাশ আৰু ৰক্ষাৰ্থে সদায় প্ৰচেষ্টা চলাই অহা অসমীয়াৰ জাতীয় সংগঠন অসম সাহিত্য সভাই দাবী সমূহ পূৰণ কৰি এই অৱহেলিত নিষ্পেষিত, লাঞ্ছিত অতি পিছপৰা জাতিটোক নিৰাপত্তা দিয়াৰ লগতে বৃহত্তৰ অসমীয়া জাতিক সুস্থ সবল কৰি তুলিব।

অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক, শিক্ষা দীক্ষা আদি সকলো ক্ষেত্ৰতে যে তেওঁলোক বহুত পিছপৰা তাক ইয়াৰ লগত দিয়া তালিকাখন চালেই ওলাই পৰে। বৰ্তমান মৰাণ সকল অতি পিছপৰা (M.O.B.C) শ্ৰেণীত অন্তৰ্ভুক্ত। আচলতে তেওঁলোক বহুকেইটা পিছপৰা জনজাতিতকৈও অধিক পিছপৰা। এই পিছপৰা অৱস্থাৰ পৰা উদ্ধাৰ পাবলৈ তেওঁলোকে যে কোনো চেষ্টা চলোৱা নাই এনে নহয়। কিন্তু কোনো এখন চৰকাৰেই সেই সম্পৰ্কে আজিলৈকে মনকাণ নিদিয়াটো দুৰ্ভাগ্যজনক। ১৯৭১ চনত অসম মৰাণ সভাই প্ৰয়াত প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীৰ হাতত দিয়া এখন স্মাৰক পত্ৰত উল্লেখ কৰিছে –'আমি আচলতে জনজাতিৰ তালিকাৰ অন্তৰ্ভুক্ত হ'ম বুলি ভাবিছিলো। ১৯৩৫ চনত চাইমন কমিচনে যেতিয়া জনজাতিৰ তালিকাৰ বাবে জৰীপ কাৰ্য চলাইছিল তেতিয়া তাত আমাৰ এজনো প্ৰতিনিধি নাছিল। এয়ে আমাৰ দুৰ্ভাগ্য।

### তালিকা – ৩

**বৰ্তমান মৰাণ সকলৰ অৱস্থাৰ ওপৰত বিশেষ তথ্য**

| | |
|---|---|
| ১। নিয়মিত ভাবে কানি সেৱনকাৰীৰ সংখ্যা | 8000 জন (প্ৰায়) |
| ২। প্ৰাদেশিকীকৰণ হোৱা হাইস্কুল আৰু হায়াৰ চেকেণ্ডাৰী স্কুলৰ প্ৰধান শিক্ষক/অধ্যক্ষকে ধৰি মুঠ গেজেটেড বিষয়া/চৰকাৰী বিষয়া | – ৪ জন |
| ৩। বৰ্তমানলৈকে লোক সভাৰ সদস্য | – নাই |
| ৪। বৰ্তমানলৈকে বিধান সভাৰ সদস্য | – নাই |
| ৫। বৰ্তমানলৈকে ৰাজ্য সভাৰ সদস্য | – নাই |
| ৬। ডাক্তৰ আৰু ইঞ্জিনিয়াৰ | – নাই |
| ৭। ডাক্তৰ/ইঞ্জিনিয়াৰ পঢ়ি থকা ছাত্ৰ | – নাই |
| ৮। স্নাতকোত্তৰ ডিগ্ৰীধাৰী | – ৮ জন |
| ৯। স্নাতক ডিগ্ৰীধাৰী (স্নাতকোত্তৰ বাদ দি) | – ৩৫ জন |
| ১০। কলেজত পঢ়ি থকা ছাত্ৰছাত্ৰী | – ৯৫-১00 জন |
| স্নাতকোত্তৰ মহলাত পঢ়ি থকা ছাত্ৰ | – ৫ জন |
| ১২। চাকৰিয়াল– | |
| ক। দৰমহা মাহে ৫00-১000 টকা | – ২৫ |
| খ। দৰমহা মাহে ১000-১৫00 টকা | – ১২৫ |
| গ। দৰমহা মাহে ১৫00-২000 টকা | – ৫0 |
| ঘ। দৰমহা মাহে ২000 টকাৰ ওপৰত | – ১৫ |
| [চৰকাৰী, বেচৰকাৰী, ব্যক্তিগত খণ্ডৰ উদ্যোগ প্ৰতিষ্ঠান আদিৰ পৰা সংগৃহীত] | |
| ১৩। ভূমিহীন কৃষক | – ২0% |
| ১৪। দিন হাজিৰা কৰা শ্ৰমিক | – ১৫% |
| ১৫। কৃষক (মাটি থকা)– | |
| ক। ১0 বিঘা পৰ্যন্ত থকা | –২0% |
| খ। ১0-১৫ বিঘা পৰ্যন্ত থকা | – ১৫% |
| গ। ১৫-২0 বিঘা পৰ্যন্ত থকা | – ১0% |
| ঘ। ২0-৩0 বিঘা পৰ্যন্ত থকা | – ৮% |
| ঙ। ৩0 বিঘাতকৈ বেছি থকা | – ৫% |
| চ। জুম খেতিৰ ওপৰত নিৰ্ভৰশীল | –৪% |
| ছ। বনাঞ্চলৰ ওপৰত বৰ্তি থকা | – ২% |
| জ। ব্যৱসায়ী | – ১% |

[১৯৮৯ চনত জৰীপৰ যোগেদি পোৱা এই তথ্য সমূহ অসম মৰাণ সভাৰ সৌজন্যত]

কিন্তু অনুসূচীত জনজাতিত অন্তৰ্ভুক্তিৰ বাবে যিখিনি বৈশিষ্ট্য লাগে সেই সকলোখিনিয়েই আমাৰ আছে। প্ৰতিখন চৰকাৰৰ ওচৰতে এই লোক সকলে এই দাবী উত্থাপন কৰি আহিছে। ১৯৮৮ চনৰ আগষ্ট মাহত অসম গণ পৰিষদ চৰকাৰকো বিস্তৃত তথ্য পাতিৰে উক্ত দাবীৰে স্মাৰকপত্ৰ আদি দিছিল। কিন্তু দুখৰ বিষয় চৰকাৰে তেওঁলোকৰ দাবীৰ/সমস্যাৰাজিৰ ওপৰত আওকণীয়া মনোভাবহে পোষণ কৰিলে।

জনজাতিৰ তালিকাত অন্তৰ্ভুক্তি প্ৰসংগত আন এটা বিষয়ৰ ওপৰত আলোকপাত কৰাৰ প্ৰয়োজন আছে। অৰুণাচল প্ৰদেশৰ লোহিত জিলাত অসমৰ গাতে লাগি থকা তিনিখন গাঁৱত প্ৰায় চাৰে চাৰি হাজাৰ মৰাণ লোকে বাস কৰে। উল্লেখযোগ্য যে এই লোকসকল জনজাতিৰ অন্তৰ্ভুক্ত। আমাৰ অনুসন্ধান কালত সেই লোকসকলে জনজাতি সম্পৰ্কীয় প্ৰমাণ পত্ৰ আদি আমাক দেখুৱালে আৰু তেনে এখন প্ৰমাণপত্ৰৰ নমুনা ইয়াত দিয়া হৈছে। চকুৰ আগতে এটা অংশই চৰকাৰৰ সকলো সা-সুবিধা ভোগ কৰিছে আৰু আনটো অংশক বঞ্চনাৰ জুইত জ্বলিবলৈ দিয়া হৈছে। এনে বৈষম্য গণতন্ত্ৰৰ পৰিপন্থী। এনেবোৰ কাৰণতে ১৯৭১ চনতে অসম মৰাণ সভাই ইন্দিৰা গান্ধীক আঠোটা দাবী সম্বলিত এখন স্মাৰকপত্ৰ দি সেইবোৰ শীঘ্ৰে পূৰণ কৰিবৰ বাবে টানি অনুৰোধ জনাইছিল। যদিহে পূৰণ কৰিব নোৱাৰে তেন্তে সেই আঠোটা দাবীৰ বিপৰীতে এটা মাথো দাবী কৰিছিল –'আমাক নেফাৰ (NEFA) লগত চামিল কৰক।' এনে মনোভাবৰ বাহ্যিক প্ৰতিক্ৰিয়াই যাতে অদূৰ ভৱিষ্যতে ভয়ংকৰ ৰূপ লব নোৱাৰে তাৰ বাবে অসম চৰকাৰ আগবাঢ়ি অহাটো নিতান্তই প্ৰয়োজন হৈ পৰিছে।

সমগ্ৰ ভাৰতবৰ্ষৰ ভিতৰত অসমেই একমাত্ৰ ৰাজ্য য'ত নেকি বিভিন্ন জনগোষ্ঠীৰ লোকৰ উম্চাহাৰত সমাবেশ ঘটিছে। অসমৰ সামগ্ৰিক উন্নতিৰ ক্ষেত্ৰত প্ৰতিটো থলুৱা জনগোষ্ঠীৰ উন্নতি অপৰিহাৰ্য। কোনোবা এটাৰ অনুন্নত অৱস্থাই গোটেই জাতিটোকে বিকলাংগ কৰি তুলিব। গতিকে আমাৰ জাতীয় সত্তাক সবল কৰি তুলিবলৈ, সংস্কৃতিৰ ভঁৰালটো টনকিয়াল কৰিবলৈ আজি আমাৰ প্ৰধান বিষয় হিচাপে আহি পৰিছে প্ৰতিটো জনগোষ্ঠীৰে বাস্তৱিক উন্নতি। কোনো জনগোষ্ঠীক জনজাতিৰ তালিকাত পেলাই পিছ পৰাৰ প্ৰতিযোগিতাত নমাৰ আমি পক্ষপাতী নহয়; কিন্তু এটা জনগোষ্ঠী তথা জাতিটোৰ সামূহিক উন্নতিৰ ক্ষেত্ৰত প্ৰয়োজন হলে এখোজ পিছুৱাই হলেও নতুনকৈ বাহুত বল নিশ্চয় বান্ধিব লাগিব। সূ




"ৰক্তপাত হয়, একমাত্ৰ সেইটোহে বেয়া কথা। নহ'লে প্ৰায় এই বুলি ক'বলৈকে মন যায় যে সন্ত্ৰাসবাদ আচলতে এটা ভাল বস্তু।"

*–কেন গ্লাছ*
(বিবিচি অনাতাঁৰ কথিকা, ৯ আগষ্ট, ১৯৮১)

◆

"প্ৰায় সকলো অপৰাধৰ মূলতে হ'ল নান্দনিক প্ৰকাশৰ অবদমিত বাসনা।"

*– ঈভলিন ওৱাও*
(ব্ৰিটিছ লেখক)

◆

"নিজৰ ভীৰুতাক ঢাকিবলৈ অহিংসা-বাদী হোৱাতকৈ হৃদয়ত হিংসা-বৃত্তি থাকিলে হিংসা অবলম্বন কৰাই বেছি ভাল।"

*–মহাত্মা গান্ধী*

◆

"ইতিহাসৰ তিক্ততম শিকনিবোৰৰ ভিতৰত এটা হ'ল এই যে স্বাধীনতা সকলো সময়তে জয়ী হবই এনে কোনো কথা নাই।"

*–এ জে পি টেইলৰ*
(ব্ৰিটিছ ঐতিহাসিক)



# সন্ত্ৰাসবাদ আৰু অপৰাধ-প্ৰবণতা

কেইদিনমানৰ আগতে মুখ্য মন্ত্ৰীয়ে গুৱাহাটীৰ সম্পাদকসকলক এক জৰুৰী বিষয়ৰ আলোচনাৰ কাৰণে নিমন্ত্ৰণ কৰিছিল। মুখ্য আলোচনাৰ বিষয় আছিল আল্‌ফাই অপহৰণ কৰি নিয়া পণবন্দী কেইজনৰ মুক্তি। কিন্তু প্ৰসংগক্ৰমে সন্ত্ৰাসবাদৰ লগত জড়িত অন্যান্য বহুতো কথাও স্বাভাৱিকতেই আলোচনাৰ মাজলৈ আহি পৰিছিল। আজিকালি ভাৰতত সন্ত্ৰাসবাদ আৰু বিচ্ছিন্নতাবাদৰ বিষয়ে আলোচনা হ'লেই কাশ্মীৰ, পাঞ্জাৱ আৰু অসমৰ নাম একেলগে উচ্চাৰিত হয়। সেইদিনাও হৈছিল। বৈঠকত উপস্থিত কোনো কোনো সম্পাদকে কাশ্মীৰ আৰু পাঞ্জাৱৰ উগ্ৰপন্থীসকলৰ লগত অসমৰ উগ্ৰপন্থীসকলৰ এটা মৌলিক পাৰ্থক্য থকা বুলি প্ৰমাণ কৰিবলৈ চেষ্টা কৰিছিল। তেওঁলোকে ক'ব খুজিছিল যে কাশ্মীৰ আৰু পাঞ্জাৱৰ উগ্ৰপন্থীসকলৰ প্ৰতি স্থানীয় মানুহৰ কোনো নৈতিক সমৰ্থন নাই; কিন্তু অসমৰ উগ্ৰপন্থীসকলৰ প্ৰতি অসমৰ এক বৃজন সংখ্যক মানুহৰ উষ্ণ সমৰ্থন থকা যেন অনুভৱ হয়। এই কথা শুনি এজন বিশিষ্ট সম্পাদকে মন্তব্য কৰিলে– 'কাশ্মীৰ আৰু পাঞ্জাৱৰ উগ্ৰপন্থীসকলৰ লগত অসমৰ উগ্ৰপন্থীসকলৰ নানা বিষয়ত কিবা পাৰ্থক্য থাকিবও পাৰে; কিন্তু এটা ক্ষেত্ৰত তেওঁলোকৰ মাজত কোনো পাৰ্থক্য মই দেখা নাপাওঁ। এই তিনিওখন ৰাজ্যৰে উগ্ৰপন্থীসকলৰ এটা বৃহৎ অংশই হ'ল সমাজ-বিৰোধী আৰু অপৰাধ-প্ৰৱণ দুষ্কৃতিকাৰী– যিসকলে বিপ্লৱীৰ মুখা পিন্ধি আচলতে নিজৰ জিঘাংসা চৰিতাৰ্থ কৰে।'

সন্ত্ৰাসবাদৰ ইতিহাস প্ৰায় দুশবছৰ পুৰণি যদিও বৰ্তমান শতিকাতহে ই এটা জ্বলন্ত আন্তৰ্জাতিক সমস্যা হৈ দেখা দিছে। বৰ্তমান কালত পৃথিৱীত এনে এখন দেশ নাই– যিখন দেশ সন্ত্ৰাসবাদৰ সমস্যাৰ পৰা মুক্ত। সন্ত্ৰাসবাদ আধুনিক বিশ্বৰ এটা প্ৰধান সমস্যা হৈ পৰাৰ কাৰণে যোৱা কুৰি বছৰমানৰ ভিতৰত সন্ত্ৰাসবাদৰ বিষয়ে ব্যাপক চিন্তা-চৰ্চা আৰু গৱেষণা হব ধৰিছে। আৰু সেই বিষয়ে হাজাৰ হাজাৰ কিতাপো লিখা হৈছে। সন্ত্ৰাসবাদৰ বিষয়ে যিসকল পণ্ডিতে প্ৰণালীবদ্ধ ভাবে গৱেষণা কৰিছে তেওঁলোকৰ অধ্যয়নৰ এটা প্ৰধান বিষয় হ'ল সন্ত্ৰাসবাদীসকলৰ মনস্তত্ব। বঙালী কবি জীবনানন্দ দাশে কৈছিল– 'কোনো কোনো মানুহহে কবি; সকলোৱেই কবি হব নোৱাৰে।' ঠিক সেই একে সুৰতে ক'ব পাৰি যে কোনো কোনো মানুহহে সন্ত্ৰাসবাদী; সকলোৱেই সন্ত্ৰাসবাদী হব নোৱাৰে। সন্ত্ৰাসবাদী হবৰ কাৰণে এক বিশেষ ধৰণৰ মানসিকতাৰ প্ৰয়োজন হয়, কাৰণ কোনো এটা বিশেষ উদ্দেশ্য সাধনৰ কাৰণে সন্ত্ৰাসবাদীয়ে নিৰপৰাধী মানুহকো পণবন্দী ৰাখিবলৈ বা হত্যা কৰিবলৈ কুণ্ঠাবোধ নকৰে। অৱশ্যে সন্ত্ৰাসবাদী বিপ্লৱী মাত্ৰেই যে ৰক্তলোলুপ নৰ-পিশাচ এনে কথা কেতিয়াও হব নোৱাৰে। মানৱ সভ্যতাৰ ইতিহাস এক প্ৰকাৰে অবিৰাম যুদ্ধ-বিগ্ৰহ আৰু হিংসাৰ ইতিহাস। গতিকে হিংসাৰ আশ্ৰয় লোৱা মানুহ মাত্ৰেই নৰ-পিশাচ বুলি গণ্য হব নোৱাৰে। বাধ্যত পৰি বা যুগ-প্ৰভাৱত সন্ত্ৰাসবাদৰ আশ্ৰয় লোৱা মানুহো মহৎ আদৰ্শৰ দ্বাৰা উদ্বুদ্ধ হব পাৰে। ঊনৈশ শতিকাৰ ৰাচিয়ান নিহিলিষ্ট সকলৰ ভিতৰত অন্ততঃ এমুঠিমান মানুহ আৰু ভাৰতৰ মুক্তি সংগ্ৰামৰ আদি যুগৰ বিপ্লৱীসকল ঠিক এনে ধৰণৰ আদৰ্শবাদী আছিল। এতিয়াও তেনেকুৱা আদৰ্শবাদী সন্ত্ৰাসবাদী থাকিব পাৰে। কিন্তু এটা কথা ঠিক যে যিবোৰ মানুহ স্বাভাৱিকতে অপৰাধ-প্ৰৱণ, নিষ্ঠুৰ আৰু ছেদিষ্ট্ (sadist) অৰ্থাৎ ধৰ্ষকামী– তেনেবোৰ মানুহ অতি সহজে হিংসা আৰু সন্ত্ৰাসবাদৰ দ্বাৰা আকৃষ্ট হয়। কোনো আদৰ্শৰ তাড়না নাথাকিলেও তেনেবোৰ মানুহে কেৱল নিজৰ জিঘাংসা তথা ছেদিষ্ট্ বাসনা চৰিতাৰ্থ কৰিবৰ কাৰণেই সন্ত্ৰাসবাদী গুপ্ত সংগঠনত যোগ দিয়ে আৰু অৱশেষত এইবোৰ মানুহেই তেনে সংগঠনৰ ধ্বংসৰ কাৰণ হয়। এই ছেডিষ্ট্সকলৰ মাজত বহুতৰে সাহিত্য আৰু সংগীতৰ প্ৰতি প্ৰবল অনুৰাগ দেখা যায়। তাকে দেখি কোনো আবেগ-প্ৰৱণ মানুহ বিস্ময়ত অভিভূত হৈ পৰে। তেওঁলোকে হয়তো ভাবে– যিবোৰ মানুহে চকুৰ পলক এটা নেপেলোৱাকৈ নিৰপৰাধী মানুহক নিৰ্মম ভাবে হত্যা কৰিব পাৰে, তেওঁলোকেই আকৌ কেনেকৈ সংগীতৰ মধুৰ মূৰ্ছনাত আত্মহাৰা হব পাৰে? কিন্তু এইবোৰ মানুহে বোধহয় নাজানে যে হিটলাৰৰ জাৰ্মানীত নাজী নৰ-ৰাক্ষসবোৰে দিনত গেছ চেম্বাৰত হাজাৰ হাজাৰ ইহুদীক নিৰ্মমভাবে হত্যা কৰি ৰাতি ঘৰলৈ ঘূৰি আহি জীৱন ধন্য কৰিছিল বাখ্ আৰু বীথোফেনৰ সংগীত-সুধা পান কৰি।

লেনিনে এদিন মুহূৰ্তৰ কাৰণে নিজৰ ওপৰত নিয়ন্ত্ৰণ হেৰুৱাই পেলাই কেইজনমান সহকৰ্মীক কৈছিল– 'বলছেভিক সকলৰ ভিতৰত শতকৰা এজন মাত্ৰ আচল বলছেভিক। বাকী ঊনচল্লিশজন সমাজ বিৰোধী অপৰাধী আৰু ষাঠিজনেই হ'ল জধামূৰ্খ।'

## এটা সপোনৰ শেষত

সৌৰভ শইকীয়া

বগৰী আৰু কিন্‌কিনীয়া বৰষুণত তিতি আছিল দিনবোৰ।

এদিন দেউতাই ক'লে ৰংঘৰলৈ নাযাবি
এদিন আইতাই ক'লে জুই আনিবলৈ নাযাবি
এদিন সমনীয়াই ক'লে
পৃথিৱীৰ সকলো নদী আৰু গাঁৱৰ শোকগাঁথাই
পগলা কৰিব তোক
পিছে একেই থাকিল মেঘ সাদিন সাত নিশাৰ বাটঘৰীয়া তৰা
বৰষুণ আছিল জাপি নাছিল
চেনেহ আছিল কথা নাছিল
হিজল এজাৰ তলৰ পিছল বাট
এইপিনে স্বৰ্গদেউ নাহে মৃগয়াৰ পৰা; পদুমীৰ গা-ধোৱা ঘাট

তাৰ পিছত

তহঁতৰ হাতবোৰে আমাৰ হাতবোৰ কাটি নিলে
মাতবোৰে মাতবোৰ কাঢ়ি নিলে
তেজৰ তলত ৰঙানৈয়ে মাছবোৰ লুকুৱাই থলে
কোমল মাটিৰ সাধু আৰু জোনাকৰ শবোৰ কঢ়িয়াই
উজাই গৈ থাকিলো
উজাই গৈ থাকিলো
খঙাল উঁকি এটাই মাথাউৰিটো ছিঙি পেলোৱা দেখিলো
সাতশ গঞা গাঁও এৰি ক'ৰবালৈ লৰ মৰা দেখিলো
লাওখোলা আৰু পৰুৱাই পোৰা দলনিত
এই যে হ'লোহি থিয় আৰু উভতি যোৱা নাই

কুঁৱলি আৰু তেজলগা ধোঁৱাই
নিচুকাই আছিল দিনবোৰ। □

## উদ্ভণ্ড আক্ৰোশত

প্ৰিয়ম্বদা দাস

উদ্ভণ্ড আক্ৰোশত চিৰাচিৰ হয়
সাতামপুৰুষীয়া আমাৰ সহোদৰ প্ৰেম।
আৰু নৃশংসতা।
নৃশংসতাৰে কাহানিও গঢ়া নহয় দেশ।
আত্মজাহী বন্দুকৰ গুলিয়ে মাথো
চিৰাচিৰ কৰে
হৃদয় আৰু হৃদয়।
হত্যাৰ বাবেই লাগে হেনো গণতন্ত্ৰ;
আৰু আনৰ মুখত হাত থৈ
নিজে মাথো ক'ব বিচাৰে এওঁলোকে
নহওঁ একমত আমি এওঁলোকৰ স'তে
তেহেলৈ হওঁৱেই বা আমি দেশদ্ৰোহী।
হে সীহৰ বুলেট বুকু পাতি লোৱা
বন্ধু!
তোমাৰ সাহসৰ অন্ত নাই
কিন্তু ভ্ৰষ্ট পথ ভ্ৰষ্ট সময়
আৰু ভ্ৰষ্ট তোমাৰ পণ;
ভাতৃৰ তেজেৰে যুঁজে জানো সময়ৰ ৰণ?
আবেগ উচ্ছলতাত উটি ভাহি ফুৰে
ধৃতৰাষ্ট্ৰ গণ।
তথাপি থিৰেৰে আছো আমি,
খোপনি আমাৰ
সোঁতৰ বিপৰীতে যুঁজাৰ,
য'ত দৃঢ় দুহাতেৰে ইতিহাসৰ পাত খিলা
আমিয়েই লুটিয়াই যাওঁ। □

## জলমগ্ন

হৰেন গগৈ

সিপাৰত এন্ধাৰৰ দীঘল সাজ ভাঙি কোবাই আছে
এজাক নৈপৰীয়া বতাহ
ফৰকালত নিমিষতে উজান দিয়ে দলং ভঙাৰ সজীৱ উশাহ
পোনাই থলো সেউজীয়া হাতৰ আপোন মাটি

এডোঙা পানীতো কাতৰ মুখ তোৰ জল্‌মল্
বোঁৱতী চেনেহত বিষণ্ণ পদূলি উখল মাখল
বুকুৰ জাঁজৰি উটাই নিজান পাৰবোৰত
ওপঙি ৰ'ল বিষাদৰ এডৰা মেটেকানি
সন্মুখত আহত সময়ত নতুন জিলিঙনি

সন্ধ্যাৰ আকাশ তিয়াই নাচি ৰ'ল দোপালপিটা বৰষুণ
ইপাৰত বৈ আছো এচেৰেঙা পকা ৰ'দৰ দোমোজাত
ফেনে-ফোটোকাৰে দপদপাই আছে নৈ





# বজৰঙ

মুকুট ভট্টাচাৰ্য



অংকন: চম্পক বৰবৰা

বিশেষ কোনো প্ৰস্তুতি নকৰাকৈয়ে ভাগিন ছোৱালী এজনীৰ বিয়ালৈ যাব লগা হ'ল। ততাতয়াকৈ বিয়াখন পাতিব লগাৰ বাবে চিঠি নাপাম বুলি ভিনদেউ নিজেই আহি ওলালহি। চহৰ দূৰৈৰ পৰা দেখিছে অথবা কমদিনৰ বাবে চহৰত থাকিলেও চহৰীয়া মানুহৰ বিশেষ বিশেষ সমস্যাৰ বিষয়ে ভিনদেউহঁত পূৰামাত্ৰাই ৱাকিবাহাল বুলি ধৰিব নোৱাৰি। বিয়াখন হঠাতে পাতিব লগা হোৱাত ভিনদেউৰ যে টকা-পইছাৰ কিছু অসুবিধা হ'ব – সেয়া বুজিব পাৰিছো। সেয়ে মই বিশেষ পাতনি নতৰাকৈ ভিনদেউৰ হাতত কিছু নগদ টকা তুলি দিয়াৰ কথা ভাবিলো। পৰিবাৰৰ সতে কথা পাতিলত তেৱোঁ সন্মতি জনালে। অৱশ্যে তেওঁৰ মতে ছোৱালী জনীক কিবা বস্তু এপদ দিব পাৰিলে ভাল। মই বোলো –ব্যস্ততাৰ মাজত আমাৰ বজাৰ-সমাৰ কৰাৰ অসুবিধা – কিবা কাৰণত কেনেবাকৈ বিয়ালৈ যাব নোৱাৰিলেতো লেঠাই ছিগিল।

দুপৰীয়া ভাত-পানী খাই উঠাৰ পিছত জিৰণি ল'ব নেকি বুলি সোধাত ভিনদেৱে ক'লে।

ঃ দিনত শোৱাৰ অভ্যাস মোৰ নাই। এতিয়া মই সোনকালে যাবহে লাগে। ঘৰত কিবাকিবি কামৰ দিহা দি আহিছো – কিন্তু নিজে গৈ তদাৰকী নকৰিলে কাম নহয়।

ঃ সময় কম যেতিয়া আপুনি সোনকালে যোৱাই ভাল।

ঃ এৰা, মই আজিয়েই যাব পাৰিলে ভাল। উভতোতে নগাওঁ আৰু বোকাখাটতো সোমাই যাব লগা আছে।

আপুনি যাওকগৈয়ে। এই টকা কেইটা লৈ যাওক, ভাগিনটোৰ হতুৱাই ছোৱালীজনীৰ বাবে কিবা এটা কিনি দিব। মই পাৰিলে বিয়াৰ দিনা ওলামগৈ।

ঃ পাৰিলে নহয় – যাবই লাগিব। মোৰ একেজনী ছোৱালী। মইতো সকলোটিকে যাবলৈ কম। কিন্তু অসুবিধা-সুবিধাৰ কথাও ভাবিব লাগিব – গতিকে জোৰ নকৰো। কিন্তু একেবাৰে কোনো নগলে বেয়া পাম।

নিৰ্লিপ্তভাবে পকেটত খামটো ভৰাই ভিনদেউ ওলাই গ'ল। এওঁ অথবা মোৰ ল'ৰা-ছোৱালী হালকো মাত নলগালে। ভিনদেউৰ প্ৰকৃতিৰ বিষয়ে নজনা সকলে হয়তো টকা কেইটাৰ বাবেই তেখেত অহা বুলি ভাবিব।

মাৰ্চ মাহটো সকলো ফালৰ পৰাই চাকৰিয়াল সকলৰ বাবে লেঠাৰ মাহ। গাড়ী-মটৰৰ টেক্স, আয়কৰ আদি সকলো বিষয়ৰ মীমাংসা এই মাহতে কৰিব লাগে। সাতে-সোতৰই এই মাহত চাকৰিয়ালৰ ঝামেলা বহুত। তাতে মাহৰ প্ৰথম তাৰিখটো ফাকুৱা আৰু পিছত দেওবাৰ হোৱাৰ বাবে সকলো ঠিক-ঠাক কৰি দৰ্মহা লওঁতে ৪ তাৰিখ পালেগৈ। ইফালে ভাগিন ছোৱালীৰ বিয়াৰ তাৰিখ ৬।

এটাছি কেছ এটাত কাপোৰ এজোৰ আৰু লুঙি-গামোচা ইত্যাদি ভৰাই লৈ বাছষ্টেণ্ডলৈ ওলাই গলো। আগদিনাই পিছদিনাৰ পুৱাৰ বাছত টিকেট এটা কাটি দিবৰ বাবে পৰিবহণ নিগমৰ বিষয়া এজনক দায়িত্ব দিছিলো। ষ্টেণ্ডলৈ গৈ জানিব পাৰিলো যে সেইখন বাছত অগ্ৰিম টিকেট নিদিয়ে। পুৱাহে টিকেট কিনিব লাগিব। ইতিমধ্যে মই খুলশালি ল'ৰাটিৰ তাত ৰাতি থাকিম আৰু পুৱা দিছপুৰত বাছ ধৰিম বুলি জনাই দিছো। তাৰপৰা পুনৰ পুৱা বাছষ্টেণ্ডলৈ টিকেট কাটিবলৈ অহাটো মোৰ বাবে অসুবিধাজনক। কি কৰো, নকৰো চিন্তা কৰি থাকোতেই বিষয়াজনে ক'লে–

ঃ আপুনি এটা কাম কৰক। ৰাতিৰ বাছত যাওকগৈ। সুন্দৰ ছীট এটাৰ ব্যৱস্থা কৰি দিম।

কিমান নম্বৰ ছীট খালি আছে জানিব খুজিলত তেওঁ ৬ নম্বৰ ছীটটো দিয়াব পাৰিম বুলি সমিধান দিলে।

টিকেট লৈ ঘৰলৈ ফোন কৰি পৰিবাৰক জনালত তেওঁ বৰ শংকিত হৈ পৰিল। তেওঁৰ মতে ৰাতি যোৱাতকৈ টিকেট ঘূৰাই দি ঘৰলৈ উভতি আহিব লাগে। এতিয়া দিন-কাল বেয়া। কিন্তু এতিয়া টিকেট ঘূৰাই দিয়াৰ অবকাশ নাই।

খুলশালিৰ ঘৰলৈ গৈ কলো–

: ৰাতি মই নাথাকো। ৮ ঘজাৰ বাছতে যামগৈ, তোমালোকে কেৱল ভাত এমুঠি খুওৱা। আজি তোমালোকৰ উপবাসৰ দিন বুলি জানিও আমনি কৰিব লগা হোৱাত বেয়া পাইছো। মই বাটৰ হোটেলত আজি-কালি ভাত নাখাওঁ।

খুলশালী বোৱাৰীয়ে ক'লে–

: নাই, নাই কিহৰ আমনি। আপোনাসকল কমকৈ অহাৰ বাবে আমাৰ বেয়াহে লাগে। পিছে আপোনাক এতিয়া একেবাৰে শুদা শুদা ভাত খুৱাব লাগিব বাবেহে বেয়া লাগিছে।

: মই ভাতহে খাম – শুদা-নিকাৰ কথা নাই।

আমাৰ সৰহ সংখ্যক মানুহৰ বাবে কেইবাখনো ব্যঞ্জন থাকিলেও মাছ-মাংস নাথাকিলেই, অৰ্থাৎ নিৰামিষ হলেই শুদা ভাত।

খুলশালী বোৱাৰীয়ে আতৌ-পুতৌকৈ কেইবাখনো আঞ্জা, ভাজিৰে পৰিবেশন কৰা ভাত মুঠি পৰম তৃপ্তিৰে খাই মই ৮ বজাৰ লগে লগে বাছ ৰোৱা ঠাইলৈ যাত্ৰা কৰিলো। খুলশালিয়ে মোক প্ৰধান ৰাস্তালৈ আনি ৰিক্সাত তুলি দিলেহি।

বাছো সময় মতেই পালেহি। ৮-২0ত বাছ এৰিলেই। ৬ নং ছীটটো আৰু কিছু হেলনীয়া কৰি টোপনি যাবৰ যত্ন কৰিলো। সৰু ল'ৰা-ছোৱালী চাৰিটাৰে এযোৰা দম্পতী মোৰ আগৰ ছীট কেইটাত বহি আহিছে। ল'ৰা-ছোৱালী কেইটাই এনে বাছত ৰাতি যোৱাৰ অভিজ্ঞতা ব্যক্ত কৰাত তৎপৰ হৈ উঠিল। দুৱাৰ-খিৰিকি খুলি-মাৰি চোৱাৰ উপৰিও চকীৰ হেলানৰ তাৰতম্য ঘটোৱাকে ধৰি ইটো-সিটো কথা আৰু কামেৰে পৰিবেশটো সিহঁতে জীৱন্ত কৰি তুলিলে। এটাই ক'লে–

: আমি নাইট বাছত আহিছো।

আনটোৱে তপৰাই উত্তৰ দিলে।

: নাইট বাছ নহয়, নাইট চুপাৰ।

জাগীৰোডত গৃহস্থজন আৰু ছোৱালীজনী নামি গৈ বদাম-চাদাম এসোপামান কিনি তাহাঁতক দিলেহি। ছোৱালীজনী পাট-গাভৰু, তাই ভায়েক-হঁতক সকীয়নি দি শান্তিৰে খাবলৈ নিৰ্দেশ দিলে। তাই মাকক কলে–

: মা, মা, পাপাই চাহ খাবলৈ মাতিছে।

: এতিয়ানো কি চাহ খাম – ভাত খাবৰ বেছি পৰ হোৱাই নাই।

: যা আকৌ, পাপা বৈ থাকিব নহয়।

মানুহ গৰাকী নামি গ'ল। মই ছোৱালীনীলৈ চাই এনেয়ে সুধিলো।

: তোমালোক ক'লৈ যাবা?

: ডিব্ৰুগড়লৈ, আমাৰ বৰদেউতাৰ ছোৱালীজনীৰ বিয়া।

মই পুনৰ টোপনি যাবলৈ যত্ন কৰিলো। চিল্মিলকৈ বোধহয় টোপনি ধৰিছিল। বাছখন ৰোৱাত গতিৰ আমেজটো ভাগি সাৰ পাই গ'লো। চকুকেইটা ত'তকৈ জিলিকি থকা এজন নিগ্ৰো ৰঙৰ সৈনিক বাছ চেক কৰিবলৈ উঠি আহিল। দুজনমানৰ বেগ, চুটকেছত হাত দি এইটো কাৰ, কি আছে ইত্যাদি প্ৰশ্ন কৰিলে। মানুহ গৰাকীৰ কোলাত থকা সৰু ল'ৰাটিয়ে 'মামা', 'মামা' বুলি সৈনিকজনৰ হাতখনত ধৰিলে। সৈনিকজন সাউৎকৰে নামি গৈ- ওচৰৰ দোকানৰ পৰা এমুঠি টফি আনি কণমানটোৰ হাতত দি তাক গালে-মুখে মৰম কৰিলে আৰু বাছখন চলাবলৈ ড্ৰাইভাৰক ইংগিত দি গলগৈ। মোৰ এটাছিটো কোনো ঠাইতে খুলিয়েই নাচালে। অথচ যাত্ৰাৰ পূৰ্বে নৈশ বাছত যাব লাগিব বাবে মই ৰীতিমত আতংকিত হৈ পৰিছিলো। মানুহবোৰে কথাবোৰ অলপ বেছি বেছিকৈ কোৱা বুলিয়েই মোৰ তেতিয়া ধাৰণা জন্মিছিল।

চহৰত থকা সম্বন্ধীয়া ভাগিনটো মোক লৈ যাবৰ বাবে গাড়ী লৈ অপেক্ষা কৰি আছিল। পুৱাই মোক নি সি তাহাঁতৰ ঘৰ পোৱালেগৈ। তাহাঁতৰ মাক-দেউতাক (মোৰ ভিনিহিৰ ককায়েক বৌয়েক) ইতিমধ্যে বিয়ালৈ গৈছে। ঘৰত ভাগিন বোৱাৰী, তাইৰ ননদ আৰু নাতি-নাতিনী কেইটা আছে। তাঁহাতলৈ একো এটা ননাৰ বাবে মোৰ বৰ বেয়া লাগিল। সিহঁত দুয়োটাই ককা, ককা বুলি আগুৰি ধৰিলেহি। ভাগিন বোৱাৰীয়ে ক'লে।

: তোমালোকে ককাক আমনি নকৰিবা দেই। ককাই এতিয়া জিৰণি ল'ব। গুৱাহাটীৰ পৰা আহোতে কালি গোটেই ৰাতি টোপনি ক্ষতি। মোলৈ চাই ক'লে

: মামা, আপুনি আজি ৰাতিটো ইয়াতে জিৰণি লওক। কালিলৈ আমাৰ লগতে বিয়ালৈ যাব। আজি যোৱা, কালিলৈ পুৱা যোৱা একেই কথা। বাছত যাবলৈ অযথা আপোনাৰ কষ্টহে হ'ব। মা-বাবা দুয়ো জোৰোণ পাবগৈ লাগে বুলি পৰহিয়েই গ'ল।

ততাতয়াকৈ চাহ-ৰুটি খাই বিছনাত পৰিও টোপনি অহা নাছিল। ভাগিন বোৱাৰী আৰু ডাঙৰ নাতিজনী স্কুললৈ যাবলৈ ওলাই ক'লে।

: মামা, আপুনি জিৰণি লওক – আমি স্কুললৈ ওলালো। দুই বজাত আহিম। সোনকালে ভাত খালে বীণাই আপোনাক খুৱাব।

তেওঁলোক ওলাই যোৱাৰ পিছতে মই উঠি আহিলো। গাটো তিয়াই ভাতমুঠি খালেহে হয়তো টোপনি আহিব। বীণাই মই উঠি যোৱা দেখি সুধিলে।

: মামা, কিবা লাগে নেকি?

: দাড়ি কটাৰ সৰঞ্জাম আছে যদি দিয়াচোন – মই আনিবলৈ পাহৰিলো। মই গাটোও ধুই পেলাম।

: আপুনি গা ধুই একেবাৰে ভাত মুঠিও খাই ল'ব। বৌ অহালৈ ৰ'লে বহুত পলম হ'ব। মই ভাত ৰান্ধিছোৱেই।

সদায় ১0 বজাৰ পূৰ্বে ভাত খোৱা মোৰ ভাতৰ কথা মনলৈ আহিছিলেই। গৃহস্থই অসুবিধা পাই বুলিহে কথাটো কোৱা নাছিলো।

মই দাড়ি খুৰাই গা-পা ধুই ওলোৱাৰ লগে লগে বীণাই ভাত বাঢ়ি খাবলৈ মাতিলে। দাইল-ভাজি-চাটনি, আচাৰ আৰু মুৰ্গীৰ মাংস। ভাত মুঠি খাই বৰ তৃপ্তি পালো। বিশেষকৈ চাউল বৰ ভাল। ৰন্ধনো বৰ সুন্দৰ।

পিছদিনা সোনকালেই যাবলৈ ওলালেও ভাগিন বোৱাৰীয়ে লৰালৰিকৈ ভাত দুটামান উতলাই আমি বিয়ালৈ যাবলৈ ওলোৱা সকলোকে খাবলৈ দিলে। ৯ মান বজাতহে আমি বিয়া ঘৰলৈ যাত্ৰা কৰিলো। বাটৰ এঠাইত মিলিটাৰী দুটামান ৰৈ থকা দেখিয়েই গাড়ী চলাই যোৱা ভাগিনটো উচাপ খাই উঠাদি উঠিল। লগৰ কাগজ-পত্ৰবোৰ হাতত লৈ তেওঁ দূৰৈতে গাড়ী ৰখালে। বোৱাৰী আৰু বীণাৰ চকুৱে-মুখে বিৰক্তিৰ ভাব। কিন্তু মোক বয়সীয়া মানুহ দেখিয়েই নেকি সৈনিক জনে হাঁহি মাৰি গাড়ী চলাবলৈ নিৰ্দেশ দিলে। ভাগিনটোৱে ক'লে।

: মামা আজি আপুনি লগত থকাৰ বাবে ইমান সহজে যাবলৈ দিলে যেন পাইছো। নহলে আমাৰ বেগ-বাকচ সকলো খুলি চালেহেঁতেন।

সৈন্য বাহিনীৰ অত্যাচাৰৰ বিষয়ে ভাগিনহঁতে কোৱা আৰু বাতৰি কাকতত প্ৰচাৰিত কথাবোৰৰ ওপৰত মোৰ সন্দেহ জন্মিল।

বহু বছৰ সেইফালে নোযোৱাৰ বাবে আগৰ চিনাকি মানুহবোৰো অচিনাকিৰ দৰে হৈ পৰিছে। মাজে মাজে কাকতে পত্ৰই মোৰ নামটো ওলাই থকা আৰু মই বিয়ালৈ যাম



বুলি আগতীয়াকৈ প্ৰচাৰ হোৱাৰ বাবে মোক কিন্তু প্ৰায়বোৰেই ধৰিব পাৰিছে। চিনাকি মানুহ এজনৰ নাম কাকতত দেখিলে তেওঁলোকে অলপ গৌৰৱো অনুভব কৰে। মোক লগ পাই মোতকৈ বয়সে ডাঙৰ নিত্যানন্দই কলে।

: তুমি কিন্তু একেবাৰে বুঢ়া হৈ গ'লা। মোলৈ চোৱা – দুজনী বোৱাৰী আনিলো, জোৱায়ো পালো মোৰ কিন্তু চুলি এডালিকে পকা নাই।

: সকলোৰে স্বাস্থ্য একে নহয়। কিন্তু চুলি পকিলেই মানুহ বুঢ়া বুলি ধৰাটো সঠিক নহয়। কম বয়সীয়া মানুহৰো চুলি পকে। মগজুৰ কছৰৎ বেছি হোৱা মানুহৰ চুলি সাধাৰণতে কম বয়সতে পকা দেখা যায়। মই টাইফয়েডত দীৰ্ঘদিন ভোগাৰ বাবেও এনে হ'ব পাৰে।

: এৰা, টাইফয়েড এটা সাংঘাতিক ব্যাধি। আগতেতো এই বেমাৰ হ'লে মানুহ নাবাচেই; আজি-কালিও কিবা এটা চিন থৈ যায়। বাৰু, এইবিলাক যাওক। কোৱাচোন এতিয়া দেশ-দুনীয়া কেনে চলিছে।

: তোমালোকে যেনে দেখিছা, অনুভব কৰিছা তাতকৈ বেলেগে চলা নাই।

: তুমি সাহিত্য, ৰাজনীতিত সক্ৰিয় হৈ থকাৰ বাবে ভাল পাইছো। আমি এতিয়া কোনো দলৰ সতে প্ৰত্যক্ষভাবে যুক্ত নহয় –কিন্তু মাৰ্ক্সবাদত আস্থা এতিয়াও অটুট আছে। যথাসময়ত নিশ্চয় সমাজ সলাব পৰা বুলি বিশ্বাস জন্মা পাৰ্টিত যোগদান কৰিম। সাম্যবাদী দেশসমূহত ঘটা ঘটনাই আমাক কিন্তু বিপাঙত পেলাইছে।

: এইবোৰ সমাজতন্ত্ৰৰ ভুল নহয় – এয়া প্ৰয়োগ কৰ্তা সকলৰহে বিভ্ৰম।

: তোমাৰ লগত এইবোৰ বিষয়ত ভালদৰে কথা পাতিবলৈ তুমি দুদিনমান, অন্ততঃ আৰু এটা দিন থাকি গলে ভাল হয়।

: নোৱাৰিম, শনিবাৰে এখন গুৰুত্বপূৰ্ণ মিটিঙত মই উপস্থিত থাকিব লাগিব।

: পিছত কেতিয়াবা দীৰ্ঘ সময়ৰ বাবে লগ পাবলৈ আশা কৰিলো।

ইজন-সিজনৰ লগত কথা-বতৰা হৈ থাকোতেই দিনটো কেতিয়ানো পাৰ হৈ গ'ল ক'বই নোৱাৰিলো। ইতিমধ্যে বিয়াঘৰত কেইবাবাৰো চাহ-জলপানৰ শ্ৰাদ্ধ কৰা হ'ল।

দৰা আহিলত স্বাভাৱিকতে বিয়াঘৰৰ পৰিবেশটো বৰ ব্যস্ততাপূৰ্ণ আৰু সজীৱ হৈ পৰিল। দৰা ঘৰীয়া সৰহভাগ আহিয়েই ভাতৰ পাতত বহিল। ঠিক তেনেতে এজাক শিল-বৰষুণে সেঙেতা লগালে। ভাতৰ পাতত বহা ডেকা-গাভৰু সকলক কিন্তু বৰষুণে কোনো প্ৰতিক্ৰিয়াই কৰিব পৰা নাই। হাঁহি-খিকিন্দালি কৰি তেওঁলোক ভাত খোৱাত ব্যস্ত।

বৰযাত্ৰী এজন আহিয়েই একাপ গৰম চাহ আৰু এখন বিছনা বিচাৰিলে। ঘটনাটো কি জানিবলৈ আমি সকলোটি উদগ্ৰীব হৈ পৰিলো, কোনোবা এজনে ক'লে।

: তেওঁক বজৰঙে পালে।

একো নজনাকৈয়ে তেওঁ গাড়ী ৰখাই মিলিটাৰী কেম্পৰ দাঁতিত সৰুপানী চোৱাৰ বাবেই এই বিপদ। তেওঁযে সামান্যভাবে মদিৰাৰ ৰাগিত আছিল সেই কথাও জানিব পৰা গ'ল। তথাপি মই সেনাৰ অত্যাচাৰৰ এইটোৱেই প্ৰত্যক্ষ প্ৰমাণ পালো। বৰযাত্ৰীজনে অৱশ্যে বিয়া কাৰ ঘৰত খাবগৈ সেই কথাও বোলে সঠিককৈ ক'ব নোৱাৰিলে। এই ঘটনাৰ বাহিৰে বিয়া সুকলমেই পাৰ হোৱা বুলি ক'ব পাৰি।

বহু খত-বান্ধৰ মুৰকত বাইদেউৰ পৰা বিদায় লৈ উভতি আহি বাহিৰে বাহিৰে পিছদিনাৰ বাবে চুপাৰ ফাষ্ট বাছখনত টিকেট এটা কাটিহে ঘৰ সোমাইছোহি। কিন্তু কিবা এটা কাৰণত বাছখন নাহিল। মহা বিপদত পৰিলো। মোৰ দুৰৱস্থা দেখি পৰিবহণ নিগমৰ স্থানীয় কৰ্তৃপক্ষই নগাওঁলৈ বুলি অহা ৰঙা বাছ এখনতে মোক যাবলৈ অনুমতি দিলে। মই যাত্ৰা আৰম্ভ কৰিলো। ভাগিন বোৱাৰীয়ে ততাতয়াকৈ ৰন্ধা খিচিৰিখিনি খাবলৈকে নহ'ল। পেটে পেটে তেওঁ ইয়াৰ বাবে মোক নিশ্চয় বেয়া পাইছে। কিন্তু কি কৰিম, চহৰীয়া জীৱনে আমাক ইমানেই ব্যস্ত কৰি পেলাইছে যে কাৰোবাৰ মৰম অকণ ল'বলৈ, দিবলৈকো আমাৰ সময় নাই।

কোনোবা এটা বাছ ষ্ট'পত চি আৰ পি এজনে বাছ ৰখাবলৈ নিৰ্দেশ দিলে। কেনেবাকৈ ড্ৰাইভাৰে মন নকৰি কেইগজমান আগত বাছ ৰখালেহি। খেদা মাৰি আহি চি আৰ পি জন গৰ্জি উঠিল।

চিগনেল নাই দেখা, কেটনা দিনছে গাড়ী চালাতা হে বেকা বাচ্চা, তুমকো চমক চিখানেকো মন থা, লেকিন পেচেঞ্জাৰলোক মুসকিল মে গিৰেগা।

ড্ৰাইভাৰজনো বেছ তাগৰা চেহেৰাৰ। তেওঁ সমান স্বৰেৰে উত্তৰ দিলে।

: ৫৮ সালচে হম ট্ৰেন্সপোৰ্ট চালাতা হেই, হিচাপ জোৰ ল'।

মোৰ এটাছিটোত ধৰি সুধিলে।

: এ, কিচকা হেই?

: মেৰা।

: খুলিয়ে।

খুলি দিলত চিপাহীজনে হাতখন ভৰাই ভিতৰটো সাৱধানেৰে পৰীক্ষা কৰিবলৈ ধৰিলে। পকা-বন্ধা কবিতাৰ সংকলন এটা আছিল। তেওঁ ভয়ানক বস্তু এটা পোৱাৰ দৰে কিতাপখন উলিয়াই আনি সুধিলে।

: এ ক্যা হেই?

: দেখতেইত হেই, এ এক পুস্তক।

চিপাহীজনে লাজ পোৱা যেন কৰি ড্ৰাইভাৰক গাড়ী চলাবলৈ নিৰ্দেশ দি নামি গ'ল।

আন এটা চেক পষ্টত জিনৰ পেন্ট পিন্ধা ল'ৰা এজনৰ বেগ তন্নতন্নকৈ পৰীক্ষা কৰিও লংপেন্টৰ মাজত কিবা ভৰাই অনা বুলি সন্দেহ কৰি বুটেৰে গুৰিয়াই গুৰিয়াই চোৱা দৃশ্যই আমাৰ বহুতৰে বুকু বিষা তুলিলেও আমি মৌন হৈয়েই ৰৈছিলো। অৱশ্যে ল'ৰাটিৰ কতো একো আপত্তিজনক বস্তু নাপালে।

ছোৱালী এজনীৰ ভেনিটি বেগ এটাত হাত ভৰাব খুজিলত অতি স্বাভাৱিক কাৰণতে তাই হাত ভৰাবলৈ নিদি নিজে খুলি দেখুৱালে। টকা-পইছা সৈন্যই লৈ যোৱাৰ কথা কাকতে পত্ৰই প্ৰকাশ পাই থকাৰ বাবে হয়তো তাই ভয় খাইছিল। ছোৱালীজনীৰ মনোভাবটো বুজিব পাৰি চিপাহীজনে ক'লে

: ফিকিৰ মত কৰণা বহীনজি, হমলোগ ৰূপীয়া-পইছা নাহিনো লেগা – আপনা ডিউটি ক'ৰনে মে মজবুৰ হুঁ।

কাষৰে আন এজনী সৰু ছোৱালীয়ে মামা মামাকৈ সৈনিক জনৰ হাতত ধৰিলত ৰূদ্ৰমূৰ্তি চিপাহীজন একেবাৰে সলনি হৈ গ'ল। তেওঁ আথে-বেথে তাইক কোলাত লৈ কাষৰ পাণ দোকানখনৰ পৰা টফি এসোপা আনি তাইৰ হাতত গুজি দি বাছ চলাবলৈ নিৰ্দেশ দি নামি গ'ল। ছোৱালীজনীৰ বেগ পৰীক্ষা কৰিব লগা কথাটো হয়তো সি পাহৰিয়েই পেলালে।

কোনোবা এজন যাত্ৰীয়ে মন্তব্য কৰিলে –সিহঁতে যি চাবলৈ বিচাৰে দি দিলে একো নকৰে। খত-বান্ধ কৰিলে সিহঁতৰ সন্দেহ বাঢ়িহে যায়। মন্তব্যটো হয়তো সঁচাই।

# * * গছ, কেনভাচ আৰু কটা মূৰে ছানি ধৰা আকাশ



ৰণজিৎ কুমাৰ ৰাজবংশী

বতাহত কাৰোবাৰ আত্রানি। বুকু ভেদ কৰি পাৰ হৈ যোৱা এটা চিঞৰ। এই মাত্ৰ গুছি গৈছে মুংখ[1]। চিঞৰটোৰ পাছে পাছে। বতাহ কোবেৰে বলিছে। বহু বছৰৰ ...হত পুনৰ গয়াৰ[2] বধ্যভূমিৰ মাটিত খোজৰ শব্দ হৈছে। তেজৰ কৰালবোৰ ধুই পুনৰ সজোৱা হৈছে বধ্যভূমিৰ বক্ষ। আমি শাৰী পাতি গৈ আছো এই বক্ষলৈ। আমাক লৈ যোৱা হৈছে। বন্দুক-বয়নেটৰ আগবোৰ আমাৰ হৃদপিণ্ডলৈকে টোৱাই ৰখা হৈছে। গুলিৰ খোলা যেন চকুবোৰে সমুখত থিয় হৈ থকা নাঙঠ চেঁচা শাৰী শাৰী মৃত্যুলৈ চাই আছে। বতাহজাক হঠাৎ স্থিৰ হৈ ৰৈ গৈছে হৃদপিণ্ডৰ ভিতৰত। পানীবোৰে ৰং সলাইছে সঘনে। উহৰ পৰা নিগৰি ওলাইছে পানী।

দীঘলী পুখুৰীৰ কজলা পানীতো বুকুবোৰ লুকুৱাই ৰৈ আছে এজাক নাঙঠ শিশু। পুখুৰীৰ পাৰত থকা প্ৰসাৰিত হাতবোৰে বিচাৰিছে নাঙঠ শিশুজাকৰ হাওঁফাওঁৰ বতাহ। ভয়তে ইটোৱে সিটোক সাবটি কান্দিছে। পানীত এৰি দিছে সিহঁতৰ সন্ত্ৰাসিত মাছৰ ফিচাৰ মনবোৰ। আকাশৰ পৰা তৰাবোৰেও সিহঁতৰ গালে ফিৰিঙতি চটিয়াইছে। চৰাই এজাক আছে পাৰৰ গছবোৰত। ফিচাবোৰৰ ৰখীয়া হৈ। বাট পথবোৰ কিন্তু এতিয়া নিৰ্জন। মৃত্যুৰ শাৰীবোৰ অহা-যোৱা কৰি আছে সঘনে। কাৰোবাক বিচাৰি সিহঁতে চৰাইজাককো ব্যতিব্যস্ত কৰি তুলিছে। মৌন হৈ আছে চৰাইবোৰ। মাজে মাজে অস্থিৰ হৈ উৰি গৈছে আকাশলৈ– তাৰে কেইটামান চৰাই। এৰি যোৱা গছবোৰলৈ ঘূৰি আহিছে পুনৰ।

পুখুৰীৰ পাৰৰ কলাবীথিকাৰ বেৰেতো ৰঙা ৰং একাজঁলি চটিয়াই থৈ গৈছে কোনোবাই। কোনে হানিলে মৃত্যুৰ সেই ৰং! খঙাল চিত্ৰকৰ এজনে সমালোচকজনৰ গালে হাতৰ তুলিকাডাল মাৰি পঠিয়াইছিল এদিন। তুলিকাৰ ৰংবোৰ চিটিকি বেৰবোৰত পৰিছিল। ৰক্তাক্ত হৈ পৰিছিল বীথিকাৰ বেৰবোৰ। এই ঘটনা হৈ যোৱাৰ পাছতে পানীবোৰে কিমান বাৰ ৰং সলাইছে। মৃত্যুৰ শাৰীবোৰ কিন্তু অহা-যোৱা কৰিয়েই আছে। ঘটনাটো হৈ যোৱাৰ পাছতে একান্ত মনে চিত্ৰ এখনলৈ চাই থকা ল'ৰা এজনক সৈনিক এজনে আহি চোঁচোৰাই টানি লৈ গৈছিল। খঙতে চিত্ৰকৰ ব্ৰহ্ম[3] হাতৰ প্ৰদৰ্শনীৰ ফিটা কটা কেছিখনেৰে কেৰেচকৈ কাটি পেলাইছিল এখন কেনভাচ। এই কথা সকলোৰে মনত আছে হয়তো।

সকলো নিস্তব্ধ হৈ ৰৈ গৈছিল। গছৰ পৰা চৰাই উঁৰি গৈ ঘূৰি নাহিল কাহানিও। বুট জোতাৰ খোজবোৰত ৰঙৰ ডোঙা বান্ধিছিল। চিত্ৰবোৰৰ অবয়ববোৰে ঢাকি ৰাখিছিল দৰ্শকৰ মুখবোৰ। কি নিদাৰুন সময় এইবোৰ! সকলো নিমাতে আছিল–বহু সময়।

ঋতু পৰিবৰ্তন হৈছে। শীতৰ শেষ এতিয়া। গছবোৰ লাহে লাহে নাঙঠ হৈ আহিছে। বন্দী কেতেকী চৰাইৰ মাত এতিয়া সময়ৰ সজা খুলি মুক্ত হবৰ দিন। ৰুহ'বিপো[4]। সৰু ল'ৰা এটাই পাগলৰ দৰে ককাদেউতাকৰ বুকুৰ পৰা কাঢ়ি অনা বস্তুটো এটা মৃত চৰাইৰ বাহিৰে আন একো নাছিল। গৌমত[5]! গৌতম! শবোৰ কেনেকৈ দম বান্ধি চোতালত থৈছে চোৱা। সৰা পাতত খোজৰ শব্দ- স্পষ্ট হৈ আহিছে। শবোৰৰ পৰা দুখবোৰ গলি গলি ভাপ হৈ উৰি যাব লাগিছে।

সকলো উৎকণ্ঠিত হৈ ৰৈ আছে- বসন্তলৈ। এইবাৰ বসন্তই চৰাইবোৰ এইফালে ঘূৰাই দিবনে? ৰুক্ষ নিষ্ঠুৰ কৰ্কশ কৰু কিবা এটাই দিলীপ[6]ৰ আঙুলিবোৰ কৰকৰকৈ চোবাই থাকে। মানুহবোৰে জুম বান্ধি আঙুলিৰ হাড়বোৰ জোনাকৰ পোহৰত চাই কান্দে। 'বোপাই ঐ তই মোৰ কলিজাৰ এফাল আছিলি।'

নীলমণিক[7] এই ফালে উত্তেজিত হৈ যোৱা সকলোৱে দেখিছো। কামিজ আৰু ধুতিখনত অসংখ্য ফুটা। ওৰে ৰাতি নিগনিবোৰে তেওঁৰ মগজু কুটি কুটি খোৱাৰ বাবে তেওঁ বাটলৈ ওলাই আহিছে। তেওঁৰ নাতিদূৰত এজাক নৰনাৰী। শিল আৰু কাঠেৰে নিৰ্মিত সিহঁতৰ কায়া। তেওঁৰ হাতত এটা খোলা কলম। আলিবাটৰ কাষত মানুহবোৰে জুম বান্ধিলে তেওঁ উত্তেজনাতে চোলাৰ জেপবোৰৰ মাজত হেৰুৱা মাটিৰ মূৰ্তিবোৰ বিচাৰে।

সময়বোৰ পাৰ হৈ গৈছে। মানুহবোৰ অস্থিৰ হৈছে। পাণ বজাৰৰ যাত্ৰীৰ জিৰণি চালিখনৰ তলত তিনিদিনীয়া বাহী এটা শ। শটোৰ গুহ্যদ্বাৰ উখহি বাহিৰলৈ ওলাই আহিছে। তাৰ চাৰিওফালে উৰণীয়া মাখিৰ ভেন্‌ভেননি। শটোৰ সমুখৰ ভয়ানক নিসংগতাৰ মাজত এজন মানুহ। তেৱেঁই শটোৰ একমাত্ৰ আত্মীয়। মানুহজনে বুকুত সাবটি লৈ আছে এটুকুৰা ঘা। নিশ্চয় শটোৰ শেষ অৱলম্বন। থিয় হৈ থকা মানুহজনে শটোৰ কোতৰত কিবা বিচাৰি চাইছে। তেওঁ শটোক দিয়া সাহসখিনি এতিয়াও নিশ্চল হৈ সোমাই আছে নেকি সেই কোতৰত? গৰাকীজন আত্মানুসন্ধানী। এদিন নিজৰ মাজতে বিচাৰি পাব সেই উত্তৰ। হোমেন[8] তুমি সকলো চকুহীন শৱ গৰাকী হোৱা। শবোৰ শান্তিত শুব পাৰিব।

সকলো কথাই পুৰণি হৈছে এতিয়া। সলনিয়ো হৈছে বহুত। কোনে মনত ৰাখিছে সেই নিৰুদ্দেশ হোৱা চৰাইটোৰ কথা। কি বীভৎস সেই দিনবোৰ। ঘূৰি থকা ঘড়ীৰ হাতবোৰ। ওলাই যোৱা সময়ৰ চকুবোৰ।

খোজবোৰ সোমাই গৈছে পাণ বজাৰৰ বুকুলৈ। সমুখত এটা চাৰি আলি। এটা ক্ৰছ থিয় হৈ আছে তাৰ বুকুত। ক্ৰছটোৰ কপালত নীলা আৰু ৰঙা দুশাৰী চকু। চকুৰ স্থিৰ দৃষ্টি সমুখৰ কফি হাউচটোলৈ। কফি হাউচৰ ভিতৰত ধোঁৱাৰ বৃত্ত। বৃত্তৰ চাৰিওফালে এজাক মানুহ। মানুহবোৰ বৃত্তৰ পৰিধিত ৰৈ আছে। হাতবোৰ মুদ্ৰাহীন। চকুবোৰ গধুৰ ক্লান্ত। টেবুলে টেবুলে কাপ আৰু প্লেট ভৰি আছে দুখ। এছট্ৰেট তেজৰ ছাই। কিশোৰৰ[9] কোঁচ খোৱা কপালৰ পৰা টপ্‌টপ্‌কৈ সৰি পৰিছে ছাই ৰঙী দেউকাৰ শব্দ। মানুহবোৰ ওলাই আহিছে–অসন্তোষ আৰু দুখত। ভিতৰৰ টেবুল আৰু চকীবোৰৰ তুমুল তৰ্কাতৰ্কি। কোনজন গ্ৰাহকৰ শৰীৰত ভৰ কিমান। কাৰ তেজৰ গোন্ধ কেনেকুৱা। সকলোতে কিবা এক অস্থিৰতা। বাহিৰৰ আকাশ জুৰি কটা মূৰ বিলাকৰ ভ্ৰাম্যমান গতি। উৎপলৰ[10] চকুত প্ৰতিটো কটা মূৰৰ খন্তেকৰ একোখন ছবি। লগৰ সকলোৱে দেখা পাইছে। হয়। এবাৰত এটা কটা মূৰৰ দুখনকৈ ছবি। সোঁ আৰু বাওঁ চকুত। খঙত চকুযোৰ ৰঙা পৰিছে। ক্ৰছৰ কপালত থকা ৰঙা চকুযুৰিয়ে লাহে লাহে নীলা চকুবোৰ গিলি পেলাইছে।

ৰঙা ঘূলি এটাত কফি হাউচ, গাড়ী, ৰিক্সা, দোকান, মানুহ সকলো সোমাই পৰিছে। বিষাদত নে আতংকত – কেৱল গছবোৰ ৰৈ আছে। অলৰ-অচৰ। অদূৰত বাঁহীৰ মাত শুনা পাইছে সকলোৱে। সাপৰ দৰে দীঘল ৰাজপথটোৰে মাতটো লাহে লাহে আহি আছে– ক্ৰছটোকে উদ্দেশ্য কৰি। এয়া কি? এজন অন্ধ খোজনীয়া। মৰা জোনটোও (এতিয়া সময় মাজ নিশা) তেওঁৰ কান্ধত বহি আহিছে। তেওঁ ৰঙা ঘূলিত পোত যোৱা সকলোৰে অন্ধত্ব দেখা পাইছে। এসময়ত তেওঁ ক্ৰছৰ সমুখত আহি ৰৈ গ'লহি। হে ভগৱান। এইটোৱেই সেই নিৰ্বাচিত মানুহটো যাক বন্দুকেৰে গুলিয়াই মৰা হব। কেৱল এগৰাকী বনিতা থাকিব তেওঁৰ মৃত্যুৰ সাক্ষী হৈ অদূৰত বনিতাৰ হালধীয়া শৰীৰ। হয়। নিঃসন্দেহে তেওঁক গুলীয়াই মৰা হব। কেৱল সমীৰণৰ[11] কেনভাচ এখনত লিখি থোৱা হৈছে এই বধ্যভূমিত উপস্থিত থাকিব লগীয়া সৈনিকৰ সংখ্যা। তেওঁলোক আন্ধাৰ বাহনত এই মুহূৰ্ততে আহি পাব। পথৰ দুয়োকাষৰ গছবোৰ ট্ৰেফিক বাহিনীয়ে নিয়ন্ত্ৰ কৰি ৰাখিছে। উদ্ভৱ হব পৰা পৰিস্থিতিৰ বাবে সকলো ব্যৱস্থা আগতীয়াকৈ লোৱা হৈছে। এয়া আহিছে! আহিছে! বনিতাৰ শৰীৰত বাহনৰ সুমথিৰা লাইট্‌ৰ পোহৰ পৰিছে। অলপ সময়ৰ ভিতৰতে সকলো শেষ হব। মানুহ, যান-বাহন, ঘৰবোৰ ঘূলিৰ পৰা ওলাই আহিব পাৰিব। আমাৰ ক্ৰমান্বয়ে বাঢ়ি অহা নখ আৰু জোঙা দাঁতবোৰ পুনৰ ব্যস্ত হৈ পৰিব বধ্যভূমিৰ শৱ দমবোৰৰ দুখ আৰু আনন্দৰ মাজত। দুখ-ক্ষোভত গছবোৰ দোঁখাই পৰিব। অসংখ্য বেয়নেটৰ খোঁচত ক্ষত-বিক্ষত সিহঁতৰ সেউজীয়া শৰীৰ পৰি ৰব পথৰ মাজত। চৰাইবোৰে হোলোকা-হোলোকে তেজ বতিয়াব। সেউজীয়া শৰীৰ আৰু ডেউকাবোৰ অসময়ত নিথৰ হৈ পৰিব। মৃত্যুৰ শাৰীবোৰ আগুৱাই গৈ থাকিব। এটা নতুন ক্ৰছ পোতা হব। অন্য এক চাৰি আলিত। আকাশখন কটা মূৰে[12] ছানি ধৰিব। বেলিৰ পৰা টোপাটোপে পৰিব পুৱা আৰু আবেলিৰ কেঁচা তেজ।

শিল হব সকলো। গছ; চৰাই; হাত। মানুহৰ হাতৰ শাৰী শাৰী গছত ফলিব শিলৰ জুই। পানীবোৰ গোট মাৰি শিল হব। নৈবোৰ ৰৈ যাব। সকলোৱে গাব কেৱল শিলৰ গান। শিলৰ কেনভাচবোৰ তীব্ৰ ৰঙা ৰঙৰ অসংখ্য অবয়বেৰে ভৰি পৰিব। শিল হব। শিল হব। সকলো সুৰ শিল হব। শিল হব। শিল হব। সকলো শিল হব। সূ

## টোকা

১। এডৱাৰ্ড মুংখৰ 'ডি ক্ৰাই', ১৮৯৩ লিথোগ্ৰাফ।
২। ফ্ৰেনছিছক' গয়াৰ 'ডি শুটিং অব মে ৩, ১৮০৮', ১৮১৪
৩। চিত্ৰকৰ শোভা ব্ৰহ্ম।
৪, ৫। চলচ্চিত্ৰ পৰিচালক গৌতম বৰা আৰু তেওঁ চলচ্চিত্ৰ ৰুহ'বিপো।
৬। দিলীপ তামুলীৰ চিত্ৰৰাজী।
৭। কবি নীলমণি ফুকন।
৮। ঔপন্যাসিক হোমেন বৰগোহাঞি আৰু 'আত্মানুসন্ধান'।
৯। কবি কিশোৰ ভট্টাচাৰ্য।
১০। উৎপল বৰুৱাৰ টেম্পেৰা।
১১। চিত্ৰকৰ সমীৰণ বৰুৱাৰ তৈল চিত্ৰ।
১২। কলিকতাৰ চিত্ৰশৰ শোভা প্ৰসন্নৰ তৈল চিত্ৰ 'স্ক'টিং, ১৯৮৬।

# সুদক্ষ প্ৰধান শিক্ষক, প্ৰবীণ সাহিত্যিক ৰঘুনাথ দেৱ চৌধুৰী

প্ৰসন্ন কুমাৰ ডেকা

'বায়ু মন্ডল জয় কৰিব পাৰিলে মানুহে বহু নতুন তথ্য আৱিষ্কাৰ কৰিব পাৰিব, চন্দ্ৰলৈ যাব পাৰিব, শুক্ৰ আৰু মংগল গ্ৰহলৈ শূন্য মাৰ্গ ওলাব।' এয়া ১৯৩৪ খ্ৰীঃঅঃত ৰচিত 'প্ৰকৃতি দৰ্পণ' নামৰ গ্ৰন্থখনৰ 'মধ্যাকৰ্ষণ বিজয়' নামৰ অধ্যায়ৰ শেহৰ বাক্যটো আজিৰ পৰা প্ৰায় তিনি কুৰি বছৰ পূৰ্বে কৰা লেখকৰ এই ভৱিষ্যদ্বাণী আজি সম্পূৰ্ণৰূপে বাস্তৱত ৰূপায়িত হৈছে। 'প্ৰকৃতি দৰ্পণ'ৰ গ্ৰন্থকাৰ এই ভৱিষ্যদৰ্শী লেখক গৰাকীয়ে হ'ল শ্ৰীযুত ৰঘুনাথ দেৱ চৌধুৰী।

'প্ৰকৃতি দৰ্পণ'ৰ উপৰিও তেখেত আৰু ভালেমান পুথিৰ ৰচয়িতা। তাহানি আৱাহন, জয়ন্তী আদিত সময়ে সময়ে তেখেতৰ চিন্তা-গধুৰ মৌলিক প্ৰবন্ধ আদিও প্ৰকাশ পাইছিল। অসমীয়া ভাষাত বিশ্বকোষৰ আৱশ্যকতা আৰু তাক কিদৰে সংকলন কৰিব পাৰি এই বিষয়ে তেখেতে কবিৰত্ন ৰঘুনাথ চৌধাৰী সম্পাদিত পষেকীয়া জয়ন্তীত এটা সুচিন্তিত প্ৰবন্ধ তথা পৰামৰ্শ আগবঢ়াইছিল। তথাপিও এই প্ৰতিষ্ঠিত লেখক গৰাকীৰ এয়া দ্বিতীয় পৰিচয়হে। ভালেকেইখন উচ্চ মাধ্যমিক বিদ্যালয়ৰ সুদক্ষ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক ৰূপেহে তেখেত সৰ্বজন পৰিচিত আৰু সৰ্বত্ৰ সমাদৃত।

১৯৩৪ চনত তেখেতে এম এ (দৰ্শন) পঢ়িবলৈ এৰি পিতৃৰ আহ্বানত কলিকতাৰ পৰা আহি পাটাচাৰকুছিত এটি হাইস্কুল স্থাপনত আগভাগ লয়। আৰম্ভণিতে তেখেতে বিনা বেতনেই খাটি দিছিল; পাছলৈও মাত্ৰ দহ টকাহে বেতন লৈছিল। ১৯৪০ চনত তেখেতে পাটাচাৰকুছি বিদ্যাপীঠৰ পৰা এবছৰৰ বাবে ছুটী লৈ গৈ প্ৰধান শিক্ষক ৰূপে সৰ্থেবাৰী হাইস্কুল (বৰ্তমান উচ্চতৰ মাধ্যমিক) প্ৰতিষ্ঠা কৰে। এমাইলৰ ভিতৰতে ইয়াৰ প্ৰায় পাঁচ বছৰ পূৰ্বে প্ৰতিষ্ঠিত এখন হাইস্কুল থকাতো এখেতৰ বুদ্ধি কৌশল দক্ষতা আৰু সৰ্থেবৰীয়া ৰাইজৰ যত্ন পুৰুষাৰ্থ আৰু ত্যাগৰ ফলত সেই বছৰতে তৃতীয় মানৰ পৰা দশম মানলৈকে আঠোটা শ্ৰেণীৰে এখন পূৰ্ণাংগ হাইস্কুল হৈ উঠে আৰু কলিকতা বিশ্ববিদ্যালয়ৰ স্বীকৃতি আৰু অসম চৰকাৰৰ পৰা ৭৫ টকীয়া মাহেকীয়া সাহায্য পাবলৈ সক্ষম হয়। ছুটীৰ অন্তত ঘৰুৱা অসুবিধাৰ কাৰণে বিশেষতঃ যাতায়াতৰ দুৰ্গমতা হেতুকে তেখেত পাটাচাৰকুছি বিদ্যাপীঠলৈ ঘূৰি আহিল যদিও ১৯৪৭-৪৮ চনত আকৌ প্ৰায় দেৰ বছৰমান সৰ্থেবাৰী হাইস্কুলৰ প্ৰধান শিক্ষকৰ আসন অলংকৃত কৰে। ১৯৪৯ চনত তেখেতে কৈঠালকুছি হাইস্কুল স্থাপন কৰে। ইয়াৰ পাছত ক্ৰমে ১৯৫২ চনত ৰিহাবাৰী (বজালী), ১৯৫৫ চনত উত্তৰ গুৱাহাটী ছোৱালী হাইস্কুল, ১৯৫৭ চনত নমাটি আৰু ১৯৬৪ চনত গোৱালপাৰা জিলাৰ ৰামফল বিল হাইস্কুল স্থাপন কৰে। সেই চনৰে মে মাহত তেখেতে শিক্ষাধিকাৰ ঈশ্বৰ ভূঞাৰ পৰামৰ্শক্ৰমে দলগোমা হাইস্কুলত প্ৰধান শিক্ষক ৰূপে যোগদান কৰে। তেখেতৰ যত্নত এই স্কুলখন যেতিয়া ঠন ধৰি উঠিল, শিক্ষাধিকাৰ মহাশয়ে তেখেতৰ যাতায়াতৰ অসুবিধালৈ চাই তেখেতৰ অজ্ঞাতেই তেখেতক গৌৰীপুৰৰ প্ৰতাপ চন্দ্ৰ বিদ্যালয় (সংক্ষেপে পি চি ইন্সটিটিউট)লৈ বদলি কৰে। ১৯৪৭ চনৰ ২৬ ফেব্ৰুৱাৰীত তেখেতে এইখন বিদ্যালয়ত প্ৰধান শিক্ষক ৰূপে যোগদান কৰে আৰু ১৯৭২ চনৰ ফেব্ৰুৱাৰীত সেই স্কুলৰ পৰাই তেখেতে অৱসৰ গ্ৰহণ কৰে। ইয়াৰ ভিতৰতে ১৯৬২ চনত তেখেতে পাটাচাৰকুছি বালিকা বিদ্যালয় প্ৰতিষ্ঠাতো আগভাগ লৈছিল। তেখেতে ইমানবোৰ স্কুল কেৱল যে আৰম্ভহে কৰিছিল এনে নহয়; প্ৰত্যেকখন নতুন স্কুলকে তেখেতে পৰিপূৰ্ণ ৰূপ দিছিল। এই স্কুলবোৰ হয় কোনো শক্তিশালী স্কুলৰ প্ৰতিদ্বন্দ্বী ৰূপে নতুবা অতিশয় পিছ পৰা ঠাইত স্থাপন কৰিছিল। প্ৰতিষ্ঠিত স্কুলবোৰৰো শোচনীয় অৱস্থাত প্ৰধান শিক্ষক ৰূপে যোগদান কৰি তাক মান বিশিষ্ট কৰি তুলিছিল। এই কাৰণেই তেখেতৰ এগৰাকী প্ৰাক্তন ছাত্ৰই 'হাইস্কুলখনিকৰ' বুলিহে তেখেতলৈ শ্ৰদ্ধা নিবেদন কৰিছে (অভিযান)।

স্কুল প্ৰতিষ্ঠাৰ উপৰিও নানান সামাজিক কামতো তেখেতে নিজকে জড়িত কৰি আহিছে। বিগতদাৰ, অশীতিপৰ এই কৃতী শিক্ষক গৰাকীয়ে শিক্ষা-সাহিত্য আৰু সমাজ সেৱাৰ লগত জড়িত হৈ থাকি নিজৰ বৈষয়িক দিশত বিশেষ চকুত লগা একো কৰিব নোৱাৰিলেও তেখেতে তেখেতৰ ল'ৰা-ছোৱালী আটাইটিকে উচ্চ শিক্ষাৰে শিক্ষিত কৰি তুলিব পাৰিছে। অসম ৰাজ্যিক সংগ্ৰহালয়ৰ সঞ্চালক ৰবীন্দ্ৰনাথ দেৱ চৌধুৰী তেখেতৰে বৰ পুত্ৰ।

১৯০৯ চনত পাটাচাৰকুছিৰ এটা সম্ভ্ৰান্ত পৰিয়ালত তেখেতৰ জন্ম হয়। তেখেতৰ পিতৃ চন্দ্ৰনাথ দেৱ চৌধুৰী ধাৰ্মিক, কৰ্মনিষ্ঠ, সত্যপৰায়ণ আৰু শিক্ষানুৰাগী লোক আছিল। পিতৃৰ প্ৰভাৱ পুত্ৰৰ ওপৰতো পৰিছিল। ১৯২৮ চনত তেখেতে বৰপেটা চৰকাৰী হাইস্কুলৰ পৰা কলিকতা বিশ্ববিদ্যালয়ৰ অধীনৰ প্ৰবেশিকা পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হয়। ইয়াৰ পাছত যথা সময়ত কটন কলেজৰ পৰা প্ৰথম বিভাগত আই এ আৰু দৰ্শনৰ অনাৰ্চ সহ বি এ পাছ কৰে। পাছত কলিকতা বিশ্ববিদ্যালয়ত দৰ্শনত এম এ পঢ়িবলৈ লৈছিল যদিও তাক আধাৰুৱাকৈ এৰি পিতৃৰ আদেশত শিক্ষকতাকে জীৱনৰ ব্ৰত কৰি লয় আৰু তাৰ মাজতে সুৰুঙা উলিয়াই সাহিত্য চৰ্চাতো মনোনিবেশ কৰে। নিজে সাহিত্য চৰ্চা কৰাৰ উপৰিও সহকৰ্মী শিক্ষক আৰু নিজৰ ছাত্ৰকো সাহিত্য চৰ্চাত উদগনি দিছিল। সেই বাবেই তেখেতে কাম কৰা বিদ্যালয় সমূহৰ পৰা একোখন মুখপত্ৰ উলিয়াবলৈ যত্ন কৰিছিল। তেখেতে প্ৰথমে প্ৰতিষ্ঠা কৰা সৰ্থেবাৰী হাইস্কুল মুখপত্ৰ 'মুৰলী' খন ১৯৪০ চনৰে পৰা আজিলৈকে ৰীতিমতে চলি আহিছে। প্ৰতিষ্ঠিত লেখক হিতেশ ডেকা, প্ৰসন্ন ডেকা, প্ৰতাপ চৌধুৰী, অজিত তালুকদাৰ আদিয়ে ছাত্ৰাৱস্থাত 'মুৰলী'ৰ পৰাই সাহিত্য সেৱাৰ অনুপ্ৰেৰণা লাভ কৰিছিল। শেষ কৰ্মস্থান গৌৰীপুৰৰ পি চি ইন্সটিটিউটৰ পৰাও তাৰ মুখপত্ৰ 'অভিযান' নামৰ আলোচনীখন ১৯৭১ চনত প্ৰথম ছপা কৰি উলিয়ায়। ১৯৫৫ চনত উত্তৰ গুৱাহাটী ছোৱালী হাইস্কুলত শিক্ষকতা কৰি থকা কালছোৱাত কিছু দিনৰ কাৰণে তেখেতে পাণ্ডুৰ পৰা প্ৰকাশিত দৈনিক শান্তিদূতৰ সহকাৰী সম্পাদকৰ কামো কৰিছিল।

'প্ৰকৃতি দৰ্পণ'ৰ উপৰিও 'মানৱ সভ্যতা', 'আব্ৰাহাম লিংকন' 'বেতালৰ সাধু' আদি ৬/৭ খনমান পুথিৰ তেখেত ৰচয়িতা। ১৯৪৭ চনত দ্বিতীয়বাৰ সৰ্থেবাৰী হাইস্কুলৰ প্ৰধান শিক্ষক হৈ থকা কালত তেখেতৰ তিনি নে পাঁচ অংকীয়া পৌৰাণিক নাট এখনো হাতে লেখা অৱস্থাত দেখা মনত পৰে। অবিভক্ত কামৰূপ জিলাৰ শব্দ-সম্ভাৰ গোটাই এখন অভিধান প্ৰণয়ন কৰাৰ কথাও জনা যায়। কেইবছৰমান আগতে তেখেতে গেইটৰ হিষ্টৰী অৱ আচাম আৰু কনকলাল বৰুৱাৰ আৰ্লি হিষ্টৰী অৱ কামৰূপ খনৰ অসমীয়ালৈ অনুবাদৰ কামো সমাপ্ত কৰিছে। তেখেতৰ সাহিত্য সেৱাৰ প্ৰতি স্বীকৃতি স্বৰূপে বৰপেটা জিলা সাহিত্য সভাই বিনা প্ৰতিদ্বন্দ্বিতাৰে তেখেতক দ্বিতীয় গৰাকী সভাপতিৰ সন্মান জনাইছিল।

বিষয়বস্তু আৰু কলেবৰ সকলো ফালৰ পৰাই প্ৰকৃতি দৰ্পণ এখন লেখত লবলগীয়া গ্ৰন্থ। সেই তাহানিতে প্ৰকাশ পোৱা এই গ্ৰন্থখন অসমীয়া সাহিত্যৰ জ্ঞান-বিজ্ঞানৰ গ্ৰন্থ স্বৰূপে আজিও অদ্বিতীয় হৈ আছে। পৃথিৱীৰ কথা, মানুহ আৰু মানুহৰ হাতত প্ৰকৃতি বুলি গোটেই পুথিখন এই তিনিটা প্ৰধান ভাগত ভাগ কৰা হৈছে। পৃথিৱীৰ কথা বোলা প্ৰথমটো ভাগ পৃথিৱীৰ উৎপত্তি, জীৱৰ উৎপত্তি আৰু ক্ৰমবিকাশৰ ধাৰাটোৰ পৰিচয় দি 'মানুহৰ আদি স্তৰ বান্দৰ জাতীয় জন্তু' অধ্যায়ৰ অন্তত 'বিলুপ্ত বন্ধন' (missing link)ৰ আলোচনাৰে সামৰণি মাৰিছে। দ্বিতীয় ভাগত 'মানুহ – ইয়াৰ পূৰ্বাভাস', প্ৰত্নশৈলযুগ, নৰশৈলযুগ, মানুহৰ শ্ৰেণীবিভাগ, অতীজৰ মানৱ চিন্তা, প্ৰাচীন সাম্ৰাজ্য-সভ্যতা-কৃষ্টি-সংস্কৃতিৰ উপৰিও প্ৰাচীন চিন্তানায়ক জগতৰ ধৰ্মগুৰু সকল, লিখন আৰু ছপা কাম, মানুহৰ মানসিক প্ৰগতি, শিক্ষাৰ পুনৰ্জন্ম আৰু মানৱ সমাজৰ বিকাশৰ পৰিচয় দিয়া হৈছে। তৃতীয়ভাগত মানুহে বুদ্ধিৰ বলত প্ৰকৃতিক জয় কৰি কেনেকৈ জীৱন ৰক্ষাৰ উপৰিও প্ৰগতিৰ পথত গতি কৰিছে তাৰ পৰিচয় আছে। ইয়াত মতা-তিৰোতাৰ কৰ্ম, আহাৰ-বিহাৰ, চিকিৎসা আদি বিষয়ৰ আলোচনা আদিৰ উপৰি জুইৰ পৰা আৰম্ভ কৰি বিভিন্ন যানবাহন, কল-কাৰখানা, ভাপ-বিজুলী-বাষ্প শক্তি, গ্ৰামোফ'ন – চিনেমেটোগ্ৰাফ, বিমান, বিনাতাঁৰ আদিৰ আৱিষ্কাৰৰ লগতে মাধ্যাকৰ্ষণ বিজয়, দূৰত্ব বিজয়, ভূগৰ্ভ বিজয়, সুমেৰু-কুমেৰু বিজয়, পৃথিৱীৰ তলে-ওপৰে গভীৰতা-উচ্চতা বিজয়, অজানা ঠাই আৱিষ্কাৰৰ অভিযান আদিৰ কথা বৰ্ণনা কৰি শেষত 'মানুহৰ শ্ৰেষ্ঠত্বত মানসিক প্ৰবৃত্তি' আৰু 'প্ৰকৃতি উৰ্দ্ধগতি' বুলি দুটি সমীক্ষাত্মক আলোচনা আগবঢ়োৱা হৈছে। এনেকৈ চাই পুথিখনক এখন ক্ষুদ্ৰ বিশ্বকোষ (miniature encyclopaedia) বুলিব পাৰি। আনহাতে মাজে মাজে প্ৰসংগক্ৰমে কৰা মন্তব্য অভিমত আৰু সমীক্ষাত্মক আলোচনাই পুথিখনিক অন্য এক মাত্ৰা প্ৰদান কৰিছে। এইবোৰৰ মাজত লেখকৰ মৌলিক চিন্তা আৰু আদৰ্শৰো প্ৰতিফলন ঘটিছে। এনে মন্তব্য আৰু অভিমত কিছুমান বেছ তাৎপৰ্যপূৰ্ণ। যেনে–

'আত্ম অনুভূতিয়েই পৰ অনুভূতি আৰু পৰ অনুভূতিয়েই আত্ম-অনুভূতি। সেইবাবে আনৰ ন্যায্য স্বত্ত্ব বা অধিকাৰ স্বীকাৰ কৰিব লাগে। প্ৰতি মানুহৰে নিজা নিজা স্বত্ত্ব আছে। সেই স্বত্ত্বৰ পৰা আনক বঞ্চিত কৰা সভ্য লোকৰ কাম বুলি কোৱা টান (১২৯ পৃষ্ঠা)।'

'উন্নত মনোবৃত্তিৰ বাবেই মানুহ জন্তু জগতৰ ওপৰ স্তৰত (২৫৯ পিঠি)।'

'শাসন পৰিবৰ্তন মানে দুখীয়া মানুহৰ নিকাৰ বৰণ। ইতিহাসত ইয়াৰ উদাহৰণৰ অভাৱ নাই। .....কুৰি শতিকাৰ শান্তিদূত (?) ডিক্টেটৰ আৰু খ্ৰীঃ পূঃ-ৰ ৰক্তপিপাসু সাম্ৰাজ্য লোভী সম্ৰাটৰ মাজত পাৰ্থক্য কম। কুৰি শতিকাতো শক্তিবোৰৰ ৰাজ্য লিপ্সাৰ ফলত মানুহৰ ন্যায্য অধিকাৰ বলাৎকাৰ কৰি নিয়া হৈছে (২৬৪ পৃঃ)।'

আটাইতকৈ তাৎপৰ্যপূৰ্ণ আৰু প্ৰণিধানযোগ্য কথা হ'ল পুথিখনৰ সামৰণিৰ কথাখিনি–

'উন্নত বাস্তৱ জগতে জীৱন যাত্ৰাত দুখ লাঘব কৰা নাই, বৃদ্ধিহে কৰিছে। কাৰণ বাস্তৱ জগতৰ উৰ্দ্ধগতি যেন লাগিলেও নৈতিক জগতৰ উৰ্দ্ধগতি হোৱা নাই। .....মানুহৰ মানসিক প্ৰবৃত্তিৰ উন্নতি হলেহে, আত্মাঅনুভূতি সজাগ হলেহে বাস্তৱ জগতৰ শান্তি স্থাপনা হ'ব। ....যেতিয়া মানুহে নিজকে নিজে জয় কৰি পাশৱিক প্ৰবৃত্তিৰ ওপৰ স্তৰ পাব, আত্মানুভূতিৰ দ্বাৰা নিজৰ কৰ্তব্য কৰ্ম কৰিবলৈ শিকিব আৰু আনৰ স্বত্ত্ব স্বীকাৰ কৰি চলিব তেতিয়াহে মানুহে প্ৰকৃতিৰ ওপৰত বিজয় ঘোষণা কৰি জগতত শান্তি স্থাপন কৰিব পাৰিব। বিজ্ঞানে আজিলৈ যি যি কৰি আহিছে সি সকলো ভৱিষ্যতে কৰিব লগা কামৰ সূচনাহে মাত্ৰ। যেতিয়ালৈ মানুহৰ নিজৰ প্ৰতি আনৰ প্ৰতি আৰু ঈশ্বৰৰ প্ৰতি কৰিব লগা কৰ্তব্যৰ প্ৰাণত অনুভূতি নাহে তেতিয়ালৈ মানুহৰ প্ৰকৃতিৰ ওপৰত কৰা সকলো বিজয় অৰ্থহীন হ'ব। ইত্যাদি।

নানান ছবি আৰু ব্লকৰ সন্নিবেশেও পুথিখনিৰ আকৰ্ষণ বঢ়াইছে। এনেহেন গ্ৰন্থ 'প্ৰকৃতি দৰ্পণ'ৰ পুনৰ প্ৰকাশ আশা কৰিব নোৱাৰিনে?* সূ

** পি চি ইন্সটিটিউটৰ মুখপত্ৰ 'অভিযান'ৰ বাংলাখন্ডৰ 'ৰঘুনাথ দেৱ চৌধুৰী মহাশয়েৰ জীৱনেৰ ৰূপ ৰেখা' শীৰ্ষক প্ৰবন্ধৰ পৰা কিছু সমল আহৰিত। – লেখক*

# ডিক্টেটৰ

দীপক কুমাৰ বৰকাকতী





অংকন: চম্পক বৰবৰা

এই ঘটনাৰ পাছত ৰেমা থানয'মাৰ লগত সাৱধানে পলাই ফুৰিব লগা হ'ল। তথাপিও থানয'মাৰ সমুখত পাঠকক নিপুণ ভাবে হত্যা কৰিব পৰাৰ কাৰণে সি গৰ্ব অনুভৱ কৰিবলৈ ধৰিলে। তাৰ উপৰি এই হত্যাৰ বাবে তাৰ কোনো অনুশোচনাৰ ভাব নাই। পাঠকৰ দৰে দুশ্চৰিত্ৰ আৰু দুৰ্নীতিপৰায়ণ মানুহ এটা তাৰ মানত সামাজিক কলংক। তাক মাৰি সমাজৰ উপকাৰহে কৰিছে। সি পাহাৰে পৰ্বতে গছে বনে থানয'মাৰ লগত পলাই ফুৰি এক অজান আনন্দত পুলকিত হ'ল।

পিছদিনা থানয'মাই বুজি পালে সিহঁতক মিলিটাৰীৰ দল এটাই অনুসৰণ কৰিছে। সিহঁতৰ লগত এটা কুকুৰ। সি বাটটো শুঙি শুঙি আহিছে। থানয'মাহঁতে জুৰি এটা পাৰ হৈ শিল আৰু গছৰ আঁৰ লৈ সিহঁতক অনুসৰণ কৰা মিলিটাৰী কেইটাক চাবলৈ ধৰিলে। অলপ সময়ৰ পাছতে সিটো পাৰত দলটো দেখা গ'ল। সিহঁতক কুকুৰটোৱে জোপোহা এটাৰ ফালে টানি নিলে। মিলিটাৰী কেইটাই সংগীন লগোৱা বন্দুকবোৰ টোঁৱাই জোপোহাটোৰ ফালে গ'ল। তাৰ পাছত তাৰ মাজৰ পৰা মানুহ এটা উলিয়াই আনিলে। মানুহটোৰ পিঠিত এটা ডাঙৰ টোপোলা। মিলিটাৰীৰ দলটোৱে আগে পাছে পহৰা দি মানুহটোক লৈ উলটি গ'ল। দলটোৰ নেতাটোৰ মুখত সফলতাৰ হাঁহি বিৰিঙিল।

জুৰিৰ আনটো পাৰত থানয'মাৰ সোণ খটোৱা দাঁতটো জিলিকি উঠিল। সি মিচিকিয়াই হাঁহিলে। মানুহটোৰ টোপোলাটোৰ আকাৰৰ পৰা সি বুজি উঠিছে মানুহটো নিশ্চয় বিদেশী বস্তুৰ চোৰাং বেপাৰী। তাৰ টোপোলাটো নিশ্চয় বিদেশী চেন্ট, চাবোন, মেক-আপ কিট, মতা-তিৰোতাৰ অন্তৰ্বাসেৰে বোজাই হৈ আছে।

থানয'মাহঁতৰ তিনিজনীয়া দলটো সাতদিনৰ পাছতহে মূল দলটোৰ লগ লাগিল। মূল দলত মানুহ মুঠতে সাতোটা। এই দলটোত থানমইয়াও আছে। থানয'মাই সিহঁতক লগ পাই গম পালে যে হেড্‌কোৱাৰ্টাৰৰ পৰা চাৰিটা গৰিলা তিনি মাইলমান দূৰৰ টঙি ঘৰ এটাত কেম্প কৰি আছে। সিহঁতে তাক বিশেষ বাতৰি দিবৰ কাৰণে ব্যক্তিগত ভাবে লগ পাব খোজে। দলটো চিকিউৰিটিৰ কাৰণত সিহঁতৰ লগত থকা নাই। থানয'মাই সিহঁতৰ বিতং খবৰ ললে। সিহঁতে কাষৰ গাঁওবোৰৰ পৰা বস্তু-বাহানী দাবী কৰি, মিলিটাৰীৰৰ লগত গুলীয়াগুলি কৰিও দক্ষতাৰে বাচি আছে। লগৰ কেইটাই এটাকো চিনি নাপাই যদিও সিহঁত যে এম এন এফ-ৰ মানুহ সেই বিষয়ে নিঃসন্দেহ।

চাৰিজনীয়া দলটো সাজ-পোছাক আৰু বন্দুক-বাৰুদৰ ফালৰ পৰা এম এন এফ, আছিল। কিন্তু প্ৰকৃততে সিহঁত 'আসাম ৰাইফলচ্‌ৰ বছা বছা কামান্ড'। দুটা মিজো আৰু আন দুটো গোৰ্খালী। থানয'মাৰ দৰে চতুৰ, ক্ৰুৰ, পটু আৰু অভিজ্ঞ মিজো নেচনেল আৰ্মিৰ মেজৰক জব্দ কৰিবলৈ এইটো আছিল সিহঁতৰ নিখুঁত চাল।

কথাতেই কয়– চতুৰ মানুহৰ মূৰৰ পিছফালেও চকু। থানয'মাৰ ক্ষেত্ৰটো গাঁৱৰ মানুহে এই ফকৰাটো ব্যৱহাৰ কৰে। প্ৰকৃতাৰ্থত ই কিমান প্ৰযোজ্য এই মানুহ কেইটা আহোতেই ওলাই পৰিল। দুই এষাৰ কথাৰ পাছতেই থানয'মাই বুজি উঠিল মানুহ কেইটাৰ দুটাই বিশেষ কথা পতা নাই। থানয'মাই সিহঁত দুটাৰ ফালে চাইহে কথা পাতিবলৈ ধৰিলে। ক্ষন্তেকতে সি যেন দুই এটা শব্দৰ সামান্য হেনাহুচাঁ উচ্চাৰণ শুনিলে। তাৰ সন্দেহ হ'ল। তীক্ষ্ণ দৃষ্টিৰ থানয'মাই ততালিকে কাষত থকা ষ্টেনগানটো হাতত তুলি ললে। কামান্ড' কেইটা সাজু হৈয়েই আছিল। সিহঁতৰ আগ্নেয়াস্ত্ৰবোৰ একেলগে চাৰিওফালে গৰজি উঠিল।

ঘটনাটো ইমান হঠাতে ঘটিল যে থানয'মাৰ লগৰ কেইটা চাৰিওফালে সিঁচৰতি হৈ পৰিল। সাজু হৈ নথকাৰ বাবে ছটাৰ থিতাতে মৃত্যু হ'ল। ৰেমাই কামান্ড' কেইটা আহোতে মুখ-হাত ধুবলৈ অলপ আঁতৰলৈ আহিছিল। সি সিহঁতৰ কান্ড দেখি প্ৰাণটাকি দৌৰি পলাবলৈ ধৰিলে। ৰেমাৰ কঁকালত দুটা গুলি লাগিল। দুখোজমান দিয়েই সি বাগৰি পৰিল। সি অলপ দূৰ চোঁচৰি ডাঠ জোপোহা এটাৰ তলত অচেতন হৈ পৰি থাকিল।

চেতনা পাই ৰেমাই নিজকে জুপুৰী এটাৰ ভিতৰত আৱিষ্কাৰ কৰিলে। থানয'মা, থানমাইয়া আৰু লগৰ আনবোৰৰ কি হ'ল সি মনত পেলাবলৈ চেষ্টা কৰিলে। সিহঁতে শত্ৰু পক্ষক গুলিৰে প্ৰত্যুত্তৰ দি থকালৈকে তাৰ মনত পৰিল। তাৰ পাছত সিহঁতৰ কি হ'ল সি আৰু নাজানে।

ধীৰেন ভট্টাচাৰ্যই হাতৰ ঘড়ীটোলৈ চালে। দহ মিনিটহে পাৰ হৈছে। তেওঁৰ ইতিমধ্যে আধা ঘন্টামান পাৰ হোৱা যেন লাগিছিল।

নাই, গাড়ীখন সোনকালে ভাল হোৱাৰ সম্ভাৱনা নাই। ড্ৰাইভাৰটোৱে তেওঁ বহি থকা এম্বেছেডৰ কাৰখনৰ বনেটো খুলি কিবা ভাল কৰি আছে।

চৌদিশৰ ডাঠ সেউজীয়া গছ-গছনিৰ মাজেৰে লুংলে– আইজ'লৰ প্ৰধান ৰাস্তাটো একা বেঁকাকৈ আগুৱাই গৈছে। ইয়াত অকলশৰীয়া হৈ পৰিলেই কাষৰ পাহাৰবোৰৰ পৰা এম এন এফ-ৰ গৰিলাবোৰে বন্দুক টোঁৱাই তীক্ষ্ণ দৃষ্টিৰে চাই থকা যেন লাগে। ধীৰেন ভট্টাচাৰ্যতকৈ তেওঁৰ এচকৰ্টৰ চি আৰ পি-ৰ চিপাহী কেইটাহে বেছি বিচলিত হ'ল। সিহঁতে ইফালে সিফালে চাবলৈ ধৰিলে।

তেওঁলোকৰ গাড়ী পাৰ হৈ ট্ৰাক এখন ৰ'লহি। তাৰ পৰা ড্ৰাইভাৰটো নামি আহিল। ড্ৰাইভাৰটো মইয়া। সি গাঁৱৰ পৰা পলাই গৈ হেন্দিমেন আৰু এতিয়া ড্ৰাইভাৰ হৈছে। সি অলপ সময় কাৰখনৰ ড্ৰাইভাৰটোৰ লগত কথা পাতিলে। তাৰ পাছত জুপি জুপি ইঞ্জিনটোৰ ইটো সিটো চাই সিয়ো চোলাৰ হাত দুটা কোঁচাই কামত লাগি পৰিল।

ধীৰেন ভট্টাচাৰ্য গাড়ীখনৰ পিছৰ ছিটতে বহি থাকিল। অলপ সময়ৰ পাছত তেওঁৰ লগত অহা ডেকা মিজো অফিচাৰ দুজনৰ এজন তেওঁৰ কাষলৈ আহি ক'লে– চাৰ। গাড়ীখন ভাল হবলৈ সময় লাগিব যেন পাইছো। না-থীয়াললৈ তিনি মাইলহে দূৰ। আপুনি যদি ইচ্ছা কৰে আমি তালৈকে যাব পাৰো। তাতে জিৰণি লব পাৰিম।

ভট্টাচাৰ্যই গাড়ীখন এৰি যাব নুখুজিলে। গাড়ীখনত লাগতিয়াল ফাইল কিছুমানো আছে। তাৰ উপৰি কোন ঠাইত কেনে ধৰণৰ ঘটনা কেতিয়া ঘটে কোনেও ক'ব নোৱাৰে। ছমাহ মানৰ আগতে শান্ত অঞ্চল বুলি ভবা দক্ষিণ মিজোৰামৰ সৰু চহৰখনতে পাঠকৰ হত্যা হৈ গ'ল। দুমাহমান আগতে আকৌ আইজ'লৰ মাজ-মজিয়াতে অফিচৰ ভিতৰত তিনিজন পুলিচ অফিচাৰৰ হত্যাকান্ড ঘটিল। তেওঁ ক'লে– অলপ ৰ'বাচোন। গাড়ীখন সোনকালে কিজানি ভাল হয়েই।

তিনি বছৰৰ আগতে কেন্দ্ৰীয় শাসিত অঞ্চললৈ উন্নত কৰাৰ লগে লগে মিজোৰামক তিনিখন জিলাত বিভক্ত কৰা হৈছিল। আইজ'ল, লুংলে আৰু চিমটুই-পুই। যোৱা কেইমাহমানৰ আগতে ভট্টাচাৰ্য আই এ এছ-লৈ মনোনীত হৈছে। দুমাহৰ আগতে তেওঁ চিমটুই-পুই জিলাৰ উপায়ুক্ত হিচাপে দায়িত্ব গ্ৰহণ কৰিছে। তেওঁৰ বৰ্তমান কাৰ্যালয় হ'ল জিলাৰ সদৰ ছাইহা। তেওঁ ছাইহাৰ পৰা যোৱা কালি আহি লুংলেত আছেহি। তাৰ পৰা আজি পুৱাই আইজ'ললৈ বুলি যাত্ৰা কৰিছে। তাত চীফ্ চেক্ৰেটাৰীৰ লগত এখন জৰুৰী মিটিং আছে। তাৰ উপৰি তেওঁ দুজন মন্ত্ৰীক লগ

ধৰাৰো কথা। তাৰ বাবেও আজিয়েই ইন্টাৰভিউ ঠিক কৰাৰ দৰকাৰ। অফিচ ছুটীৰ আগতেই আইজ'ল পাবৰ কাৰণে তেওঁ পুৱা ছয় বজাতেই লুংলে এৰিছে। কিন্তু বাটত এনে হব বুলি তেওঁ ভবা নাছিল। দেৰি হৈ গৈ থাকে মানে তেওঁৰ প্ৰগ্ৰেমৰো খেলি-মেলি আহি পৰিব। তেওঁ অলপ উত্তেজিত হ'ল। পুনৰ ঘড়ীটোলৈ চালে।

ইতিমধ্যে গৰখীয়া জাতীয় ল'ৰা এটাও গাড়ীৰ ওচৰলৈ আহি ড্ৰাইভাৰ দুটাৰ আলেখলেখ চাবলৈ ধৰিলে। ড্ৰাইভাৰটোৱে আহি ভট্টাচাৰ্যক ক'লে– চাৰ, গাড়ীখনত জেক্ লগাব লাগিব। আপুনি যদি অলপ নামে ভাল হয়।

ভট্টাচাৰ্যৰ ইচ্ছা নাছিল। তথাপি নামিবলৈ বাধ্য হ'ল। লগে লগে এচক'ৰ্টৰ চি আৰ পি এটা আহি তেওঁৰ ওচৰত থিয় হ'লহি।

ভট্টাচাৰ্যই দেখিলে তেওঁৰ লগত অহা মিজো অফিচাৰ দুজনে শিল এচপৰাৰ ওপৰত এটা ঘৰ আঁকি লৈ কিহবাৰ গুটি কিছুমান সজাবলৈ ধৰিছে। তেওঁলোকৰ মুখত কোনো উৎকণ্ঠা নাই।

ভট্টাচাৰ্যই পুনৰ ঘড়ীটো চালে। সময় পাৰেই হোৱা নাই। সময়ৰ গতি যেন তেনেই লেহেম। তেওঁ এইবাৰ দুই এখোজ দি পায়চাৰি কৰিবলৈ ধৰিলে।

ৰাস্তাত গাড়ী তেনেই পাতল। পুৱা বেলা লুংলেৰ পৰা আইজ'ললৈ বুলি যাত্ৰা কৰা চৰকাৰী টেন্সপ'ৰ্ট বাছখনহে পাৰ হৈ গ'ল। তাৰ ড্ৰাইভাৰটোৱে কাৰখনৰ ড্ৰাইভাৰটোক কিবা সহায় লাগিব নেকি চিঞৰি চিঞৰি সুধি গ'ল।

ইমানদিনে গাড়ীৰ লগত সম্পৰ্ক থকা সত্বেও ভট্টাচাৰ্যৰ গাড়ীৰ ইঞ্জিনৰ জ্ঞান তেনেই কম। কিন্তু এই অঞ্চলৰ সাধাৰণ মানুহৰো যান্ত্ৰিক জ্ঞান আৰু কৌশল অপূৰ্ব। ইঞ্জিনৰ ওচৰত থকা গৰখীয়া ডেকাটো এনেয়ে থিয় দি থাকিব নোৱাৰিলে। সিয়ো আন দুটাৰ লগতে ইটো সিটো ধৰি সহায় কৰিবলৈ লাগিল। গৰখীয়াটোৱে নিশ্চয় ইঞ্জিনৰ দুই এটা কথা জানে, নহ'লে অন্ততঃ জানিবলৈ ইচ্ছুক।

ট্ৰাকৰ ড্ৰাইভাৰটো ইতিমধ্যে জেক্ দি তোলা গাড়ীখনৰ তলত সোমাই পৰিছে। ওপৰৰ পৰা তেওঁৰ ড্ৰাইভাৰটো আৰু গৰখীয়া ডেকাটোৱে কিবা কৰিছে। সিহঁতে অলপ পাছতে ইঞ্জিনৰ অংশ এটা উলিয়াই আনিলে আৰু সেইটো ঘূৰাই মেলি চাই কথা পাতিবলৈ লাগিল।

ভট্টাচাৰ্য অধৈৰ্য হৈ পৰিল। তেওঁৰ ভৰিৰ খোজ খৰ হ'ল। হাতৰ ঘড়ীটোলৈ তেওঁৰ পুনৰ চকু গ'ল।

মিজো অফিচাৰ দুজনৰ হাঁহিত ভট্টাচাৰ্যই সেই ফালে চালে। সিহঁত দুয়োটাই গুটিবোৰেৰে এখেল খেলি অঁতাইছে। সিহঁত দুয়োটায়ে হাঁহি হাঁহি হৈ যোৱা খেলখনৰ আলোচনা কৰিছে আৰু লগে লগে শিলত অঁকা ঘৰটোত গুটিবোৰ পুনৰ সজাব ধৰিছে।

ভট্টাচাৰ্য সিহঁতৰ ফালে অলপ সময় চাই ৰ'ল। তেওঁ যি উদ্বেগেৰে পায়চাৰি কৰিছে সেই উদ্বেগৰ লেশমানো অফিচাৰ কেইটাৰ মুখত নাই। কিন্তু তেওঁৰ দৰেই তেওঁলোক দুয়োজনে দায়িত্বশীল অফিচাৰ। তেওঁৰ দৰেই তেওঁলোকো সোনকালে আইজ'ল পোৱাটো আৱশ্যক। ভট্টাচাৰ্য আচৰিত নহ'ল। এওঁলোকৰ এয়া সাধাৰণ প্ৰকৃতি। ভট্টাচাৰ্যই জানে যে সিহঁতক এই আনন্দৰ কাৰণ সুধিলে ক'ব– আমাৰ এতিয়া কৰিব লগা একো নাই। জোৰ কৰিতো গাড়ীখন ভাল কৰিব নোৱাৰি। গাড়ীখন ভাল কৰিবলৈ এটা নিৰ্ধাৰিত সময়ৰ আৱশ্যক। লেট্ আচ্ ফৰগেট্ দিচ্ প্ৰব্লেম এন্ড এনজয় আৱাৰছেলভছ,। – ভট্টাচাৰ্যই ইমান দিনে এই গুণটো চেষ্টা কৰিও আয়ত্ত কৰিব পৰা নাই।

তেওঁ পুনৰ অধৈৰ্য হৈ পৰিল। তেওঁৰ খোজৰ গতি আৰু অলপ বেছি হ'ল।

আধা ঘন্টামানৰ পাছত তেওঁলোকৰ ওচৰত জীপ এখন ৰ'লহি। তাৰ পৰা লম্‌কিমা নামি আহিল। মানুহটো শকত হৈছে। মুখখন ঘূৰণীয়া হৈ পৰিছে। মংগোলীয় চেহেৰাটো এতিয়া স্পষ্ট হৈ ফুলি উঠিছে। তেওঁ পেন্টটো উজাই উজাই ভট্টাচাৰ্যৰ ওচৰলৈ আহিল। তেওঁৰ মুখত হাঁহি।

– হেই পু-ভট্। কি? হৈছে কি? ইজ্ ইট এ ব্ৰেকডাউন?

ভট্টাচাৰ্যই লম্‌কিমাক দেখি ভাল পালে। তেওঁ গাড়ীখন দেখুৱাই ক'লে– ইয়েচ, ইট ইজ্। ইউ কান্ট্ হেল্প।

– মই আপোনাক বৰাখানাৰ দাবী কৰিবলৈ বিচাৰি ফুৰিছো। – লম্‌কিমাই ক'লে।

– কিয়? কি কাৰণে?

– আৰে – লম্‌কিমাই ক'লে। লম্‌কিমা কটন কলেজৰ ছাত্ৰ আছিল। তাত পঢ়ি থাকোতেই শিকা দুই এটা শব্দ তেওঁ ইংৰাজী কথোপকথনৰ মাজত ব্যৱহাৰ কৰে। ধীৰেন ভট্টাচাৰ্যৰ বৰ ভাল লাগে শুনি। লম্‌কিমাই কৈ গ'ল– আৰে– কি কাৰণে আৰু! আপুনি আই এ এছ-ৰ নমিনেচন পালে, তাৰ লগতে ডি চি-ও হ'ল। এতিয়া আকৌ দক্ষিণ মিজোৰামলৈ গৈ আপুনি আন্দাৰ-গ্ৰাউন্ড হ'ল।

– কাৰণ আপুনি হ'ল অভাৰগ্ৰাউন্ড। – লম্‌কিমাৰ কথা শুনি ভট্টাচাৰ্যই তপৰাই কৈ গ'ল– আই মাষ্ট এক্ট এজ্ পাৰ্ দা ইউনিভাৰছেল ল অব্ কন্‌জাৰ্‌ভেচন্।

দুয়োজনে ডাঙৰকৈ হাঁহিবলৈ ধৰিলে। ভট্টাচাৰ্যই অনুভৱ কৰিলে মুহূৰ্ততে তেওঁৰ মানসিক উদ্বেগ কৰ্পূৰৰ দৰে নাইকিয়া হ'ল।

ভট্টাচাৰ্যৰ চাৎকৈ কুৰি বছৰৰ আগতে হঁহা হাঁহিৰ কথা মনত পৰিল। সেয়া আছিল ১৯৫৫ চনৰ কথা। তেতিয়া ভট্টাচাৰ্য লুংলেৰ বি ডি অ'। মিজো পাহাৰত আৰু লগতে জীৱনৰ সেয়া তেওঁৰ প্ৰথম চাকৰি। সেই সময়ত তেওঁ ব্লকৰ পৰিকল্পনাবোৰ গাঁৱে-ভূঞে দোভাষীৰ জড়িয়তে বুজাই ফুৰিছিল।

এদিন এখন গাঁৱত ধীৰেন ভট্টাচাৰ্যই ব্লকৰ পৰিকল্পনাৰ সম্পৰ্কত গাঁৱৰ ৰাইজক কৈছিল– শ্ৰদ্ধেয় ৰাইজ!

ফাৰকণ গাঁৱৰ দোভাষী পু-থোৱামাই অনুবাদ কৰি কৈছিল– গাঁৱৰ বুঢ়া-বুঢ়ীসকল, আদহীয়া সকল আৰু ধুনীয়া ডেকা-গাভৰু কেইটা।

– মই আপোনালোকক ব্লকৰ পৰিকল্পনাৰ কথা বহলাই ক'বলৈ আহিছো।

দোভাষী পু-থোৱামাই ভাঙনি কৰিলে–– মই আমাৰ চাহাবৰ লগত আহি আপোনালোকক মই কাম কৰা ব্লকটোৰ কাম আৰু পৰিকল্পনাৰ বিষয়ে বহলাই বুজাবলৈ আহিছো।

– আমি গাঁৱত পুখুৰী খান্দিবলৈ সাহায্য আগবঢ়াব পাৰো–

পু-থোৱামাই ভাঙনি কৰি ক'লে– আমি গাঁৱত ৰী-লেকৰ দৰে এটা সুন্দৰ হ্ৰদ খান্দি উলিয়াব পাৰো। তাৰ বাবে যিমান পইছা লাগে মই চাহাবক কৈ ব্যৱস্থা কৰি দিম–

ভট্টাচাৰ্যই এইবাৰ ক'লে– পুখুৰীটোত আমি মাছ পুহিব পাৰিম–




থোৱামাই ক'লে– হ্ৰদৰ পানীততো মাছ থাকিবই–

ধীৰেন ভট্টাচাৰ্যই থোৱামালৈ চাই ৰ'ল। তেওঁ ভাবিলে পু-থোৱামাৰ ভাঙনি শেষ হোৱা নাই। পু-থোৱামাই মূৰ জোঁকাৰি তেওঁলৈ ইংগিত দিলে যে তেওঁৰ ভাঙনি শেষ হ'ল। ভট্টাচাৰ্যই এইবাৰ আৰম্ভ কৰিলে– পুখুৰীৰ পানী খোৱাৰ উপৰি মাছো খাব পাৰিম। মাছ আমাৰ স্বাস্থ্যৰ বাবে বেছ পুষ্টিকাৰক।

পু-থোৱামাই ভাঙনিত ক'লে– আমি পানী খাব পাৰিম। তাত সাতুৰিব পাৰিম। তাত কাপোৰ ধুব পাৰিম। গাঁৱৰ সকলো মানুহ লগ হৈ মাছ ধৰিব পাৰিম। মাছবোৰৰ কিছুমান খাম আৰু আন কিছুমান শুকোৱাম। শুকান মাছবোৰ বছৰ জুৰি খাব পাৰিম। মাছ খালে আমাৰ ডেকাবোৰ ওখ পাখ, শকত আৱত– পু-থোৱমাই হাত দুটা বাহুৰ ওপৰলৈকে ভাঁজ কৰি দেখুৱাই কৈ গ'ল–আৰু দক্ষ মাল যুঁজাৰু হব পাৰিব। আমাৰ ধুনীয়া গাভৰুহঁতৰ গালৰ তেজ ফুটো-ফুটো হব। আমাৰ সমুদায় অঞ্চলৰ ডেকাহঁতে আমাৰ এই গাঁৱৰ গাভৰুবোৰকহে পছন্দ কৰিব।

ৰাইজৰ মাজত বহি থকা কোনোবা দুটা মানে একেলগে কৈ উঠিল– এ- সেওঁ!

ধীৰেন ভট্টাচাৰ্যই এইবাৰ ক'লে– ইয়াৰ উপৰি আমি ঘৰুৱা ভাবে কুকুৰাও পুহিব পাৰিম।

পু-থোৱামাই ক'লে– হ্ৰদটোৰ পাৰত আমি কুকুৰা পুহিম। বিদেশী কুকুৰা কিছুমানে পানীতো সাতুৰিব পাৰে। পানীৰ কাষত সজা বনাই দিলে সেইবোৰে বৰ ৰং মনেৰে সাঁতুৰি-নাদুৰি ফুৰিব।

মানুহ দুই এটাৰ মুখত হাঁহি বিৰিঙিল।

ভট্টাচাৰ্যই কৈ গ'ল– কুকুৰাবোৰে কণী পাৰিব–

পু-থোৱামাই নিজৰ সুৰত কৈ গ'ল– পানীত চৰি ফুৰোতে চৰি ফুৰোতে কোনোবাটোৱে তাতে কণী পাৰিব। ৰী-লেকৰ দৰে ফট্‌ফটীয়া পানীৰ তলিত বগা কণীটো তিৰবিৰাই জিলিকি থাকিব। – থোৱামাই বাওঁ হাতটো মেলি আঙুলি কেইটাৰে কণী এটাৰ নিচিনাকৈ মুঠি মাৰি ধৰিলে। তাৰ পাছত ক'লে– কণীটো আনিবলৈ পাৰত কাপোৰ-কানি খুলি নাঙঠ হৈ টুপুংকৈ জাপ দিবলৈ – থোৱামাই সোঁ হাতটোৰে কণীটোৰ ওচৰলৈ জাপ দিয়াৰ


অংকন ঃ দীপক বৰুৱা

ভংগী দেখুৱালে। তেওঁ কৈ গ'ল– এনে সুন্দৰ লাগিব!!

মানুহবোৰে হাঁহিবলৈ ধৰিলে। ধীৰেন ভট্টাচাৰ্যই মানুহবোৰে হাঁহিব লগা একো কাৰণ বিচাৰি নাপালে। তেওঁ এবাৰ মানুহবোৰলৈ আৰু এবাৰ পু-থোৱামালৈ চালে। পু-থোৱামাৰ হাতৰ ভংগীমা একেদৰেই ৰ'ল। তেওঁ চকুৰে ইচাৰা দি ভট্টাচাৰ্যক ক'লে– কৈ যাওঁক–

ধীৰেন ভট্টাচাৰ্যই পু-থোৱামাক সুধিলে– আপোনাৰ অনুবাদ কৰা হ'ল জানো?

পু-থোৱামাই উত্তৰত চকুৰ ইচাৰাৰে একেদৰে কৈ উঠিল– গ' অন্। কৈ যাওঁক–

ভট্টাচাৰ্যই কিবা কওক চাৰি মানুহটোৰ ভংগী দেখি অপ্ৰস্তুতহে হ'ল। তেওঁৰ অৱস্থা দেখি মানুহবোৰে দুগুণে হাঁহিবলৈ ধৰিলে। অৱশেষত ভট্টাচাৰ্যই বুজি পালে তেওঁতকৈ মানুহটোৰহে বক্তৃতা দিয়াৰ আগ্ৰহ বেছি। তেওঁ দুয়োটা হাত অলপ দাঙি পু-থোৱামাক ক'লে– অ'কে– আপুনি কৈ যাওক।

ভট্টাচাৰ্য বহি পৰিল। পু-থোৱামাই হাতৰ ভংগীমা এৰি বুকু ফিন্দাই মানুহবোৰৰ আগত থিয় হৈ হাঁহি ক'লে–হুঁ–

মানুহবোৰে এইবাৰ গিৰ্জানি মাৰি হাঁহিবলৈ ধৰিলে। সেই হাঁহি পু-থোৱামাৰ বাৰে ফচহু ফুচুৰি কথাত এঘন্টা জুৰি চলি থাকিল।

ভট্টাচাৰ্য সেই গাঁৱত দুটাদিন থকাৰ সময়ত মন কৰিলে তেওঁক দেখিলেই মানুহবোৰে হাঁহিৰ কোবত মুখ যেন জাপ নোখোৱাবই। শেষলৈ মানুহবোৰৰ লগত তেৱোঁ হাঁহিবলৈ ধৰিলে। মানুহৰ এনে প্ৰাণ খোলা হাঁহি তেওঁ জীৱনত আৰু ক'তো দেখা নাই। নিজেও হঁহা নাই। ........

এতিয়া লম্‌কিমাৰ লগত হাঁহি ভট্টাচাৰ্যৰ কুৰি বছৰীয়া পুৰণা হাঁহিটো হহাঁ যেনেই লাগিল। লম্‌কিমা তেওঁৰ কাষ পালেহি আৰু তেওঁৰ সোঁ হাতটো দুয়ো হাতেৰে চেপি ধৰি কলে–কংগ্ৰেচুলেচন্–

–থেংক ইউ। কিন্তু এটা কথা। মিজোৰাম ইউ টি হোৱাৰ সময়ত মই অসমলৈ নগৈ মিজোৰামৰ অপ্‌চন দিছিলো। গতিকে মই ইয়াৰ চিনিয়ৰ হৈ নমিনেচন পালো। অসমত মোতকৈ চিনিয়ৰ বোৰে এতিয়াও আই এ এছ পোৱা নাই। – ভট্টাচাৰ্যই কলে।

– কিন্তু আফটাৰ অল আপুনি




OKDISCD

কমপিন্টে।

– ৰিয়েলি?

– আপুনি নাজানিব পাৰে। আমি কিন্তু জানো। – লম্‌কিমাই কলে।

– আপুনি ৰাজনীতিত থকাৰ বাবেই নেকি? বাই দা ৱে – আপোনাৰ ৰাজনীতি কেনে চলিছে?

–চলিছে আৰু? চাওঁচোন দুবছৰৰ পাছত ইলেকচনত কি হয়? ইতিমধ্যে আকৌ পি চি পাৰ্টিও গঠন হৈছে।

ভট্টাচাৰ্যই পি চি অৰ্থাৎ পিপ'লচ কনফাৰেন্স অলপতে গঠন হোৱাৰ কথা জানে। যোৱা বছৰ এই দলৰ সদস্য সকলে লুংলেত হিউমেন্ ৰাইটছ কমিটি হিচাপে অধিবেশন পাতি গৈছিল। মাউতামে সৃষ্টি কৰা পৰিস্থিতি মূলধন কৰি এম এন এফ যেনেদৰে এটা সময়ত জনপ্ৰিয় হৈ পৰিছিল, পিচি বোলা ৰাজনৈতিক দলটোৱেও সামৰিক বাহিনীয়ে গাৱেঁ ভূঞে কৰা অত্যাচাৰ তেনেভাবে প্ৰয়োগ কৰি লাহে লাহে সেই শাৰীলৈ উঠিবলৈ লৈছে।

ভট্টাচাৰ্যই সুধিলে– বাৰু পু-লম্‌কিমা। এটা ব্যক্তিগত প্ৰশ্ন সোধো। আপুনি কংগ্ৰেছত কিয় যোগ দিলে?

লম্‌কিমাৰ উত্তৰ যেন জিভাৰ আগত আছিল। তেওঁ মিচিকিয়াই ক'লে– চাওক, মোৰ লক্ষ্য হ'ল মিজোৰামৰ বাবে কিবা কৰাতো। যি দলেই সেই কাম কৰাত মোক বেছি সুবিধা দিব সেই দলেই মোৰ কৰ্মথলী। মই ভাবিছো কেন্দ্ৰীয় চৰকাৰৰ ৰুলিং পাৰ্টিৰ লগত থাকিলেই সেইটো ভালদৰে কৰিব পাৰিম। মই তেওঁলোকক আমাৰ প্ৰব্লেমবোৰ ব্যাখ্যা কৰি পতিয়ন নিয়াব পাৰিলেই আৱশ্যকীয় কামবোৰ তেনেই সহজ হৈ উঠিব। সেই কাৰণেই মই কংগ্ৰেছত।

ভট্টাচাৰ্যই তেওঁক শলাগিলে– সম্ভৱ আপোনাৰ কথা সঁচা।

– পু-ভট্ – লম্‌কিমাই কথাৰ মোৰ ঘূৰালে। – ইয়াত কি কৰিব? বলক মোৰ গাড়ীত আগুৱাই যাওঁ। না-থীয়ালতে জিৰণি লৈ কথাও পাতিব পাৰিম, ভাতো খাব পাৰিম।

লম্‌কিমাৰ প্ৰস্তাৱটো তেওঁৰ বেয়া নালাগিল। কিন্তু তেওঁৰ অসুবিধা ঢেৰ। প্ৰথম হ'ল এছকৰ্ট। পুলিচ অফিচাৰ কেইজনৰ হত্যাৰ পাছত তেওঁলোকৰ কাষে কাষে এছকৰ্টবোৰ ছাঁৰ দৰে ঘূৰি ফুৰাৰ নিৰ্দেশ আছে। তাৰ উপৰি লগত অহা অফিচাৰ দুজন আৰু ফাইলবোৰলৈ বিপদ। তথাপি অফিচাৰ দুজনক গাড়ীৰ লগত থাকিবলৈ কৈ ভট্টাচাৰ্য যাবলৈ ওলাল। কিন্তু অসুবিধা হ'ল চি আৰ পি কেইটাৰ পৰা। ভট্টাচাৰ্যই সিঁহতক নালাগে বুলি কোৱাতো সিহঁতে কেৰ জেৰ কৰি থাকিল। লম্‌কিমাই সিহঁতক ক'লে– অই – তহঁতৰ চাহাবক কোনেও নামাৰে। আৰে – ময়ো আন্দাৰ গ্ৰাউন্ডত আছিলো। এতিয়া তহঁতৰ চাহাবৰ এছকৰ্ট মই।

লম্‌কিমাই ড্ৰাইভাৰটোক পিছৰ চিটলৈ পঠিয়াই নিজে জীপখন চলাবলৈ বহিল। ভট্টাচাৰ্যও তেওঁৰ কাষত বহি লম্‌কিমাৰ লোদোৰ-পোদোৰ পেটটো আৰু হাত ভৰিলৈ চাই ক'লে– আচ্ছা, আপুনি মোক কওকচোন। কেনেকৈ ইমান শকত হব পাৰি?

– দেয়াৰ ইজ্ এ চিক্ৰেট–

লম্‌কিমাই হেহ্ হেহ্ কৈ হাঁহিবলৈ ধৰিলে। তাৰ পাছত ক'লে– আপুনি হ'ল ব্ৰাহ্মণ। লগুণ টানি নিৰামিষ ভোজন কৰি থাকিলে নহব। মাংস খাব লাগে। পাৰিলে বিফ্ খাব লাগে বেছিকৈ। তেতিয়া স্বৰ্গৰ দেৱতায়ো আপোনাক খীণ কৰি ৰাখিব নোৱাৰে।

লম্‌কিমাৰ কথাৰ ধৰণত ভট্টাচাৰ্যই হো হো কৈ হাঁহিবলৈ ধৰিলে।

লম্‌কিমাই যিখন হোটেলৰ সন্মুখত গাড়ী ৰখালেগৈ সেইখন হোটেল আছিল ছা-ঙীৰ। সেইখনেই সেই অঞ্চলৰ পৰিষ্কাৰ হোটেল। তাৰ অলপ আঁতৰতেই আইজ'ল-লুংলেৰ মাজত অহা যোৱা কৰা ট্ৰেন্সপ'ৰ্ট দুখন ৰয়হি। উঠোতে নামোতে মানুহবোৰে ছা-ঙীৰ হোটেলতে চাহ মিঠাই খায়। গ্ৰাহকৰ মনোৰঞ্জনৰ বাবে ছা-ঙীয়ে জাপানী টেপ-ৰেকৰ্ডাৰ এটা বজাই থয়। লম্‌কিমাহঁত গৈ পোৱাৰ সময়ত আব্বাৰ ফাৰ্ন্‌নাড়' গানটো বাজি আছিল।

লম্‌কিমা আৰু ভট্টাচাৰ্যক দেখি ছা-ঙীয়ে সকলো কাম এৰি দৌৰি আহিল। তাই তেওঁলোকৰ লগত হাঁহি মুখেৰে হেন্দছেক কৰি আদৰিলে– চিবাই, চিবাই কাপু।

বহুত দিনৰ পাছত আপোন মানুহ দেখাৰ দৰে তাই লম্‌কিমা আৰু ভট্টাচাৰ্যক আলহ-উদহ কৰিবলৈ ধৰিলে। ছা-ঙীয়ে পইছা ৰখা ভেনিটি বেগটো এটা কান্ধৰ পৰা কঁকালৰ আনটো ফাললৈ বুকুৰ মাজেৰে ফিটাডাল পাৰ কৰি ওলোমাই ৰাখিছে। ফিটাডালৰ দুয়োফালে তাইৰ বুকু অলপ ভাঙি পৰা। তাইৰ সেই গাভৰু দিন নাই। তথাপি তাইৰ মুখত উজ্জ্বলতা। খোজ-কাটলত গাভৰুৰ চপলতা।

সহায় কৰিবলৈ ৰখা গাভৰু দুজনীৰ ওপৰত ভৰষা নকৰি ছা-ঙীয়ে ভট্টাচাৰ্য আৰু লম্‌কিমা বহা বেঞ্চ দুখনৰ আগৰ মেজখন কাপোৰ এখন লৈ পৰিষ্কাৰ কৰিবলৈ ধৰিলে। তাই কৈ গ'ল– উই-ই-ই – মোৰ আজি কি ভাগ্য। আপোনালোক এই ফালেই অহা-যোৱা কৰে, সোমাবলৈ সময়েই নাপায়।

ভট্টাচাৰ্যৰ মানুহজনীক দেখি ভাল লাগিল। তেওঁ তাইৰ হৈ যোৱা ঘটনাবোৰৰ কথা জানে। কিন্তু তাৰ চাপ মানুহজনীৰ গাত লেশমানো নাই। এতিয়া তাই ইয়াৰ জীৱনৰ লগত বেছ মিলি গৈছে। দোকানখনো একেবাৰে সৰু নহয়। আঠজোৰামান বেঞ্চ আছে। প্ৰতিখনত তিনিজনকৈ আৰামেৰে বহিব পাৰে।

ছা-ঙীৰ কথা শুনি লম্‌কিমাই ক'লে– তোৰ তাত কিয় সোমাম? ধুনীয়া ভৰ গাভৰুবোৰৰ দোকানতহে চাহ খাবলৈ মজা লাগে।

লম্‌কিমাৰ ভলভলীয়া কথাত দোকানখনত বহি থকা মানুহ কেইটাই হাঁহিবলৈ ধৰিলে। ভট্টাচাৰ্যৰ মুখতো মিচিকিয়া হাঁহি বিৰিঙিল।

– অ' – অৱশ্যে তই যদি ধুনীয়া গাভৰু দুজনীমান ৰাখ' তেন্তে আহোতেও সোমাম যাওঁতেও সোমাম। অ'– তোৰ এই চাহ কৰি থকা গাভৰুজনী চকুত লগা যেন পাইছো অ'। তাইকহে মোক চাহ দিবলৈ দিবি–

দোকানত বহি থকা মানুহ দটামানে একেলগে হাঁহি উঠিল– হেহ্ হেহ্ হেঁ–

ভট্টাচাৰ্যই অফিচ-কাছাৰীৰ উদ্বেগৰ পৰা মুক্ত হ'লেই এনে মুহূৰ্তবোৰ বেছ উপভোগ কৰে। তেওঁ অনুভৱ কৰিবলৈ ধৰিলে লম্‌কিমাৰ লগত এসপ্তাহ থাকিলেই তেওঁৰ এই খীণ চেহেৰাত আৰু লগতে বয়সতো পূৰঠ হৈ নপৰা গালত মাংসৰ চপৰা ওলমিবলৈ আৰম্ভ কৰিব।

ভট্টাচাৰ্য অহাৰ খবৰটো গাঁৱত নিশ্চয় ৰাষ্ট্ৰ হৈ পৰিছিল। অলপ পাছতে চি আৰ পি পাঁচোটামান আহি দোকানৰ সন্মুখত ৰ'লহি আৰু হাবিলদাৰটোৱে ভট্টাচাৰ্যক চেলুট দিলেহি। তাৰ অলপ পাছতে এ অ'জন ফোপাই জোপাই ওলালহি। তেওঁ ক'লে– চাৰ! মই কিবা কৰিব পাৰো নেকি?

ভট্টাচাৰ্যই সকলোকে ক'লে– আপোনা-লোক অলপ বাহিৰতে অপেক্ষা কৰক। মই চাহ খাই লওঁ।

সিহঁতজাক বাহিৰলৈ যোৱাৰ পাছত লম্‌কিমাই অলপ কৃত্ৰিমতাৰে ক'লে– চা-লা মই কংগ্ৰেছৰ মানুহ। মোৰ এম এল এ-ৰ পৰা চিফ্ মিনিষ্টাৰলৈকে চিনাকি সিহঁতৰ লগত চাহ খোৱা ভাত খোৱা আছেই। ঘৰতো থাকো। এই মানুহবোৰে মোক পাত্তাই নিদিয়ে। পু-ভটকহে পাত্তা দিয়ে।

মানুহবোৰে মিচিকিয়াই হাঁহিলে।

চকুত লগা গাভৰুজনীয়ে সিহঁতৰ আগত চাহৰ কাপ থলেহি। ছা-ঙীয়ে সিজোৱা কণী চাৰিটামান আৰু যি দুই এবিধ মিঠাই আছে তাৰে সজাই প্লেট এখন সিহঁতৰ মাজত থৈ ক'লে– আপোনালোক কংগ্ৰেছীবোৰ সাৱধান হবৰ হ'ল। এতিয়া বোলে পি চি-ৰ জোৰহে বাঢ়ি আহিছে।

– হয় নেকি? – লম্‌কিমাই সুধিলে। – তইহে গম পাবি। তোৰ হোটেলতহে ভিন ভিন মানুহ আহি কথা পাতি থাকে।

– কথাটোতো হয়েই। সেয়েহে মই কৈছো। – ছা-ঙীয়ে কৈ গ'ল– আৰু এটা কথা। পি চি হোৱাৰ আগতে সিহঁতৰ কিবা কমিটি এখন আছিল নহয়। তাৰ বাবে মোক ঢেৰ মানুহে মোৰ ওপৰত হোৱা অত্যাচাৰৰ কথা সুধিছিলহি। সিহঁতে বোলে চৰকাৰৰ ওচৰত গোচৰ তৰিব। কিন্তু মোৰ এইবোৰ বখানি থকাৰ ইচ্ছা আৰু নাছিল। তাৰ উপৰি ইয়ালৈ অহাৰ লগে লগে কলিকতাৰ যে ডাঙৰ মিলিটাৰী অফিচাৰজন আছে– কি জানো?

– জি অ' চি- ইন্ চি–

– অ' হয় হবলা, তেওঁ আহি মোক অত্যাচাৰ কৰা মখাক শাস্তি দিলেহি- তিনিটাৰ চাকৰি গ'ল। এটা হাবিলদাৰক চিপাহী বনালে। ইয়াৰ পাছত মোৰ আৰু কি ক'ব লগা আ মই কমিটিৰ মানুহবোৰক বিশেষ উচটাই নিদিলো।

ভট্টাচাৰ্য কথাটো জানে। সেই সময়ৰ ইষ্টাৰ্ণ-কামাণ্ডৰ জেনেৰেল মানেকশ্ব'ই ছা-ঙীৰ ঘটনাটোৰ সংক্ৰান্তত মিলিটাৰী কেইবাটাকো শাস্তি বিহিছিল।

ছা-ঙীয়ে পুনৰ ক'লে– গাঁওখনত আৰু ঢেৰ নতুন খবৰ আছে। আপোনালোক আহিলেহে নতুন খবৰবোৰ পাব।

– ক'চোন ক'। নতুন খবৰনো কি আছে? – লম্‌কিমাই সুধিলে।

– পু ৰ'ছিয়ামা ঢুকাল নহয়। – ছা-ঙীয়ে ক'লে।

লম্‌কিমা গহীন হ'ল। তেওঁৰ মনত পাৰিল এই ওপা ৰ'ছিয়ামায়েই তেওঁক বাইবেল দোহাৰি এম এন এফ-ৰ আন্দোলনৰ আৰম্ভণিতে সকীয়াইছিল যে এনে মৃত্যু হয়তো পাগলামীহে হব। লম্‌কিমাৰ বাবে সেইটোৱেই সত্য প্ৰমাণিত হ'ল। আত্মসমৰ্পণ কৰাৰ পাছত সুবিধা পাওঁতেই তেওঁ অৱশ্যে ওপাক এবাৰ লগ ধৰিছিল।

ছা-ঙীয়ে কৈ গ'ল– আমাৰ কংগ্ৰেছ চৰকাৰ হোৱাৰ পাছত আমাক পুৰণা গাঁৱলৈ যাবলৈ দিয়া সুবিধাতে পু-কিয়েনল'ভাৰ লগতে ওপা ৰ'ছিয়ামা গাঁৱলৈ গ'ল। তেওঁ যোৱাৰ উদ্দেশ্য আছিল গিৰ্জাটো পুনৰ সজোৱা। অৱশ্যে মৃত্যুৰ আগতে তেওঁ সেইটো সম্পূৰ্ণ কৰিব পাৰিলে।

– তেওঁৰ এজনী বিধৱা জী আছিল নহয়? – লম্‌কিমাই সুধিলে।

– অ'। তাইৰ নাম ৰেমী। তাইৰ যোৱা দুবছৰৰ আগতে পুনৰ ইয়াৰে পিয়ন কৰা ডেকা এটাৰ লগত বিয়া হ'ল। তাইৰ এতিয়া কেঁচুৱা এটাও হৈছে। তাইৰ আগৰ মোৱানাৰ ফালৰ ছোৱালী থান-পাৰি এতিয়া আঠ ন-বছৰীয়া। তাই ওপা ৰ'ছিয়ামাৰ লগতে আছিল। এতিয়া ৰেমীয়ে তাইকো চপাই লৈছে। ছোৱালীজনী ইয়াৰ স্কুলতে পঢ়ে।

ভট্টাচাৰ্যই ইয়াৰ স্কুলৰ উন্নতিৰ কথা ভালদৰে জানে। তেওঁ ইয়াৰ লগত ভালদৰে জড়িত হৈ আছিল। হাইস্কুলখনৰ ঘৰ দুৱাৰ এতিয়া টিনৰ হৈ পৰিছে। তেওঁৰ আংপুই গাঁৱৰ স্কুলখনৰ কথা জানিবৰ ইচ্ছা গ'ল। তেওঁ সুধিলে– ছা-ঙী! গাঁৱৰ স্কুলখনৰ কথা কিবা জাননে?

ছা-ঙীয়ে চাহ খোৱা মানুহ এটাৰ পৰা পইছা লৈ লৈ ক'লে– স্কুলখন হাইস্কুল হৈছেগৈ। মই শুনা মতে ঘৰ দুৱাৰৰ অৱস্থা বৰ বেয়া। অ' আৰু এটা কথা–

ছা-ঙীয়ে উছাহেৰে ক'লে– গাঁৱলৈ জীপেৰে যাব পৰা ৰাস্তা এটা বোলে কাটি উলিয়াইছে।

লম্‌কিমাই 'প সোহা মাৰি শেষ কৰি সুধিলে– ..তো ঢেৰ খবৰ দিলি– তোৰ নিজৰ খবৰ কি ক'চোন?

– মোৰ আৰু কি? মোৰ ল'ৰা এটাই– ৰিণ্অ'মা। সি এতিয়া ক্লাচ নাইনত। ইয়াতে পঢ়ে।

দোকানখনৰ দুৱাৰমুখত য'ৰামথাঙাক দেখা গ'ল। মানুহজনৰ মুখত অলপ বয়সৰ চাপ পৰিছে। লাখুটি লব লগা হোৱা নাই যদিও হাতত এডাল লাখুটি লৈ ভট্টাচাৰ্যহঁত অহাৰ খবৰ পাই আহিছে। তেওঁ তেওঁলোক দুজনৰ লগত চিবাই কৰি ক'লে– অ' আপোনালোকে ৰিণ্অ'মাৰ কথা সুধিছে। সি পঢ়া-শুনাত বেছ ভাল। আৰু এটা ল'ৰা গাঁৱৰ পৰা ওলাইছে। পু কিয়েনল'ভাৰ সৰুটো পুতেক– ৰোৱাটা। সি মেট্ৰিক পাছ কৰিয়েই আইজ'ললৈ গ'ল। ৰেভাৰেণ্ড যাইৰেমাই তাক পঢ়া-শুনাৰ সুবিধা কৰি দিছে। সি বোলে এতিয়া আইজ'লৰ থিয়লজীকেল কলেজত পঢ়ি আছে। ইহঁতেই যদি কিবা কৰে আৰু!

ছা-ঙীয়ে ক'লে– কা-পু! আপুনি নিজৰ কথা নকয়েই। কিমিয়ে বি এ পাছ কৰিলে, এতিয়া চিভিল চাৰ্ভিছৰ পৰীক্ষাও পাছ কৰি চাকৰিত সোমাইছে। সেইবোৰ আমাৰ কাৰণে কম কথানে?

য'ৰামথাঙাই হাঁহিলে। তেওঁ ক'লে –এয়া, চব পু-ভটৰ কাৰণেই হৈছে। তাইক চিলঙত পঢ়াৰ ব্যৱস্থা আৰু গাইডেন্স নিদিয়া হ'লে এইটো সম্ভৱেই নহ'লহেঁতেন।

তেনেতে এ, অ'জনে খবৰ দিলে যে ভট্টাচাৰ্যৰ গাড়ীখন আহি পালেহি।

লম্‌কিমা আৰু ভট্টাচাৰ্য উঠিল। আইজ'লত জৰুৰী কাম থকাৰ বাবে ভট্টাচাৰ্য য'ৰামথাঙাৰ ঘৰলৈ নগ'ল।

লম্‌কিমাই ছা-ঙীৰ পৰা বিদায় লোৱাৰ আগতে সুধিলে– তোৰ আৰু একো খবৰ নিদিলি দেখোন–

ছা-ঙীয়ে বুজি পালে তেওঁ ৰ'ছাঙাৰ কথাকে পৰোক্ষ ভাবে সুধিছে। দুবছৰমান আগতে ৰ'ছাঙাক মৰো মৰো অৱস্থাত মিলিটাৰীবোৰে জ'মাবকত থকা সিহঁতৰ হস্পিটেলত নি চিকিৎসা কৰোৱাইছিল। সাত মাহৰ মূৰত অলপ ভাল হোৱাত তাৰ বিচাৰ হৈ ছবছৰ জেল হ'ল। এতিয়া এবছৰ পাৰ হৈছেহে। পাঁচ বছৰ বাকী আছেই। ৰ'ছাঙা থকা বা নথকা ছা-ঙীৰ মানত একেই। লম্‌কিমাৰ প্ৰশ্ন শুনি তাইৰ ৰঙিয়াল মুখৰ ৰং অলপ শেঁতা পৰিল। তাই মূৰটো ঘূৰালে আৰু উত্তৰত একোকে নক'লে।

*ক্ৰমশঃ*

OKDISCD

# নিৰ্বাচনৰ শিক্ষা নতুন চৰকাৰে লবনে?

দুলাল খাউন্ড

অসমৰ বিগত নিৰ্বাচনৰ ফলাফলে ভালেমান কথা শিকালে। নিৰ্বাচনৰ জৰিয়তে ৰাজ্যখনত কংগ্ৰেছ চৰকাৰ পুনৰ প্ৰতিষ্ঠিত হ'ল, অসম গণ পৰিষদ আৰু নতুন অসম গণ পৰিষদৰ শোচনীয় পৰাজয় ঘটিল। ১৯৮৫ চনত এক আবেগিক ঢৌৰ ওপৰত উঠি অসম গণ পৰিষদ (অগপ) অসমৰ ৰাইজৰ অকুণ্ঠ সমৰ্থন লাভ কৰিছিল আৰু মুকলি পথাৰত ৰাইজৰ সমুখত শপত গ্ৰহণ কৰা চৰকাৰটোৱে সোণৰ অসম গঢ়াৰ প্ৰতিশ্ৰুতি দিছিল। কিন্তু সোণৰ অসম গঢ়াটো বাদেই, এই চৰকাৰে প্ৰায় পাঁচ বছৰ কালত প্ৰমাণ কৰিলে যে ইয়াৰ সাধাৰণ দৈনন্দিন প্ৰশাসন চলোৱাৰ যোগ্যতাখিনিও নাই। উন্নয়নমূলক কাম-কাজ সকলো বন্ধ হৈ গ'ল; ৰাজ্যখনত আইন শৃংখলাৰ সম্পূৰ্ণ অৱনতি ঘটিল। সাধাৰণ মানুহ সদায় এক অনিশ্চয়তা আৰু আতংকৰ মাজত বাস কৰিব লগীয়া হ'ল। ৰাজনৈতিক হস্তক্ষেপে আৰক্ষী বাহিনীক সম্পূৰ্ণ নিষ্ক্ৰিয় কৰি পেলালে। এই নেতাসকলেই বিদেশী নাগৰিক বহিষ্কাৰৰ কাৰণে আন্দোলন পৰিচালনা কৰিছিল আৰু অসমীয়া জাতিৰ অস্তিত্ব বিপন্ন বুলি আতংকৰ সৃষ্টি কৰি জনসাধাৰণক সমবেত কৰিছিল। কিন্তু চৰকাৰ গঠন কৰাৰ পিছত বিদেশী নাগৰিক বহিষ্কাৰ কৰাৰ কাৰণে ৰাজ্য চৰকাৰে কৰিব লগীয়া কামখিনি কৰাৰ ক্ষেত্ৰত এওঁলোক সম্পূৰ্ণ ব্যৰ্থ হ'ল। জনসাধাৰণৰ বুজিবলৈ বেছি দিন নালাগিল যে এওঁলোকে অসম চুক্তিত চহি কৰিছিল ৰাজনৈতিক ক্ষমতা দখলৰ কাৰণেহে, সমস্যাটো সমাধানৰ কাৰণে নহয়। গতিকেই অসমৰ জনসাধাৰণে এই চৰকাৰৰ সলনি এটা সুস্থিৰ চৰকাৰ বিচাৰিছিল আৰু নিৰ্বাচনৰ ফলাফলৰ জৰিয়তে সেইটো প্ৰতিফলিত হ'ল।

নতুন অসম গণ পৰিষদকো (নঅগপ)অসমৰ ভোট দাতা সকলে ক্ষমা কৰা নাই। নীতি আৰু কাৰ্যসূচীৰ ভিত্তিত যদি এটা ৰাজনৈতিক দলৰ বিভাজন হয়, তেন্তে জনসাধাৰণে সেইটো বুজি পায় আৰু তাৰ ভিত্তিত এটা অৱস্থানো গ্ৰহণ কৰিব পাৰে। কিন্তু নিৰ্বাচনৰ আগ মুহূৰ্তত দল ভাঙি ওলাই আহি, কাৰোবাক দোষ দিবলৈ চেষ্টা কৰিলে সেইটো যে সুবিধাবাদৰ বাহিৰে একো নহয় তাক ভোট দাতা সকলে বুজি পাইছিল। গতিকেই নিৰ্বাচনত ন অগপ দলৰ শোচনীয় পৰাজয় ঘটিল। অগপ চৰকাৰৰ সকলো ব্যৰ্থতা, দুৰ্নীতি আদিৰ সমান অংশীদাৰ আছিল সেই সকলো, যি সকলে ওলাই আহি ন অগপ গঠন কৰিছিল। নগাঁও সমষ্টিত প্ৰাক্তন মুখ্য মন্ত্ৰী শ্ৰীপ্ৰফুল্ল মহন্তৰ পৰাজয়ে দলটোৰ ৰাজনৈতিক মৰ্যাদা বেয়া ধৰণে ক্ষতি কৰিলে, অথচ বাতৰি কাকতৰ মতে এই সমষ্টিতেই মহন্তই লাখ লাখ টকা বিতৰণ কৰিছিল।"

ভাৰতীয় জাতীয় কংগ্ৰেছ (সমাজবাদী), ভাৰতৰ কমিউনিষ্ট পাৰ্টি, মাৰ্ক্সবাদী কমিউনিষ্ট পাটি, জনতা পাৰ্টি, জনতা দল আদিয়েও নিৰ্বাচনত সুবিধা কৰিব নোৱাৰিলে। ইয়াৰ প্ৰধান কাৰণ হ'ল অসমৰ জনসাধাৰণে এটা অগপৰ বিকল্প সুস্থিৰ, কাৰ্যক্ষম চৰকাৰ বিচাৰিছিল। ভোটদাতা সকলে বুজিছিল যে এই দলবোৰৰ চৰকাৰ গঠন কৰাৰ ক্ষমতা নাই আনকি চৰকাৰ গঠন কৰিব পৰাকৈ যথেষ্ট সংখ্যক প্ৰাৰ্থী থিয় কৰাৰ সামৰ্থ্যও নাই। ভোটদাতা সকলৰ সমুখত কংগ্ৰেছ (ই) একমাত্ৰ দল আছিল যি চৰকাৰ গঠন কৰি ৰাজ্যখনলৈ সুস্থিৰতা ঘূৰাই আনিব পাৰে। দেখা যায়, এইবাৰ ভোটদাতা সকলে সাধাৰণ ভাবে ব্যক্তিৰ কথা বিবেচনা নকৰি দলৰ কথাহে বিবেচনা কৰিছিল। তাৰ কাৰণেই শৰৎ চন্দ্ৰ সিংহ, হেমেন দাস, গোলাপ বৰবৰা আদি ব্যক্তিৰ পৰাজয় ঘটিল।'

নিৰ্বাচনৰ ফলাফলে প্ৰতিপন্ন কৰা সকলোতকৈ গুৰুত্বপূৰ্ণ ৰাজনৈতিক কথাটো হ'ল আঞ্চলিকতাবাদৰ পৰাজয়। ক'বলৈ গ'লে এই নিৰ্বাচনত কোন কিমান বেছি আঞ্চলিকতাবাদী তাৰ প্ৰতিযোগিতা চলিছিল। অগপ আৰু ন অগপ-ৰ বাহিৰেও আঙুলি মূৰত লেখিব নোৱৰা সংখ্যক আঞ্চলিক দল গঠিত হৈছিল। সকলোৱেই সম্পূৰ্ণ স্বায়ত্ত শাসনৰ দাবী কৰিছিল। অথচ এই সকলেই কিছুদিন আগলৈকে কোনোবা জনজাতি গোষ্ঠীয়ে আঞ্চলিক স্বায়ত্ত শাসনৰ দাবী কৰিলে জাঙুৰ খাই উঠে। শ্ৰীপ্ৰফুল্ল মহন্তই কেৱল চাৰিটা বিষয় কেন্দ্ৰৰ হাতত ৰাখি বাকী সকলো ক্ষমতা ৰাজ্য চৰকাৰক দিয়াৰ দাবী কৰিছিল। মনত ৰখা প্ৰয়োজন যে পাঞ্জাৱৰ অকালী সকলৰ আনন্দপুৰ চাহিব প্ৰস্তাৱতো এই কথাটোৱেই কোৱা হৈছিল। আচৰিত কথা যে চি পি আইৰ নেতা প্ৰমোদ গগৈয়েও একে সুৰতে দাবী কৰিছে। অৱশ্যে এই কথা কোনেও নুই নকৰে যে আমাৰ সংবিধান গ্ৰহণ কৰাৰ পৰা বহুদিন পৰা হৈ গ'ল আৰু ইতিমধ্যে দেশখনত বহু পৰিবৰ্তন ঘটিছে। গতিকেই কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত থকা সম্পৰ্ক বিচাৰ কৰি চোৱাৰ সময় আহিছে।

কিন্তু এই কথাও মনত ৰাখিব লাগিব যে আঞ্চলিক উন্নয়নৰ প্ৰচেষ্টা আৰু ৰাজনৈতিক ধাৰণা হিচাপে আঞ্চলিকতাবাদ একে কথা নহয়। অসমৰ জনসাধাৰণে ৰাজ্যখনৰ আৰ্থিক, সামাজিক আৰু সাংস্কৃতিক উন্নয়ন বিচাৰে। গতিকে তেনে কোনো আন্দোলন হ'লে ৰাইজ জঁপিয়াই পৰে। কিন্তু মহাপুৰুষ শংকৰদেৱৰ দিনৰ পৰাই "ধন্য ধন্য ভাৰত বৰিষ" গোৱা অসমৰ মানুহে ৰাজনৈতিক আঞ্চলিকতা-বাদৰ সংকীৰ্ণতা গ্ৰহণ কৰা নাই।


এই নিৰ্বাচনৰ জৰিয়তে সাম্প্ৰদায়িক শক্তি বিজেপি দলৰ অসমত প্ৰৱেশ এটা ডাঙৰ ঘটনা। সকলো ধৰ্ম নিৰপেক্ষ, গণতান্ত্ৰিক লোকেই এই ঘটনা বিচাৰ কৰা প্ৰয়োজন হৈ পৰিছে। বাব্‌ৰি মছজিদ ভাঙি ৰাম মন্দিৰ সজাৰ অভিযানৰ প্ৰভাৱ বৰাক উপত্যকাৰ জনসাধাৰণৰ ওপৰত যথেষ্ট পৰিমাণে পৰিছিল, তদুপৰি বিজেপিয়ে বাংলাদেশৰ পৰা অহা অনুপ্ৰৱেশকাৰী সকলৰ ক্ষেত্ৰত ধ্বনি তুলিছে যে হিন্দুসকল ভাৰতত থাকিব আৰু মুছলমানসকলক বহিষ্কাৰ কৰা হব। ইয়ো ভোটদাতা সকলৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলাইছে। কাৰণ যিয়েই নহওক, অসমৰ ভৱিষ্যতৰ কাৰণে ই বিপদ মাতি আনিছে, অসমৰ হিন্দু মুছলমান ঐক্য আৰু সম্প্ৰীতিৰ পৰম্পৰা আছে বুলিয়েই নিশ্চিন্ত হৈ থকাৰ সময় নাই। এই পৰম্পৰা ৰক্ষা কৰিবলৈ সক্ৰিয় চেষ্টাৰ এতিয়া অতীব প্ৰয়োজন।

এই নিৰ্বাচনৰ জৰিয়তে সদৌ অসম ছাত্ৰ সন্থাৰ (আছু) অৰাজনৈতিক সংগঠন বুলি দাবী কৰাৰ মুখা খুলি গ'ল। কিছুমান ৰাজনৈতিক দলক ভোট নিদিবলৈ আৰু প্ৰকাৰান্তৰে অগপক ভোট দিবলৈ প্ৰচাৰ কৰাৰ দ্বাৰা নিজৰ স্বৰূপ তেওঁলোকে উদঙাই দিলে। আছুৱে নগাঁৱত প্ৰচাৰ চলাইছিল– শইকীয়া (হিতেশ্বৰ শইকীয়া), শৰ্মাক (মুকুট শৰ্মা) শেষ কৰক। এই প্ৰচাৰ কেৱল যে ৰাজনৈতিক এনে নহয়, ই নিৰ্বাচনৰ প্ৰচাৰৰ ভদ্ৰতাৰ ভিতৰতো নপৰে। অৱশ্যে এইবাৰ এটা কথা প্ৰমাণিত হ'ল। বিদেশী নাগৰিক বহিষ্কাৰৰ আন্দোলনৰ পৰাই আছুৱে অসমৰ জনসাধাৰণৰ ওপৰত ৰাজনৈতিক-সামাজিক অভিভাৱকত্ব কৰিবলৈ চেষ্টা কৰি আহিছিল। এইবাৰ অসমৰ জনসাধাৰণে তাক নাকচ কৰিলে।

অসমৰ জনসাধাৰণে কি বিচাৰে তাক পৰিষ্কাৰ ভাবে দেখুৱাই দিলে। জনসাধাৰণে বিচাৰে ৰাজ্যখনত আইন-শৃংখলা আৰু এক শান্তিপূৰ্ণ পৰিবেশ, উন্নয়নমূলক কাম-কাজ সমূহ দ্ৰুতগতিত সম্পন্ন কৰাৰ ভিতৰেদি ৰাজ্যখনৰ সৰ্বাংগীন উন্নতি আৰু বিভিন্ন জাতি, উপজাতি, ধৰ্ম, ভাষাৰ লোকৰ মাজত ঐক্য আৰু সম্প্ৰীতি। আমি সকলোৱেই ইয়াৰ পৰা শিক্ষা গ্ৰহণ কৰা উচিত। বিশেষকৈ প্ৰয়োজন হৈছে ভৱিষ্যত চৰকাৰে এই শিক্ষা গ্ৰহণ কৰা আৰু সেই মতে নিজৰ কাম-কাজ পৰিচালনা কৰা। কাৰণ জনসাধাৰণে কিছু সময়হে ধৈৰ্যৰে অপেক্ষা কৰে কিন্তু শেষত কাকো ক্ষমা নকৰে।







# চিটি বাছ, সংৰক্ষিত আসন আৰু নাৰী মৰ্যদা

হৰিচৰণ দাস

গুৱাহাটী মহানগৰীৰ এটি ব্যস্ত সন্ধিয়া। কাছাৰী চিটি বাছ ষ্টেচনত খানাপাৰা অভিমুখী চিটি বাছ এখনত উঠিলো। বাছখন তেতিয়াও পূৰ হোৱা নাই। মহিলাৰ আসনৰ একাংশ তেতিয়াও খালি।

উঠিয়েই দৰ্জাৰ সমুখা-সমুখি চিট এটাত বহি পৰিলো। মোৰ পিছৰ চিটটোত এগৰাকী আদ্ বয়সীয়া ভদ্ৰলোক। তেওঁৰ পিছৰ আসনখনত বহিছে এহাল যুৱক-যুৱতী। যুৱকজনে চিগাৰেট হুপি হুপি বেছ আমেজেৰে কথা পাতিছে।

লাহে লাহে বাছখন মানুহেৰে ভৰি পৰিল। মহিলাৰ আসনো পূৰ হ'ল। ড্ৰাইভাৰ উঠিল। গাড়ীখন ষ্টাৰ্ট দি তেওঁ ভেঁপুটো কেইবাৰমান বজাই দিলে।

এনেতে প্ৰায় ৩৫-৪০ বছৰ বয়সীয়া এগৰাকী ক্ষীণকায় লোক গাড়ীখনত জাপ মাৰি উঠিল। উঠি তেওঁ পুৰুষৰ আসনবোৰ ভালকৈ চকু ফুৰাই চালে। তাৰ পিছত তেওঁৰ চকু দুটা নিবদ্ধ হ'ল যুৱক-যুৱতী হালৰ ওপৰত। তেওঁ যুৱতী গৰাকীক হঠাতে কৈ উঠিল– "এইটো পুৰুষৰ চিট, আপুনি উঠি দিয়ক।" যুৱতী গৰাকীক যথেষ্ট অপ্ৰস্তুত যেন দেখা গ'ল। তেওঁ কিন্তু নুঠিল। দুয়ো গৰাকীৰ মাজত তৰ্ক আৰম্ভ হ'ল। তৰ্ক ক্ৰমাৎ গৰম হৈ আহিল। আশ্চৰ্যৰ বিষয়, যুৱতী গৰাকীৰ সতে ইমান পৰে মেল মাৰি থকা যুৱকজনে টু শব্দ এটাও উচ্চাৰণ নকৰিলে!

হঠাতে যুৱতী গৰাকীয়ে আসনৰ পৰা উঠি দিলে আৰু লগে লগে সেই ক্ষীণকায় লোকজন আসনখনত বহি পৰিল। এনেতে মোৰ পিছৰ চিটত বহি থকা আদ্‌বয়সীয়া ভদ্ৰলোকজনে থিয় হৈ যুৱতী গৰাকীৰ ফালে চাই ক'লে– "ভন্টি, তুমি ইয়াতে বহা।"

যুৱতী গৰাকীয়ে তৎক্ষণাৎ কৈ উঠিল– "আপুনিও পুৰুষ আৰু এৱোঁ পুৰুষ। আপুনি মোক বহিবলৈ চিটটো এৰি দিছে অথচ এওঁ আকৌ চিটটোৰ বাবেই কাজিয়া কৰিছে! আপুনি বহক, মই থিয় হৈয়েই যাম।"

আপুনি বাৰু এগৰাকী সচেতন ব্যক্তি হিচাপে উক্ত ঘটনাটিত কাৰ পক্ষ লব। নে নিৰপেক্ষ হৈ থাকিব! কিন্তু যৌক্তিক ক্ষেত্ৰত 'নিৰপেক্ষ' শব্দটো সুবিধাবাদৰেই নামান্তৰ মাথোন।

আপুনি মোক এগৰাকী কাজিয়াখোৰ লোক বুলি ক'লেও মই কিন্তু সেই চিটটোৰ বাবে তৰ্ক কৰা ক্ষীণকায় লোক জনৰ পক্ষহে লম। কাৰণ এই পুৰুষজনৰ পক্ষেই আছিল যুক্তিৰ ভেটি সুদৃঢ়। প্ৰথমতে, যুৱতী গৰাকীয়ে সেই আসনখন গ্ৰহণ কৰাৰ আগতে মহিলাৰ সংৰক্ষিত আসনৰ একাংশ খালি আছিল। তেনে ক্ষেত্ৰত পুৰুষৰ আসনত বহাৰ কোনো নৈতিক অধিকাৰ তেওঁৰ নাছিল। যদি তেওঁ সেইটো নাজানি কৰিলেহেঁতেন, তেনেহ'লে তেওঁ পুৰুষজনৰ সৈতে কেতিয়াও তৰ্ক যুদ্ধত অৱতীৰ্ণ নহ'ল হেঁতেন। নিজৰ ভুলটো বুজি পোৱাৰ পিছত তেওঁ ততালিকে সসম্ভ্ৰমে হয়তো আসনখন ত্যাগ কৰিলেহেঁতেন। তাৰ উপৰি যুৱতী গৰাকীৰ কথনভংগীৰ পৰা তেওঁ যে এগৰাকী খাচ গুৱাহাটীৰ ছোৱালী আৰু চিটি বাছৰ নিয়মীয়া যাত্ৰী, সেইটোও স্পষ্ট হৈ পৰিছিল। আন এক উল্লেখযোগ্য কথা– তেওঁৰ সতে কথা পাতি থকা যুৱকজনে তেওঁৰ হৈ এষাৰো মাত মতা নাছিল!

অৱশ্যে এগৰাকী পুৰুষ হিচাপে সেই ক্ষীণকায় পুৰুষজনে এটা চিটৰ বাবে যুৱতী গৰাকীৰ সতে তৰ্ক কৰাটো দৃষ্টিকটু আছিল। কিন্তু আমি তাক অমানৱীয় বা



OKDISCD




নাৰীৰ মৰ্যাদা হানি কৰাৰ অপচেষ্টা বুলিব নোৱাৰো। কাৰণ মহিলা গৰাকী আছিল যুৱতী, বৃদ্ধা বা গৰ্ভৱতী নাছিল! চিটি বাছত থিয় হৈ যোৱাৰ বাবে তেওঁৰ শাৰীৰিক শক্তি যথেষ্ট আছিল।

তেনেহ'লে কি– মোৰ পিছৰ চিটটোত বহি থকা ভদ্ৰলোকজনে নিজৰ চিটটো এৰি দিয়া কাৰ্যত অকণো মহত্ব নাছিল! নিশ্চয়, মহত্ব নিশ্চয় আছিল। তেওঁ আছিল অতি শান্তিপ্ৰিয় আৰু সৌজন্যবোধ সম্পন্ন সম্ভ্ৰান্ত ব্যক্তি। তেওঁৰ কাৰ্য সৎ আছিল, কিন্তু ইয়াৰ সতে জড়িত থকা মানসিকতাক আমি স্বীকাৰ কৰিব নোৱাৰো- কাৰণ তাত আছিল নাৰী গৰাকীৰ প্ৰতি তেওঁৰ পুতৌজনক মনোভাব। পুতৌ কৰি মহিলাৰ মৰ্যাদা ৰক্ষা কৰিব নোৱাৰি। যি সময়ত মহিলাই মহাকাশ যান চলাইছে তেনে সময়ত যুৱতী গৰাকীয়ে চিটি বাছত থিয় হৈ যাব নোৱাৰিব কিয়?

তেনেহ'লেতো মহিলাৰ বাবে সংৰক্ষিত আসনৰ ব্যৱস্থাটোও প্ৰয়োজনহীন! যি সময়ত নাৰীয়ে গাড়ী চলাইছে, উৰা জাহাজ চলাইছে, সেনা বাহিনী চলাইছে, দেশ চলাইছে তেনে এক সময়ত নাৰীৰ বাবে চিটি বাছত সংৰক্ষিত আসনৰ প্ৰয়োজন কি?

কিন্তু দুৰ্ভাগ্যজনক কথা যে এই ব্যৱস্থাটোৰ আমি বিৰোধিতা কৰিব নোৱাৰো। বিৰোধিতা কৰাটো উচিতো নহব। কাৰণ, যি হাৰত নাৰী সকল আগবাঢ়িছে সেই একে হাৰত এই যান্ত্ৰিক জগতখনত মানৱীয় মূল্যবোধো টুটি আহিছে। মহিলাৰ বাবে আসন সংৰক্ষণৰ এই ব্যৱস্থা উঠাই দিলে সন্তান কোঁচত লৈ অহা মহিলা, বৃদ্ধা তথা গৰ্ভৱতী মহিলা সকলে যে বিপৰ্যয়ৰ সমুখীন হব– সি ধ্ৰুৱপ। আন এদিনাখন চিটি বাছত গৈ থাকোতে এগৰাকী বন্ধুৱে ইংগিতেৰে দেখুৱাই দিয়াত স্পষ্ট ভাবে লক্ষ্য কৰিছিলো– মহিলাৰ ফালে থকা বাছৰ ধাম ডালত ভিৰ কৰা পুৰুষৰ সংখ্যা যথেষ্ট বেছি। অকণমান সুবিধা পালেই মহিলাৰ গাত হাউলি পৰাৰ প্ৰবণতাও এওঁলোকৰ বেছি। (ব্যতিক্ৰম সকলৰ ওচৰত ক্ষমা বিচাৰিছো)। আমি পুৰুষসকলে আমাৰ এই কদৰ্য মানসিকতা অপ্ৰিয় হ'লেও খুচৰি চোৱাৰ প্ৰয়োজনীয়তা আহি পৰিছে। নাৰীক আমি পুতৌ যিদৰে কৰিব নালাগে, একেদৰে তেওঁলোকৰ অসহায়তাৰ সুযোগো লব নালাগে।

কেতিয়াবা আকৌ ইয়াৰ ঠিক বিপৰীত অৱস্থাৰ সৃষ্টি নোহোৱাকৈ নাথাকে। অসহ্য ভিৰত সামান্য ঘহনি লাগোতেই কেতিয়াবা কোনো কোনো পুৰুষে মহিলাৰ ওচৰত লাঞ্ছিত হোৱাও লক্ষ্য কৰিছো। কেতিয়াবা আকৌ কোনো পুৰুষে খঙৰ ভমকত– "ইমানেই যদি আৰামত অহাৰ ইচ্ছা, টেক্সি নহ'লে অটো লৈ আহিব" ধৰণৰ মন্তব্য কৰাও শুনিছো।

বহুতো ক্ষেত্ৰত নাৰীৰ মৰ্যাদা বিঘ্নিত হোৱাৰ বাবে তেওঁলোক নিজেই জগৰীয়া। উদাহৰণ স্বৰূপে বৰপেটাৰ নাম ঘৰত নাৰীৰ প্ৰবেশ নিষেধক পুৰুষৰ উদ্ধতালি বুলি আমি কেতিয়াও ক'ব নোৱাৰো। কাৰণ বৰপেটাৰ সিংহ ভাগ মহিলায়েই নাম ঘৰত নাৰীৰ প্ৰবেশ নিবিচাৰে। তেওঁলোকৰ যুক্তি হ'ল– নাম ঘৰৰ ভিতৰত কোনো মহিলাই ঋতুস্ৰাৱ কৰিলে নাম ঘৰটো অসুচি হব! কিন্তু এই কথাও তেওঁলোকে মন কৰা উচিত যে ভগৱানেই যদি এই জগতৰ সৃষ্টি কৰ্তা হয়, তেনেহ'লে মহিলাই ঋতুস্ৰাৱ কৰাৰ দোষো ভগৱানেই গা পাতি লব লাগিব, কাৰণ মহিলা সকলৰ এই প্ৰাকৃতিক পৰিঘটনাটি নিয়ন্ত্ৰণ কৰাৰ ক্ষমতা ভগৱানে তেওঁলোকক নিদিলে!

অৱশ্যে, বৰপেটাৰ নাম ঘৰত মহিলাৰ প্ৰবেশ নিষেধৰ কথাটোত যুক্তিতকৈ আবেগহে বেছি জড়িত। গতিকে এই বিষয়ে বিশেষ আলোচনা নকৰাটোৱেই উচিত হব।

কিন্তু চিটি বাছত নাৰীৰ বাবে, সংৰক্ষিত আসনৰ ব্যৱস্থাটো এক প্ৰয়োজনীয় যুক্তি সংগত ব্যৱস্থা। নাৰী-স্বাধীনতাৰ প্ৰতি সচেতন মহিলাসকলে এইটো মনত ৰখা উচিত যে স্বাধীনতা এক সামাজিক চুক্তিহে; ব্যক্তিগত কাৰ্য নহয়। ["Liberty is not a personal afair, but a social contract"— A.G. Gardiner in his book "Alpha of the plouhgh"] এগৰাকী মহিলাই এগৰাকী ক'লা পুৰুষক বিয়া কৰাবনে বগা পুৰুষক বিয়া কৰাব– সেইটো ক্ষেত্ৰত তেওঁ যি ইচ্ছা তাকে কৰিব পাৰে। কিন্তু দুয়োৱে চিটি বাছত ভ্ৰমণ কৰোতে একেলগে পুৰুষৰ আসনত বহিবনে বেলেগে বেলেগে বহিব, সেইটো তেওঁলোকৰ ইচ্ছাৰ কথা হব নোৱাৰে। এই ক্ষেত্ৰত তেওঁলোকে স্বাধীনতাৰ বিধি অনুযায়ী কাম কৰিবই লাগিব। যদি কোনো মহিলাৰ স্বাধীন আচৰণে আনৰ স্বাধীনতাত হস্তক্ষেপ কৰে, তেনেহ'লে তেওঁৰ এনে আচৰণে নাৰীৰ মৰ্যাদা অৱনমিতহে কৰিব।

মূঠৰ ওপৰত নাৰী মৰ্যাদা ৰক্ষা কৰিবলৈ হ'লে পুৰুষৰ সহিষ্ণুতা আৰু বহল দৃষ্টিৰ লগতে মহিলাৰ সামাজিক আচৰণো হব লাগিব শৃংখলিত আৰু প্ৰতিবাদ বা বিক্ষোভো হব লাগিব যুক্তিসংগত তথা পৰিৱেশ সাপেক্ষ। ● সূ





# এগৰাকী সাহসী বন বিষয়া

# ৰিচাৰ্দ লিকি

ডিম্বেশ্বৰ চলিহা

পৃথিৱীৰ চাৰিওফালে গছ-বন, পশু-পক্ষী ধ্বংস কৰাৰ উজান উঠিছে। মানুহৰ জনসংখ্যা দিনক দিনে বৃদ্ধি পাই আহিছে। প্ৰয়োজন হৈছে অধিক থকা ঠাই আৰু খাদ্যৰ। ফলত বনাঞ্চল মানুহৰ গৰাহত পৰিছে। ঔদ্যোগীকৰণ, পৰিবেশ প্ৰদূষণ, বিলাসী জীৱন আৰু দুই-এক অন্ধ বিশ্বাসেও পশুপক্ষী নিধনত অৰিহণা যোগাইছে। মানুহৰ প্ৰয়োজনীয়তাক বাদ দি বনৰ পশু-পক্ষীৰ কথা ভৱাটো দুই একে বলিয়ালি বুলিও কবলৈ লৈছে। কিন্তু বন্যপ্ৰাণীৰ অবিহনে মানুহ নিজেই যে মৃত্যুৰ গৰাহত পৰিব – সেই কথা সম্ভৱ তেওঁলোকে ভলদৰে নাজানে বা জানিবলৈ ইচ্ছাও নকৰে। সেই কথা চিন্তা কৰে প্ৰকৃতি প্ৰেমী সকলেহে। প্ৰকৃতি প্ৰেমী সকলো প্ৰকৃততে মানৱ প্ৰেমীহে। কেৱল প্ৰকৃতিৰ ৰূপ, ৰস, গন্ধতে বিভোৰ হৈ মানুহলৈ পিঠি দিয়ালোক এওঁলোক নহয়। মানুহৰ স্বাৰ্থতেই যে গছ-বন, পশু-পক্ষী আদিক ৰক্ষনাবেক্ষণ দিব লাগিব – সেই কথা প্ৰকৃতিবিদ সকলে উপলব্ধি কৰে। তেওঁলোকে মানুহৰ শত্ৰুতা কৰিবলৈ যোৱা নাই, মানুহৰ উপকাৰ কৰিবলৈহে গৈছে। তেনে এগৰাকী মানৱ প্ৰেমী প্ৰকৃতিবিদেই হ'ল – ৰিচাৰ্দ লিকি (Richard Leakey)।

লিকি এহাতে যেনেকৈ এগৰাকী প্ৰকৃতিবিদ, আনহাতে এগৰাকী সুনিপুণ বন বিষয়া। সকলো বন বিষয়াই প্ৰকৃতিপ্ৰেমী হোৱাটো বাঞ্ছনীয়। কিন্তু দুখৰ কথা যে বেছি ভাগেই বন বিষয়াৰ পদটো এক ডাঙৰ পদবী আৰু ধন ঘটাৰ আহিলা হিচাপেহে গণ্য কৰে। অৰণ্যৰ মোহত এওঁলোক নপৰে। তেওঁলোকৰ অন্তৰ্দৃষ্টিত অৰণ্য হ'ল ঐশ্বৰ্য্য সম্পদৰ উৎস। আমাৰ বনাঞ্চল সমূহৰ বেছিভাগ কেলেংকাৰিৰ মূলতেই হ'ল এনে মনোবৃত্তি। কিন্তু তাৰ মাজতো এনে দুই এজন বিষয়া ওলায় – যি নিজৰ বিবেকক বিক্ৰী নকৰি নানা বাধা বিঘিনিৰ সমুখীন হৈও বন তথা বন্যপ্ৰাণীৰ উন্নতিৰ হকে কাম কৰি যায়। ৰিচাৰ্দ লিকিয়ে প্ৰকৃততে তাকেই কৰি আছে। বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত তেওঁ কোৱা কথা এষাৰ মন কৰিবলগীয়া। তেওঁ কৈছে যে মানুহে অসাধ্য বুলি ভবা কাম ইতিমধ্যে বহুত কৰা হৈছে। তেনেস্থলত বন আৰু বন্যপ্ৰাণী ৰক্ষা কৰিব নোৱৰাৰ কোনো কাৰণ নাই। সৎ আৰু সাহসীলোক এজনেহে তেনেকৈ ক'ব পাৰে।

ৰিচাৰ্দ লিকি বৰ্তমান কেনিয়াৰ বন্যপ্ৰাণী বিভাগৰ প্ৰধান পৰিচালক। তেওঁৰ বয়স মাত্ৰ ৪৮ বছৰ। সৌ-সিদিনালৈকে বহুত বছৰ ধৰি তেওঁ কেনিয়াৰ ৰাষ্ট্ৰীয় মিউজিয়ামৰ ডাইৰেক্টৰ আছিল। মিউজিয়ামত চাকৰি কৰি থাকোতেই তেওঁ কেনিয়াৰ বন্যপ্ৰাণী বিভাগত হোৱা নানান দুৰ্নীতিৰ কথা ৰাজহুৱা ভাবে ঘোষণা কৰিলে। আমাৰ ইয়াত হোৱা হলে চৰকাৰী বিষয়া এজনে আন এটা চৰকাৰী বিভাগৰ দুৰ্নীতিৰ কথা কোৱাটো অপৰাধ বুলি ধৰা হ'লহেঁতেন আৰু তাৰ কাৰণে তেনে চৰকাৰী বিষয়াৰ চাকৰি গ'লহেঁতেন। কিন্তু কেনিয়াত ৰিচাৰ্দ লিকিৰ প্ৰমোচন হ'ল। তেওঁক সমগ্ৰ কেনিয়াৰ বন্যপ্ৰাণীৰ দায়িত্ব দিয়া হ'ল। আগৰ বন্যপ্ৰাণী বিভাগটোক তেওঁ নতুনকৈ নামকৰণ কৰি নাম থলে – কেনিয়া বন্যপ্ৰাণী সেৱা (Kenya wild life service)।

বন্যপ্ৰাণীৰ দায়িত্ব কান্ধ পাতি লৈয়েই বিভাগীয় দুৰ্নীতিৰ অপৰাধত লিকিয়ে দুশজন বনকৰ্মীক চাকৰিৰ পৰা বৰ্খাস্ত কৰিলে। তেওঁৰ আটাইতকৈ ডাঙৰ কৃতিত্ব হ'ল কেনিয়াৰ বনাঞ্চল সমূহত ক্ৰমান্বয়ে কমি অহা হাতীৰ সংখ্যা বৃদ্ধি কৰাটো। তেওঁ বন্যপ্ৰাণীৰ দায়িত্ব লোৱাৰ আগলৈকে কেনিয়াৰ হাবিত প্ৰতিদিনে গড় হিচাপত তিনিটা মানকৈ হাতী কেৱল দাঁত যোৱাৰ কাৰণেই বধ কৰা হৈছিল। হাতী চিকাৰী সকলৰ বেছিভাগেই স্বয়ংক্ৰিয় অস্ত্ৰশস্ত্ৰ আৰু দাঁত কাটিবৰ কাৰণে বিশেষ ধৰণৰ কৰত লৈ হাবিত ঘূৰি ফুৰিছিল।

চোৰাং চিকাৰী সকলৰ সাহস দিনক দিনে ইমান বাঢ়ি গৈছিল যে বনবিভাগৰ জিৰণি ঘৰৰ সমুখতো হাতী বধ কৰা হৈছিল। পৰ্যটক সকলে জীয়া হাতীতকৈ মৰা হাতীহে বেছিকৈ দেখিছিল। দহ বছৰৰ ভিতৰত কেনিয়াত হাতীৰ সংখ্যা সত্তৰ হাজাৰৰ পৰা গৈ ওঠৰ হাজাৰত পৰিছিলগৈ। পোন্ধৰ



OKDISCD

বিশটা হাতী থকা পাল একোটা মুহূৰ্তৰ ভিতৰতে নিঃশেষ কৰি পেলোৱা হৈছিল। কিন্তু লিকিৰ আপ্ৰাণ চেষ্টাৰ ফলতে হাতী বধ কৰাৰ ঘটনা বহু পৰিমাণে হ্ৰাস পালে। তেওঁৰ চেষ্টাতে হাতী দাঁতৰ মূল্যও কমি আহিল। আগতে প্ৰতি কিলোগ্ৰাম হাতী দাঁতৰ মূল্য পঞ্চাশ পাউণ্ড হৈছিলগৈ, কিন্তু এতিয়া হ'লগৈ প্ৰতি কিলোগ্ৰামত তিনি পাউণ্ড মাত্ৰ। হাতী দাঁতৰ মূল্য কমি যোৱাত হাতী চিকাৰী সকলেও হাতী বধ কৰিবলৈ মন নকৰা হ'ল। দুবছৰ মানৰ আগতে কেনিয়াৰ ৰাষ্ট্ৰপতি ডেনিয়েলে প্ৰায় তিনি নিযুত পাউণ্ড মূল্যৰ হাতী দাঁত ৰাজহুৱাকৈ জুইত পুৰি পেলালে। এই কথাই প্ৰমাণ কৰি দেখুৱালে যে কেনিয়াৰ চৰকাৰে হাতী দাঁতৰ ব্যৱসায় নকৰে।

হাতী দাঁতৰ দৰে দুষ্প্ৰাপ্য প্ৰাণী সম্পদৰ ব্যৱসায় বন্ধ কৰিবলৈ ইতিমধ্যে এখন আন্তৰ্জাতিক চুক্তিও সম্পাদিত হ'ল। কিন্তু লিকিয়ে কোৱা মতে ইংলেণ্ডৰ দৰে দুই এখন দেশে এই চুক্তি ইতিমধ্যেই লংঘন কৰিছে। বৃটিছ চৰকাৰে কেনিয়া আৰু টাঞ্জানিয়াত হাতী বধ কৰাই তাৰ হাতী দাঁত হংকঙৰ বজাৰলৈ চালান দিছে। লিকিৰ মতে বহুত বছৰ ধৰি পৃথিৱীৰ আটাইতকৈ বেছি হাতী দাঁতৰ ব্যৱসায় হংকঙতহে হৈ আহিছে আৰু তালৈকে আফ্ৰিকাৰ হাতী দাঁত চোৰাংকৈ নিয়া হৈছে। লিকিয়ে বৃটিছ চৰকাৰক কেনিয়া চৰকাৰৰ আদৰ্শৰে সকলো হাতী দাঁত থূপখুৱাই জ্বলাই দিবলৈ পৰামৰ্শ দিছে।

বন্যপ্ৰাণীৰ দায়িত্বত থকা লিকিৰ আগৰ বিষয়া সকলে নানাধৰণৰ ৰাজনৈতিক হেঁচাত পৰিও কিছু অপকৰ্ম কৰিবলৈ বাধ্য হৈছিল। কিন্তু লিকিক এইবোৰ শক্তিয়ে বলে নোৱৰা হ'ল। তেওঁক ৰাষ্ট্ৰপতি ডেনিয়েলে বন্যপ্ৰাণী সংৰক্ষণৰ সম্পূৰ্ণ স্বাধীনতা দিলে। দ্বিতীয়তে 'কেনিয়া বন্যপ্ৰাণী সেৱা' নামৰ যিটো সংগঠনৰ জন্ম দিয়া হ'ল, সি চৰকাৰৰ পোনপটীয়া নিয়ন্ত্ৰণৰ বাহিৰত। ই এক ব্যক্তিগত কোম্পানীৰ দৰে। গতিকে সেইফালৰ পৰাও বন্যপ্ৰাণীৰ উন্নতিৰ হকে কাম কৰিবলৈ লিকিয়ে স্বাধীনতা পালে। অৱশ্যে অনুষ্ঠানটোৰ আন এক উদ্দেশ্যও আছে। সেইটো হ'ল বন্যপ্ৰাণীৰ যোগেদিয়েই এক পুঁজিৰ ব্যৱস্থা কৰা।

লিকিৰ চেষ্টাতে 'কেনিয়াৰ বন্যপ্ৰাণী সেৱা' নামৰ অনুষ্ঠানটোৱে ইতিমধ্যে বহুতো ভাল ভাল মানুহক আকৰ্ষণ কৰিছে। লিকিয়ে বন বিভাগত কাম কৰা সুদক্ষ বনকৰ্মী সকলক বিভিন্ন পুৰস্কাৰো দিছে। তেওঁৰ বিশ্বাস যে কেনিয়াৰ বন্যপ্ৰাণীৰ উন্নতি ঘটাব পাৰিলে অধিক পৰ্যটকৰ সমাগম হ'ব আৰু সেই পৰ্যটকৰ পৰা পোৱা ধনেৰেই বন্যপ্ৰাণীৰ উন্নতি ঘটাব পৰা হ'ব।

লিকিয়ে কেনিয়াৰ বন্যপ্ৰাণীৰ উন্নতিৰ কাৰণে কিছুমান আঁচনিও লৈছে। তাৰে এটা হ'ল – কেনিয়াৰ বনাঞ্চল সমূহৰ চাৰিওপিনে কাটা তাঁৰৰ বেৰ দিয়া। তেওঁৰ মতে এনেবেৰৰ মুঠ দৈৰ্ঘ্য পাঁচ হাজাৰ কিলোমিটাৰ মান হ'ব। এই বেৰৰ ঠায়ে ঠায়ে সৌৰশক্তিৰ সহায়ত বিদ্যুৎ সংযোগ কৰাৰ কথাও তেওঁ ভাবিছে। এই কামৰ কাৰণে মুঠ খৰচ দুশ পঞ্চাশ নিযুত ডলাৰ মান পৰিব। তেওঁৰ মতে পৃথিৱীৰ আন আন দেশৰ সাহায্য লৈ হলেও এই কাম সম্পূৰ্ণ কৰিব পৰা হ'ব। লিকিয়ে আৰু কৈছে যে য'তেই বনাঞ্চলৰ কাষত মানুহৰ বসতি আছে, তাতেই এনে কাটা তাঁৰৰ বেৰ দিয়া হ'ব।

কেনিয়াৰ বন্যপ্ৰাণী আইন মতে কোনোবা লোকক বন্যপ্ৰাণীয়ে বধ কৰিলে বা আঘাত কৰিলে চৰকাৰে ক্ষতিপূৰণ দিব লগা হৈছিল। কিন্তু লিকিয়ে এই আইন ৰদ কৰি দিলে। অৱশ্যে তাৰ কাৰণে তেওঁ সমালোচনাৰো সমুখীন হৈছে। এই ক্ষেত্ৰত লিকিয়ে আগৰ ঘটনা কিছুমানৰ উল্লেখ কৰি কৈছে যে বহুতো লোকে মিছাকৈয়ে বন্যপ্ৰাণীৰ আক্ৰমণৰ কথা কৈ ক্ষতিপূৰণ পাবলৈ দাবী কৰে আৰু এনে ক্ষতিপূৰণৰ নামত চৰকাৰে বহুত ধন ভৰিব লগাত পৰে। তেওঁৰ মতে বন্যপ্ৰাণী আক্ৰমণ কৰাৰ কাৰণে মানুহেহে চৰকাৰক ক্ষতিপূৰণ দিয়া উচিত। লিকিয়ে নেতৃত্ব দিয়া 'কেনিয়া বন্যপ্ৰাণী সেৱা'ৰ কাৰণে চৰকাৰে ইতিমধ্যে প্ৰায় দুই নিযুত ডলাৰ দিছে। কিন্তু লিকিৰ ধাৰণা যে বন্যপ্ৰাণীৰ উন্নতিৰ কাৰণে কিছুধন তেওঁ নিজেই সংগ্ৰহ কৰিব পাৰিব।

লিকিয়ে ইতিমধ্যে বুজি পাইছে যে আফ্ৰিকাৰ বনাঞ্চল সমূহৰ বেছিভাগেই মানুহৰ অত্যাচাৰত সংকুচিত হৈ পৰিছে। মানুহৰ জনসংখ্যা বৃদ্ধিয়ে বন্যপ্ৰাণীৰ সংখ্যা কমাই পেলাইছে। লিকিৰ অফিচটো নাইৰোবি ৰাষ্ট্ৰীয় উদ্যানখনৰ মাজতে। ৰাষ্ট্ৰীয় উদ্যানখন মানুহৰ জনসংখ্যাৰ হেঁচাত পৰি কেনেকৈ হ্ৰাস পাই আহিছে – তেওঁ তাক নিজ চকুৰে দেখিছে। উদ্যানখনৰ কাষতে থকা নাইৰোবি চহৰখনৰ জনসংখ্যা বাঢ়ি গৈ বৰ্তমান ডেৰ নিযুতত পৰিছেগৈ। এই বৰ্দ্ধিত জনসংখ্যাৰ এটা অংশই থকা ঠাই বিচাৰি উদ্যানখনকে দখল কৰিবলৈ লৈছে। উদ্যানখনৰ য'তে ত'তে মানুহ বহিবলৈ লোৱাত বন্যপ্ৰাণী সমূহে মুকলিকৈ ফুৰা চকা কৰিব নোৱৰা হৈছে। বিজ্ঞানী সকলৰ মতে চাৰিওফালে মানুহে আগুৰা বনাঞ্চল একোখন কালক্ৰমত চিৰিয়াখানা এখনতহে পৰিণত হ'ব, বন্যপ্ৰাণীৰ মুক্ত বিচৰণৰ স্থলী হৈ নাথাকিব।

কেনিয়া বন্যপ্ৰাণী সেৱাই পৰ্যটনৰ ক্ষেত্ৰতো উল্লেখযোগ্য অৱদান আগবঢ়াইছে। ১৯৮৯ চনতে পৰ্যটকৰ সংখ্যা চাৰে সাত লাখ হৈছিলগৈ। ফলত যথেষ্ট পৰিমাণৰ বৈদেশিক মুদ্ৰাও অৰ্জন কৰিব পৰা হৈছে। পৃথিৱীৰ প্ৰায় সকলো ঠাইৰে বনকৰ্মী সকলে সাধাৰণতে চোৰাং চিকাৰীৰ সন্মুখীন হ'ব লগাত পৰে। বহুতো বনকৰ্মীয়ে প্ৰাণো বিসৰ্জন দিব লগা হয়। লিকিয়ে এই দিশলৈও লক্ষ্য ৰাখিছে। তেওঁৰ তলৰ সকলো বনকৰ্মীয়ে যাতে সম্পূৰ্ণ নিৰাপত্তা পায় তাৰ ব্যৱস্থা তেওঁ কৰিছে। লিকিয়ে দায়িত্বভাৰ লোৱাৰ আগতে কেনিয়াৰ বনাঞ্চল সমূহত দুই এজন বনকৰ্মী চোৰাং চিকাৰীৰ বলি হৈছিল। কিন্তু লিকিয়ে বৰ্তমান বনকৰ্মী সকলক এনে কিছুমান শক্তিশালী আগ্নেয়াস্ত্ৰ দিছে যে কোনো চোৰাং চিকাৰীয়েই তেওঁলোকৰ সন্মুখীন হবলৈ সাহস নকৰে।

বৰ্তমান উদ্যানৰ মাজে মাজে উন্নত পথ সাজি উলিওৱা হৈছে। পৰ্যটক সকলে তেনে বাটেদি গাড়ীৰে যাব পাৰে আৰু তেনেই ওচৰৰ পৰা জীৱ জন্তুৰ ফটো ল'ব পাৰে। কোনো কোনো পৰ্যটকে সৰু বিমানত উঠি ওপৰৰ পৰাও উদ্যান চাব পাৰে। অৱশ্যে এনেবোৰ কথাই যে লিকিৰ শান্তি ভংগ কৰিছে, সেই থকা লিকিৰ দৃষ্টিগোচৰ হৈছে। লিকিয়ে উদ্যানৰ ভিতৰতে ঘঁৰিয়াল পোহাৰো ব্যৱস্থা কৰিছে। কেনিয়াত বন্যপ্ৰাণী চিকাৰ সত্তৰ দশকৰ পৰাই আইনমতে নিষিদ্ধ। কিন্তু লিকিয়ে এই আইনৰ কিছু সংশোধন কৰিছে। তেওঁৰ মতে অতি বেছিকৈ বৃদ্ধি পোৱা দুই এজাত প্ৰাণী এক সীমিত পৰ্যায়ত বধ কৰিলে বন্যপ্ৰাণীৰ একো ক্ষতি নহয়। বৰঞ্চ সিবিলাক বিক্ৰী কৰি তাৰ পৰা উপাৰ্জন হোৱা ধনেৰে বন্যপ্ৰাণীৰ উন্নতি সাধিব পাৰি। ■





প্ৰাত্যহিক

# মিনু বাইদেউৰ মইনা

গৰিমা হাজৰিকা

মিনু বাইদেৱে আজি পাঁচ বছৰৰ আগতে মোক সজাটোৰে সৈতে কিনি আনি বাৰান্দাত ওলোমাই থৈছে! মই ক'ৰবালৈ উৰি যাম বুলি পাখী দুখন চুটি চুটি কৈ কাটিও দিছে। ইমান যে দুখ পাইছিলো পাখী দুখন কাটোতে। মোক যি ডোখৰ ঠাইত ওলোমাই থৈছে তাৰ পৰা ৰাস্তা ঘাট, গাড়ী মটৰ ওচৰ চুবুৰীয়া সোপাকে দেখা পায়। মই প্ৰথম প্ৰথম ইয়ালৈ আহোতে ওচৰত কোনো মানুহ দুনুহ নাছিল। কেৱল পিতনি আৰু পিতনি। বৰষুণ দিলে ৰাতি ভেকুলীৰ মাতত টোপনি নাহে। মিনু বাইদেৱে কিন্তু বৰষুণ দিলে চিঞৰি চিঞৰি গান গায়। ৰাতি বৰষুণ দিলে বাইদেউৰ আৰু ফুৰ্তি, বৰষুণৰ শব্দত শুবলৈ হেনো বৰ আৰাম। কিন্তু আজি দুই তিনি বছৰৰ পৰা বৰষুণ হোৱাৰ সম্ভাৱনা হ'লেই ঘৰত ধৰধৰ মাৰ মাৰ লাগে– চিঞৰ বাখৰ। কোনোৱে কয় কাৰপেটখন গুচা– আকৌ কোনোবাই ক'ব নহয় নহয় আগতে টি ভিটোহে আঁতৰা। ৰাতি বৰষুণ দিলে কুৰুক্ষেত্ৰ ৰণ। যোৱা ৰাতি এখন কুৰুক্ষেত্ৰ ৰণ হৈছে। ৰাতিপুৱা দেখা পাওঁ গোটেইখন পানীময়। ঘৰৰ সকলো মানুহ যেয়ে য'তে পাইছে ওখ ঠাইত থমথমাই বহি আছে।

ভাগ্যে মই ওপৰত। বাইদেৱে পানীত জপং জপংকৈ তাৰে মাজতে কাম কৰি ফুৰিছে। মুখত গান তান একো নাই– কেৱল ভোৰভোৰণি। অলপ মন দি শুনোতে ভোৰ ভোৰোৱা কথাখিনি বুজি পালো– "এই মানুহবোৰৰ আৰু কাম নাই, পিতনি চিতনি য'ত যি পাইছে পুতি পুতি ঘৰ সাজিব। পানী যাবলৈ নলা এটাৰ কাৰণেও মাটি নেৰাখে, পাৰিলে আলি বাটৰ ওপৰতে যেন ঘৰটো সাজিব।" "মিনু আছানে?" ৰব ৰব এইফালে নাহিব। গোটেই খন বোকা, অফিচ ৰুমেৰে আহক।" "বুজিছা মিনু–এইদৰে বোকা গুচাই একো লাভ নাই। তাতকৈ এটা কাম নকৰা কিয়? টিংকুহঁতৰ ঘৰৰ ওচৰত নলাটো– যিটো নলাৰে বৰষুণৰ পানী আহে, সেই নলাটো বৰষুণ আহিলেই শিল বা ইটা দি বন্ধ কৰি দিবা তেতিয়া তোমাৰ তালৈ আহিব লগীয়া পানীখিনি আনৰ ঘৰ পাব। মইতো তাকেই কৰো, হিঃ হিঃ হিঃ।" হাঁহিবলৈ আহিছে, এই মানুহজনী আহিলেই মোৰ বৰ খং উঠে। বাইদেউক যতমানে বেয়া বুদ্ধিবোৰ দিব। এই মানুহজনীয়ে লোকৰ বদনাম আৰু বেয়া কথাৰ বাহিৰে একো নেজানে। আমাৰ বাইদেউও ভাল–কেনেকৈনো এইজনীৰ কথাবোৰ শুনি ভাল পাই ক'ব নোৱাৰো। ঘন্টাৰ পাছত ঘন্টা ওচৰ চুবুৰীয়া কোন সামাজিক কোন অসামাজিক– কাৰ ঘৰত কি হ'ল– কোন কাৰ লগত পলাল এই লৈয়েই কথা। বাইদেৱে দেখোন ইমান ডাঙৰ ডাঙৰ কিতাপ পঢ়ে। ক'ৰবাত হেনো বাইদেৱে কিবা কিবি পঢ়ায়ো। ইমান জনা শুনা বাইদেৱে এই মানুহজনীক "এইবোৰ কথা ভাল নেলাগে, নকবা" বুলি কিয় কৈ দিব নোৱাৰে? আচলতে মিনু বাইদেউৰ মনটোও এই মানুহজনীৰ দৰেই ঠেক, পঢ়া শুনা কৰিলে কি হব।

দুদিন মান বৰষুণ নাই। এদিন দেখিলো আমাৰ দুৱাৰ মুখখন ইটা দি দি ওখ কৰিছে। বাইদেউ মিস্ত্ৰিৰ লগতে লাগিয়েই আছে। তাকে দেখি টিংকুহঁতৰ দুৱাৰ মুখো ওখ হ'ল। অ' এতিয়া কি হব? আমাৰ আৰু টিংকুহঁতৰ তালৈ অহা পানীবোৰ দেখোন ওচৰৰ স্কুলটোলৈ যাবগৈ। সৰ্বনাশ বিজুলী মাৰিবলৈ আৰম্ভ কৰিছেই, ৰাতি নিশ্চয় বৰষুণ হব। কি কৰো, বৰ বেয়া লাগিছে। এহ্ মইনো কিয় ভাবি মৰিছো। মানুহেই যেতিয়া মানুহৰ কাৰণে নেভাবে। সেইয়া নহয় বাইদেৱে গাজনিৰ শব্দ শুনি গুণগুণকৈ গান জুৰিছে। তেওঁ আজি নিশ্চিন্ত, তেওঁৰ ঘৰত এইবাৰ পানী নোসোমায়। ওচৰৰ টিংকুহঁতৰ ঘৰতো টি ভি ডাঙৰ ডাঙৰকৈ বাজিছে, তেওঁলোকো নিশ্চিন্ত। তেওঁলোকৰ পদূলিও ওখ হ'ল। সৰ্বনাশ বৰষুণ আৰম্ভ হ'লেই। স্কুল ঘৰটোত চাগৈ পানী সোমাবলৈ আৰম্ভ কৰিছে। হে প্ৰভু মোৰ টোপনি আনি দিয়া। ৰাতিপুৱা উঠিয়েই স্কুলটোৰ ফালে চালো– হয় পানী মজিয়াত উঠিছে। আমাৰ ঘৰৰ কাৰো খবৰেই নাই। নিশ্চিন্ত মনে সকলো নিজৰ নিজৰ কামত ব্যস্ত। অলপ পাছত দেখিলো স্কুললৈ অহা ল'ৰা-ছোৱালীবোৰ বাটতে থৰ লাগিছে। ওচৰৰ অনু বাইদেৱে মাষ্টৰজনৰ লগত কিবা কথা পতা দেখিলো। অনু বাইদেউক আকৌ আমাৰ বাইদেউ আৰু কুটুনি বাইদেৱে ভাল নেপায়– সমাজ সেৱিকা বুলি ঠাট্টা কৰে। অ' অনু বাইদেউ আৰু মাষ্টৰজন দেখোন টিংকুহঁতৰ ঘৰলৈ গৈছে। আমাৰ ঘৰলৈকো চাগৈ আহিব, – বাইদেউৰ ভোৰভোৰণিতে গম পাইছো। ঠিক অলপ পাছতে আহিল। বাইদেউৰ লগত কিবা কিবি কথাও পাতিছে। হঠাৎ বাইদেৱে চিঞৰি চিঞৰি অনু বাইদেউক গালি পাৰিছে। কি গালি পাৰিছে বুজি নেপালো। তাৰ পাছত দেখিলো অনু বাইদেৱে চুবুৰিৰ দুগৰাকী মহিলা আৰু মাষ্টৰক লৈ ক'ৰবালৈ গ'ল। বাইদেৱে তেওঁলোক যোৱাৰ ফালে চাই চাই কিবা কৈ থকা যেন পালো। অলপ মন দি শুনোতে দুই এটা কথা কাণত পৰিল–"বৰ একেবাৰে ছচিয়েল ওৱৰ্কাৰ ওলাইছে–চাওঁচোন কি কৰিব পাৰে। আমাৰ নিজৰ ঘৰৰ সুবিধাৰ কাৰণে পদূলি ওখ কৰিছো। কি দৰকাৰ পৰিছে স্কুলখনত পানী সোমাল নে নোসোমাল ভাবি থাকিবলৈ। যি হয় হৈ থাকক।" এই বাইদেউ জনীক মোৰ ভাল নলগা হৈ আহিছে। পঢ়া শুনা কৰা মানুহৰ মনবোৰো ইমান বেয়া নে? পঢ়া-শুনা কৰিলেই মানুহ জ্ঞানী নহয়– লিখা-পঢ়া নজনা মানুহৰ মনটো যদি ডাঙৰ হয় তেওঁহে আচল জ্ঞানী। মানুহ মুঠতে ভাল নহয়। মানুহক মানুহেই বিশ্বাসঘাতকতা কৰে। আমি পোহনীয়া জন্তবোৰে মানুহৰ দৰে ভাবিব নোৱাৰো ঠিক, কিন্তু বিশ্বাসঘাতকতা নকৰো। মোৰ সজাটোৰ দুৱাৰখন এতিয়া খোলখাই আছে। মইতো উৰি নেযাওঁ। উৰি কিয় যাম? বাইদেৱে মোক ইমান মৰম কৰে। আজি আমাৰ ঘৰত নাম আছে– পালনাম। এইখন বাৰান্দাতে হব– প্ৰায়েই নাম হয়। নাম শুনি মোৰ বৰ ভাল লাগে। কিন্তু মোৰ নাম শুনিবৰ মন নোযোৱা হ'ল। নামৰ ভাল ভাল কথাবোৰৰ লগত মানুহবোৰৰ কৰা কামবোৰ নিমিলে। কিন্তু মই উৰি নেযাওঁ, সজাতেই থাকিম। ■

# আল্ফাৰ প্ৰতি মোৰ কোনো তিক্ততা নাই–শইকীয়া

ৰাজ্যখনৰ সংকটৰ সময় এটাতহে আমি যে দায়িত্বভাৰ কান্ধ পাতি লৈছোহি, সেই বিষয়ে আমি সম্পূৰ্ণ সজাগ। এনেয়েই আমাৰ ৰাজ্যখনত সমস্যাৰ লেখ জোখ নাই। তাতে আকৌ বিশেষ ধৰণৰ সমস্যা কেতবোৰেও ৰাজ্যখনক জুৰুলা কৰি ৰাখিছে। যোৱা এক দশকৰো ওপৰ কাল ধৰি ইটোৰ পিছত সিটোকৈ বিপদ-বিঘিনি লাগিয়েই আছে। শেহৰ বছৰকেইটাত জটিলতাবোৰ কমক চাৰি বাঢ়িলহে। ঠিক কি কাৰণে এনেকুৱা হবলৈ পালে বা ইয়াৰ বাবে দৰাচলতেনো কোন দায়ী, সেইবোৰ বিচাৰ-বিশ্লেষণ পিছে পৰেও কৰিব পৰা যাব। কিয়নো এতিয়া আহত-বিধ্বস্ত ৰাজ্যখনক ততালিকে নিৰাময় স্পৰ্শৰ দৰকাৰ। ৰাজ্যখনৰ আটাইবোৰ সমস্যাৰ জোৰা মাৰিবলৈ বুলি আমি একাণপটীয়াকৈ যত্ন কৰিম। কিন্তু আমি আটায়ে পোনতে মনোযোগ দিব লগীয়া বিষয় হৈছে– ৰাজ্যখনক স্বাভাৱিক শান্তিৰ মাজলৈ ঘূৰাই অনাটোহে। ৰাইজে শান্তি বিচাৰে, নিৰাপত্তা বিচাৰে। যোৱা কেইবা বছৰো ধৰি ৰাজ্যখনে শান্তিৰ মুখেই দেখা নাছিল। নিৰাপত্তা বুলিবলৈও একো নাছিল। সকলোৱে ভয়ে ভয়ে দিন কটাব লগীয়া হৈছিল। কেতিয়া কোনে কাক ক'লৈ ধৰি-বান্ধি নিয়ে, কেতিয়া কোনে কাক মাৰে-কাটে, তাৰ একো নিশ্চয়তা নাছিল। মুখ খুলি কিবা এটা কোৱাটোও ভয়ৰ কথাৰ লেখীয়া হৈছিলগৈ। পোনতে এই অৱস্থাটোৰ ওৰ পৰিব লাগিব। সেয়ে এই কথাতে আমি প্ৰথমতে আত্মনিয়োগ কৰিব খুজিছো। ৰাইজে একগোট হৈ সঁহাৰি দিলে, আমাৰ এই চেষ্টাত সহজে ফল ধৰিব। আমি ৰাজ্যখনত শান্তি স্থাপন কৰিবলৈ বিচাৰো। কিন্তু পুলিচ-মিলিটাৰীৰে অশান্তি ৰোধ কৰাকে শান্তি বুলিব নোৱাৰি। শান্তি নেতিবাচক কথা নহয়। সৃজনধৰ্মী আৰু গঠনমূলক মনোভাবেহে শান্তিৰ আচল আধাৰ। আমি সেই স্বতস্ফূৰ্ত শান্তিৰ পৰিবেশহে জগাই তুলিবলৈ অধিক যত্নপৰ হম।

এই প্ৰসংগত মই বিভিন্ন অনুষ্ঠান, সংগঠন আদিলৈ পোনপটীয়াকৈ এটি আহ্বান জনাব খোজো। পৃথিৱীত এনে কোনো সমস্যা নাই, যাৰ মীমাংসা আলাপ-আলোচনাৰ জৰিয়তে হব নোৱাৰে। হিংসা, সন্ত্ৰাসবাদে কোনো সমস্যাৰ সমাধান নকৰে। জটিলতা বাঢ়েহে। নকমায়। সেইবাবে আমি আটায়ে একে লগে বহি সকলোবোৰ কথা খৰচি মাৰি আলোচনা কৰাটোহে জৰুৰী। এই সন্দৰ্ভত মই পোনতে আল্ফা অৰ্থাৎ সংযুক্ত মুক্তি বাহিনীলৈ মুকলিকৈ এই আমন্ত্ৰণ আগবঢ়াইছো। হিংসা আৰু সন্ত্ৰাসবাদত অনেক লোক বলি হ'ল। মই নিজেই মোৰ ভাই-ভতিজাকে ধৰি পৰিয়ালৰ ভালে কেইজনক হেৰুৱালো। প্ৰায় দেৰশৰো বেছি মোৰ দলীয় সহকৰ্মীয়েও প্ৰাণ দিবলগীয়া হ'ল। কিন্তু তথাপিও শান্তি স্থাপনৰ বৃহত্তৰ স্বাৰ্থৰ কথা ভাবি সংগঠনটোৰ সদস্য সকলৰ প্ৰতি মই বা আমাৰ চৰকাৰে কোনো তিক্ততাৰ ভাব ৰখা নাই। তদুপৰি যি গভীৰ ক্ষোভ আৰু হতাশাই আমাৰ এচাম প্ৰতিভাবান যুৱকক বন্দুক হাতত তুলি লবলৈ বাধ্য কৰিছে তাক আমি তেনেই নিৰাধাৰ বুলিও ভবা নাই। কিন্তু সেই সকলোবোৰৰে শান্তিপূৰ্ণ মীমাংসাহে আটাইৰে কাৰণে মংগলজনক হব। সেই বাবেই মুকলি মনেৰে, সদিচ্ছা আৰু আন্তৰিকতাৰে, পোনপটীয়াকৈ মই সংযুক্ত মুক্তি বাহিনীলৈ আমন্ত্ৰণ জনাইছো– 'আহক, হিংসা-প্ৰতিহিংসাৰ বাট এৰি থৈ আমি একেলগে বহোঁ, কথা বতৰা হওঁ, সকলোবোৰ বিষয় চালি-জাৰি চাওঁ আৰু সমস্যাৰ শান্তিপূৰ্ণ সমাধানৰ অন্বেষণ কৰো।' সংযুক্ত মুক্তি বাহিনীয়ে কথা দিছিল যে তেওঁলোকে নিৰ্বাচনত হস্তক্ষেপ নকৰে। সেই কথা তেওঁলোকে ৰাখিলে। মোৰ আন্তৰিক বিশ্বাস যে আমাৰ এই আমন্ত্ৰণতো তেওঁলোকে একেই দায়িত্ববোধেৰে সঁহাৰি দিব। ....

ৰাজ্যখনলৈ শান্তি আৰু স্থিৰতা ঘূৰাই অনাৰ চেষ্টাত আন দুই-এটা বিষয়তো আমি মনোযোগ দিব লাগিব। পৰিতাপৰ কথা যে আমাৰ অ'ত দিনৰ উন্নয়ন প্ৰক্ৰিয়াই সকলো শ্ৰেণীৰ ৰাইজৰ আশা আকাংক্ষাবোৰ ভালদৰে পূৰাবলৈ পৰা নাই। পাহাৰ-ভৈয়ামৰ জনজাতীয় ৰাইজৰ মনত ক্ষোভ আৰু হতাশা সৃষ্টিৰো ইয়েই ঘাই কাৰণ। আমাৰ বৈচিত্ৰ্যময় জনগাঁথনিত জনজাতীয় ৰাইজৰ স্থান অতি গুৰুত্বপূৰ্ণ। তেওঁলোকৰ আচাৰ-পৰম্পৰা, জীৱন-সংস্কৃতি ৰাজ্যখনৰ আপুৰুগীয়া সম্পদ আৰু সৌন্দৰ্য। তেওঁলোকৰ স্বকীয় পৰিচয় আৰু গৰিমা অক্ষুণ্ণ ৰখাই নহয়, সমৃদ্ধ কৰি তোলাৰ বাবেও আমি অংগীকাৰবদ্ধ। অসমৰ ৰাজনৈতিক আৰু ভৌগোলিক পৰিসীমাৰ ভিতৰতে যাতে জনজাতীয় ৰাইজে স্ব-শাসন আৰু উন্নয়নৰ অধিক সুবিধা পায়, তাক আমি সুনিশ্চিত কৰিম। তেওঁলোকৰ লগতে ৰাজ্যৰ আন আন ভাগে তোলা প্ৰশ্ন সমূহৰো সমাধান আমি আলাপ-আলোচনাৰ জৰিয়তে বিচাৰি উলিয়াম। আমাৰ ৰাজ্যখন বিভিন্ন ভাষা, ধৰ্ম আৰু জনগোষ্ঠীৰ গৃহভূমি। সকলোৱে মাজত পাৰস্পৰিক সদ্ভাৱ, সম্প্ৰীতি পুনৰ জগাই তুলিব নোৱাৰিলে ৰাজ্যখনত শান্তি স্থাপন হব নোৱাৰে। উন্নয়নৰ কথাও ভাবিব পৰা নাযাব। সেয়ে, আমাৰ আউল লগা সামাজিক সম্প্ৰীতিৰ এনাজৰিডালৰ হেৰুৱা আঁতো আমি সোনকালে বিচাৰি লব লাগিব। এই সকলোবোৰ বিষয়তে আমাৰ আটাইৰে উমৈহতীয়া আৰু সন্মিলিত প্ৰয়াসৰ দৰকাৰ হব। আমি সকলো ৰাজনৈতিক দলৰো সহযোগিতা আৰু সদিচ্ছা আশা কৰিছো। বিশেষকৈ বিধান সভালৈ ৰাইজে নিৰ্বাচন কৰি পঠিওৱা সকলো ৰাজনৈতিক দলৰে এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা আছে। গণতন্ত্ৰত শাসক আৰু বিৰোধী উভয় পক্ষৰে দায়িত্ব সমানেই গধুৰ। ৰাজ্যখনৰ জ্বলন্ত সমস্যাসমূহৰ বেলিকা আমি সকলোবোৰ বিৰোধী দলকে আস্থা আৰু বিশ্বাসত লম। জনমতৰ প্ৰতিনিধিত্ব কৰা অন্যান্য সংগঠন, ছাত্ৰ-যুৱক, বুদ্ধিজীৱী, বিভিন্ন সংস্থা আৰু সংবাদ মাধ্যমৰ পৰাও আমি সহযোগিতা বিচাৰিছো। কিয়নো, ৰাজ্যখনলৈ শান্তি আৰু সুস্থিৰতা ঘূৰাই অনাৰ ক্ষেত্ৰত আমাৰ কাৰো কোনো দ্বিমত থাকিব নোৱাৰে আৰু কথাটো সমীচীনো নহয়।"

মুখ্য মন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াই ১ জুলাইৰ সন্ধিয়া দূৰদৰ্শন আৰু আকাশবাণী যোগে দিয়া ভাষণৰ একাংশ।)

সূ

OKDISCD